# ঢকুৱাখনা মহাবিদ্যালয় আলোচনী

## ২৭ তম্ সংখ্যা ২০০৪-২০০৫ বৰ্ষ



তত্ত্বাৱধায়ক ঃ
ইন্দিবৰ বুঢ়াগোহাঞি

সম্পাদক ঃ
পংকজ শইকীয়া

## মহাবিদ্যালয়ৰ সংগীত

কথা ঃ পূৰ্ণানন্দ গগৈ
অধ্যাপক, অসমীয়া বিভাগ

আমি অজ্ঞানৰ আন্ধাৰ বিনাশোঁ
পোহৰৰ গতি খেদি
অজ্ঞানৰ আন্ধাৰ ভেদি
নিতে নৱ সৃষ্টিৰ আপোন প্ৰতিভা বিকাশোঁ
আমি অজ্ঞানৰ আন্ধাৰ বিনাশোঁ
সময়ৰ সংগতি ৰাখি
পুৰণি দুস্কৃতি নাশি
আমি অজ্ঞানৰ আন্ধাৰ বিনাশোঁ
সাম্য মৈত্ৰীৰ গান ৰচি
বঞ্চিতক প্ৰাপ্য যাঁচি
ভাতৃসম বন্ধুত্বৰে
নতুন সমাজ গঢ়োঁ
আমি অজ্ঞানৰ আন্ধাৰ বিনাশোঁ।

# ঢকুৱাখনা মহাবিদ্যালয় আলোচনী

সপ্তবিংশতিতম্ সংখ্যা ঃ ২০০৪-২০০৫

# DHAKUAKHANA COLLEGE MAGAZINE

27th ISSUE : 2004-2005

সম্পাদক
পংকজ শইকীয়া

তত্বাৱধায়ক
ইন্দিবৰ বুঢ়াগোহাঞি

*DHAKUAKHANA COLLEGE MAGAZINE, VOL XXVII, 2004-2005, Edited by Pankaj Saikia and Published by Dhakuakhana College Students' Union, Dhakuakhana - 787055, Assam and Printed at Quality Offset Printers, Dhakuakhana.*

## সম্পাদনা সমিতি



| | | |
|---|---|---|
| সভাপতি | ঃ | ড° গিৰিণ গগৈ |
| তত্বাৱধায়ক | ঃ | ইন্দিবৰ বুঢ়াগোহাঞি |
| উপদেষ্টা মণ্ডলী | ঃ | পূৰ্ণানন্দ গগৈ<br>ডিম্বেশ্বৰ গগৈ<br>নৰেন্দ্ৰ নাথ দত্ত |
| সম্পাদক | ঃ | পংকজ শইকীয়া |
| সদস্য/সদস্যা | ঃ | অনিল দত্ত<br>হীৰামণি লামুবৰুৱা<br>বশিষ্ঠ দেৱ ফুকন<br>গায়ত্ৰী দলে<br>অপৰাজিতা বুঢ়াগোহাঁই |
| বেটুপাত | ঃ | তিলক (ভবেন) কোঁৱৰ |
| ৰেখাচিত্ৰ অংকন | ঃ | ৰশ্মি চুতীয়া |
| আলোকচিত্ৰ/কলা নিৰ্দেশনা | ঃ | ইন্দিবৰ বুঢ়াগোহাঞি |
| ডি. টি. পি. | ঃ | বদন চন্দ্ৰ কলিতা (সূৰুয) |
| অঙ্গসজ্জা | ঃ | পংকজ শইকীয়া |
| প্ৰকাশক | ঃ | ঢকুৱাখনা মহাবিদ্যালয় ছাত্ৰ একতা সভা |
| মুদ্ৰণ | ঃ | কোৱালিটি অফ্‌ছেট প্ৰিন্টাৰ্চ, মাণিক বজাৰ, ঢকুৱাখনা।<br>☎ঃ ২৫৪২৭৫, ২৫৪৬১০ |

**বেটুপাতৰ তাৎপৰ্য ঃ**

হিংসা বিৰোধিতা, পাৰস্পৰিক ঐক্যতা আৰু উৎকৰ্ষতা।

**যিসকলক পাহৰিব নোৱাৰিম ঃ**

⌘ আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত দিহা-পৰামৰ্শ, সহায়-সহযোগিতা আগবঢ়োৱা অধ্যক্ষ মাননীয় ড° গিৰিণ গগৈ, উপাধ্যক্ষ ড° জিতৰাম কলিতাদেৱ

⌘ তত্বাৱধায়ক ইন্দিবৰ বুঢ়াগোহাঞি ছাৰ

⌘ পাণ্ডুলিপি আদি নিৰীক্ষণ কৰি সহায় কৰা শ্ৰদ্ধাৰ শিক্ষাগুৰু পূৰ্ণানন্দ গগৈ, ডিম্বেশ্বৰ গগৈ, অমিয় কুমাৰ সন্দিকৈ, নৰেন্দ্ৰ নাথ দত্ত, ড° চন্দ্ৰনাথ বৰুৱা

⌘ সাহিত্যিক ড° চন্দ্ৰধৰ চমুৱা আৰু জিতু চমুৱা

⌘ বিভিন্ন দিশত সহায়-সহযোগ কৰা বন্ধু-বান্ধৱী


⌘ আলোচনীখনিলৈ লেখা আগবঢ়োৱা ছাত্ৰ-ছাত্ৰী, শিক্ষাগুৰু আৰু

⌘ আলোচনীৰ সফলতা কামনা কৰা সকল

⌘ কোৱালিটি অফছেট প্ৰিণ্টাৰ্ছৰ স্বত্বাধিকাৰী প্ৰমুখ্যে সমূহ কৰ্মচাৰী



## উৎসৰ্গা ঃ



অসমীয়া ভাষা-সাহিত্যৰ অন্যতম কাণ্ডাৰী,
শিক্ষাবিদ,
অসম সাহিত্য সভা (ৰহা, নগাঁও)ৰ প্ৰাক্তন সভাপতি,
'অসমীয়া সাহিত্যৰ চমু বুৰঞ্জী'
'সাহিত্য চিন্তা', 'সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা'
আদি গ্ৰন্থৰ প্ৰণেতা,
সাহিত্য সভাৰ লগত ওতঃ প্ৰোত ভাৱে জড়িত
নিষ্ঠাবান সংস্কৃতিসেৱী
আৰু
বিশাল ব্যক্তিত্বৰ অধিকাৰী,
অসমৰ সুযোগ্য সন্তান
সদ্য প্ৰয়াত
সাহিত্যাচাৰ্য যতীন্দ্ৰ নাথ গোস্বামীৰ
পবিত্ৰ সোঁৱৰণত
ঢকুৱাখনা মহাবিদ্যালয়ৰ
এই সংখ্যাৰ আলোচনীখন সশ্ৰদ্ধে উৎসৰ্গা কৰা হ'ল।

*—সম্পাদনা সমিতি*

## শ্ৰদ্ধাঞ্জলি

এই জগতত আৰু জীৱনত এটা তুৰীয় সত্য আছেঃ মৃত্যু। মৃত্যুৱে আমাক কন্দুৱায়। কবিৰ ভাষাত ই এক শিল্প। এই মৃত্যুৰ বাবেই আমাৰ জীৱন সুন্দৰ হৈ আছে। যি সকলে দেশ, সমাজ, জাতি, শিল্প, সাহিত্য, বিজ্ঞান আদিলৈ মূল্যবান অৱদান আগবঢ়াই পৃথিৱীৰ পৰা চিৰবিদায় মাগিছে, তেওঁলোকে মৃত্যুক জিনিব পাৰিছে। কোন সতে এওঁলোকক পাহৰিব পাৰি!

আকৌ, প্ৰাকৃতিক দুৰ্যোগ, দুৰ্ঘটনা আদিয়ে অকালতে প্ৰাণ কাঢ়ি নিয়া দুৰ্ভগীয়াসকলৰ বাবেও আমাৰ প্ৰাণে কান্দে। এনেকুৱা কিছুসংখ্যক মৃতকৰ সোঁৱৰণেৰে আমাৰ এই পৃষ্ঠাটি সিক্ত হৈ আছে।

আমি শ্ৰদ্ধাঞ্জলি আগবঢ়াইছোঁ—

- ✡ থাইলেণ্ড, ইন্দোনেছিয়া, ভাৰত আদিৰ উপকূলীয় অঞ্চলত ছুনামিয়ে জীৱন-বন্তি নিৰ্বাপিত কৰা লক্ষাধিক দুৰ্ভগীয়া লোকলৈ।
- ✡ মহাৰাষ্ট্ৰ, উৰিষ্যা আদিত হোৱা ভয়াবহ বানপানী আৰু জম্মু-কাশ্মীৰ, পাকিস্তান আদিত হোৱা প্ৰলয়ংকৰী ভূমিকম্পই প্ৰাণ কাঢ়ি নিয়া সকললৈ।
- ✡ ভাৰতৰ পৰমাণু সম্পৰ্কীয় কাৰ্যসূচীৰ বাটকটীয়া ড° ৰাজা ৰামান্নালৈ।
- ✡ সাহিত্য অকাডেমী আৰু জ্ঞানপীঠ বঁটা বিজয়ী, পদ্মভূষণ উপাধিৰে বিভূষিত, হিন্দী সাহিত্যৰ প্ৰসিদ্ধ ঔপন্যাসিক, গল্পকাৰ, নিৰ্মল বাৰ্মালৈ।
- ✡ অসাধাৰণ ঔপন্যাসিক, গল্পকাৰ, প্ৰাবন্ধিক, 'ভাৰও পক্ষীৰ জাক'ৰ স্ৰষ্টা উমাকান্ত শৰ্মালৈ।
- ✡ কাৰ্বি আংলঙত কাৰ্বি-ডিমাছাৰ মাজৰ নৃ-গোষ্ঠীয় সংঘৰ্ষত মৃত্যুবৰণ কৰা নিৰপৰাধী সকললৈ।
- ✡ জ্ঞানপীঠ বঁটা বিজয়িনী কবি, গল্পকাৰ, ঔপন্যাসিকা অমৃতা প্ৰীতমলৈ।
- ✡ সু-প্ৰসিদ্ধ নেপালী সাহিত্যিক হৰিপ্ৰসাদ গোৰ্খাৰায়লৈ।
- ✡ স্বেচ্ছামৃত্যু বৰণ কৰা 'অসমীয়া প্ৰতিদিন' কাকতৰ শুৱালকুছিস্থ সাংবাদিক কনক ৰাজমেধিলৈ।
- ✡ অসমীয়া ভাষা-সাহিত্যৰ অন্যতম কাণ্ডাৰী, শিক্ষাবিদ, অসম সাহিত্য সভা (ৰহা)ৰ প্ৰাক্তন সভাপতি, সাহিত্যাচাৰ্য যতীন্দ্ৰনাথ গোস্বামীলৈ।
- ✡ বিশিষ্ট অৰ্থনীতিবিদ, নিবন্ধকাৰ, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ প্ৰাক্তন অধ্যাপক ভুবন বৰুৱালৈ।
- ✡ ভাৰতৰ উপ-ৰাষ্ট্ৰপতি কে. আৰ. নাৰায়ণলৈ।
- ✡ চলচ্চিত্ৰ-অভিনেত্ৰী, 'দেৱদাস'ৰ 'পাৰু' যমুনা দেৱীলৈ।
- ✡ বিশিষ্ট নাট্যকাৰ, সাহিত্যিক মহেন্দ্ৰ বৰঠাকুৰলৈ।
- ✡ 'ৰামায়ণ' খ্যাত চিৰিয়েল নিৰ্মাতা ৰামানন্দ সাগৰলৈ।

— সম্পাদনা সমিতি



Dr. K. Pathak
*Vice-Chancellor*

DIBRUGARH UNIVERSITY
DIBRUGARH - 786 004, ASSAM
Phone : 0373-2370239 (O)
Fax : 0373-2370323
E-mail : kulendupathak@yahoo.com

No. DU/VC/067/05/192

Date : 08-10-'05

## শুভেচ্ছা বাণী

মৰমৰ পংকজ,

তোমাৰ চিঠি দুখনৰ বাবে ধন্যবাদ জনালো। মহাবিদ্যালয়-আলোচনীবোৰ মহাবিদ্যালয়ৰ সামূহিক জীৱনৰ এক অংগস্বৰূপ আৰু সেইবাবে 'আলোচনীখন সৰ্বাংগ সুন্দৰ হওক' বুলি আশা কৰিলো।

আজিৰ অসমৰ থলুৱা জনগোষ্ঠীবোৰৰ সংস্কৃতি আৰু সমাজ ব্যৱস্থা যথেষ্ট বিপদৰ সন্মুখীন হৈছে। বিশ্বায়ন অৱশ্যম্ভাৱী; কিন্তু বিশ্বায়নে বহুতো ক্ষুদ্ৰ ভাষা, সংস্কৃতি আৰু সমাজ ব্যৱস্থাক বিলুপ্তিৰ পিনে আগবঢ়াই দিব - এই কথাও আমি মনত ৰাখিব লাগিব। আজিৰ জ্ঞানযুগত প্ৰতি পদক্ষেপতে নতুন কথা শিকাৰ প্ৰয়োজন (A knowledge society is a learning society), কিন্তু আমাৰ একাংশ বাতৰি কাকতে ক্ষুদ্ৰ খিয়লা-খিয়লি, হিংসা, সন্ত্ৰাস আদিৰ জগতখনতে আমাক আৱদ্ধ কৰি ৰাখিব বিচৰা যেন লাগে।

কলেজৰ আলোচনীয়ে অন্যান্য কথাৰ লগতে এনেবোৰ দিশতো মুক্ত আলোচনাৰ পথ প্ৰশস্ত কৰিব পাৰে।

ছাত্ৰ একতা সভা আৰু সম্পাদনা সমিতিৰ সমূহ সদস্যলৈ মোৰ হিয়া ভৰা অভিনন্দন আৰু শুভেচ্ছা জনালো।

ইতি

কুলেন্দু পাঠক

(ড° কুলেন্দু পাঠক)

*Dr. Chandradhar Chamuah* M. A, B. T., Ph. D.
Dhakuakhana - 787055
Dist : Lakhimpur (Assam)
Phone :- (03752) 254718

**ড° চন্দ্ৰধৰ চমুৱা,** এম-এ, বি-টি, পি এইচ-ডি
ঢকুৱাখনা ঃ ৭৮৭০৫৫
জিলা ঃ- লখিমপুৰ (অসম)
ফোন নং ঃ (০৩৭৫২) ২৫৪৭১৮

তাৰিখ ঃ- ২৮-১১-০৫

## শুভেচ্ছা বাণী


ভাৰতীয় নীতি-শাস্ত্ৰত মানুহৰ জীৱনত পৰিশোধ কৰিবলগীয়া তিনিবিধ ঋণৰ কথা কোৱা হৈছে—দেৱঋণ, পিতৃঋণ আৰু ঋষিঋণ। ঋষিসকলে আমাক তেওঁলোকৰ সাধনালব্ধ জ্ঞান আৰু চিন্তাৰ মহৎ আকৰ দি থৈ গৈছে। তেওঁলোকৰ ঋণ পৰিশোধ কৰিবৰ কাৰণে আমি তেওঁলোকৰ দৰে বৌদ্ধিক সম্পদ সৃষ্টিত ব্ৰতী হ'ব লাগিব। বৈষয়িক সম্পদ আহৰণ কৰি মানুহৰ কোনো কালে শেষ নহয়, বৌদ্ধিক সম্পদৰ বেলিকাও তেনেকুৱাই। কিন্তু প্ৰথম বিধ আহৰণৰ যাত্ৰপথত অন্যক শোষণ-বঞ্চনা কৰিবলগীয়াও হ'ব পাৰে। কিন্তু ঋষি-প্ৰদত্ত বৌদ্ধিক সম্পদৰ ক্ষেত্ৰত তেনে কৰিব নালাগে। বৈষয়িক সম্পদ মানুহে সহজে আৰু নিস্বাৰ্থভাৱে অন্যক নিবিলায়, কিন্তু বৌদ্ধিক সম্পদ আহৰণ কৰি মানুহে মানুহক বিলাই পৰম তৃপ্তি লাভ কৰে। মানৱ সভ্যতাৰ ফচল এই বৌদ্ধিক-সাংস্কৃতিক সম্পদ আহৰণ আৰু বিতৰণৰ বাবে এখন আলোচনী হৈছে এক সৎ আৰু মহৎ প্ৰচেষ্টা। এনে প্ৰচেষ্টাক প্ৰতিজন সভ্য-সংস্কৃতিবান লোকেই নিশ্চয় আদৰণি জনায়। ঢকুৱাখনা মহাবিদ্যালয়ৰ মুখপত্ৰখনি প্ৰকাশ পোৱাৰ বাৰ্তাত আমি আনন্দিত হৈছো আৰু ইয়াৰ সম্পাদক তথা সম্পাদনা সমিতি আৰু উদ্‌গাতাসকলৰ লগতে লেখক-লেখিকা, পাঠক-পাঠিকা সকলোলৈকে প্ৰীতি-শুভেচ্ছা জনাইছো। এই আলোচনীয়ে আমাৰ চিন্তা-চেতনাৰ দিশ প্ৰসাৰিত কৰাৰ লগতে গীত-নাট-নৃত্য আৰু ক্ৰীড়া আদি ব্যক্তিত্ব বিকাশৰ সকলো দিশতে উদ্‌গনি দি নৱ-প্ৰজন্মক প্ৰগতিৰ বাট দেখুৱাওক, এয়া একান্তই কামনা কৰিছো।

ইতি

(ড° চন্দ্ৰধৰ চমুৱা)



## আমাৰ শ্ৰদ্ধাস্পদ ঃ



অধ্যক্ষ ড° গিৰিণ গগৈ

# আলোচনী সম্পাদনা সমিতি



বহি (বাওঁফালৰ পৰা) ঃ অধ্যাপক ডিম্বেশ্বৰ গগৈ (উপদেষ্টা), অধ্যক্ষ ড° গিৰিণ গগৈ (সভাপতি), অধ্যাপক পূৰ্ণানন্দ গগৈ (উপদেষ্টা), অধ্যাপক নৰেন্দ্ৰ নাথ দত্ত (উপদেষ্টা), অধ্যাপক ইন্দিবৰ বুঢ়াগোহাঞি (তত্ত্বাৱধায়ক)।

থিয় হৈ (বাওঁফালৰ পৰা) ঃ বশিষ্ঠদেৱ ফুকন (সদস্য), পংকজ শইকীয়া (সম্পাদক), অনিল দত্ত (সদস্য), গায়ত্ৰী দলে (সদস্যা), অপৰাজিতা বুঢ়াগোহাঁই (সদস্যা), অনুপস্থিত সদস্যা (হীৰামণি লামুবৰুৱা)।



# সূচীপত্ৰ


- সম্পাদকীয়/১০
- তত্ত্বাৱধায়কৰ কলম/১২

**প্ৰবন্ধ ঃ**

- 'পাৰিজাত হৰণ নাট'ত নাৰদ চৰিত্ৰৰ ভূমিকা ঃ চিত্ৰ কুমাৰ কোঁচ/১৩
- মামণি ৰয়চম গোস্বামীৰ উপন্যাসৰ ওপৰত এক বিহংগম দৃষ্টি ঃ দেৱাঞ্জন বৰুৱা /১৫
- নিৰ্মলপ্ৰভাৰ জীৱন, গান আৰু কবিতা ঃ ৰিমঝিম চেতিয়া/১৭
- বাটৰ নাট ঃ এক প্ৰত্যাহ্বান ঃ এনিশা বুঢ়াগোহাঁই/১৯
- বৈজ্ঞানিক দৃষ্টিভঙ্গী আৰু অন্ধবিশ্বাস ঃ ৰশ্মি চুতীয়া/২১
- ঘা-মহামাৰী ঃ দেশৰ মৎস্য সম্পদ সুৰক্ষিতনে? ঃ নৰেন্দ্ৰনাথ দত্ত/২৩
- ভাৰতীয় গণতন্ত্ৰ আৰু ভুৱা ধৰ্মনিৰপেক্ষতা ঃ ৰিতু কুমাৰ দাস/২৫
- সু-শৃঙ্খল সমাজ সংগঠনত ডবুৰ পূজাৰ ভূমিকা ঃ লক্ষীন্দৰ দলে/২৭
- অসমৰ সংস্কৃতিত বাঁহৰ গুৰুত্ব ঃ নমিতা দত্ত/২৯
- বিমূৰ্ত ফটোগ্ৰাফী ঃ ইন্দিবৰ বুঢ়াগোহাঞি/৩১

**গ্ৰন্থ বীক্ষণ ঃ**

- মোৰ দৃষ্টিত তিনিখন গ্ৰন্থ ঃ গায়ত্ৰী দলে /৩৩

**দৃষ্টিকোণ ঃ**

- সাফল্যৰ আঁৰৰ কেইটামান কথাঃ মিলন চেতিয়া /৩৬

**আলোকপাত ঃ**

- ঢকুৱাখনা মহাবিদ্যালয় আৰু কিছু কথা ঃ কৃষ্ণকান্ত চেতিয়া /৩৯

**গল্প ঃ**

- তোমাৰ ছবিটি বুকুতে সাৰটি ঃ ড° জিতৰাম কলিতা /৪০
- নীড়বিহীন পখীৰ আৰ্তি ঃ বশিষ্ঠদেৱ ফুকন/৪৪
- সেউজীয়া হৃদয় ঃ জুলী দত্ত /৪৭
- দুঃসময় ঃ হীৰামণি লামু বৰুৱা /৪৯
- অনুৰুপালৈ মুকলি চিঠি ঃ সুশান্ত পেগু /৫১
- আশ্ৰয় ঃ দীপিকা দত্ত /৫৩
- কাংকান ঘাটৰ ঐনিঃতম ঃ ৰাজেশ পেগু /৫৫

**কবিতা** ৫৮-৬৩

- অপমৃত্যু মৃত্যু ইত্যাদি ঃ কৈলাশ দত্ত
- জীৱনৰ অৰ্থৰে মই মোক...ঃ মৃন্ময়ী দত্ত
- আকৌ এদিন যাম দিখৌ নৈৰ পাৰলৈ ঃ কমল দাস
- হেৰুওৱা আত্মা থকা দেশৰ সন্ধানত ঃ ৰিদিপ খনিকৰ
- কুঁৰলী ঃ বিদ্যাৰতী গগৈ
- হৃদয়ত খামুচি আছে তোমাৰ স্মৃতি ঃ ৰঞ্জিত শৰ্মা
- আপদীয়া কবিতা ঃ নন্দ চুতীয়া
- এই নদী নিৰৱধি ঃ বিউটি বৰা
- চাৰিকড়ীয়া ঃ ৰিঞ্জুমনি খনিকৰ
- জাকৈয়া ছোৱালীৰ গাভৰু মন ঃ গোবিন কলিতা
- ৰভাতল ঃপৰিস্মিতা গগৈ
- এটি জাৰজ কবিতাৰ কথাৰে ঃ অপৰাজিতা বুঢ়াগোঁহাই

**কেটাহি ঃ**

- কলেজত জনপ্ৰিয়তা লাভ কৰাৰ দুই চাৰিটা কিটিপ ঃ নয়নমনি চেতিয়া /৬৪

**প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ শিতান ঃ**

- এজন প্ৰিজাইডিং অফিচাৰৰ ডায়েৰী ঃ চিন্তন বৰুৱা /৬৬
- Monumental Structures and Architectures of Assam: An Introduction to the Ahom Age. : Dipanka Boruah/৭২
- শব্দ ঃ জিতু কুমাৰ চমুৱা/৭৪
- হৃদয়ৰ অভিধানত প্ৰেমৰ আক্ষৰিক অৰ্থ বিচাৰি ঃ জিতু দত্ত /৭৪
- তেওঁত মোৰ ছবি ঃ মেঘালী দত্ত /৭৪

**মুখামুখি ঃ** /৭৫

**দেৱালৰ সাহিত্য ঃ** /৭৮

**কলা বীথিকা ঃ** /৮১

**English Section :**

- The History of the Little boy and the Fat man. : Dipankar Chetia /৮৩
- "Abortion" A Brutal Crime : Bishnu Priya Doley/৮৪
- Ashoka : one of the greatest king of india : Zyotika Pateer/৮৫
- Flood Affected Displaced Persons: Understanding the Question of Governance and Human Rights in the Context of Dhakuakhana Sub-Division of Assam. : Dr Chandra Nath Boruah. /৮৬
- A Snake : Bishajit Kalita/৮৮
- I Dreamt a Dream : Tridip Das /৮৮

**ফটো ঃ** /৮৯

**প্ৰতিবেদন ঃ** /৯৩

**মহাবিদ্যালয় সপ্তাহৰ ফলাফল ঃ** /১০০



# সম্পাদকীয়

(এক)

**সম্পদ আৰু বিপদ ঃ**

সম্প্ৰতি বহু আলোচিত, চিন্তনীয় বিষয় এটা হৈছে জন বিস্ফোৰণ। বিস্ফোৰণ মানেই ত্ৰাস সৃষ্টিকাৰী, চিন্তা উদ্ৰেককাৰী। কিন্তু সম্পদ বিস্ফোৰিত নহয় কস্মিন কালেও; ই সংৰক্ষণযোগ্য। সমাজ, দেশ, বিশ্ব যদি প্ৰকৃত 'মানুহ'ৰ উৎস ভূমি হয়, তেন্তে সেয়া হ'ব সম্পদ। মানৱ সম্পদ। শিক্ষাৰ মূলগত লক্ষ্য হৈছে মানুহক 'মানুহ' কৰা; সময়, সমাজ, দেশাচাৰে ইয়াক আজি কিন্তু বৈষয়িক সুখৰ আধাৰ স্বৰূপে সংকীৰ্ণ অৰ্থত প্ৰক্ষেপ কৰিছে, সেয়ে আমি ছাতৰসকল অদূৰ ভৱিষ্যতে দেশৰ ধৰণী নহওঁগৈ, হ'ম অৰ্থলিপ্সু, দুৰ্নীতিগ্ৰস্ত চাকৰিয়াল-বিষয়া, নহ'লেবা নাজল-নাথল নিবনুৱা, অষ্টম দৰিদ্ৰ, নহ'লেবা সন্ত্ৰাসবাদী, জাতিহন্তা, ব্যভিচাৰী, বিকাৰগ্ৰস্ত ইত্যাদি ইত্যাদি। আমাৰ শিক্ষা ব্যৱস্থা আজি ভিত্তিমূল ছিন্ন, ছাত্ৰ সমাজ আজি কক্ষচ্যুত, শিক্ষাদাতা আৰু অভিভাৱক শ্ৰেণীও বহুক্ষেত্ৰত সঠিক পথৰ সন্ধান দিয়াত দুৰ্ভাগ্যজনক ভাৱে ব্যৰ্থ। আমি সম্পদ হ'মনে বিপদ হ'ম সি বাস্তৱিকতে আমাৰ শিক্ষা ব্যৱস্থাৰ ওপৰত বহুখিনি নিৰ্ভৰ কৰিছে।

**ছাত্ৰ আৰু শিক্ষক ঃ পৰস্পৰে পৰস্পৰৰ পৰিপূৰক ঃ**

ছাত্ৰ আৰু শিক্ষক— এই শব্দ দুটিৰ গুৰুত্ব আৰু মহানতা উপলব্ধি কৰিব পাৰিলেহে তাৰ সাৰ্থকতা ৰক্ষা হয়। 'মহাভাৰতীয় পৰিক্ৰমা'ত আমি দুজন মহান ছাত্ৰক লগ পাওঁ—হিৰণ্যধনুৰ পুত্ৰ একলব্য আৰু মহাৰথী কৰ্ণ ঃ এজনৰ লক্ষ্য প্ৰাপ্তিৰ প্ৰতি অবিচল আস্থা, অধ্যৱসায়, সাফল্য, বিনয় আৰু আনজনৰ চৰম দুৰ্দশা, কাৰুণ্য আৰু প্ৰতিকূলতাকো নেওচি অবিৰত কৃচ্ছ্ৰসাধনাৰে কৰা ভূমামুখী যাত্ৰাই আমাক আশ্বৰ্যান্বিত কৰে, বিমুগ্ধ কৰে। মানৱ সমাজক কৰ্ণ-একলব্যৰ জীৱন বীক্ষাই উদ্বুদ্ধ আৰু আলোকিত কৰে; তেহেলৈ তেওঁলোক ট্ৰেজিক চৰিত্ৰই হওক লাগে। কিন্তু দ্ৰোণাচাৰ্যৰ দৰে কপটাচাৰ পোষণ কৰা গুৰুৰ প্ৰয়োজনীয়তাক অস্বীকাৰ কৰিবলৈ কোনো মানৱদৰদী নিশ্চয় কুণ্ঠিত নহ'ব। একেদৰে শিক্ষকতাক যেতিয়া সেৱা হিচাপে নলৈ পেছা বা চাকৰি জ্ঞান কৰিব বিচৰা হয়, সন্মানীয় আসন এখনৰ পৰা তেতিয়াই শিক্ষাগুৰুসকল অৱনমিত আৰু আদৰ্শ ভ্ৰষ্ট হয়। শিক্ষক সমাজৰ বিষয়ে বিযোদগাৰ কৰাৰ ধৃষ্টতা আমাৰ নাই, তথাপি এই কথাখিনি এইবাৰেই ক'ব বিচৰা হৈছে যে শিক্ষক-ছাত্ৰৰ মাজত আন্তৰিকতা, সৌহাদ্যপূৰ্ণ সম্পৰ্ক গঢ়ি তোলাৰ ক্ষেত্ৰত দুয়ো শ্ৰেণীৰে ভূমিকা সমান। আৰু এই মধুৰ সম্পৰ্কৰ অৱনতিয়ে কেৱল ছাত্ৰ সকলৰে নহয়, শিক্ষক শ্ৰেণীৰো অপাৰগতা প্ৰকট কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনৰ স্নাতক ২য় খণ্ডৰ পৰীক্ষা-বহী কেলেংকাৰীৰ দৰে ঘটনাই জনমানসত প্ৰোথিত আস্থা আৰু বিশ্বাসত মোক্ষম আঘাত হানে।

(দুই)

**আবেদনময়ী সাহিত্য যন্ত্ৰৰ চকাত পিষ্ট নহয় ঃ**

সাহিত্যৰ বুকুত জাতি-চৰিত্ৰ প্ৰতিবিম্বিত হয়। ইয়াৰ নান্দনিক সৌন্দৰ্যই আমাক অভিভূত কৰে। জীৱন-জগত সম্পৰ্কীয় গভীৰ উপলব্ধি, জ্ঞান আৰু অভিজ্ঞতাৰ ভাণ্ডাৰ এই সাহিত্য। ই আমাৰ সৃষ্টিশীলতা আৰু কল্পনাশক্তি, অন্তৰ্দৃষ্টি আৰু দূৰদৃষ্টি জাগ্ৰত কৰে; ব্যক্তি-সময়-সমাজ-সংস্কৃতিত অন্তৰ্লীণ তাৎপৰ্য আৰু মানৱীয় প্ৰমূল্য, মূল্যবোধৰ প্ৰতি সচেতন কৰে। পিছে অতি সম্প্ৰতি সাহিত্যৰ ভৱিষ্যত সম্পৰ্কেও প্ৰশ্ন উত্থাপিত হৈছে। বিভিন্ন ইলেকট্ৰনিক মাধ্যমৰ প্ৰচাৰ-প্ৰসাৰ, বিশেষকৈ কম্পিউটাৰ টেকন'ল'জিয়ে সাহিত্যৰ মূল্য আৰু শক্তিক নস্যাৎ কৰিব খুজিছে। কিন্তু আপুনি জানো বিচাৰে যে কিতাপৰ মৃত্যু হওক!

**হে শব্দৰ শিল্পী! সেউজ-সোণালী শইচেৰে ভৰাই তোলক পথাৰ ঃ**

নতুন প্ৰজন্মৰ অসমীয়াৰ মাজত সাধনা, অধ্যয়ন আৰু সৃষ্টিশীল সাহিত্য-কৰ্মৰ প্ৰতি অনাগ্ৰহ আৰু অমনোযোগিতা পৰিলক্ষিত হৈছে। সাহিত্য তেতিয়াহে যুগজয়ী আৰু কালজয়ী হ'ব, যেতিয়া সাহিত্যিকে অসামান্য সৃজনী শক্তি, অন্তৰ্দৃষ্টি, পাঠকৰ ৰুচিবোধৰ প্ৰতি সজাগতা, ৰচনা কৌশল, নান্দনিকতা, মহাজাগতিক জ্ঞান-উপলব্ধিৰ সংমিশ্ৰণ ঘটাব। সৰ্বোপৰি তাত অনুৰণিত হৈ থাকিব লাগিব মানৱীয় আবেদনৰ সুৰলহৰী। নবীন চাম সাহিত্যিকে সৃষ্টিশীল ৰচনাৰে জাতীয় জীৱন, সাহিত্য সমৃদ্ধ কৰক—আমি তাকেই কামনা কৰোঁ।





**অখাদ্যত ৰুচি আৰু মোৰ ক'বলগা যৎকিঞ্চিত ঃ**

এটা কথা নিৰ্দ্বিধাই ক'ব পাৰি যে অসমীয়া সাহিত্য মূলতঃ আলোচনী কেন্দ্ৰিক। জোনাকী যুগ, আৱাহন যুগ, ৰামধেনু যুগ আদি আলোচনী ভিত্তিক নামকৰণে ইয়াৰে সাক্ষ্য দাঙি ধৰে। আজিকালি বজাৰত গিজ্‌গিজাই থকা কেতবোৰ কাকত-আলোচনী উপৰিউক্ত আলোচনীবোৰৰ সম-গোত্ৰীয় হোৱাটো আৰু জাতীয় সাহিত্য-সংস্কৃতি সমৃদ্ধ কৰাটো বাদেই, বৰং আমাৰ সুৱদি-সুৰীয়া ভাষাটোৰ বিকৃতকৰণ তথা টুলুঙা আৰু কুৰুচিপূৰ্ণ সাহিত্যৰে আমাক বিভ্ৰান্ত কৰাতহে অৰিহণা যোগাইছে। ছাত্ৰ বন্ধু সকল, এই আলোচনীবোৰ বাৰু আপোনালোকে কিদৰে গো-গ্ৰাসে গিলিব পাৰে?

**মহাবিদ্যালয়-আলোচনী এলাগী কিয়?**

প্ৰায়বোৰ মহাবিদ্যালয়ে বছৰে প্ৰতি একো একোখন আলোচনী জন্ম দি আহিছে। 'মহাবিদ্যালয় আলোচনী'য়েও বৌদ্ধিক মনন-চিন্তনৰ খোৰাক যোগোৱাৰ লগতে সাহিত্যৰ পথাৰখন চহকী কৰাত সহায়কাৰী ভূমিকা ল'ব পাৰে। কিন্তু ইয়াৰ পঠন, পাঠন (মূল্যাংকন) আশানুৰূপ নহয়। আলোচক, সমালোচক তথা বিজ্ঞ মহলে এনে আলোচনীৰ গুণগত, কলাসুলভ মূল্য নিৰূপণ অথবা দুৰ্বল দিশ-সমূহৰ চিনাক্তকৰণত বিশেষ গুৰুত্ব দিয়া পৰিলক্ষিত নহয়। ই বৰ দুৰ্ভাগ্যৰ কথা।

(তিনি)

**নৈৰাজ্য আৰু নিৰ্মাণ ঃ**

হে সতীৰ্থ—

আমাৰ জাতীয় জীৱন এতিয়া মুঠেও সুখকৰ নহয়। কি সমাজনীতি, কি ধৰ্মনীতি, কি ৰাজনীতি—সকলোতে অনীতি-অনাচাৰে গা ঘেলাই ফুৰিছে। ভোটাধিকাৰৰ দৰে গুৰুত্বপূৰ্ণ, ক্ৰিয়াশীল, সুদূৰ-প্ৰসাৰী অধিকাৰ এটাক সামান্য স্বাৰ্থৰ বিনিময়ত কিমান লজ্জাজনক ভাৱে আমি বন্ধকত থওঁ; ধৰ্ম, জাতি-বৈষম্য, সাম্প্ৰদায়িকতা আদিৰ নামত যুৱ শক্তি কিমান কৰুণভাৱে দানবীয় শক্তিলৈ ৰূপান্তৰিত হয়; উচ্ছৃংখল কাৰ্য-কলাপেৰে কি জঘন্যভাৱে আমি সমাজ জীৱনত বিষবাষ্প বিয়পাওঁ? আমাৰ পৰিচয় কি?

আধুনিকতা আৰু বিশ্বায়নৰ বতাহে আমাক কোবাই নোযোৱাকৈ থকা নাই। সেইবুলি দুৱাৰ-খিৰিকী জপাই থাকিলে নাদৰ ভেকুলীতকৈ আৰু একো বেছি হ'ব নোৱাৰিম। এতিয়া সংশয়, অনিশ্চয়তা আৰু অস্থিৰতাৰ যুগ। এতিয়া মুখৰ ভাত আনে কাঢ়ি খোৱাৰ যুগ। তথাপি আমি জীৱন সংগ্ৰামত ব্ৰতী হ'ব লাগিব। সপোন দেখিব লাগিব ছান্তিয়াগ' (হেমিংৱেৰ 'দ্য অল্ড মেন এণ্ড দ্য চি' উপন্যাসৰ এটা চৰিত্ৰ)ৰ দৰে। স্বপ্ন নিৰ্মাণ কৰিব লাগিব। ৰাষ্ট্ৰপতি ড° কালামেও কৈছে, "সপোন, সপোন, সপোন দেখা। সপোনে ৰূপান্তৰিত কৰে চিন্তালৈ আৰু চিন্তাই জন্ম দিয়ে কৰ্ম।" আকৌ যুগ আৰু কালৰ যিখিনি মহৎ আৰু শ্ৰেষ্ঠ, তাক নিচিনিলে মুৰ্খামি কৰা হ'ব।

বন্ধুসকল, আমি জানো, আপোনালোকেও জানে, সদাচাৰ, সত্যনিষ্ঠতা আদিবোৰ সদ গুণ। কিন্তু কিমানজনেই বা তাক আখৰে আখৰে পালন কৰোঁ! আমি সৎ হ'লে সমাজ সৎ হ'ব, সমাজ সৎ হ'লে পৃথিৱীখন সুন্দৰ হ'ব। আমাৰনো কি নাই? সকলো আছে। আনে ঈৰ্ষা কৰিব পৰাকৈ আমি জাতীয় ঐতিহ্য, সংস্কৃতি, সাহিত্যত চহকী; অখণ্ড জাতিসত্তাৰ স্বপ্নক সাকাৰ ৰূপ দিয়া শংকৰদেৱ নামৰ বিশাল বৃক্ষৰ প্ৰচ্ছায়াঁ আছে, দেশমাতৃকাৰ চৰণত আত্মাহুতি দিয়া শত শত বীৰ-শ্বহীদৰ সোঁৱৰণি আছে। আমাৰ নাই কি ? ভাত-কাপোৰৰ সমস্যা? সমস্যা অৱশ্যেই আছে ঃ দৰিদ্ৰতা, নিৰক্ষৰতা, নিবনুৱা সমস্যা, বানপানী, খৰাং, মহামাৰী, গৰা খহনীয়া, বন্ধ দুষ্কৃতি, বোমা বিস্ফোৰণ, বিচ্ছিন্নতাবাদ... ঢেৰ সমস্যা। আমি কিন্তু বহুতেই ভগৱান নামৰ এক অদৃশ্য শক্তি অথবা ভাগ্যৰ ওপৰত সৰ্বদোষ জাপি চৰকাৰৰ হাতলৈ-মুখলৈ চাই হাত সাৱটি বহি আছোঁ। গণতন্ত্ৰৰ ফোঁপোলা স্বৰূপটোৰ বিষয়ে এতিয়া আৰু কোনেও অজ্ঞাত হৈ থকা নাই। প্ৰতিনিয়ত আমি মানৱ-অধিকাৰ উলংঘন প্ৰত্যক্ষ কৰিছোঁ, এমুঠি পাবত গজা পুঁজিপতি-দালালৰ আশ্ৰয় লৈছোঁ, 'অসমীয়াৰ সংজ্ঞা' বিচাৰি হাবাথুৰি খাবলগীয়া অৱস্থা এটাৰ সন্মুখীন হৈছোঁ। বহু অন্যায় দেখিও আমি নীৰৱে আছোঁ। কাৰণ বোবাৰ হেনো শত্ৰু নাই।

আমি স্বাৱলম্বী হ'ব লাগিব, 'নিজৰ চাকিৰে বাট চিনিব লাগিব', কৰ্মমুখী শিক্ষা ব্যৱস্থাৰ পোষকতা কৰিব লাগিব; আমি খামুচি ধৰিব লাগিব সময়ৰ আগচুলিত, নিয়ন্ত্ৰিত কৰিব লাগিব ভাগ্যক।

ছাত্ৰশক্তি যুগমীয়া হওক, দেশ আৰু সমাজৰ স্বাৰ্থত ইয়াৰ ব্যৱহাৰ হওক—এই কামনা কৰি পৰিশেষত আহ্বান কৰোঁ ঃ আহক, আমি প্ৰকৃত মানুহ হোৱাৰ মন্ত্ৰেৰে দীক্ষিত হওঁ।

পংকজ শইকীয়া
(পংকজ শইকীয়া)
সম্পাদক



# তত্ত্বাৱধায়কৰ কলম

আলোচনী এখন সম্পাদনা আৰু প্ৰকাশ কৰাটো অতি আমোদজনক আৰু লোভনীয় কাম। পাঠক-পাঠিকাই সমাদৰ কৰা আলোচনী এখন ছপাই উলিয়াবলৈ সম্পাদক গৰাকীয়ে সদায়েই চেষ্টা কৰে। তত্ত্বাৱধায়ক গৰাকীৰ সহায়-সহযোগিতা আৰু দিহা-পৰামৰ্শৰ লগতে প্ৰয়োজনীয় পুঁজি, মৌলিক তথা তথ্য সমৃদ্ধ লেখা, নিৰ্ভৰযোগ্য ছপাশাল, ছাত্ৰ-ছাত্ৰীসকলৰ সঁহাৰি আৰু সময় এখন উন্নতমানৰ আলোচনীৰ বাবে অপৰিহাৰ্য।

মহাবিদ্যালয়ৰ আলোচনী এখনৰ বাবে কৰিব লগা যাৱতীয় কামবোৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰাই কৰিব পাৰি। আলোচনীখন যিহেতুকে ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক প্ৰতিভা বিকাশৰ থলী সেয়ে তেওঁলোকক সৰ্বাধিক পৰিমাণৰ সুবিধা দিয়া ভাল। আলোচনীৰ বাবে লেখা, পাণ্ডুলিপি প্ৰস্তুত কৰা, ছপাশালত প্ৰুফ চোৱা, অংগসজ্জা কৰা, গল্প, উপন্যাস আৰু কবিতাৰ ব্যাখ্যাচিত্ৰ অংকন কৰা, বেটুপাত অংকন কৰা, কাৰ্টুগ্ৰাফী কৰা, ফটো তোলা, কম্পিউটাৰত ফটোশ্বপৰ সহায়ত গ্ৰাফিকচৰ কাম কৰা আদি কামবোৰ শিকিবলৈ ছাত্ৰ-ছাত্ৰী তথা সম্পাদকক সুবিধা দিব পাৰি। সম্পাদনাৰ উপৰিও এই কামবোৰৰ নিৰ্দিষ্ট নিয়ম-নীতি আছে। অভিজ্ঞ আৰু দক্ষলোকৰ তত্ত্বাৱধানত এই কামবোৰ ভালদৰে আয়ত্ত কৰি ইয়াৰ যিকোনো এটাক জীৱিকা হিচাবেও লব পৰা যায়। সম্প্ৰতি ছপামাধ্যমৰ দ্ৰুত উন্নতিৰ দিনত এজন ভাল পেইজ মেকাৰ (অংগসজ্জাকাৰ), প্ৰুফ ৰিডাৰ, ইলাষ্ট্ৰেটৰ, কাৰ্টুগ্ৰাফাৰ, ফটোগ্ৰাফাৰ, আৰু ফটোশ্বপৰ কাম জনা লোকৰ মূল্য অতি বেছি। ডাঙৰ ছপাশাল আৰু বাতৰি কাকত প্ৰকাশন গোষ্ঠীৰ অধীনত এই কামবোৰৰ চাকৰি পোৱা যায়। প্ৰকাশক আৰু চলচিত্ৰ নিৰ্মাতাৰ ওচৰত পাণ্ডুলিপি প্ৰস্তুত কৰা অসংখ্য কাম থাকে। ড° ভবেন্দ্ৰ নাথ শইকীয়াই কেইবাগৰাকীও যুৱক-যুৱতীক প্ৰফেচনেল পাণ্ডুলিপি প্ৰস্তুত কৰ্তা হিচাবে প্ৰতিষ্ঠা কৰি গৈছে। মই নিজেও 'প্ৰান্তিক' নামৰ আলোচনীখনৰ "লে-আউট আৰ্টিষ্ট" হিচাবে চাকৰি জীৱন আৰম্ভ কৰিছিলো। সাম্প্ৰতিক সময়ত ছপাকামৰ লগত জড়িত এইবোৰ কাম শিকিবলৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে আলোচনীখনেই হওক অনুশীলনৰ ক্ষেত্ৰ।

আলোচনীখনৰ বাবে লেখা দিবলৈ লোৱা সময়ত অথবা কলেজ সপ্তাহৰ সাহিত্য প্ৰতিযোগিতাৰ দিনা কচৰৎ কৰাকে সাহিত্য চৰ্চা কৰা নোবোলে। এক নীৰৱছিন্ন সাধনাৰ মাজেদিহে সাহিত্য সৃষ্টি সম্ভৱ। মহাবিদ্যালয়ত সাহিত্য আৰু শিল্পকলা চৰ্চাৰ পৰিবেশ এটা গঢ়ি তোলাৰ দায়িত্ব আমাৰ সকলোৰে। মহাবিদ্যালয়ৰ আলোচনীখন সৰ্বাংগসুন্দৰ কৰাৰ নামত বহু সময়ত সম্পাদকে অন্ধ অনুকৰণ কৰা দেখা যায়। সাধাৰণতে নামজ্বলা মহাবিদ্যালয়ৰ আলোচনীবোৰক অইন মহাবিদ্যালয় সমূহে অনুকৰণ কৰে। এই অন্ধ অনুকৰণ ত্যাগ কৰিবৰ হ'ল। এখন সৰু আৰু নাম নথকা মহাবিদ্যালয়ৰ পৰাও ভাল আলোচনী ওলাব পাৰে।

এনে এটা অন্ধ অনুকৰণ চলিছে— কবিতাতো। কবিতাৰ ইলাষ্ট্ৰেচন কৰাৰ নামত কবিতাৰ কাষত উজ্জ্বল ডাঠ ৰঙৰ ছবি অঁকাতো এতিয়া প্ৰচলিত ৰীতি । এনে কৰা বাবে কবিতা নিষ্প্ৰভ হৈ পৰিছে। ছবি প্ৰধান হৈ গৈছে। প্ৰকৃততে কবিতাটো বোধগম্য আৰু আকৰ্ষণীয় হোৱাকৈ ইলাষ্ট্ৰেচনটো সহায়ক হ'ব লাগে। ইলাষ্ট্ৰেচন মূল নহয়। কবিতাটোহে মূল। এনেধৰণৰ অপপ্ৰয়োগ আৰু সৌন্দৰ্য ক্ষুণ্ণ কৰা কামবোৰ ৰোধ কৰিবলৈ আলোচনা-বিলোচনা হোৱা দৰকাৰ।

২০০৪-০৫ বৰ্ষৰ ঢকুৱাখনা মহাবিদ্যালয়ৰ আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত সম্পাদক তথা সম্পাদনা সমিতিয়ে অকণো অৱহেলা কৰা নাই। মহাবিদ্যালয়ত লক্ষণীয়ভাৱে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কমি অহা বাবে আলোচনীৰ পুঁজিৰ ওপৰতো প্ৰভাৱ পৰিছে। তথাপি প্ৰকাশৰ ক্ষেত্ৰত সেয়া অন্তৰায় হ'বলৈ দিয়া নাই। লেখাৰ ক্ষেত্ৰত কিছু দৈন্যতা পৰিলক্ষিত হৈছে যদিও আমি আশাবাদী। আলোচনীখন জীয়াই ৰাখিবলৈ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু শুভাকাংক্ষী সকল যত্নপৰ হ'ব বুলি আশা কৰিলো। "দৃষ্টি থাকিলে লক্ষ্য নেহেৰায়"— এই কথাত আমি বিশ্বাসী। অনাগত দিনৰ নতুন প্ৰজন্মৰ প্ৰতি সেই আস্থাৰে—

**তত্ত্বাৱধায়ক**

২৬/১২/০৫





**প্ৰবন্ধ**

# 'পাৰিজাত হৰণ নাট'ত নাৰদ চৰিত্ৰৰ ভূমিকা

চিত্ৰ কুমাৰ কোঁচ
অধ্যাপক, অসমীয়া বিভাগ

*'পাৰিজাত হৰণ নাট'ত নাৰদ চিকৰা-খোৱা বগৰ দৰে কৃষ্ণ-সত্যভামাৰ লগত লাগি আছে। নাৰদে কৃষ্ণক সোনকালে মূৰ্চ্ছিতা সত্যভামাৰ ওচৰলৈ যাবলৈ কোৱাত বিশ্বস্ত নাৰদৰ চিত্ৰ ফুটি উঠিছে। এইখিনিতে কৃষ্ণ চৰিত্ৰটি স্ত্ৰৈণ হৈ পৰিছে। আনহাতে সোনকালে নৰকাসুৰক বধ কৰিবলৈ যাবলৈ উপদেশ দিওঁতে নাটখনে দ্ৰুতভাৱে শীৰ্ষ বিন্দুলৈ গতি কৰিছে।*

মহাপুৰুষ শঙ্কৰদেৱৰ 'পাৰিজাত হৰণ' নাটৰ নাৰদ চৰিত্ৰটি এক সাৰ্থক তথা অপূৰ্ব সৃষ্টি। নাৰদ চৰিত্ৰটিয়ে নাটখনত এক তাৎপৰ্যপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। ভাগৱত, হৰিবংশ আদিত নাৰদ পৰম তত্বাৰ্থী, সত্যৰ অন্বেষণত স্বৰ্গ-মৰ্ত্য-পাতাল ভ্ৰমন্তা, এজন গহীন-গম্ভীৰ কৃষ্ণপ্ৰাণ পৰম ভক্ত আৰু হৰিৰ লীলা মাহাত্ম্য প্ৰচাৰ কৰোঁতা। আনহাতেদি 'পাৰিজাত হৰণ' নাটখনত গুৰুজনাই নাৰদক টুটকীয়া, কন্দলপ্ৰিয় চৰিত্ৰ হিচাপে ফুটাই তুলিছে।

দেৱমাতা অদিতি, ৰুক্মিণী, ইন্দ্ৰ আদিৰ ভূমিকা নাটখনত কম। কিন্তু চালিকা শক্তি হিচাপে নাৰদে সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছে। এইযাৰ কথা নকলেও হ'ব যে নাৰদ চৰিত্ৰটি উঠাই দিলে 'পাৰিজাত হৰণ' নাটো আপোনা-আপুনি গতিহীন তথা নিৰস হৈ পৰিব। কিয়নো নাৰদৰ লগনীয়া স্বভাৱটিয়েই গোটেই নাটখনৰ প্ৰাণ তথা ৰস সঞ্চাৰিত হোৱাৰ ঘাই শিপা।

নাটখনিৰ বাট চ'ৰাতে নাৰদক জগত গুৰু শ্ৰীকৃষ্ণই সভাৰ্যে প্ৰণাম জনাইছে। তেওঁ যেন সকলোৰে নমস্য ব্যক্তি। তাৰ পাছত নাৰদে স্বৰ্গৰ পৰা অনা পাৰিজাত ফুল এপাহ দ্বাৰকাপতি শ্ৰীকৃষ্ণৰ হাতত অৰ্পণ কৰি এই ফুলৰ অপাৰ মহিমাৰ কথা ব্যক্ত কৰে—

*"হে কৃষ্ণ, ওহি পাৰিজাতক গন্ধ তিনি প্ৰহৰেক পথ যাই ঃ*
*ওহি পাৰিজাত যাহেৰ গৃহে ৰহে ধন জন বিভৱ চাড়য়ে নাহি ।।*
*ওহি দেৱ দুৰ্লভ পাৰিজাত যো নাৰী পৰিধান কৰে, সে পুষ্পক*
*মহিমায়ে পৰম সোভাগিনী হয় ঃ তাহেক বাৰী চাৰি স্বামী*
*কোথায়ে যায়ে নাহি।। অঃ ওহি কুসুমক মহিমা কি কহব।।"*
*('অঙ্কমালা', কেশৱানন্দ দেৱ গোস্বামী, পৃষ্ঠা নং- ৮)*

সেই সময়ত শ্ৰীকৃষ্ণৰ সৈতে ৰুক্মিণীও বহি আছিল। নাৰদে পাৰিজাত ফুলৰ গুণানুকীৰ্তন কৰাৰ ঘাই উদ্দেশ্য হ'ল পাৰিজাত ফুল পাহৰ প্ৰতি ৰুক্মিণীৰ আগ্ৰহ জন্মোৱা। নাৰদৰ মুখত পাৰিজাত ফুলৰ মহিমা শুনি ৰুক্মিণীয়ে স্বামীৰ প্ৰিয়তমা হোৱাৰ আশাত কৃষ্ণক ফুলপাহ দিবলৈ প্ৰাৰ্থনা কৰিছে এনেদৰে—

*"হে স্বামী হামু তোহাৰ প্ৰথম পতনী, জানি ওহি*
*দেৱদুৰ্লভ পাৰিজাত, প্ৰাণনাথ হামাক দেহ ।।"*
*(অঙ্কমালা, পৃষ্ঠা নং - ৯)*

আনহাতেদি যেতিয়াই নাৰদে সত্যভামাৰ ওচৰলৈ গৈ "আহে দেৱী সত্যভামা, তোহাৰ স্বামী শ্ৰীকৃষ্ণক বৰি বিষম চেষ্টা দেখল, হাঁ হাঁ মাৰ তুহু দুৰ্ভাগ্য ভেলি, হামু আজুসে জানলোঁ" বুলি কথা সাজিবলৈ ধৰিলে তেতিয়াই নাৰদৰ মনোজগত খনৰ প্ৰকাশ ঘটিল আৰু পূৰ্বৰ গাম্ভীৰ্য পূৰ্ণমাত্ৰাই কমি আহিল। কিন্তু নাৰদৰ এই কাৰ্যই নাটখনৰ জেউতি বঢ়ালে তথা সজীৱতা আনিলে।

শ্ৰীকৃষ্ণই যেতিয়া নাৰদৰ আগমনৰ বাবে 'দ্বাৰকাপুৰী পবিত্ৰ ভেল' বুলি কৈছে তেতিয়া নাৰদে হাঁহি হাঁহি ক'লে, "হে প্ৰভু, মই তোমাৰ দাস, কিয় মোক মিছাতে মায়া কৰিছা।" নাৰদে কৃষ্ণক পৰমেশ্বৰ বুলি কৈছে। নাৰদৰ পৰমেশ্বৰ উপলব্ধিটো মন কৰিবলগীয়া। মায়াৰ দুটা শক্তি আছে— 'আৱৰণ' (যি ঢাকি ৰাখে) আৰু 'বিক্ষেপণ' (নোহোৱাক হোৱা কৰা)। নাৰদৰ উক্তিয়ে এই পৃথিৱীখন আৱৰণৰ দ্বাৰা ঢাকি ৰাখিছে বুলি কৈছে, যাৰ বাবে কৃষ্ণক সাধাৰণ মানুহে জগদ্বীশ্বৰ বুলি জনা নাই। প্ৰকৃতাৰ্থত সৌন্দৰ্যৱানেহে সৌন্দৰ্যৰ প্ৰতি আকৰ্ষিত হয়। নাৰদে এই মনঃস্তত্ত্ব জানে।

'পাৰিজাত হৰণ নাট'ত নাৰদ চিকৰা-খোৱা বগৰ দৰে কৃষ্ণ-সত্যভামাৰ লগত লাগি আছে। নাৰদে কৃষ্ণক সোনকালে মূৰ্চ্ছিতা সত্যভামাৰ ওচৰলৈ যাবলৈ কোৱাত বিশ্বস্ত নাৰদৰ চিত্ৰ ফুটি উঠিছে। এইখিনিতে কৃষ্ণ চৰিত্ৰটি স্ত্ৰৈণ হৈ পৰিছে। আনহাতে সোনকালে নৰকাসুৰক বধ কৰিবলৈ যাবলৈ উপদেশ দিওঁতে নাটখনে দ্ৰুতভাৱে শীৰ্ষ বিন্দুলৈ গতি কৰিছে।

নাৰদে মায়াত মোহিত হৈ কৃষ্ণক কৈছে—

*"হে কৃষ্ণ জানল তোহো স্ত্ৰীক লাড়িকা, দেৱ কাৰ্য্যসৱ পৰি*
*ৰহল ঃ তোহাৰ ভাৰ্য্যাক চাটু বুলিতে সৱ দিৱস গেল।।"*
*(অঙ্কমালা, পৃষ্ঠা নং - ২৩)*

নাৰদে কৃষ্ণক তিৰোতা সেৰুৱা বুলি ক'ব পাৰিছে; কাৰণ তেওঁৰ বাবে কৃষ্ণ পৰম উপাস্য। যেতিয়া কৃষ্ণই সত্যভামাৰ লগত লাগি থাকি যুদ্ধলৈ যাবলৈ দেৰি কৰিছে তেতিয়া নাৰদে কৈছে—

*"তোহো সম স্ত্ৰীজীত পুৰুষ কৱহো নাহি দেখি ঃ যুদ্ধক সময়ে স্ত্ৰীক চোৰয়ে নাহি পাৰ, তুহু জগত গুৰু, তোহাক যশ গাই তিনিও লোক বেৰাওঁ ঃ অঃ হামাক লাজ ভৈল।।"*

*(অঙ্কমালা, পৃষ্ঠা নং - ২৪)*

এইখিনি কথাৰ দ্বাৰা নাৰদে সাপ হৈ খুটি বেজ হৈ জৰাৰ প্ৰমাণ ফুটি উঠিছে। লগতে নাৰদৰ অভিভাৱক সুলভ কৰ্তৃত্বও লক্ষ্য কৰা যায়।

'পাৰিজাত-হৰণ' নাটত নাৰদে দূতৰ কামো সম্পাদন কৰিছে। কৃষ্ণই নাৰদক ইন্দ্ৰৰ ওচৰলৈ পাৰিজাত ফুল বিচাৰি দূত পঠাইছিল। ঘূৰি আহি নাৰদে শচীয়ে কোৱা কথাবোৰ কৃষ্ণ আৰু সত্যভামাৰ আগত অলপ বঢ়াই কৈছে এনেধৰণে—

*'হে কৃষ্ণ পাৰিজাত নিমিত্ত তুহোঁ পঠাৱল, হামু বৰি লাজ ভৈলো। সত্যভামাক বহুত গালি পাৱাৱল মাত্ৰ ঃ পাৰিজাতক নাম শুনি শচী ক্ৰোধে বোলল = অঃ কথাক মানুষি সত্যভামা শচীক পাৰিজাত পিন্ধিতে ইচ্ছা কয়ল, অভাগ্য কপাল যৱ তপ জপ আচৰি জন্মান্তৰে অম্ৰাৱতীক অধিকাৰিণী হয় তৱ পাৰিজাত পাৱব, বল গৈয়া।। হে কৃষ্ণ দেৱীক ধিক্কাৰ শুনিয়ে হৃদয় দহে হাঁ হাঁ কি ভেলি।।'* *(অঙ্কমালা, পৃষ্ঠা নং - ৩৪)*, যাতে কাজিয়া খন লাগেই। এইদৰে নাৰদ চৰিত্ৰটিয়েই দুয়োখন কাজিয়া সৃষ্টিৰ মূল হেতু বুলি ক'ব পাৰি।

নাৰদে এটা কথা সুন্দৰকৈ উপলব্ধি কৰিছিল যে ডাল-পাতত পানী দিয়াতকৈ গুৰিত পানী দিয়াই শ্ৰেয়। সেয়েহে তেওঁ গুৰি হিচাপে সত্যভামাক বাচি লৈছে। নাৰদে সত্যভামাৰ অন্তৰত ক্ৰোধ, ঈৰ্ষা আৰু অভিমানৰ ভাৱ জাগ্ৰত কৰিছে। ইয়াৰ ফলতে নাটখনৰ কাহিনীভাগ আগবাঢ়িব পাৰিছে।

সি যি নহওক, গুৰুজনাই 'পাৰিজাত হৰণ' নাটত নাৰদ চৰিত্ৰটিক টুটকীয়া, পৰিহাসপ্ৰিয়, মায়ামুগ্ধ, মায়ামুক্ত, কন্দলপ্ৰিয়, পৰম বিশ্বস্ত আদি দিশত সুন্দৰকৈ অংকন কৰিছে। সেয়েহে কোৱাৰ থল আছে যে 'পাৰিজাত হৰণ' নাটত নাৰদ এক উজ্জ্বল তথা মনোৰম চৰিত্ৰ।❖


**সহায়ক গ্ৰন্থ ঃ**

'অঙ্কমালা', কেশৱানন্দ দেৱগোস্বামী।


কম বয়সীয়া হ'লেও আৰু আনুষ্ঠানিক শিক্ষাপ্ৰাপ্ত নহ'লেও শেৱালিৰ অনুভূতি-উপলব্ধি প্ৰখৰ। এই প্ৰসংগত সুন্দৰ-শেৱালিৰ অলপীয়া শব্দৰ কথোপকথন উল্লেখযোগ্য ঃ

সুন্দৰ ঃ শেৱালি, তই মোক ভাল পাৱনে?

শেৱালি ঃ (স্বাভাৱিকভাৱে) পাওঁ কোঁৱৰ।

সুন্দৰ ঃ (উগ্ৰ হৈ) মোক ভাল পাৱ?

শেৱালি ঃ (ভয় খাই নমতা হয়)

সুন্দৰ ঃ (আত্মসম্বৰণ কৰি) কিয়? কিয় ভাল পাৱ?

শেৱালি ঃ এনেয়ে ভাল পাওঁ। (৩য় অংক, ১ম দৰ্শন)

শেৱালিৰ 'এনেয়ে ভাল পাওঁ' কথাষাৰ যথেষ্ট ব্যঞ্জনাময়। ইয়াত একালে যেনেকৈ নাট্যকাৰৰ গভীৰ অন্তৰ্দৃষ্টি প্ৰকাশ পাইছে অন্যহাতেদি সৰল, সহজ অথচ মোহময়ী শেৱালি চৰিত্ৰৰ অনুভৱ, উপলব্ধি আৰু অনুভূতিৰ তীক্ষ্ণতাও ধৰা পৰিছে।

— ডঃ পোনা মহন্ত

নাৰদ এই নাট (পাৰিজাত হৰণ)ৰ সকলোতকৈ আকৰ্ষণীয় চৰিত্ৰ। টুটকীয়া, কলহপ্ৰিয়তা আৰু পৰিহাস-ৰসিকতা নাৰদ চৰিত্ৰৰ বৈশিষ্ট্য। তেওঁ বিষ্ণুভক্ত; উপাস্য বিষ্ণুৰ লীলামাহাত্ম্য দৰ্শন আৰু গুণগান কৰাই তেওঁৰ প্ৰধান আকাংক্ষা। যি কোনো দুজনাৰ মাজত কন্দল সৃষ্টি কৰি বিষ্ণুৰ লীলা প্ৰদৰ্শন কৰাৰ সুবিধা উলিয়াই দিয়াই তেওঁৰ অন্যতম কাম।

— সত্যেন্দ্ৰ নাথ শৰ্মা





প্ৰবন্ধ

# মামণি ৰয়চম গোস্বামীৰ উপন্যাসৰ ওপৰত এক বিহংগম দৃষ্টি




দেৱাঞ্জন বৰুৱা
স্নাতক ১ম বৰ্ষ, কলা


আধুনিক সাহিত্যৰ এক বিশিষ্ট অংগ, শৈল্পিক ৰীতিৰে ৰূপায়িত এক গদ্যধৰ্মী অনুপম মাধ্যম উপন্যাস অষ্টাদশ শতিকাৰ অৱদান। ইয়াৰ জন্মদাতা হ'ল ইংৰাজী সাহিত্য। ঊনবিংশ শতিকাৰ শেষৰ দশকত অসমীয়া সাহিত্যত উপন্যাস শিল্পৰ বাট কাটি দিয়ে পদ্মনাথ গোহাঞিবৰুৱাদেৱে। ইয়াৰ পাছতে বিৰিঞ্চি কুমাৰ বৰুৱা (বীণা বৰুৱা)ৰ 'জীৱনৰ বাটত' উপন্যাসে ঐতিহাসিক ঘটনাৰ বিপৰীতে সমকালীন সমাজ তথা জীৱনৰ আধাৰত উপন্যাস ৰচনা কৰিবলৈ পৰৱৰ্তী অসমীয়া ঔপন্যাসিকক প্ৰেৰণা দিয়ে। সম্প্ৰতি অসমীয়া উপন্যাস সাহিত্য কেইবাগৰাকীও গুণী-জ্ঞানী, প্ৰতিভা-সম্পন্ন, জীৱন-অভিজ্ঞতাৰে পৰিপুষ্ট সাহিত্যিকৰ সৃষ্টিকৰ্মৰ দ্বাৰা পত্ৰে-পুষ্পে সুশোভিত হৈ পৰিছে। এই সকলৰ ভিতৰত আমি মামণি ৰয়চম গোস্বামীৰ নাম প্ৰথমেই ল'ব লাগিব। জ্ঞানপীঠ বঁটা বিজয়িনী মামণি ৰয়চমৰ উপন্যাসত এক সুকীয়া আংগিক আৰু উপস্থাপন ৰীতি লক্ষ্য কৰা যায়, যি অসমীয়া সাহিত্যত বিৰল।

গোস্বামীয়ে 'চেনাবৰ সোঁত' উপন্যাসৰ দ্বাৰাই উপন্যাস সাহিত্য জগতত পদাৰ্পণ কৰে। কাশ্মীৰৰ চেনাব নদীৰ ওপৰত বন্ধা দলং এখনৰ শ্ৰমিকসকলৰ দুৰ্দশাগ্ৰস্ত জীৱন এই উপন্যাসত গভীৰ সহানুভূতিৰে অংকিত কৰা হৈছে। আৰ্থিক-কায়িক-মানসিক সকলো ক্ষেত্ৰতে পুঁজিপতি মালিকসকলৰ শ্ৰমিকৰ ওপৰত চলোৱা শোষণে লেখিকাৰ দুঃখবোধ তীব্ৰতৰ কৰি তুলিছে; বাঙ্গি চাহেবা, পাৰ্বতী, শিৱান্না আদি চৰিত্ৰবোৰ বাস্তৱৰ পৰাই বুটলি অনা হৈছে। বাস্তৱবাদ আৰু গভীৰ মানবীয় প্ৰমূল্যৰ আধাৰত প্ৰতিষ্ঠিত 'চেনাবৰ সোঁত' নিঃসন্দেহে এক ব্যতিক্ৰমী সৃষ্টি। "সমগ্ৰ জীৱন মই দুখ আৰু যন্ত্ৰণাৰ বিষয়ে লিখি আহিছোঁ। দুখ মোৰ উপন্যাসৰ প্ৰধান উপজীব্য।" —মামণি ৰয়চমৰ এই কথাষাৰিৰ যথাৰ্থতা আৰু সত্যতা প্ৰতিপন্ন হৈছে জীৱনৰ প্ৰথমখন উপন্যাসতে। অৱশ্যে উপন্যাসখনত সাৰ্থক উপন্যাস হিচাপে দাবী কৰিব পৰা সকলো গুণ নাই বুলি গোস্বামীয়ে নিজেই স্বীকাৰ কৰিছে।

ঔপন্যাসিক গৰাকীৰ এক বিস্ময়কৰ আৰু সাৰ্থক সৃষ্টি হ'ল সাহিত্য অকাডেমী বঁটা প্ৰাপ্ত উপন্যাস "মামৰে ধৰা তৰোৱাল"। ১৯৭৯ চনত উত্তৰ প্ৰদেশৰ ৰায়বেৰেলী জিলাৰ সাই নদীৰ ওপৰত আকোৱেডাক্ট বন্ধা শ্ৰমিকসকলৰ আন্দোলন এটাক কেন্দ্ৰ কৰি উপন্যাসখনৰ কাহিনীভাগ গঠিত হৈছে। দূৰদৰ্শিতা আৰু আত্মত্যাগৰ অভাৱত শ্ৰমিক-আন্দোলন ধূলিস্যাৎ হৈ গ'ল। গতিকে উপন্যাসৰ নামকৰণ সাৰ্থক হৈছে বুলি ক'ব পাৰি। 'মামৰে ধৰা তৰোৱাল'ৰ প্ৰধান নাৰী চৰিত্ৰ হ'ল নাৰায়ণী। চৰিত্ৰটো বৈচিত্ৰ্যময় কৰি লেখিকাই পাঠকৰ আগত তুলি ধৰিছে ঃ মৰ্মন্তুদ দৈন্যই এই নাৰীক অবৈধ যৌনাচাৰত লিপ্ত হ'বলৈ বাধ্য কৰাইছে, কেতিয়াবা মানসিক অন্তৰ্দ্বন্দত জৰ্জৰিত হৈছে। তদুপৰি লিচু লেঙেৰা, শিবু ধাছলা, যশোৱন্ত, বসুমতী বুঢ়ী আদি চৰিত্ৰবোৰ গোস্বামীৰ বৰ্ণনাত জীৱন্ত হৈ উঠিছে। ডেইলি পেইড ৱৰ্কাৰবোৰৰ বাস্তৱসন্মত অভাৱনীয় দুখ-দুৰ্দশাৰ প্ৰতিচ্ছবিয়ে পাঠকৰ হৃদয় চুই যায়। ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই উপন্যাসখনত কঠোৰ বাস্তৱৰ এক কৰুণ সুৰ শুনা যায় বুলি মত পোষণ কৰি গৈছে। 'এই ডিমৰুৰ ফুলৰ দৰে বৰণ লোৱা কুঁৱলীৰ পোহৰত প্ৰাচীৰবোৰে এতিয়া মাংসৰ টুকুৰাৰ আকৃতি লৈছে', 'তাইৰ মূৰৰ ওপৰৰ আকাশত এটি পকা তৰমুজ বৰণীয়া চন্দ্ৰ ওলমি আছিল'— এনেধৰণৰ অলংকাৰপূৰ্ণ আৰু কাব্যধৰ্মী বৰ্ণনাই উপন্যাসখনক মনোৰম কৰি তুলিছে।

'চেনাবৰ সোঁত' আৰু 'মামৰে ধৰা তৰোৱাল'ৰ দৰে গোস্বামীৰ 'অহিৰণ' উপন্যাসতো শ্ৰমিক জীৱনৰ যন্ত্ৰণাময়, ক্লিষ্ট-পিষ্ট চিত্ৰ এখনৰ প্ৰতিফলন ঘটিছে। আচলতে মাধবেন ৰয়চম আয়েংগাৰ (সুদক্ষ অভিযন্ত্ৰা)ক বিয়া কৰোৱাৰ পাছত মামণি ৰয়চমে শ্ৰমিকসকলৰ নিকট সান্নিধ্যলৈ অহাৰ সুযোগ পাইছিল। সেয়েহে তেওঁ অতি বিশ্বাসযোগ্য কাহিনী বিন্যাসৰ দ্বাৰা শ্ৰমিকসকলৰ জীৱনধাৰা ৰূপায়িত কৰাত সমৰ্থ হৈছে। 'অহিৰণ' উপন্যাসত মধ্যপ্ৰদেশৰ অহিৰণ নদীৰ আকোৱাডাক্ট নিৰ্মাণ কৰি থকা শ্ৰমিকসকলৰ কাহিনী অতি কৰুণভাৱে বৰ্ণিত হৈছে। কদম, নিৰ্মল আদি নাৰী চৰিত্ৰ আৰু গৌৰী শংকৰ, হৰ্শুল, আজিজ মিঞা আদি পুৰুষ চৰিত্ৰবোৰক কেন্দ্ৰ কৰি কাহিনীভাগ সংগঠিত হৈছে। কাব্যিক

অভিব্যক্তি, উপমা, প্রতীকী অভিব্যঞ্জনাৰে ভৰপূৰ 'অহিৰণ' গোস্বামীৰ অভিনৱ আৰু সাৰ্থক সৃষ্টি।

গোস্বামীৰ 'নীলকণ্ঠী ব্ৰজ' উপন্যাসৰ পটভূমি হিন্দুসকলৰ পবিত্ৰ ধৰ্ম তথা তীৰ্থক্ষেত্ৰ, শ্ৰীকৃষ্ণৰ লীলাভূমি ব্ৰজধাম। উপন্যাসৰ আধাৰ হৈছে অকাল বৈধব্য যাপন কৰা সৌদামিনী নামৰ এগৰাকী নাৰীৰ জীৱন। প্ৰবাদপুৰুষ উপেন্দ্ৰ চন্দ্ৰ লেখাৰুৰ তত্বাৱধানত ৰামায়ণী সাহিত্যৰ ওপৰত গৱেষণা কৰি থাকোঁতে ঔপন্যাসিক ব্ৰজধামত আছিল। এই কালছোৱাৰ বহুৰঙী অভিজ্ঞতাৰে গোস্বামীয়ে ৰচনা কৰিলে সাহসিকতাৰ পৰিচায়ক স্বৰূপ 'নীলকণ্ঠী ব্ৰজ' উপন্যাসখন। পবিত্ৰ যমুনা নদীৰ পাৰৰ বৃন্দাবন বা ব্ৰজধামৰ এক চুড়ান্ত অৱক্ষয়ৰ চিত্ৰ উপন্যাসখনত প্ৰত্যক্ষ কৰা যায়। বহু হিন্দু বিধবা নাৰীৰ প্ৰতিনিধিত্ব কৰা সৌদামিনী চৰিত্ৰই ইয়াত অশেষ দুখ-যাতনাৰে জীৱন-যাপন কৰিছে। সৌদামিনীৰ দৰে ৰাধেশ্যামীবোৰ যৌন ব্যভিচাৰৰ বলি হৈছে। খ্ৰীষ্টান যুৱক এজনৰ প্ৰেমৰ পাত্ৰী হৈয়ো সৌদামিনী ধৰ্মৰ খাটিৰতে পুনৰ বিবাহিত জীৱনৰ গৰাকিনী হ'ব পৰা নাই। জীৱনৰ প্ৰতি বীতৰাগ অহাত এই নাৰীয়ে শেষত আত্মহননৰ পথ বাচি লৈছে। এনেদৰে এক সাহসী পদক্ষেপেৰে ব্ৰজধামৰ এক কুৎসিত ছবি পাঠকৰ আগত তুলি ধৰা 'নীলকণ্ঠী ব্ৰজ' উপন্যাসখন অসমীয়া সাহিত্যৰ অনুপম সম্পদ।

'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' খন মামণি ৰয়চমৰ এখন প্ৰতীকধৰ্মী উপন্যাস। অসমৰ বৈষ্ণৱ সত্ৰৰ এসময়ৰ ক্ষমতাৰ আধাৰত ই প্ৰতিষ্ঠিত। স্বাধীনতা আৰু কানি নিবাৰণ আন্দোলনেই হৈছে এই উপন্যাসখনিৰ মূল ভিত্তি। বিধবা নাৰীৰ জীৱনৰ কাৰুণ্য ভৰা ছবি ইয়াত মানৱিক আৰু সংস্কাৰকামী মনোভাবেৰে উপস্থাপিত হৈছে। মামণি ৰয়চম গোস্বামীৰ ককাদেউতাকৰ নিজা সত্ৰ আছিল, শিচ আছিল। গতিকে গোস্বামীৰ এইখন উপন্যাসো অন্যবোৰৰ দৰে বাস্তৱৰ জীয়া অভিজ্ঞতাৰে পৰিপূৰ্ণ। সত্ৰসমূহৰ ৰক্ষণশীল আৰু ধৰ্মীয় গোড়ামীৰ লগতে অসমৰ সমাজ জীৱনৰ নিখুঁত প্ৰতিচ্ছবি উপন্যাসখনিত ফুটি উঠিছে। প্ৰয়োজনত ঠাই বিশেষে প্ৰয়োগ কৰা কামৰূপী উপভাষাই সোণত সুৱগা চৰাইছে।

গোস্বামীৰ আত্মজীৱনীমূলক উপন্যাসখন হ'ল 'আধা লেখা দস্তাবেজ', যিখন উপন্যাসৰ সাহিত্যিক মূল্য তুলনা কৰিব নোৱাৰি। লেখিকাৰ যন্ত্ৰণাময়, সংঘাতপূৰ্ণ, মানসিক অন্তৰ্দ্বন্দত জৰ্জৰিত জীৱনৰ এক বলিষ্ঠ ৰূপ হৈছে এই 'আধা লেখা দস্তাবেজ'। উপন্যাসখনিৰ আদিৰ পৰা অন্তলৈকে এক গভীৰ দুঃখবোধে পাঠকৰ হৃদয়স্থল স্পৰ্শ কৰি যায়। লেখিকাৰ বিবাহ সম্পৰ্কীয় সমস্যা, পূৰ্বপুৰুষ সকলৰ স্মৃতিচাৰণ, মাধু (মাধবেন ৰয়চম আয়েংগাৰ)ৰ লগত বিয়া হৈ শ্ৰমিকসকলৰ সান্নিধ্যলৈ অহাৰ কাহিনী, ব্ৰজধামৰ চাক্ষুষ অভিজ্ঞতা আৰু সৰ্বতোপৰি স্বামীৰ দুৰ্ঘটনাজনিত মৃত্যুৰ পাছত হোৱা লেখিকাৰ মনৰ ভাৰাক্ৰান্ত অৱস্থা উপন্যাসখনিত এক অপূৰ্ব কথন ভংগীৰে বৰ্ণিত হৈছে। গোস্বামীৰ মানসিক দিশটোত নৈৰাশ্য আৰু দুঃখবোধে ইমানেই দুৰন্তভাৱে প্ৰভাৱ পেলাইছিল যে কিশোৰীকালৰ পৰাই তেওঁক আত্মহত্যাৰ এক দুৰ্দমনীয় আকাংক্ষাই পীড়ন কৰিছিল। উপন্যাসখনৰ এঠাইত তেওঁ লিখিছে, "পুৱা সূৰ্য উদয়ৰ সময়তো মই হতাশা আৰু দুখবোধৰ চিকাৰ হৈছিলোঁ। যি সময়ত মানুহে নতুন পোহৰৰ ৰশ্মিৰ পিছে পিছে যাত্ৰা কৰাৰ ইচ্ছা প্ৰকাশ কৰে সেই সময়ত মই যেন কবৰস্থানৰ কবৰবৰহে লেখ-জোখ লৈছিলোঁ।" এনেকুৱা গভীৰ নৈৰাশ্য আৰু প্ৰতিকূল পৰিস্থিতিৰ মাজতো ফুটি উঠা জীৱনৰ এক আশাবাদৰ ছবি আৰু জৈৱিক লোভ-লালসা, কামনা-বাসনাকো নেওচি প্ৰস্ফুটিত হৈ উঠা এক নৈতিক শক্তিৰ আলোকে আমাক বিস্ময়াভিভূত কৰে। 'আধা লেখা দস্তাবেজ' সঁচাকৈয়ে এক বিৰল প্ৰতিভাৰ জীৱন্ত স্বাক্ষৰ।

বাস্তৱৰ অন্য এক নাঙঠ ছবি প্ৰত্যক্ষ কৰা যায় গোস্বামীৰ 'তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠা'ত। উপন্যাসৰ পটভূমি ৰাজনৈতিক আবেগৰ দ্বাৰা পৰিচালিত হৈ মানুহে মানুহৰ ওপৰত চলোৱা অৱৰ্ণনীয় অত্যাচাৰ, বীভৎস আৰু নিদাৰুণ হত্যাকাণ্ড (ডাঙ্গা)। তেজে তুমুৰলি দিয়া মানৱ দেহ স্বচক্ষে দেখি লেখিকাৰ হৃদয় বিদীৰ্ণ হৈছিল। সেয়েহে মানৱতা, প্ৰেম, দয়া, শান্তি, অহিংসা আদি সদ্‌গুণবোৰৰ প্ৰয়োজনীয়তাক গোস্বামীয়ে সৰ্বাধিক গুৰুত্ব দিছে। প্ৰকৃতাৰ্থত মামণি ৰয়চমৰ প্ৰত্যেক উপন্যাসতে কঠিন বাস্তৱৰ নিষ্ঠুৰ সত্যবোৰৰ আমি মুখামুখি হওঁ।

কাকত-আলোচনীত প্ৰকাশ কৰাৰ সুবিধাৰ্থে গোস্বামীয়ে কিছুমান নাতি-দীৰ্ঘ উপন্যাসো ৰচনা কৰিছে। তেনে কেইখনমান উপন্যাস হ'ল ঃ 'নাঙঠ চহৰ', 'জখমী যাত্ৰী', 'উদয়ভানুৰ চৰিত্ৰ', 'বুদ্ধ সাগৰ, ধূসৰ গইসা আৰু মহম্মদ মুছা' ইত্যাদি। ইয়াৰে কেতবোৰত মানৱ চৰিত্ৰৰ ৰহস্যময় দিশ বিশ্বাসযোগ্য আৰু বাস্তৱসন্মতভাৱে চিত্ৰায়ন হৈছে। অন্য কেতবোৰত সংস্কাৰকামী মনোভাৱ অথবা জেহাদ ঘোষিত হৈছে।

অসমীয়া সাহিত্য জগতত মামণি ৰয়চম গোস্বামীৰ উপন্যাস এক বলিষ্ঠ সংযোজন। যদিও সৰহভাগ উপন্যাসৰ পটভূমি অসমৰ ভৌগোলিক সীমা চেৰাই গৈছে, তথাপি ইয়াৰ সাৰ্বজনীনতা লোপ পোৱা নাই। গোস্বামীৰ উপন্যাস মানেই হৈছে যুগে যুগে সমাজত শোষিত-বঞ্চিত-নিষ্পেষিত হৈ অহা মানুহৰ কাহিনী। এটা কথা ঠিক, গভীৰ নৈৰাশ্য, যন্ত্ৰণা আৰু দুঃখবোধৰ মাজতো মামণি ৰয়চম গোস্বামীৰ উপন্যাসত এক আশাবাদৰ ছবি ভাস্বৰ হৈ উঠিছে।

বিঃ দ্ৰ ঃ- মামণি ৰয়চম গোস্বামীৰ ৰচনাৰাজি, গোস্বামীৰ 'মোৰ লেখাৰ আঁৰৰ কাহিনী', 'গৰিয়সী' (২০০৩, জুন) সংখ্যা আদিৰ সহায় লোৱা হৈছে।❖







**প্ৰবন্ধ**

# নিৰ্মলপ্ৰভাৰ জীৱন, গান আৰু কবিতা

**ৰিমঝিম চেতিয়া**
স্নাতক ১ম বৰ্ষ, অসমীয়া বিভাগ



"সোণৰ খাৰু নালাগে মোক
বিয়াৰ বাবে আই
চেনেহ জৰি তই দিয়া মোক
হাততে শুৱায়।"

চতুৰ্থ শ্ৰেণীত পঢ়ি থকা সময়ৰ কথা। পূজা চাই লগৰ লগৰীয়াৰ লগত ঘৰ পালেহি। দেখিলে, চ'ৰাঘৰত বহি আছে বহু মানুহ। বৰমাকে মাকণ আহি পোৱাৰ লগে লগে হাতত ধৰি এটা কোঠালৈ লৈ গ'ল। এখন ৰেচমী শাড়ী পিন্ধি মাকণ চ'ৰাঘৰলৈ ওলাল। তাই চালে মানুহবোৰক। মানুহবোৰে তাইক। চাই থাকোঁতেই হঠাতে তাৰে এজন আহি তাইৰ আঙুলিত পিন্ধাই দিলে এটা আঙুঠি। দৰাপক্ষই সন্তুষ্টিৰ হাঁহি মাৰিলে। মাক আৰু বৰমাকে আৱেগত আকুল হৈ মাকণক সাৱটি ধৰিলে। টনু, মনুহঁতে 'বা'ৰ বিয়া বুলি স্ফূৰ্তি কৰিলে। ক'ৰপৰা কিযে হৈ গ'ল মাকণে ততেই ধৰিব নোৱাৰিলে। (এই 'মাকণে'ই নিৰ্মলপ্ৰভা বৰদলৈ)

... আৰু এদিন ন-কইনা মাকণে নতুন এখন ঘৰত ভৰি দিলেহি। মাকণে স্বপ্ন কিদৰে দেখে তাক নাজানে; কল্পনা কি বুজি নাপায়। মনত কোনো উন্মাদনা নাই। তাৰ ঠিক দুবছৰৰ পাছতে হ'ল 'শান্তি বিয়া'। অন্য এদিন কোলালৈ আহিল এটি সন্তান। ছোৱালী আইজনী। কিন্তু আৰম্ভ হ'ল অন্য এক দৃশ্যপটৰ। য'ত দুখন হৃদয় এক হয় - তাত কেৰোণ লাগিল। ফলাবাঁহ জোৰা নালাগিল। মাকণ দ্বিধাগ্ৰস্ত হ'ল ঃ 'পতি পৰম গুৰু' বুলি মানি লৈ এক অসহনীয় জীৱন-যাপন কৰিব নে 'মনে নিবিচৰাজনক ত্যাগ' কৰিব? নতুন যুগৰ মানুহ মাকণৰ পিতৃ ধনেশ্বৰ শৰ্মা বৰদলৈদেৱে ভুৱা সংসাৰ পাতি জী থকাটো নিবিচাৰি দ্বিতীয়টোক মৰ্যাদা দিলে। পিতাকে জীয়েকক ঘৰলৈ ওভোতাই আনি ক'লে- "আই, এই জীৱন বৰ সাধাৰণ। দুখ নকৰিবি। বুকুত সাহস ল। তই মহাজীৱনক আদৰি ল'ব লাগিব। সেই জীৱনেহে তোক শুৱাব।" দুখত ম্লান হোৱা মাকণৰ মনত উজলি উঠিল এক নিৰ্মল আকাশ। উৰিল এক মুক্ত পখী, সংকল্প। এই পখীৰ গতিত যতি নাই। গতি। গতি মাথোঁ সূৰুযমুখী। ডেউকাত অফুৰন্ত উলাহ। ঠিক সেইসময়তে নিবিড় সংস্পৰ্শত লাভ কৰিলে প্ৰতিভাক প্ৰখৰ কৰা অন্য এক সান্নিধ্য; প্ৰচুৰ উৎসাহ আৰু আশীৰ্বাদ পালে বৰেণ্য ব্যক্তি বিষ্ণু চলিহা, সহজানন্দ ভঁৰালী, বিমলা প্ৰসাদ চলিহা, ৰঘুনাথ চৌধাৰী, মহেশ্বৰ নেওগ, পাৰ্বতী প্ৰসাদ বৰুৱা, ড° বাণীকান্ত কাকতি, ফণীধৰ দত্ত, ফুনু বৰুৱা, সূৰ্যকুমাৰ ভূঞা আদিৰ পৰা।

তেওঁ সন্দিকৈ কলেজত পঢ়ি থকা সময়ৰ পৰাই 'নতুন অসমীয়া', 'ৰামধেনু' আদিত কবিতা, গল্প লিখিবলৈ ল'লে। আকাশবাণীৰ 'সাহিত্য চ'ৰা', 'মহিলাৰ মেল'ত প্ৰচাৰিত হ'ল তেওঁৰ ৰচনা। তেওঁৰ ৰচনাৰাজিত প্ৰস্ফুটিত হ'ল জীৱনৰ গভীৰ অৰ্থ। তেওঁ গান লিখিলে। তেওঁৰ গান ফুলৰ দৰে হ'ল। তেওঁৰ মিনতিয়ে তৰা হৈ অসমৰ সংগীত জগতৰ আকাশ চুলে। তেওঁৰ কথাবোৰৰ কোমলতাত সন্ধান পোৱা গ'ল সুৰৰ। তেওঁৰ সুৰবোৰ এতিয়া অসমৰ অন্ধকাৰ সংগীত জগতত জোনৰ দৰে উজ্জ্বল পোহৰৰ। নিৰ্মলপ্ৰভা আজি নাই। কিন্তু আজিও সাঁজৰ তৰাই তেওঁৰ কথা কয়। খ্যাতি সম্পন্ন গায়কৰ কণ্ঠত গীতবোৰে জীৱন পালে। দীপালী বৰঠাকুৰৰ কণ্ঠত তেওঁৰ গীতৰ বাণী প্ৰাণময় হৈ উঠিল। সংগীত পৰিচালক জিতেন দেৱ, হেমেন হাজৰিকাই সুৰ সানিলে। শব্দৰ অনুপম ব্যৱহাৰ, মধুৰ কল্পনা মিশ্ৰিত আৰু গভীৰ জীৱন বোধেৰে দীপ্ত গীতবোৰৰ পৰা সুৰৰ যাদুকৰ ড° ভূপেন হাজৰিকাৰ কণ্ঠত প্ৰতিধ্বনিত হৈ বাজি ৰ'ল—

"মই বিচাৰিছো অস্থিৰ খোজত
বলিষ্ঠ বিদ্যুৎ গতি;
চেতনা লুপ্ত নিথৰ স্তব্ধ
যুগক দিবলৈ গতি।"

ড° ভূপেন হাজৰিকাৰ পাছতে ভাতৃ জয়ন্ত হাজৰিকাই নিৰ্মলপ্ৰভাৰ গীতত প্ৰদান কৰিলে অনন্য এক মাত্ৰা। তেওঁ ভাবিছিল বৰষাৰ ধুমুহাই জীৱন মহীয়ান কৰে। প্ৰতিটো ঋতুৰ ৰং বুজি পোৱা নিৰ্মলপ্ৰভাই ভাল পাইছিল ঋতু। সেয়ে হয়তো লিখিছিল—

"সোণাৰুৰ ফুল ভাল পাওঁ মই
কৃষ্ণচূড়াৰ মন
ধুমুহা গাজনি যিমানে আহক
সিমানে জিলিকে ৰং
কজলা আকাশৰ তলত সিহঁতে
পাতে মোহনীয়া হাট।"

নিৰ্মলপ্ৰভাৰ গীতত ভাঁহি আহে গাঁৱৰ উপমা, ভাৱ আৰু শব্দচিত্ৰ। প্ৰতিধ্বনিত হয় গাঁৱলীয়া লোকগীত আৰু দেহবিচাৰৰ গীতৰ প্ৰভাৱ। তেওঁ গীতেৰে প্ৰকাশ কৰে বোৱাৰী জীৱনৰ মিঠা মিঠা দুখ। তেওঁ লিখিছিল—

" সন্ধিয়াৰ আকাশত বগলি উৰে
আইৰে ঘৰলৈ মনতে পৰে।
বাঁহৰে আগতে ৰ'দালি দোলে
কত কি কথা মোৰ মনতে খেলে।।"

নাৰী জীৱনত প্ৰেমেই সৰ্বস্ব। সেয়ে গীতৰ মাজেদি তেওঁ বৰ্ণনা কৰিছে তেওঁৰ অন্তৰৰ প্ৰেম-স্ফুলিংগ এইদৰে-

"মোৰ দুচকুলে' চোৱা ঘনে ঘনে
পাইছা জানো মোৰ মন
তোমাৰ লিহিৰি মনৰে বাতৰি
উমানতে পালোঁ গম।"

বিৰহৰ কাৰুণ্য গীতেৰে প্ৰকাশ কৰা কঠিন কাম। আহ্বান জনাবলৈ লিখা গীতৰ ভাষা সহজ। কিন্তু নিৰ্মলপ্ৰভাৰ গীতত বিৰহৰ যি ছন্দ, সেয়া অনুপম। তেওঁ লিখিছিল—

"তোমাৰ কথা যেতিয়াই ভাবোঁ
দুচকু পানীৰে ভৰে
বিৰিণা বনৰ পাতৰ আগেদি
এটুপি নিয়ৰ সৰে।"

নদী ভাল পোৱা কবি নিৰ্মলপ্ৰভা। নদী গতিশীল। গতিশীলা এই নিৰ্মল নদীত সঞ্চাৰিত হ'ল নিৰ্মলপ্ৰভাৰ অন্য এক সোঁত। কবিতা, প্ৰেমৰ কবিতা। কবিতাৰ মাজেদি, প্ৰেম আৰু কবিতাৰ মাজেদি যুগৰ ক্লান্তি, জিজ্ঞাসা, সংশয়, বিতৃষ্ণা, নৈৰাশ্য আদি ভাব উটুৱাই লৈ গৈ নিৰ্মলপ্ৰভাই হৃদয়ত যাপন কৰিছিল জীৱনৰ ঐতিহ্য। সুস্থতা, সুস্থ আশাবাদ, নিৰ্ভীকতা, বলিষ্ঠতা তেওঁৰ কবিতাৰ অন্যতম বৈশিষ্ট্য। ৰোমান্টিক কবিতাৰ যুগৰ অৱসান হোৱাৰ পৰতে নিৰ্মলপ্ৰভাৰ আগমন। মধ্যবিত্তৰ সংকীৰ্ণ জীৱন কক্ষৰে যি প্ৰেম নাহে সেই প্ৰেমতহে তেওঁ দগ্ধ হ'ল। এই প্ৰেমতেই উটি আছিল বিশ্বকবি ৰবীন্দ্ৰনাথ। ৰবীন্দ্ৰনাথে অতীন্দ্ৰিয় প্ৰেমৰ ধাৰণা দিছিল এইদৰে—

"আমৰা দুজনে ভাসিয়া এসেছি
যুগল প্ৰেমেৰ স্ৰোঁতে
অনাদি কালেৰ হৃদয় উৎস হতে।"

আমাৰ অসমীয়া কবি নিৰ্মলপ্ৰভাই চিনি পালে এই প্ৰেমৰ উৎস। ৰবীন্দ্ৰনাথৰ কবিতা অন্তৰ ভৰি ভাল পোৱা নিৰ্মলপ্ৰভাই অনুভৱ কৰিলে ক্ষণিকৰ দেহ-বিলাস প্ৰেম নহয়। প্ৰেম গংগাৰ জলৰ দৰে পৱিত্ৰ; জোনৰ দৰে শুকুলা। প্ৰেম নদীৰ দৰে দুৰ্বাৰ, নিৰৱধি। নদীৰ উত্তাল সোঁতৰ দৰেই কবিৰ জীৱনলৈ আহিছিল প্ৰেম। জীৱন, জগত একাকাৰ হৈছিল তেওঁৰ বাবে। হেৰাই যাব খুজিছিল কবিৰ অস্তিত্ব প্ৰেমৰ পদাঘাতত। নিজকে সৰ্বত্ৰত আৱিষ্কাৰ কৰি তেওঁ লিখিছিল—

"আটাইবোৰ আইনাতে
মই তোমাৰ মুখ দেখোঁ
ক'তো এখনো আইনা নেপালোঁ
য'ত দেখা পাওঁ
মোৰ মুখখন এবাৰলৈ।"

প্ৰেমৰ মিঠা স্বপ্নই তেওঁক আলোকিত কৰিলে। টি.এছ. ইলিয়টে কৈছিল— "Transforming ideas in to sensation, transforming on observation in to a state of mind." এই কথাখিনি তেওঁৰ বাবে সহজ হৈ পৰিল। কিন্তু প্ৰেম, দুখ আৰু শূন্যতাই কবি নিৰ্মলপ্ৰভাক বেছি দিন আচ্ছন্ন কৰি ৰাখিব নোৱাৰিলে। আত্ম-দুখৰ পৌনঃপৌনিক উচ্চাৰণ, ৰোমান্টিক পলায়ন প্ৰবৃত্তি আৰু আত্মকেন্দ্ৰিকতাক পৰিহাৰ কৰি তেওঁ হ'লগৈ নতুন যুগৰ কবি। নিজৰ জীৱনটোক কবিয়ে পৰম দুখৰ মাজতো ভাল পাবলৈ শিকিলে।

জীৱনৰ সোঁত ক'ত, জীৱনৰ সাৰাংশ কি তেওঁ জানিছিল। তেৱোঁ লিখিছিল জীৱনৰ সাৰাংশ। কবিতাৰে। শব্দব্ৰহ্মাৰে তেওঁ বিচৰণ কৰি গ'ল - বায়ু-পানী আৰু অন্তৰীক্ষ। দি গ'ল -" তমসো মা জ্যোতিৰ্গময়"ৰ মন্ত্ৰ। কবিয়ে লিখি গ'ল---

"অন্ধকাৰতে
মোৰ শিপা
মোৰ ফুল
মোৰ ফল
মোৰ হাতৰ আঙুলিত
মোৰ জীৱন
মোৰ উপলব্ধিৰ গভীৰত জয়,
সৰ্বময়
মৃত্যুৰ সমাধিত।"

নিৰ্মলপ্ৰভা বৰদলৈ যথাৰ্থতে আছিল এগৰাকী কবি। কবিতাৰ বিষয়ে তেওঁ 'মোৰ মনৰ এযাৰ'ত লিখিছে - "জীৱনতকৈ ডাঙৰ কবিতা আৰু কি আছে। জীৱন এক অনন্ত কবিতা বুজা-নুবুজাৰ, জোনাকৰ, ধুমুহাৰ, পোৱাৰ-নোপোৱাৰ, পাই হেৰুওৱাৰ, কোমলতাৰ, পোহৰৰ, অন্ধকাৰৰ, নিসংগতাৰ, সত্য উচ্চাৰণৰ, সৌন্দৰ্যৰ, স্বপ্নৰ, দগ্ধতাৰ, শোষণতাৰ, কাতৰতাৰ, আৰ্তনাদৰ, অশ্ৰুৰ...।"

বিস্তৰ অধ্যয়ন আৰু ব্যক্তিগত জীৱনৰ ঘাত-প্ৰতিঘাত তথা দেশ-বিদেশৰ ভ্ৰমণ অভিজ্ঞতা তেওঁৰ কাব্য-সৃষ্টিত প্ৰস্ফুটিত হ'ল বিপুলভাৱে। জ্ঞানক অনুভূতিলৈ ৰূপান্তৰিত কৰিলে। দেশৰ সংস্কৃতি, পৰম্পৰা, লোক-জীৱন সম্পৰ্কে থকা অভিজ্ঞতাৰ পৰা তেওঁৰ কবিতালৈ আহিছে উপমা আৰু চিত্ৰকল্প। তেওঁৰ সান্নিধ্যৰ সৌভাগ্যৱান সকলে বিচাৰি পাই এক জীৱন্ত কবিতা। নিৰ্মলপ্ৰভা নিজেই এটা কবিতা। তেওঁৰ ব্যক্তিত্ব আৰু কবিত্বৰ মাজত অকণো ফাঁক নাছিল। প্ৰতিটো কথা, শব্দ উচ্চাৰণ, প্ৰতিটো ভংগীমাত দেখা পোৱা গৈছিল এগৰাকী মহীয়সীৰ ৰূপত, যি দিব পাৰিছিল সুস্মিত উপদেশ, অসীম সাহস। পাণ্ডিত্য, দাৰ্শনিক বীক্ষা আৰু দুৰ্বোধ্য প্ৰচাৰৰ পৰিৱৰ্তে তেওঁৰ কবিতাত পোৱা যায় অনুভূতিৰ নিবিড় তন্ময়তা।❖

সহায়ক পুথি ঃ
নিৰ্মলপ্ৰভাৰ অনুপম আভা।





প্ৰবন্ধ

# বাটৰ নাট ঃ এক প্ৰত্যাহ্বান

এনিশা বুঢ়াগোহাঁই
স্নাতক দ্বিতীয় বৰ্ষ, অসমীয়া বিভাগ

মানৱ ইতিহাসৰ প্ৰথম নাট্য ধাৰাটো হ'ল লোকনাট্য। তাৰ পাছৰেপৰাই আমাৰ সমাজত ক্ৰমে যাত্ৰা আৰু প্ৰচেনিয়াম (Prosenioum) থিয়েটাৰৰ আবিৰ্ভাৱ হয়। নাটকৰ এই ধাৰাবোৰৰ উদ্ভৱ হৈছিল প্ৰতিনিয়ত বিৱৰ্তিত সমাজৰ সাংস্কৃতিক প্ৰয়োজনৰ চাহিদা অনুসাৰে। উক্ত সাংস্কৃতিক প্ৰয়োজনতেই উনৈশ শতিকাৰ শেষভাগত উদ্ভৱ হয় আজিৰ নৱতম নাট্যধাৰা বাটৰ নাট বা পথ নাটক - ষ্ট্ৰিট্ থিয়েটাৰ (Street theatre)।

এখন নাটক বাটৰ নাট হ'ব নোৱাৰে। বিশেষ সামাজিক পৰিবেশতহে এইবিধ নাটকৰ জন্ম। নিৰ্দিষ্ট সংজ্ঞাৰে স্বকীয় বৈশিষ্ট্যৰ অধিকাৰী এই নাটক। ই এক নতুন ধৰণৰ 'এজিট প্ৰ্ঃপ' থিয়েটাৰ। জনগণৰ সপক্ষে প্ৰতিবাদী জাগৰণ ইয়াৰ মূল লক্ষ্য। সেয়ে পথ বা বাটৰ নাটকে জনসাধাৰণৰ শোষণ-বঞ্চনা, প্ৰতাৰণা-প্ৰৱঞ্চনাৰ কথা কয়, জনগণক অধিকাৰ, প্ৰাপ্য সম্পৰ্কে সচেতন কৰে— প্ৰতিবাদ প্ৰতিৰোধ গঢ়ি তুলিবলৈ উদ্‌জীৱিত কৰে। ভাৰতৰ বাটৰ নাটৰ

গতিকে দেখা যায় যে পথ-নাটকৰ এক নিৰ্দিষ্ট শ্ৰেণী দৃষ্টিভঙ্গী আছে, নিজস্ব ইতিহাস আছে। সেইবাবেই বাটত কৰিলেই এখন নাটক বাটৰ নাট বা পথ নাটক হ'ব নোৱাৰে। দৰাচলতে বাটে-ঘাটে কৰা এইবিধ নাটকত জনগণ বা সমাজৰ প্ৰতি 'বাট' বা 'পথ' ৰ নিৰ্দেশ থাকে বাবেহে ইয়াৰ নাম বাটৰ নাট বা পথ নাটক। বাটত বা পথত কৰা বাবে নহয়।

বাটৰ নাট 'এজিট প্ৰ্ঃপ' (Agit-prop) থিয়েটাৰৰ অংশবিশেষ। 'এপিক থিয়েটাৰ'ৰ জনক বাৰ্টোল্ড ব্ৰেখ্ট আৰু 'পলিটিকেল থিয়েটাৰ'ৰ জনক এৰভিন পিছকাটৰৰ উদ্যোগত জাৰ্মানীত আৰম্ভ হোৱা 'এজিট প্ৰ্ঃপ' থিয়েটাৰৰ লক্ষ্য আছিল ফেচীবাদৰ বিৰুদ্ধে জনসাধাৰণক সজাগ কৰা। ৰাছিয়াৰ 'ফি উচাৰিষ্ট আন্দোলনৰ প্ৰেৰণাত জাৰ্মানীত আৰম্ভ হোৱা 'এজিট প্ৰ্ঃপ' থিয়েটাৰত ফেচীবাদৰ সৰ্বগ্ৰাসী পদক্ষেপৰ বিৰুদ্ধে সচেতন কৰাৰ বাবে জনসাধাৰণক উত্তেজিত (Agitate) কৰা হৈছিল আৰু এই সংগ্ৰামত অংশগ্ৰহণ কৰিবলৈ 'এজিট প্ৰ্ঃপ' থিয়েটাৰৰ জৰিয়তে প্ৰচাৰ চলোৱা হৈছিল। সেই হেতুকে এই জাতীয় নাটকক 'এজিট প্ৰ্ঃপ' (Agitational propaganda) থিয়েটাৰ বোলা হৈছিল। 'এজিট প্ৰ্ঃপ' থিয়েটাৰে কালক্ৰমত বিকাশ লাভ কৰি বৰ্তমানৰ 'বাটৰ নাট' ৰূপ পাইছে।

বাটৰ নাট কি?... 'বাটত (পথত) কৰা হয় বাবেই বাটৰ নাট—এনে এটা ভ্ৰান্ত তথা তৰাং ধাৰণা দিবলৈকে এদল স্বয়ম্ভু বাটৰ নাট বিশেষজ্ঞ তথা ৰজাঘৰীয়া পণ্ডিতে সততে সচেষ্ট হোৱা দেখা যায়। কিন্তু নাৰী মাত্ৰেই যিদৰে মাতৃ হ'ব নোৱাৰে, পানী মাত্ৰেই যিদৰে গঙ্গাজল নহয় বা বিহুৰ মঞ্চত হাত-ভৰি জোকাৰি অঙ্গী-ভঙ্গী কৰিলেই যিদৰে বিহু-নৃত্য নহয়, সেইদৰে বাটত কৰিলেই

পুৰোধা গণশিল্পী ছফদৰ হাছমীৰ এইষাৰ কথা অতি প্ৰাসঙ্গিক—
" It (street theatre) is basically a militant political theatre of protest. Its function is to agitate the people and to mobilise them behind fighting organisations."

গতিকে দেখা যায় যে পথ-নাটকৰ এক নিৰ্দিষ্ট শ্ৰেণী দৃষ্টিভঙ্গী আছে, নিজস্ব ইতিহাস আছে। সেইবাবেই বাটত কৰিলেই এখন নাটক বাটৰ নাট বা পথ নাটক হ'ব নোৱাৰে। দৰাচলতে বাটে-ঘাটে কৰা এইবিধ নাটকত জনগণ বা সমাজৰ প্ৰতি 'বাট' বা 'পথ' ৰ নিৰ্দেশ থাকে বাবেহে ইয়াৰ নাম বাটৰ নাট বা পথ নাটক। বাটত বা পথত কৰা বাবে নহয়।

ই এক প্ৰকাৰ প্ৰচাৰ নাটক। এই জাতীয় নাটকৰ বাবে বিশেষ মঞ্চৰ প্ৰয়োজন নহয়। ৰাজপথ, চহৰ-নগৰৰ উপকণ্ঠ, অলি-গলি, জন-সমাগম থকা ঠাই, হাট-বজাৰ, খেল-পথাৰ আৰু কাৰখানা, শিক্ষানুষ্ঠান আদিৰ সমীপস্থলেই বাটৰ নাটৰ স্থান (মঞ্চ)। মুকলিভাৱে পৰিবেশিত বাটৰ নাটৰ অভিনয়স্থলৰ চাৰিওফালে থাকে অগণন দৰ্শক। দৰ্শকৰ মাজতেই অভিনয় চলে। দৰ্শকৰ মাজতেই থাকে অভিনেতা-অভিনেত্ৰী। সাধাৰণ শ্ৰোতা-দৰ্শকৰ সংলাপবোৰকেই নাটকৰ সংলাপ ৰূপত অভিনেতা-অভিনেত্ৰীসকলে সাৱলীলভাৱে প্ৰকাশ কৰে। মুক্তাঙ্গনত শ্ৰোতা-দৰ্শকৰ মাজত প্ৰদৰ্শিত হয় বাবে

" সন্ধিয়াৰ আকাশত বগলি উৰে
আইৰে ঘৰলৈ মনতে পৰে।
বাঁহৰে আগতে ৰ'দালি দোলে
কত কি কথা মোৰ মনতে খেলে।।"

নাৰী জীৱনত প্ৰেমেই সৰ্বস্ব। সেয়ে গীতৰ মাজেদি তেওঁ বৰ্ণনা কৰিছে তেওঁৰ অন্তৰৰ প্ৰেম-স্ফুলিংগ এইদৰে-

"মোৰ দুচকুলে' চোৱা ঘনে ঘনে
পাইছা জানো মোৰ মন
তোমাৰ লিহিৰি মনৰে বাতৰি
উমানতে পালোঁ গম।"

বিৰহৰ কাৰুণ্য গীতেৰে প্ৰকাশ কৰা কঠিন কাম। আহ্বান জনাবলৈ লিখা গীতৰ ভাষা সহজ। কিন্তু নিৰ্মলপ্ৰভাৰ গীতত বিৰহৰ যি ছন্দ, সেয়া অনুপম। তেওঁ লিখিছিল—

"তোমাৰ কথা যেতিয়াই ভাবোঁ
দুচকু পানীৰে ভৰে
বিৰিণা বনৰ পাতৰ আগেদি
এটুপি নিয়ৰ সৰে।"

নদী ভাল পোৱা কবি নিৰ্মলপ্ৰভা। নদী গতিশীল। গতিশীলা এই নিৰ্মল নদীত সঞ্চাৰিত হ'ল নিৰ্মলপ্ৰভাৰ অন্য এক সোঁত। কবিতা, প্ৰেমৰ কবিতা। কবিতাৰ মাজেদি, প্ৰেম আৰু কবিতাৰ মাজেদি যুগৰ ক্লান্তি, জিজ্ঞাসা, সংশয়, বিতৃষ্ণা, নৈৰাশ্য আদি ভাব উটুৱাই লৈ গৈ নিৰ্মলপ্ৰভাই হৃদয়ত যাপন কৰিছিল জীৱনৰ ঐতিহ্য। সুস্থতা, সুস্থ আশাবাদ, নিৰ্ভীকতা, বলিষ্ঠতা তেওঁৰ কবিতাৰ অন্যতম বৈশিষ্ট্য। ৰোমান্টিক কবিতাৰ যুগৰ অৱসান হোৱাৰ পৰতে নিৰ্মলপ্ৰভাৰ আগমন। মধ্যবিত্তৰ সংকীৰ্ণ জীৱন কক্ষৰে যি প্ৰেম নাহে সেই প্ৰেমতহে তেওঁ দগ্ধ হ'ল। এই প্ৰেমতেই উটি আছিল বিশ্বকবি ৰবীন্দ্ৰনাথ। ৰবীন্দ্ৰনাথে অতীন্দ্ৰিয় প্ৰেমৰ ধাৰণা দিছিল এইদৰে—

"আমৰা দুজনে ভাসিয়া এসেছি
যুগল প্ৰেমেৰ স্ৰোঁতে
অনাদি কালেৰ হৃদয় উৎস হতে।"

আমাৰ অসমীয়া কবি নিৰ্মলপ্ৰভাই চিনি পালে এই প্ৰেমৰ উৎস। ৰবীন্দ্ৰনাথৰ কবিতা অন্তৰ ভৰি ভাল পোৱা নিৰ্মলপ্ৰভাই অনুভৱ কৰিলে ক্ষণিকৰ দেহ-বিলাস প্ৰেম নহয়। প্ৰেম গংগাৰ জলৰ দৰে পবিত্ৰ; জোনৰ দৰে শুকুলা। প্ৰেম নদীৰ দৰে দুৰ্বাৰ, নিৰৱধি। নদীৰ উত্তাল সোঁতৰ দৰেই কবিৰ জীৱনলৈ আহিছিল প্ৰেম। জীৱন, জগত একাকাৰ হৈছিল তেওঁৰ বাবে। হেৰাই যাব খুজিছিল কবিৰ অস্তিত্ব প্ৰেমৰ পদাঘাতত। নিজকে সৰ্বত্ৰত আৱিষ্কাৰ কৰি তেওঁ লিখিছিল—

"আটাইবোৰ আইনাতে
মই তোমাৰ মুখ দেখোঁ
ক'তো এখনো আইনা নেপালোঁ
য'ত দেখা পাওঁ
মোৰ মুখখন এবাৰলৈ।"

প্ৰেমৰ মিঠা স্বপ্নই তেওঁক আলোকিত কৰিলে। টি.এছ. ইলিয়টে কৈছিল— "Transforming ideas in to sensation, transforming on observation in to a state of mind." এই কথাখিনি তেওঁৰ বাবে সহজ হৈ পৰিল। কিন্তু প্ৰেম, দুখ আৰু শূন্যতাই কবি নিৰ্মলপ্ৰভাক বেছি দিন আছন্ন কৰি ৰাখিব নোৱাৰিলে। আত্ম-দুখৰ পৌনঃপৌনিক উচ্চাৰণ, ৰোমান্টিক পলায়ন প্ৰবৃত্তি আৰু আত্মকেন্দ্ৰিকতাক পৰিহাৰ কৰি তেওঁ হ'লগৈ নতুন যুগৰ কবি। নিজৰ জীৱনটোক কবিয়ে পৰম দুখৰ মাজতো ভাল পাবলৈ শিকিলে।

জীৱনৰ সোঁত ক'ত, জীৱনৰ সাৰাংশ কি তেওঁ জানিছিল। তেৰোঁ লিখিছিল জীৱনৰ সাৰাংশ। কবিতাৰে। শব্দব্ৰহ্মাৰে তেওঁ বিচৰণ কৰি গ'ল - বায়ু-পানী আৰু অন্তৰীক্ষ। দি গ'ল -" তমসো মা জ্যোতিৰ্গময়"ৰ মন্ত্ৰ। কবিয়ে লিখি গ'ল—

"অন্ধকাৰতে
মোৰ শিপা
মোৰ ফুল
মোৰ ফল
মোৰ হাতৰ আঙুলিত
মোৰ জীৱন
মোৰ উপলব্ধিৰ গভীৰত জয়,
সৰ্বময়
মৃত্যুৰ সমাধিত।"

নিৰ্মলপ্ৰভা বৰদলৈ যথাৰ্থতে আছিল এগৰাকী কবি। কবিতাৰ বিষয়ে তেওঁ 'মোৰ মনৰ এযাৰ'ত লিখিছে - "জীৱনতকৈ ডাঙৰ কবিতা আৰু কি আছে। জীৱন এক অনন্ত কবিতা বুজা-নুবুজাৰ, জোনাকৰ, ধুমুহাৰ, পোৱাৰ-নোপোৱাৰ, পাই হেৰুওৱাৰ, কোমলতাৰ, পোহৰৰ, অন্ধকাৰৰ, নিসংগতাৰ, সত্য উচ্চাৰণৰ, সৌন্দৰ্যৰ, স্বপ্নৰ, দগ্ধতাৰ, শোষণতাৰ, কাতৰতাৰ, আৰ্তনাদৰ, অশ্ৰুৰ... ।"

বিস্তৰ অধ্যয়ন আৰু ব্যক্তিগত জীৱনৰ ঘাত-প্ৰতিঘাত তথা দেশ-বিদেশৰ ভ্ৰমণ অভিজ্ঞতা তেওঁৰ কাব্য-সৃষ্টিত প্ৰস্ফুটিত হ'ল বিপুলভাৱে। জ্ঞানক অনুভূতিলৈ ৰূপান্তৰিত কৰিলে। দেশৰ সংস্কৃতি, পৰম্পৰা, লোক-জীৱন সম্পৰ্কে থকা অভিজ্ঞতাৰ পৰা তেওঁৰ কবিতালৈ আহিছে উপমা আৰু চিত্ৰকল্প। তেওঁৰ সান্নিধ্যৰ সৌভাগ্যৱান সকলে বিচাৰি পাই এক জীৱন্ত কবিতা। নিৰ্মলপ্ৰভা নিজেই এটা কবিতা। তেওঁৰ ব্যক্তিত্ব আৰু কবিত্বৰ মাজত অকণো ফাঁক নাছিল। প্ৰতিটো কথা, শব্দ উচ্চাৰণ, প্ৰতিটো ভংগীমাত দেখা পোৱা গৈছিল এগৰাকী মহীয়সীৰ ৰূপত, যি দিব পাৰিছিল সুস্মিত উপদেশ, অসীম সাহস। পাণ্ডিত্য, দাৰ্শনিক বীক্ষা আৰু দুৰ্বোধ্য প্ৰচাৰৰ পৰিৱৰ্তে তেওঁৰ কবিতাত পোৱা যায় অনুভূতিৰ নিবিড় তন্ময়তা।❖

**সহায়ক পুথি ঃ**
নিৰ্মলপ্ৰভাৰ অনুপম আভা।





**প্ৰবন্ধ**

# বাটৰ নাট ঃ এক প্ৰত্যাহ্বান

এনিশা বুঢ়াগোহাঁই
স্নাতক দ্বিতীয় বৰ্ষ, অসমীয়া বিভাগ

মানৰ ইতিহাসৰ প্ৰথম নাট্য ধাৰাটো হ'ল লোকনাট্য। তাৰ পাছৰেপৰাই আমাৰ সমাজত ক্ৰমে যাত্ৰা আৰু প্ৰচেনিয়াম (Prosenioum) থিয়েটাৰৰ আবিৰ্ভাৱ হয়। নাটকৰ এই ধাৰাবোৰৰ উদ্ভৱ হৈছিল প্ৰতিনিয়ত বিৱৰ্তিত সমাজৰ সাংস্কৃতিক প্ৰয়োজনৰ চাহিদা অনুসাৰে। উক্ত সাংস্কৃতিক প্ৰয়োজনতেই উনৈশ শতিকাৰ শেষভাগত উদ্ভৱ হয় আজিৰ নৱতম নাট্যধাৰা বাটৰ নাট বা পথ নাটক - ষ্ট্ৰিট্ থিয়েটাৰ (Street theatre)।

> গতিকে দেখা যায় যে পথ-নাটকৰ এক নিৰ্দিষ্ট শ্ৰেণী দৃষ্টিভঙ্গী আছে, নিজস্ব ইতিহাস আছে। সেইবাবেই বাটত কৰিলেই এখন নাটক বাটৰ নাট বা পথ নাটক হ'ব নোৱাৰে। দৰাচলতে বাটে-ঘাটে কৰা এইবিধ নাটকত জনগণ বা সমাজৰ প্ৰতি 'বাট' বা 'পথ' ৰ নিৰ্দেশ থাকে বাবেহে ইয়াৰ নাম বাটৰ নাট বা পথ নাটক। বাটত বা পথত কৰা বাবে নহয়।

বাটৰ নাট 'এজিট প্ৰ'প' (Agit-prop) থিয়েটাৰৰ অংশবিশেষ। 'এপিক থিয়েটাৰ'ৰ জনক বাৰ্টোল্ড ব্ৰেখ্ট আৰু 'পলিটিকেল থিয়েটাৰ'ৰ জনক এৰভিন পিছকাটৰৰ উদ্যোগত জাৰ্মানীত আৰম্ভ হোৱা 'এজিট প্ৰ'প' থিয়েটাৰৰ লক্ষ্য আছিল ফেচীবাদৰ বিৰুদ্ধে জনসাধাৰণক সজাগ কৰা। ৰাছিয়াৰ 'ফি উচাৰিষ্ট আন্দোলনৰ প্ৰেৰণাত জাৰ্মানীত আৰম্ভ হোৱা 'এজিট প্ৰ'প' থিয়েটাৰত ফেচীবাদৰ সৰ্বগ্ৰাসী পদক্ষেপৰ বিৰুদ্ধে সচেতন কৰাৰ বাবে জনসাধাৰণক উত্তেজিত (Agitate) কৰা হৈছিল আৰু এই সংগ্ৰামত অংশগ্ৰহণ কৰিবলৈ 'এজিট প্ৰ'প' থিয়েটাৰৰ জৰিয়তে প্ৰচাৰ চলোৱা হৈছিল। সেই হেতুকে এই জাতীয় নাটকক 'এজিট প্ৰ'প' (Agitational propaganda) থিয়েটাৰ বোলা হৈছিল। 'এজিট প্ৰ'প' থিয়েটাৰে কালক্ৰমত বিকাশ লাভ কৰি বৰ্তমানৰ 'বাটৰ নাট' ৰূপ পাইছে।

বাটৰ নাট কি?... 'বাটত (পথত) কৰা হয় বাবেই বাটৰ নাট—এনে এটা ভ্ৰান্ত তথা তৰাং ধাৰণা দিবলৈকে এদল স্বয়ম্ভু বাটৰ নাট বিশেষজ্ঞ তথা ৰজাঘৰীয়া পণ্ডিতে সততে সচেষ্ট হোৱা দেখা যায়। কিন্তু নাৰী মাত্ৰেই যিদৰে মাতৃ হ'ব নোৱাৰে, পানী মাত্ৰেই যিদৰে গঙ্গাজল নহয় বা বিহুৰ মঞ্চত হাত-ভৰি জোকাৰি অঙ্গী-ভঙ্গী কৰিলেই যিদৰে বিহু-নৃত্য নহয়, সেইদৰে বাটত কৰিলেই এখন নাটক বাটৰ নাট হ'ব নোৱাৰে। বিশেষ সামাজিক পৰিবেশতহে এইবিধ নাটকৰ জন্ম। নিৰ্দিষ্ট সংজ্ঞাৰে স্বকীয় বৈশিষ্ট্যৰ অধিকাৰী এই নাটক। ই এক নতুন ধৰণৰ 'এজিট প্ৰ'প' থিয়েটাৰ। জনগণৰ সপক্ষে প্ৰতিবাদী জাগৰণ ইয়াৰ মূল লক্ষ্য। সেয়ে পথ বা বাটৰ নাটকে জনসাধাৰণৰ শোষণ-বঞ্চনা, প্ৰতাৰণা-প্ৰৱঞ্চনাৰ কথা কয়, জনগণক অধিকাৰ, প্ৰাপ্য সম্পৰ্কে সচেতন কৰে— প্ৰতিবাদ প্ৰতিৰোধ গঢ়ি তুলিবলৈ উদ্‌জীৱিত কৰে। ভাৰতৰ বাটৰ নাটৰ পুৰোধা গণশিল্পী ছফদৰ হাছমীৰ এইষাৰ কথা অতি প্ৰাসঙ্গিক—
" It (street theatre) is basically a militant political theatre of protest. Its function is to agitate the people and to mobilise them behind fighting organisations."

গতিকে দেখা যায় যে পথ-নাটকৰ এক নিৰ্দিষ্ট শ্ৰেণী দৃষ্টিভঙ্গী আছে, নিজস্ব ইতিহাস আছে। সেইবাবেই বাটত কৰিলেই এখন নাটক বাটৰ নাট বা পথ নাটক হ'ব নোৱাৰে। দৰাচলতে বাটে-ঘাটে কৰা এইবিধ নাটকত জনগণ বা সমাজৰ প্ৰতি 'বাট' বা 'পথ' ৰ নিৰ্দেশ থাকে বাবেহে ইয়াৰ নাম বাটৰ নাট বা পথ নাটক। বাটত বা পথত কৰা বাবে নহয়।

ই এক প্ৰকাৰ প্ৰচাৰ নাটক। এই জাতীয় নাটকৰ বাবে বিশেষ মঞ্চৰ প্ৰয়োজন নহয়। ৰাজপথ, চহৰ-নগৰৰ উপকণ্ঠ, অলি-গলি, জন-সমাগম থকা ঠাই, হাট-বজাৰ, খেল-পথাৰ আৰু কাৰখানা, শিক্ষানুষ্ঠান আদিৰ সমীপস্থলেই বাটৰ নাটৰ স্থান (মঞ্চ)। মুকলিভাৱে পৰিবেশিত বাটৰ নাটৰ অভিনয়স্থলৰ চাৰিওফালে থাকে অগণন দৰ্শক। দৰ্শকৰ মাজতেই অভিনয় চলে। দৰ্শকৰ মাজতেই থাকে অভিনেতা-অভিনেত্ৰী। সাধাৰণ শ্ৰোতা-দৰ্শকৰ সংলাপবোৰকেই নাটকৰ সংলাপ ৰূপত অভিনেতা-অভিনেত্ৰীসকলে সাৱলীলভাৱে প্ৰকাশ কৰে। মুক্তাঙ্গনত শ্ৰোতা-দৰ্শকৰ মাজত প্ৰদৰ্শিত হয় বাবে

বাটৰ নাটত সাধাৰণ মানুহৰ জীৱনৰ বাস্তৱ চিত্ৰৰ প্ৰতিফলন ঘটে। বাটৰ নাটৰ সংলাপবোৰত থাকে স্পষ্ট দৃষ্টিভংগী আৰু লক্ষ্য, শিল্প সুলভ উপস্থাপনা আৰু বিষয়বস্তুৰ গাম্ভীৰ্য।

বাটৰ নাটৰ প্ৰয়োজনীয়তা আজি অতি বেছি। নাটকৰ লগত জড়িতসকলে সেই প্ৰয়োজনীয়তা দেখিছেনে? "ছফদৰ হাছমী"ক আমি স্মৰণ কৰোঁ। কিয়? আমাৰ নাটকৰ সৈতে জড়িত বহুতে ছফদৰ হাছমীৰ নামো নুশুনাকৈ আছে। আচৰিত নহয়। কাৰণ নাটকক আজি জীৱনৰ প্ৰয়োজন বুলি হয়তো ভাবিব পৰা নাই। গভীৰ চিন্তা কৰা, জীৱনক বুজা, বহু নাট্যকাৰ, অভিনেতা-শিল্পী আমাৰ মাজত আছে। আজি সেইসকলৰ নেতৃত্ব লাগে। নাটকক সৰ্বসাধাৰণ ৰাইজৰ মাজলৈ নিয়াৰ আঁচনি লাগে।

মানুহৰ বাবেই বাটৰ নাটৰ সৃষ্টি। নতুন সমাজৰ প্ৰতিজ্ঞা লৈ ই মানুহৰ মাজত উপস্থিত হয়। সেয়ে অন্ধবিশ্বাস, কুসংস্কাৰৰ বিৰুদ্ধে প্ৰগতিশীল চিন্তা-চেতনাৰ উন্মেষ ঘটোৱাটো বাটৰ নাটৰ দায়িত্ব আৰু সেই দায়িত্ব পালনৰ বাবেই ঐন্দ্ৰজালিক ৰহস্যৰ জাল ফালি জনগণক উদ্ধাৰ কৰাহে ইয়াৰ কাম।

সংগ্ৰামেই যিহেতু বাটৰ নাটৰ উপজীব্য, বিপ্লৱেই যিহেতু পথ নাটকৰ ৰক্তপ্ৰবাহ, সেয়ে ভৱিষ্যতৰ সংগ্ৰাম ক্ষেত্ৰত বাটৰ নাট সংগ্ৰামী জনগণৰ হাতত এপাট অতি প্ৰয়োজনীয় তথা শক্তিশালী হাতিয়াৰৰূপে অৱধাৰিত ভাৱে অৱতীৰ্ণ হ'বই আৰু ইয়াৰ মানবিক তথা জীৱন্ত আবেদনে টি. ভি., চিনেমাৰ যান্ত্ৰিক প্ৰলোভনক চেৰ পেলাই মাটিৰ মানুহৰ হৃদয় মনত ঠাই কৰি ল'বই। যুগে যুগে বঞ্চিত শ্ৰমিক, কৃষকেই সংস্কৃতিৰ স্ৰষ্টা আৰু ৰক্ষক। বাটৰ নাটো তেওঁলোকৰ সৃষ্টি। শ্ৰমিক-কৃষকৰ মৰণ-পণ সংগ্ৰামৰ সঙ্গীৰূপেই বাটৰ নাট সংগ্ৰামী, অভিজ্ঞতা সমৃদ্ধ, ঐতিহাসিক দায়িত্ব পালনৰ গৰ্বেৰে গৰ্বিত। শ্ৰমিক কৃষকেই নিশ্চিত কৰিব লাগিব বাটৰ নাটৰ ভৱিষ্যতৰ ব্যাপ্তি। আজি পুঁজিবাদৰ দালাল শাসক গোষ্ঠী এফালে বিশ্বায়নৰ মাজত সাম্ৰাজ্যবাদীৰ ওচৰত দেশ বিক্ৰীৰ ষড়যন্ত্ৰত লিপ্ত হৈছে আৰু আনফালে আপ্ৰাণ চেষ্টা কৰিছে সেই ষড়যন্ত্ৰৰ বিৰুদ্ধে প্ৰতিবাদ-প্ৰতিৰোধহীন সংস্কৃতি জনগণৰ ওপৰত জাপি দিবলৈ। ইয়াক প্ৰতিহত কৰিব লাগিব সমাজ-সংস্কৃতিৰ অতন্দ্ৰ প্ৰহৰী শ্ৰমিক-কৃষকেই। পিছে ই-মেইল, ইন্টাৰনেটৰ যুগ এইয়া, যাৰ সমস্ত সুবিধা একচেটিয়াভাৱে ব্যৱহাৰ কৰিব সাম্ৰাজ্যবাদী শিবিৰে। সেয়ে এই সংগ্ৰামত প্ৰতিজন সংগ্ৰামীৰ চেতনাৰ মান হ'ব লাগিব অধিক উন্নত আৰু তীক্ষ্ণ। চেতনা জাগৰণৰ মহান যজ্ঞত সংস্কৃতিৰ আন উপাদানৰ লগতে অনিবাৰ্যভাৱে থাকিব বাটৰ নাটৰ ভূমিকা আৰু নিঃসন্দেহে অতীতৰ দৰে অবিশ্বাস্য ভুমিকা পালন কৰি এইবিধ গণঅস্ত্ৰই শ্ৰমিক-কৃষকৰ হাত শক্তিশালী কৰিবই, — যিদৰে কৰিছিল মহাচীনত, যিদৰে কৰিছিল ভিয়েটনামত।

বাটৰ নাট সাধাৰণতে চুটি হোৱাটো বাঞ্ছনীয়। কিয়নো দৰ্শকসকলে পূৰ্ব প্ৰস্তুতি নোহোৱাকৈ এই নাটক উপভোগ কৰিব লগা হয়; গতিকে কম সময়ৰ ভিতৰত নাটকীয় বক্তব্য প্ৰকাশ কৰিব লাগে। বাটৰ নাটৰ অভিনেতা-অভিনেত্ৰীসকল অতি চতুৰ হ'ব লাগে। নাটকে গতি লোৱাৰ পাছত দৰ্শকৰ পৰা কেনেধৰণৰ প্ৰতিক্ৰিয়া আহিব তাৰ কোনো নিশ্চয়তা নাথাকে, গতিকে অভিনেতা-অভিনেত্ৰীসকলে অধিক সচেতনতাৰে গতি অব্যাহত ৰাখিব লাগে।

আধুনিক সমাজ-ব্যৱস্থাই মানুহৰ মনকো আধুনিক কৰি তুলিছে। গোলকীকৰণ ব্যৱস্থাই সকলোকে কায চপাই দিলে, কিন্তু বিশ্বাস, সততাৰ পৰা সকলোকে আঁতৰাই নিলে। দেশৰ বিশৃংখল পৰিস্থিতি, ভয়াবহতাই বাটৰ নাটককো বিশেষভাৱে প্ৰভাৱান্বিত কৰিছে। আজিৰ সময়ত যিকোনো পৰিবেশত বাটৰ নাট কৰিবলৈ গ'লে বিপদৰ সন্মুখীন হোৱাৰহে সম্ভাৱনা অধিক। সেয়েহে নাট্য শিল্পীসকলে বাটৰ নাটৰ বাবে আধুনিক ধৰণে চিন্তা কৰাটো মংগলজনক।❖

**সহায়ক গ্ৰন্থ ঃ**

১। নাটক আৰু মঞ্চ— পংকজ কুমাৰ দত্ত (সম্পাদিত)।
২। নাটক— মৃণাল কুমাৰ গগৈ (সম্পাদিত)।
৩। ছফদৰ হাছমী আৰু বাটৰ নাট— ইছমাইল হুছেইন (সম্পাদিত)।

সাম্প্ৰতিক কালত জাৰ্মানী, ইংলেণ্ড, চুইডেন আদিতো বাটৰ নাটে তাৰ ঐতিহ্যমণ্ডিত যাত্ৰা অব্যাহত ৰাখিছে। কিন্তু বিগত দুটা দশকত ভাৰতত বাটৰ নাটৰ অনুশীলন যিমান বেছি হৈছে, আন ক'তো হোৱা নাই। ভাৰতত এই নাটকৰ প্ৰচলন কৰিছিল ছফদৰ হাছমীয়ে; যিজনৰ নাটক কৰি থকা অৱস্থাতেই আততায়ীৰ হাতত মৃত্যু হৈছিল। স্কুল-কলেজ, অফিচৰ সন্মুখত, বজাৰত, কাৰখানাৰ গেটত পৰিবেশিত এই নাট্যানুষ্ঠানবোৰে এফালে যিদৰে দেশৰ ভিতৰৰ ফোঁপোলা অৰ্থনীতি উদঙাই দিয়ে, আনফালে সেইদৰে অৰ্থ ভাঙি চিনেমা বা মঞ্চনাট চাব নোৱাৰাসকলক দিয়ে নাট্য আমোদ। সৃষ্টি কৰে নাট্য আকৰ্ষণ আৰু ইয়াৰ মাজেদি বাটৰ নাটে পালন কৰা আটাইতকৈ গুৰুত্বপূৰ্ণ ভূমিকাটো হ'ল শ্ৰমিক সংগঠন।

(বাটৰ নাট শ্ৰেণীসংগ্ৰামৰ অনন্য পন্থা) —ইন্দ্ৰকুমাৰ বৰা





**প্ৰবন্ধ**

# বৈজ্ঞানিক দৃষ্টিভঙ্গী আৰু অন্ধবিশ্বাস

**ৰশ্মি চুতীয়া**
**উচ্চতৰ মাধ্যমিক ১ম বৰ্ষ** (কলা)

আদিম যুগৰ পৰা বৰ্তমানলৈকে মানুহৰ কোনো এটা কথা ভালদৰে, বিশদভাৱে বিশ্লেষণ কৰাৰ ইচ্ছা জাগৃত হৈ আহিছে আৰু এই অনুসন্ধিৎসু গুণটোৱেই মানুহক অন্য প্ৰজাতিৰ পৰা পৃথক কৰি ৰাখিছে। বুদ্ধি আৰু অনুসন্ধিৎসু গুণৰ বাবেই মানুহে ক্ৰমাৎ উন্নতিৰ পথেৰে আগুৱাই গৈ আছে। কেৱল সেয়ে নহয়, বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ উন্নতিৰ বলতে মানুহে প্ৰকৃতিৰ নানা ৰহস্য উদ্‌ঘাটন কৰিবলৈ সক্ষম হৈছে। কিন্তু বিজ্ঞানৰ ইমান অগ্ৰগতিৰ পাছতো বৰ্তমানেও কিছুমান লোকৰ মাজত কৌটিকলীয়া বিশ্বাসবোৰ এনেদৰে শিপাই আছে যে মানুহে সেই বিশ্বাসবোৰৰ সত্যাসত্য বৈজ্ঞানিক দৃষ্টিভংগীৰে চালি-জাৰি চোৱাৰ প্ৰয়োজনীয়তা অনুভৱ নকৰে। আমাৰ ধৰ্মীয় আচাৰ-ব্যৱহাৰ, বিশ্বাস, সামাজিক প্ৰথা আৰু ব্যক্তিগত মূল্যবোধে অন্ধবিশ্বাস সমূহক জীয়াই ৰখাত সহায় কৰিছে। ঐতিহাসিক ভাৱে অনগ্ৰসৰ কোনো এক প্ৰাচীন পৰ্যায়ত মানুহে যেতিয়া জাগতিক ঘটনা সমূহৰ ৰহস্য ভেদ কৰিব পৰা নাছিল, তেতিয়া মানুহে অজ্ঞতাৰ হেতু নানা ধৰণৰ অদ্ভুত কল্পনা কৰিছিল আৰু বিভিন্ন দেৱ-দেৱতা, ভূত-প্ৰেত আদিয়ে প্ৰাকৃতিক নিয়ম সমূহক নিয়ন্ত্ৰণ কৰে বুলি ভাবি তেওঁলোকৰ ৰোষৰ পৰা পৰিত্ৰাণ পাবলৈ নানা ধৰণৰ পূজা-পাতল কৰিছিল। এনেদৰেই মানুহৰ মাজত অন্ধবিশ্বাসৰ সূচনা হৈছিল।

আমাৰ সমাজত আজিও অন্ধবিশ্বাসে এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আহিছে। এই অন্ধবিশ্বাস বোৰৰ মূল তথা তাৰ সামাজিক আৰু বৈজ্ঞানিক দিশবোৰ সূক্ষ্মভাৱে পৰ্যবেক্ষণ কৰাৰ প্ৰয়োজনীয়তা আছে।

আমাৰ জনসমাজত ভূত বা অশৰীৰী আত্মাক বিশ্বাস নকৰা লোক খুউব কমেইহে ওলাব। মানুহৰ মৃত্যুৰ পাছত আত্মাটো অতৃপ্ত হৈ থাকি মুক্তি লাভ কৰিব নোৱাৰিলে অশৰীৰী ৰূপত ঘূৰি ফুৰে বুলি বিশ্বাস কৰা হয়। এই ভূতবোৰে মানুহক নানাধৰণেৰে অসুবিধাত পেলাই বুলি জনবিশ্বাস প্ৰচলিত। ভূত বুলি প্ৰকৃতাৰ্থত কিবা আছেনে তাৰ বৈজ্ঞানিক ব্যাখ্যা পোৱা নাযায়। আজিৰ বিজ্ঞানৰ চৰম সাফল্যৰ দিনতো এই অদৃশ্য আত্মা বা ভূতক বিশ্বাস কৰাটো অন্ধবিশ্বাসৰ বাদে আন একো নহয়। কেতিয়াবা শিক্ষিত লোকসকলেও এনেধৰণৰ প্ৰেতাত্মাৰ ওপৰত বিশ্বাস কৰা দেখা যায়। ই সু-সভ্যতামুখী পৃথিৱীৰ বাবে অতি পৰিতাপৰ কথা।

জনসমাজত প্ৰচলিত আছে যে মঙ্গল আৰু শনিবাৰে নখ আৰু চুলি কাটিব নাপায়, যাত্ৰাপথত মেকুৰীয়ে বাট ভেটিলে দুৰ্ঘটনা হোৱাৰ আশংকা থাকে, কাউৰীয়ে চোতালৰ আগত বা ঘৰত পৰি ৰমলিয়ালে আলহী আহে বা গৃহস্থৰ কিবা অমংগল হয়। আলহীয়ে ভাত খাই মুখ-শুদ্ধি নকৰিলে গৃহস্থৰ লখিমী যাব, শোটা-বাঢ়নী ওভতাই থলে ঘৰত কাজিয়া-পেচাল হয়, পুৱাই বিধৱা তিৰোতা দেখিলে যাত্ৰা নষ্ট হয়, পশ্চিমফালে শিতান দি শুব নাপায়— এনেধৰণৰ অন্ধবিশ্বাসবোৰৰ সীমা-সংখ্যা নাই। কিন্তু এইবোৰৰ কোনো বৈজ্ঞানিক ভিত্তি বিচাৰি পোৱা নাযায়।

খৰাং বতৰত বৰষুণ অনাৰ উদ্দেশ্যে ভেকুলীৰ বিয়া পতাৰ কথা আমি সকলোৱে জানো। আধুনিক দৃষ্টিত ই অন্ধবিশ্বাসৰ বাদে আন একো নহয়। বাৰিষা কালত ভেকুলীৰ বংশবৃদ্ধি হয় আৰু ইটোৱে সিটোক আকৃষ্ট কৰিবলৈ টোৰটোৰায়। কিন্তু মানুহে বিশ্বাস কৰে যে ভেকুলীয়ে টোৰটোৰালেহে বৰষুণ দিয়ে। গতিকে খৰাং বতৰত ভেকুলীৰ বিয়া পাতি বৰষুণৰ আহ্বান জনায়।

তেনেদৰে আমাৰ দাঁতত পোকে ধৰা পোকবোৰ আমি বহুতে ভবাৰ দৰে বিৰাট বিৰাট একোটাহঁত নহয়; সেইবোৰ একো একোটা অণুজীৱ। গতিকে কোনোবা বেজে কলপাত বা কচুপাতৰ ওপৰত দাঁতৰ পৰা ডাঙৰ ডাঙৰ পোক উলিয়াই দেখুওৱাটো বেজজনৰ কাৰচাজিৰ বাহিৰে অন্য একো নহয়। গতিকে দাঁতৰ কিবা সমস্যাৰ সৃষ্টি হ'লে আধুনিক দন্ত চিকিৎসাৰ সহায় লোৱাটোহে প্ৰয়োজনীয়।

ঠিক তেনেকৈ বসন্ত ৰোগ ভাইৰাচৰ পৰাই উৎপত্তি হয়। সেইবাবে বসন্ত ওলোৱা ৰোগীক পৰিষ্কাৰ-পৰিচ্ছন্নকৈ ৰাখি অন্যৰ গালৈ সেই ভাইৰাচ বিয়পোৱাত বাধা দিব লাগে। আমাৰ সমাজত বসন্ত বা আই ওলালে গোপিনী সবাহ, শীতলা পূজা পাতি কণ কণ ল'ৰা-ছোৱালী আৰু ওচৰ-চুবুৰীয়াৰ গালৈ ভাইৰাচ বিয়পোৱাত সহায় কৰাৰ সলনি উপযুক্ত চিকিৎসাৰ ব্যৱস্থা কৰাটোহে দৰকাৰ। তেনেদৰে সাপে খোটা, কুকুৰে কামোৰা আদিৰ চিকিৎসা নকৰি বেজৰ হাতত জৰা-ফুকা কৰিবলৈ এৰি দিলে মানুহে নিজকে সম্ভাব্য মৃত্যুৰ মুখলৈ ঠেলি দিয়া যেনহে হয়।

অন্য কিছুমান সম্পূৰ্ণ অ-বৈজ্ঞানিক নীতি-নিয়মো আমাৰ সমাজত প্ৰচলিত হৈ আছে। হিন্দু বিধবা এগৰাকীক মাছ-মাংস

খাবলৈ দিয়া নহয়, তেওঁক বহুত কঠোৰ নীতি-নিয়মৰ মাজেৰে জীৱন নিৰ্বাহ কৰিবলৈ দিয়া হয়। এইবিলাক আমাৰ সমাজৰ অন্ধবিশ্বাস আৰু কু-সংস্কাৰ। এইবিলাকৰ কোনো ধৰণৰ বৈজ্ঞানিক যুক্তিযুক্ততা বিচাৰি পোৱা নাযায়। তিথি অনুসৰি চকুৰ পতা নচাৰো কিছুমান প্ৰচলিত জনবিশ্বাস আছে। আচলতে চকুৰ পতা নচাৰ কিছুমান শাৰীৰিক কাৰণ থাকে। আমাৰ চকুৰ পতাত বহুকেইটা মাংসপেশীৰ পাতল স্তৰ থাকে, ইয়াৰ ভিতৰত Orbicularis Oculi আৰু Levator Palpe brae Superioris নামৰ মাংসপেশী দুবিধে চকুৰ পতা লৰচৰ কৰাত সহায় কৰে। চকুৰ ওপৰত থকা পাতল আৱৰণটো শুকাই গ'লে চকুৰ অনিষ্ট সাধন হয়। গতিকে চকুৰ কোণত থকা অশ্ৰুগন্থিয়ে এই আৱৰণখন তিয়াই ৰাখে আৰু এই পেশী দুবিধ উত্তেজিত হৈ অশ্ৰুগন্থিৰ পানীবোৰ আবৰণখনত বিয়পি যোৱাত সহায় কৰে। আৰু তেতিয়াই চকুৰ পতা নাচে। অৱশ্যে বেছিকৈ চকুৰ পতা লৰচৰ কৰিলে চকু চিকিৎসকৰ পৰামৰ্শ লোৱা ভাল।

অতি প্ৰাচীন কালৰে পৰা ভাৰতবৰ্ষত জ্যোতিষ বিদ্যাৰ চৰ্চা হৈ আহিছে। জ্যোতিষ বিদ্যাৰ মতে কোনো মানুহৰ ভবিষ্যত তেওঁৰ জন্মৰ মুহূৰ্ততেই নিৰ্ধাৰিত হৈ পৰে। তেওঁৰ স্বভাৱ-চৰিত্ৰ, উন্নতি, অধোগতি, বিবাহ, মৃত্যু আদিও নিৰ্ভৰ কৰে তেওঁৰ জন্মৰ মুহূৰ্তত কোটি কোটি কিল'মিটাৰ দূৰত থকা কেইটামান গ্ৰহ-নক্ষত্ৰৰ অৱস্থানৰ ওপৰত। কিন্তু বিজ্ঞানীসকলৰ মতে গ্ৰহ-নক্ষত্ৰৰ পৰা যি পৰিমাণৰ বিকিৰণ পৃথিৱীত আহি পৰে, সি অতি ক্ষীণ আৰু সি মানুহৰ ওপৰত বেছিকৈ প্ৰভাৱ পেলাব নোৱাৰে। গতিকে জ্যোতিষ-শাস্ত্ৰ কিমান বিজ্ঞান সন্মত তাত সন্দেহ প্ৰকাশ কৰা যায়। তদুপৰি একে সময়তে একাধিক সন্তানৰ জন্ম হয়, কিন্তু তেওঁলোকৰ স্বভাৱ-চৰিত্ৰ, ভাগ্য, বিবাহ-মৃত্যু আদিৰ বিভিন্নতা পৰিলক্ষিত হয়। ইয়াৰ উপযুক্ত কাৰণ হয়তো জ্যোতিষীসকলে ব্যাখ্যা কৰিব নোৱাৰে।

জ্যোতিষ বিদ্যাৰ দৰে হস্ত ৰেখা বিদ্যাও এক ভ্ৰান্তিযুক্ত বিদ্যা। হস্তৰেখাবিদ সকলে হাতৰ ৰেখা পৰীক্ষা কৰি ভূত-ভৱিষ্যত আদি নিৰ্ণয় কৰে। কিন্তু বিজ্ঞানে হাতৰ ৰেখাৰ লগত ভাগ্যৰ যোগসূত্ৰ মানি নলয়। দৰাচলতে ভ্ৰূণ অৱস্থাত ১২-১৪ সপ্তাহৰ ভিতৰত শিশুৰ চালত কিছুমান ভাঁজ (Skin erease) তৈয়াৰ হয় আৰু গৰ্ভস্থ সন্তানে হাত ভৰি কোঁচ খুৱাই থকাৰ ফলত হাতৰ তলুৱাত বা ভৰিৰ পতাত ৰেখাৰ সৃষ্টি হয়। গতিকে সেই ৰেখাবিলাকৰ লগত মানুহৰ ভাগ্য নিৰ্ণয় কৰাৰ কোনো ধৰণৰ বৈজ্ঞানিক ভিত্তি দেখিবলৈ পোৱা নাযায়। গতিকে জ্যোতিষীক বিশ্বাস কৰি কোষ্ঠীত ৰিষ্ট থকা বুলি তাবিজ, মাদলি, আঙুঠি আদিৰে দেহটো পূৰ কৰাৰ কোনো বিশ্বাসযোগ্য বৈজ্ঞানিক ভিত্তি থাকিব নোৱাৰে।

গতিকে দেখা যায় যে অন্ধবিশ্বাস বুলি সেইবোৰকেই ক'ব পাৰি, যিবোৰ বিশ্বাস জনসমাজত প্ৰচলিত আনকি প্ৰতিষ্ঠিতও, কিন্তু যিবোৰৰ যুক্তি আৰু বৈজ্ঞানিক ভিত্তি নাই। এনেবোৰ ধাৰণাৰ পৰা উদ্ভৱ হোৱা কাৰ্যাৱলীয়ে কেতিয়াবা প্ৰত্যক্ষভাৱে আৰু কেতিয়াবা পৰোক্ষভাবে সামাজিক জীৱনৰ গতিধাৰা নিৰ্ধাৰণ কৰে। আনহাতে, যিবোৰ প্ৰথাই সমাজৰ বিভিন্ন গোটৰ মাজত ভিন্নতা জন্মায় তেনেবোৰ প্ৰথাই অন্ধবিশ্বাস বা কু-সংস্কাৰ। এনে দৃষ্টিকোণৰ পৰা চাবলৈ গলে সমাজত মহিলাৰ প্ৰতি থকা অৱজ্ঞাৰ ভাবো অন্ধবিশ্বাস। তেনেদৰে ভাৰতবৰ্ষৰ ধৰ্ম আৰু বৰ্ণ বৈষম্যকো অন্ধবিশ্বাসৰ অন্য এটা ৰূপ বুলি অভিহিত কৰিব পাৰি।

কেতবোৰ তথাকথিত অন্ধবিশ্বাসৰ পৰা উদ্ভৱ হোৱা কাৰ্য বা চিন্তাই কাৰো ক্ষতিসাধন নকৰে। উদাহৰণস্বৰূপে শৌচ-প্ৰস্ৰাৱ কৰি গা-ধোৱা, বাহি কাপোৰেৰে পাকঘৰত নোসোমোৱা আদিৰ লগত পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু স্বাস্থ্যজনিত দিশহে জড়িত হৈ আছে।

মানুহে অন্ধবিশ্বাসৰ পৰা মুক্তি পাবলৈকে বৈজ্ঞানিক দৃষ্টিভংগীৰ উন্নতি সাধন কৰাৰ প্ৰয়োজনীয়তা আছে। আমাৰ চাৰিওফালে ঘটি থকা ঘটনাবোৰ সূক্ষ্মভাৱে পৰ্যবেক্ষণ কৰি তাৰ সপক্ষে বা বিপক্ষে থকা যুক্তিবোৰ চালি-জাৰি চাই সেই সম্পৰ্কে এটা সঠিক আৰু যথাযথ সিদ্ধান্ত গ্ৰহণ কৰাটোৱেই বৈজ্ঞানিক দৃষ্টিভঙ্গী। বৈজ্ঞানিক দৃষ্টিভঙ্গীয়ে মানুহক আপাত বিশৃংখলতাৰ মাজত এক অন্তৰ্নিহিত শৃংখল আৰু অৰ্থ বিচৰাৰ অনুপ্ৰেৰণা যোগায়।

ইয়াৰ বাবে আমাৰ শিক্ষা ব্যৱস্থাই দেশবাসী তথা ছাত্ৰ-ছাত্ৰী সকলৰ ব্যক্তিত্বৰ মাজত বৈজ্ঞানিক মানসিকতা গঢ় দিয়াত গুৰুত্ব দিব লাগিব। এই বিষয়ে সন্দেহ নাই যে প্ৰকৃত যুক্তিবাদী ব্যক্তিসত্বাৰ প্ৰতি শ্ৰদ্ধাশীল আৰু সমাজ-সচেতন শিক্ষা-ব্যৱস্থাইহে বিজ্ঞানসন্মত মানসিকতা গঢ়ি তোলাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিব আৰু আমাৰ সমাজৰ পৰা অন্ধবিশ্বাসবোৰ সম্পূৰ্ণকৈ নিৰ্মূল হ'ব।❖

**সহায় লোৱা গ্ৰন্থ ঃ**


১। ড° দীনেশ চন্দ্ৰ গোস্বামীৰ—
'বৈজ্ঞানিক মন বৈজ্ঞানিক চিন্তা'।
২। পৰমানন্দ মজুমদাৰে সম্পাদনা কৰা গ্ৰন্থ—
'বিজ্ঞান, অন্ধবিশ্বাস আৰু সমাজ'।
৩। অন্যান্য উৎস।


> "অন্তৰ্দৃষ্টিৰে এক মুহূৰ্ততে তুমি সকলোখিনি চাব পাৰা; কিন্তু তাক প্ৰকাশ কৰিবলৈ তোমাক প্ৰয়োজন হয় বছৰৰ পাছত বছৰ।"
>
> — যোচেফ জ বাৰ্ট







প্ৰবন্ধ

# ঘা-মহামাৰী ঃ দেশৰ মৎস্য সম্পদ সুৰক্ষিতনে?


নৰেন্দ্ৰনাথ দত্ত
অধ্যাপক, প্ৰাণীবিজ্ঞান বিভাগ


আশীৰ দশকৰ শেষৰ ফালে উত্তৰ-পূৰ্বাঞ্চলৰ জলাশয়সমূহ বিশেষকৈ অসমৰ জলাশয়সমূহ কেতবোৰ ৰোগৰ জীৱাণু (?) ৰ দ্বাৰা বেয়াকৈ সংপৃক্ত হৈ পৰিছিল, যাৰ ফলত জলাশয়সমূহত বসতি স্থাপন কৰা মৎস্যসমূহ আক্ৰান্ত হৈ পৰিছিল। সেইসময়ৰ ছবিখন প্ৰত্যক্ষ কৰি এনে ধাৰণা কৰা হৈছিল যে অসমৰ খাল-পুখুৰী, নৈ-বিল আদিত আৰু মাছৰ সঁচ-কঠিয়াই নাথাকিবগৈ। যি ফালেই চোৱা গৈছিল সেইফালেই কেৱল ঘা লগা মাছসমূহ পানীত ওপঙি থকা চকুত পৰিছিল। সেই মাছসমূহৰ দেহৰ পৰা উৎকট গোন্ধ বতাহত বিয়পি পৰিছিল। যিবা দুই এটা মাছ পানীত জীয়াই থকা অৱস্থাত দেখা গৈছিল, সিহঁতৰো দেহত আছিল অনেক ঘা। আসন্ন মৃত্যুমুখী সেই মাছসমূহ প্ৰত্যক্ষ কৰি প্ৰতিজন পৰিবেশ সচেতন ব্যক্তি চিন্তিত হৈ পৰিছিল সহজলভ্য প্ৰ'টিনৰ উৎস মৎস্যকুলৰ ভৱিষ্যত সম্পৰ্কে।

চনটো আছিল ১৯৭২ চন। অষ্ট্ৰেলিয়াৰ বুন্দাবাৰ্গ নামৰ এখন চহৰত 'মুলেট' নামৰ এক বিশেষ শ্ৰেণীৰ মাছত এক অচিন ৰোগ ধৰা পৰে। ৰোগাক্ৰান্ত মাছবিলাকৰ দেহত চকলা-চকল ঘা দেখিবলৈ পোৱা গৈছিল। সেই ঘা-বিলাক, ৰোগৰ প্ৰাথমিক লক্ষণবোৰ আৰু বেমাৰৰ উপযুক্ত কাৰকবিধ (Causative agent) আৱিষ্কাৰ নোহোৱালৈ চাই বিজ্ঞানীসকলে সেই ৰোগৰ নাম ৰাখিছিল ' Ulcerative Disease Syndrome' চমুকৈ 'UDS'। যিহেতু ৰোগবিধ প্ৰথম বুন্দাবাৰ্গ চহৰত ধৰা পেলোৱা হৈছিল, সেইকাৰণে অনেকে ইয়াক আকৌ বুন্দাবাৰ্গ ৰোগ (Bundaburgh disease) বুলিও নামকৰণ কৰিছিল। অষ্ট্ৰেলিয়াত ধৰা পৰাৰ পিছৰ পৰা এই ৰোগবিধ ক্ৰমান্বয়ে পাপুৱা-নিউগিনি (১৯৭৫),ইন্দোনেচিয়া (১৯৭৮) আৰু মালয়েচিয়া (১৯৮০) আদিলৈ বিয়পি পৰে। ইয়াৰ কেইবছৰমানৰ পিছত এই ৰোগ কাম্পুচিয়া, লাওচ, থাইলেণ্ড, ব্ৰহ্মদেশ আৰু শ্ৰীলংকাৰ অলৱনাক্ত পানী (Fresh water)ৰ জলাশয়সমূহলৈ ক্ৰমান্বয়ে বিয়পি পৰে আৰু ফলত এক বুজন পৰিমাণৰ মাছৰ প্ৰজাতি ধ্বংসৰ গৰাহত পৰে। ১৯৮৭ চনৰ প্ৰথম ভাগতে এই ভয়ানক ৰোগবিধ বাংলাদেশৰ জলভাগত দেখিবলৈ পোৱা যায়। আমাৰ অসমত এই ৰোগ পোন প্ৰথমবাৰৰ বাবে ১৯৮৮ চনৰ এপ্ৰিল মাহত হাইলাকান্দি চহৰৰ কেতবোৰ জলাশয়ৰ মাছৰ গাত দেখিবলৈ পোৱা যায়। পিছলৈ ত্ৰিপুৰা, মিজোৰাম আদি ৰাজ্যৰ প্ৰায় সকলোবোৰ জলৰাশিৰ প্ৰায় সকলোবোৰ মাছৰ কম সময়ৰ ভিতৰতে ভয়ানক ক্ষতি হয়। কেৱল যে ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনতে এই ৰোগৰ প্ৰভাৱ পৰিছিল এনে নহয়, উত্তৰ ভাৰত আৰু মধ্য ভাৰতৰ প্ৰায়বোৰ অলৱনাক্ত জলৰাশিত থকা মাছৰ এই ৰোগ হৈছিল।

বিভিন্ন সময়ত ৰোগাক্ৰান্ত মাছৰ লক্ষণবোৰৰ প্ৰতি লক্ষ্য ৰাখি এই ৰোগক বেলেগ বেলেগ নামেৰে জনা গৈছিল। যেনে- ৰেড্ স্পট (Red spot), ইন্‌ফেক্‌চিয়াচ ড্ৰপ্‌চী (Infectious dropsy) হিম'ৰেজিক চেপ্টিচেমিয়া, (Haemorrhagic Septisemia) ইউৱেক্‌কুদেচ (Webakkudes) ইত্যাদি। ভাৰতবৰ্ষত এই ৰোগে মাছৰ মহামাৰী সৃষ্টি কৰাৰ পিছত বিশ্ব খাদ্য আৰু কৃষি সংস্থাই (Food and Agricaltural organization) এই ৰোগক ই,ইউ,এচ (EUS- Epizootic Ulcerative Syndrome) নামেৰে নামকৰণ কৰে।

আমাৰ অসমৰ সকলোবিলাক জলৰাশি হ'ল অলৱনাক্ত। এনে জলৰাশিত পোৱা প্ৰায় সকলোধৰণৰ মাছতে এই ৰোগ প্ৰত্যক্ষ কৰা হৈছিল। পৰ্যবেক্ষণৰ পৰা অৱশ্যে এটা কথা ভালদৰে জানিব পৰা গৈছিল যে তুলনামূলক ভাৱে বায়ুশ্বাসী মাছ (air breathing) যেনে—গৰৈ (Channa punctatus). কাৱৈ (Anabus testudineus), মাগুৰ (Clarius sp.), শিঙি (Heteropneustes sp.) ইত্যাদিত এই ৰোগৰ প্ৰকোপ বেছি আছিল। আমাৰ দেশীয় কাৰ্প (Inland carp) যেনে— ৰৌ (Labeo rohita), বাহু (Catla catla), মিৰিকা (Cirrhinus mrigala) তথা বিদেশী কাৰ্প (Exotic carp) যেনে—গ্ৰাছ কাৰ্প (Ctenophanyngodon idella), কমন কাৰ্প (Cyprinus carpio), চিলভাৰ কাৰ্প (Hypophthalmichthys molitrix) আদিত এই ৰোগৰ প্ৰভাৱ কম দেখা পোৱা গৈছিল।

গৱেষক সকলে নিৰন্তৰ অধ্যয়ন চলাই আছে যদিও অদ্যাপি এই ৰোগৰ কাৰক বা বাহকৰ কোনো নিৰ্ভৰযোগ্য তথ্য লাভ কৰিবলৈ সক্ষম হোৱা নাই। কোনো কোনো বিজ্ঞানীয়ে এই ৰোগ বেক্টেৰিয়াৰ দ্বাৰা আৰু কোনো কোনোৱে ভাইৰাচৰ দ্বাৰা হয় বুলি ধাৰণা কৰিছে। আক্ৰান্ত মাছৰ গাত শতাধিক প্ৰজাতিৰ বেক্টেৰিয়াৰ উপৰিও কেইবা প্ৰজাতিৰ ভেঁকুৰ আৰু ভাইৰাচ পোৱা গৈছে! 'Food and Agricultural Organization' ৰ বিজ্ঞানীসকলে এই ৰোগ এৰ'মনাচ হাইড্ৰফিলা নামৰ এক বিশেষ প্ৰজাতিৰ বেক্টেৰিয়াৰ দ্বাৰা হয় বুলি ধাৰণা কৰিছে। অন্য এদল বিজ্ঞানীয়ে ৰেবদ ভাইৰাচেহে এই ৰোগ কৰে বুলি মত পোষণ কৰিছে। ভূৱনেশ্বৰৰ কৌশল্যাগঙ্গাত অৱস্থিত এচিয়াৰ অন্যতম এক বৃহৎ মৎস্য গৱেষণা কেন্দ্ৰ ' Central Insti-

tute of freshwater Aquaculture' ৰ বিজ্ঞানীসকলে এই ৰোগ ভাইৰাচৰ দ্বাৰা সৃষ্টি হৈছিল বুলি ধাৰণা কৰিছে। (এই লেখকে Excursionত তালৈ যোৱাৰ সময়ত বিজ্ঞানীসকলৰ লগত মত বিনিময় কৰোঁতে তেওঁলোকে তেনে ধাৰণাৰ কথা ব্যক্ত কৰিছিল।)

এতিয়াৰ সময়ত মাছৰ দেহৰ শাৰীৰিক বিসংগতি অথবা বাহ্যিক লক্ষণ প্ৰত্যক্ষ কৰি ই,ইউ,এছৰ চিনাক্তকৰণ কৰা সম্ভৱ নহয়। ১৯৮৮ চনত যেতিয়া এই ৰোগে মহামাৰী ৰূপ ধাৰণ কৰিছিল, সেই সময়ত মাছৰ সমগ্ৰ দেহতে বিস্তৃত ঘা হোৱা দেখা পোৱা গৈছিল। এইখিনিতে উল্লেখ কৰিব পাৰি যে কেৱল ই, ইউ, এছেই নহয়, অন্য বীজাণুৰ দ্বাৰা আক্ৰান্ত হৈও মাছৰ শৰীৰত ঘা হ'ব পাৰে। বৰ্তমান অৱস্থাত ই,ইউ,এছ চিনাক্তকৰণৰ বাবে তলৰ বৈশিষ্ট্যসমূহ পৰ্যবেক্ষণ কৰা হয়ঃ

(ক) অক্টোবৰৰ পৰা ফেব্ৰুৱাৰীলৈকে এই সময়চোৱাত মাছৰ দেহত ব্যাপক হাৰত ঘা হয়।

(খ) কোনো এক জলাশয়ত থকা একোটা প্ৰজাতিৰ আটাইবোৰ মাছ একে সময়তে আক্ৰান্ত হয়। প্ৰাথমিক পৰ্যায়ত যিকোনো অংশত বিশেষকৈ পৃষ্ঠীয় পাখি (dorsal fin) আৰু পুচ্ছ পাখি (Caudal fin)ৰ মূল অংশত ৰঙা পটী কিছুমান দেখা যায় আৰু পৰৱৰ্ত্তী সময়ত সেইবোৰ ঘালৈ ৰূপান্তৰিত হয়। ঘা যেতিয়া সমগ্ৰ দেহলৈ বিয়পি পৰে, তেনে অৱস্থাত যিকোনো বয়সৰ মাছেই মৃত্যুমুখত পৰাটো নিশ্চিত।

এতিয়ালৈকে যিহেতু ই, ইউ, এছ ৰোগৰ প্ৰকৃত কাৰক আৰু বাহকৰ বিষয়ে পৰিষ্কাৰ ছবি এখন ফুটি উঠা নাই, গতিকে ইয়াৰ নিয়ন্ত্ৰণ ব্যৱস্থাও তৃণমূল পৰ্যায়তে আছে। উৰিষ্যা, পশ্চিমবংগ আদি ৰাজ্যত 'CIFA–x' নামৰ ৰাসায়নিক পদাৰ্থ ব্যৱহাৰ কৰা হৈছে। প্ৰথমতে পুখুৰীসদৃশ জলাশয়ত ৰোগাক্ৰান্ত মাছ দেখিলেই ৫০ কেজি/ হেক্টৰ ত পূৰ্বে উল্লিখিত ঔষধ আৰু লগতে এক পি. পি. এম. ব্লিচিং পাউদাৰ ব্যৱহাৰ কৰিলে কিছু সুফল পোৱা যায়। অন্য এক বিধানমতে ৰোগে দেখা দিয়াৰ লগে লগে পুখুৰীত জালমাৰি আক্ৰান্ত মাছসমূহক ৫০০ পি. পি. এম. পটাছিয়াম পাৰমাংগানেট দ্ৰৱণত নিমজ্জন চিকিৎসা কৰিব লাগে। পুখুৰীত ২০ পি. পি. এম. হিচাপত চূণ প্ৰয়োগ কৰিব লাগে। এই সময়চোৱাত মাছক কৃত্ৰিম খাদ্য যোগান ধৰা সম্পূৰ্ণৰূপে বন্ধ ৰখা প্ৰয়োজন; লগতে পুখুৰীত সাৰ প্ৰয়োগো বন্ধ ৰাখিব লাগে।

সৰ্বসাধাৰণতে হোৱা মাছৰ ৰোগ যেনে— পাৰিপাৰ্শ্বিক ৰোগ, ৰোগদজনিত ৰোগ, পুষ্টিজনিত ৰোগ, পৰিচালনজনিত ৰোগ আদিৰ ক্ষেত্ৰত গ্ৰহণ কৰা প্ৰতিষেধক ব্যৱস্থাসমূহ গ্ৰহণ কৰিয়েই জলাশয়ত (বিশেষকৈ পুখুৰীত ) ই ইউ এছ প্ৰতিৰোধ কৰিব পাৰি। প্ৰতিষেধক ব্যৱস্থাসমূহ হ'ল—

(ক) শীতৰ দিনবোৰত পুখুৰীত পি এইচ অনুকূল পৰিসৰত নিয়ন্ত্ৰণ কৰিবলৈ উপযুক্ত পৰিমাণত চূণ দিব লাগে।

(খ) শীতৰ দিনত মাছবোৰক পটাছিয়াম পাৰমাংগানেটৰ দ্বাৰা বিনজ্ কৰা বাঞ্ছনীয়।

(গ) পুখুৰীত কোনো কাৰণতে অনুমোদিত পৰিমাণতকৈ অধিক মাছ ৰাখিব নালাগে।

(ঘ) খৰালি কালত কোনো বাহিৰা বস্তু পুখুৰীৰ পানীৰ সংস্পৰ্শলৈ আহিবলৈ দিব নালাগে ইত্যাদি।

১৯৮৮-৯০ চনলৈকে এই ৰোগে ইমান প্ৰবল ৰূপ ধাৰণ কৰিছিল যে অসমৰ মানুহে মাছ ভক্ষণ কৰা প্ৰায় বন্ধ কৰি দিছিল। সেই সময়ৰ বাতৰি কাকতবোৰত কোনো কোনো অঞ্চলৰ লোকে ৰোগাক্ৰান্ত মাছ খাই ডায়েৰীয়া, জ্বৰ আৰু অন্যান্য পেটৰ অসুখত ভোগাৰ বাতৰি প্ৰকাশ পাইছিল। পশ্চিম বংগৰ বেৰেকপুৰস্থ Central Inland Capture Fisheries Research Institute (CICFRI) ৰ বিজ্ঞানী ড° মানস দাসদেৱে এই সম্পৰ্কত তেখেতক সোধা প্ৰশ্নৰ উত্তৰত কৈছিল যে ৰোগাক্ৰান্ত মাছ পৰাপক্ষত খাদ্য তালিকাত অন্তৰ্ভূক্ত নকৰাই ভাল। কিয়নো আক্ৰান্ত মাছৰ পেশীসমূহত ৰোগৰ ফলত সৃষ্টি হোৱা কেতবোৰ বিষাক্ত পদাৰ্থ (Toxic substance) ৰৈ যায়। এনে পদাৰ্থবোৰ গৰম কৰিলেও নষ্ট নহয়।

পুখুৰী, নৈ, জান, বিল আদি প্ৰতিটোৱেই একো একোটা জলজ পৰিস্থিতিতন্ত্ৰ (Aquatic ecosytem)। আৰু এই প্ৰতিটো তন্ত্ৰতে মাছসমূহে এক মুখ্য ভূমিকা গ্ৰহণ কৰে। কোনো এটা পৰিস্থিতিতন্ত্ৰত সেউজীয়া উদ্ভিদসমূহে উৎপাদকৰ ভূমিকা গ্ৰহণ কৰে। ইহঁতে সূৰ্যৰ পোহৰ আৰু অন্যান্য অজৈৱিক কাৰকৰ উপস্থিতিত জৈৱ আহাৰ (Organic Food) উৎপাদন কৰে আৰু সেই আহাৰেই পৰৱৰ্ত্তী সময়ত বিভিন্ন পোষণ স্তৰ (Trophic level) লৈ গতি কৰে। অন্যহাতে, প্ৰাণীসমূহে নিজৰ আহাৰ নিজে উৎপাদন কৰিব নোৱাৰে বাবেই খাদকৰ (Consumer)ৰ শ্ৰেণীত অন্তভূৰ্ক্ত হৈছে। কোনো এটা জলজ পৰিস্থিতিতন্ত্ৰ (aquatic ecosystem)ত মাছবিলাক খাদক হিচাপে খাদ্য শৃংখল (Food chain)ত থাকে। কেতিয়াবা ইহঁতে প্ৰাথমিক খাদক (Primary consumer) আৰু কেতিয়াবা হয়তো দ্বিতীয় শ্ৰেণীৰ (Secondary consumer) বা তৃতীয় শ্ৰেণীৰ (Tertiary consumer) খাদক হ'ব পাৰে। মাছৰ পিছতেই থকা অন্যান্য মাছভক্ষী প্ৰাণীসমূহে (বিভিন্ন শ্ৰেণীৰ জলজ পক্ষী, সৰীসৃপ, স্তন্যপায়ী ইত্যাদি) যদি খাদ্যাভাৱত পৰে, তেনে ক্ষেত্ৰত বাস্তৱিকতে খাদ্যশৃংখলটোত বেমেজালিয়ে দেখা দিব। কাজেই, পিছলৈ গোটেই পৰিস্থিতিতন্ত্ৰটোতেই বিৰূপ প্ৰভাৱ পৰিব। মাছৰ ঘা-মহামাৰীৰ পিছৰ সময়ছোৱাত অসমৰ জলাশয়সমূহত এক বুজন সংখ্যক মাছৰ মৃত্যু হোৱাত জলজ পৰিস্থিতিতন্ত্ৰৰ যি ক্ষতি হ'ল সি সঁচা অৰ্থত এতিয়াও পুনৰ্জীৱিত হ'ব পৰা নাই।

পৰিশেষত, ইয়াকে ক'ব পাৰি, অসমৰ জলাশয়ৰ পৰা এতিয়াও ই ইউ এছ সম্পূৰ্ণৰূপে নিৰ্মূল হ'ল বুলি দাবী কৰিব নোৱাৰি। হয়তো বিভিন্ন কাৰণত এই ৰোগ সুপ্ত অৱস্থাত আছে। অন্যহাতেদি আকৌ প্ৰাকৃতিক জলভাগত এই ৰোগ নিয়ন্ত্ৰণ কৰাৰ ফলপ্ৰসূ বিধান এতিয়ালৈকে উদ্ভাৱন হোৱা নাই; সেয়েহে মীনপালকসকল আৰু লগতে ৰাজ্যৰ মীনবিভাগ সচেতন হৈ থকাটো অৱশ্যেই প্ৰয়োজনীয়।❖






প্ৰবন্ধ

# ভাৰতীয় গণতন্ত্ৰ আৰু ভুৱা ধৰ্মনিৰপেক্ষতা

ৰিতু কুমাৰ দাস
স্নাতক ১ম বৰ্ষ, ৰাজনীতি বিজ্ঞান বিভাগ

*বৰ্তমান ভাৰতীয় ৰাজনীতিৰ পথাৰখনলৈ লক্ষ্য কৰিলে দেখা যায় যে কোনো এটা ৰাজনৈতিক দলেই সাম্প্ৰদায়িকতাৰ উৰ্দ্ধত নহয়। প্ৰতিটো ৰাজনৈতিক দলেই সাম্প্ৰদায়িকতাৰে নিজকে লেতেৰা বোকাত সনা-পোতোকা কৰা দেখা গৈছে। বৰ্তমান কেন্দ্ৰত থকা প্ৰধান বিৰোধীদল বিজেপি (B.J.P.) এটা উগ্ৰ হিন্দু জাতীয়তাবাদী ৰাজনৈতিক দল। এইদলৰ মূল বিষয় হিন্দুত্ব।*

মানৱ জগতত স্বকীয় স্বাধীনতা অক্ষুন্ন ৰখাৰ সন্ধানত সমগ্ৰ ভাৰতবাসীয়ে এদিন যি বৃটিছ বিৰোধী স্থিতি গ্ৰহণ কৰিছিল, তাক স্বাধীনতা প্ৰাপ্তিয়ে সফলকাম কৰি তুলিছিল। তদুপৰি বিশ্বৰ অনেক ৰাষ্ট্ৰৰ একনায়কত্ববাদী শাসনৰ বিৰুদ্ধেও বিক্ষুব্ধ জনতাই সংগ্ৰামী চেতনাক আকোঁৱালি লোৱা আৰু বিপুল জনতাই আপোন স্বাৰ্থত ভিন্ন গণবিপ্লৱ সংগঠিত কৰা আমি দেখি আহিছোঁ। বিশ্বৰ জনতাৰ অসীম শক্তিৰ ফলতে প্ৰায়বোৰ দেশতে জনগণৰ মহান স্বাৰ্থৰ অনুকূলে প্ৰজাতন্ত্ৰ প্ৰতিষ্ঠা হ'ল যদিও আজিও ভাৰতৰ দৰে গণতান্ত্ৰিক ৰাষ্ট্ৰৰ জনগণে প্ৰকৃত অৰ্থত ন্যায্য অধিকাৰ আৰু প্ৰাপ্য মৰ্যাদা লাভৰ পৰা প্ৰায়ে বঞ্চিত হৈ অহা আমি দেখিবলৈ পাইছোঁ।

বৰ্তমান সময়ত ভাৰতৰ দৰে প্ৰজাতান্ত্ৰিক দেশৰ জনগণৰ নেতাস্বৰূপে শোষক, দুৰ্নীতিপৰায়ণ তথা অত্যাচাৰী, ক্ষমতাশালী ব্যক্তি সকলেই গণতান্ত্ৰিক শাসনক বিস্তৰ অৰ্থত বিকৃত কৰি পেলাইছে আৰু তেওঁলোকৰ অসৎ কৰ্মৰাজি আৰু জনস্বাৰ্থবিৰোধী মনোভাৱে আপোন স্বাধীনতাৰ পিছতো জনগণৰ মন বিক্ষুব্ধ কৰি তুলিছে।

বৰ্তমান ভাৰতৰ ৰাজনীতিত আটাইতকৈ বেছি ব্যৱহৃত শব্দবোৰৰ ভিতৰত ধৰ্মনিৰপেক্ষতা শব্দটো অন্যতম বুলিব পাৰি। ধৰ্মনিৰপেক্ষতাৰ কথা কোৱাটো বৰ্তমান ৰাজনৈতিক নেতা, পালিনেতা সকলৰ এক প্ৰকাৰৰ পেছাত পৰিণত হোৱা দেখা গৈছে।

'ধৰ্মনিৰপেক্ষতা' বা 'Secularism' শব্দটো ভাৰতৰ সংবিধানত স্থান পাইছিল দেশৰ জৰুৰী অৱস্থা ঘোষণাৰ সময়ত। জৰুৰী অৱস্থা ঘোষণাৰ সময়ত ৩-১১-৭৭ তাৰিখে বলবৎ হোৱা ৪২ নং সংবিধান সংশোধনী অধিনিয়ম অনুসৰি ভাৰতবৰ্ষক এখন 'সমাজবাদী' আৰু 'ধৰ্ম নিৰপেক্ষ' ৰাষ্ট্ৰ হিচাপে ঘোষণা কৰা হয়। ড° আম্বেদকাৰৰ নেতৃত্বত সংবিধানৰ খচৰা প্ৰস্তুত কৰা সমিতিয়ে এই শব্দ দুটা সংবিধানৰ কোনো এঠাইত উল্লেখ কৰা নাছিল। কাৰণ তেওঁলোকে অনুভৱ কৰিছিল যে ভৱিষ্যতে এনে শব্দই জনগণৰ মাজত বিভ্ৰান্তি সৃষ্টি কৰাৰ সম্ভাৱনা আছে। এই সংবিধানে মানুহৰ মৌলিক অধিকাৰ কিছুমান স্পষ্ট কৰি দিছিল, যিবোৰ ৰাষ্ট্ৰই কোনো ক্ষেত্ৰতে খৰ্ব কৰিব নোৱাৰিব। এই অধিকাৰবোৰৰ ভিতৰত আছিল যে কোনো লোককে তেওঁৰ ধৰ্ম বা জাতিৰ ভিত্তিত বৈষম্যমূলক আচৰণ কোনেও কৰিব নোৱাৰিব। ইয়াৰ ভিতৰত 'ধৰ্মনিৰপেক্ষতা'ৰ তত্ত্বটো পৰোক্ষভাৱে সোমাই আছে। তেনেহলে এই অধিকাৰটোক সংবিধান সংশোধন কৰি তাক 'ধৰ্মনিৰপেক্ষতা' নাম কিয় দিব লগা হ'ল? ইয়াৰ উত্তৰ বিচাৰিলে এটা কথা স্পষ্ট হয় যে সেই সময়ৰ একনায়কত্ববাদী শাসক হিচাপে ইন্দিৰা গান্ধীয়ে জৰুৰী অৱস্থাৰ দ্বাৰা জনগণৰ মৌলিক অধিকাৰ যিহেতু খৰ্ব কৰিব বিচাৰিছিল, সেয়েহে তেওঁ অনুন্নত-বঞ্চিত সংখ্যালঘু সকলৰ বাবে এক সুকীয়া সংবিধান সংশোধনৰ ব্যৱস্থা কৰিলে।

সাংবিধানিক ৰূপ পোৱা 'ধৰ্মনিৰপেক্ষতা' শব্দটো পাছৰ প্ৰজন্মৰ সুবিধাবাদী চামটোৰ বাবে এক হাথিয়াৰ স্বৰূপে বিবেচিত হৈছে।

বৰ্তমান ভাৰতীয় ৰাজনীতিৰ পথাৰখনলৈ লক্ষ্য কৰিলে দেখা যায় যে কোনো এটা ৰাজনৈতিক দলেই সাম্প্ৰদায়িকতাৰ উৰ্দ্ধত নহয়। প্ৰতিটো ৰাজনৈতিক দলেই সাম্প্ৰদায়িকতাৰে নিজকে লেতেৰা বোকাত সনা-পোতোকা কৰা দেখা গৈছে। বৰ্তমান কেন্দ্ৰত থকা প্ৰধান বিৰোধীদল বিজেপি (B.J.P.) এটা উগ্ৰ হিন্দু জাতীয়তাবাদী ৰাজনৈতিক দল। এইদলৰ মূল বিষয় হিন্দুত্ব।

এই দলৰ মূল চালিকা শক্তি সংঘ পৰিবাৰৰ প্ৰায়বোৰ নেতাই উগ্ৰ হিন্দুত্ববাদী লোক। বিজেপি (B.J.P.)ৰ গোড়া হিন্দুত্ববাদী নেতাখ্যাত এল. কে. আদৱানিয়ে ২০০৫ বৰ্ষৰ জুন (June) মাহত

পাকিস্তান ভ্ৰমণ কালত এনে কিছুমান মন্তব্য কৰিছে, যিবোৰ মন্তব্য তেওঁৰ চিৰাচৰিত স্থিতিৰ বিপৰীত। এনে মন্তব্যই ভাৰতৰ ৰাজনৈতিক জগতত যথেষ্ট বিস্ময়ৰ সৃষ্টি কৰিছে! আদৱানিৰ এনে মন্তব্যৰ জৰিয়তে ধৰ্মনিৰপেক্ষ হিচাপে নিজৰ ভাৱমূৰ্তি প্ৰতিষ্ঠাত কিমানদূৰ সফল হৈছে তাত যথেষ্ট সন্দেহৰ থল আছে। এইবোৰ ধৰ্মনিৰপেক্ষতাৰ ভুৱা স্বৰূপৰ একোটা সাধাৰণ উদাহৰণ মাথোন। এই হিন্দু মৌলবাদী শক্তি সমূহৰ উত্থানে কি সূচায়? আচলতে এনে ধৰণৰ গোড়া ধৰ্মীয় নীতিয়ে এই তথাকথিত ৰাজনৈতিক দলবোৰৰ শক্তি সামৰ্থ্য বৃদ্ধি কৰিছে যদিও ইয়ে আকৌ সংবিধানৰ পবিত্ৰ ধৰ্মনিৰপেক্ষতাৰ অৱধাৰণাটোক তীব্ৰ ৰূপত ভেঙুচালি কৰা আমি দেখিবলৈ পাইছোঁ।

সাধাৰণ মানুহৰ বাবে ধৰ্মনিৰপেক্ষতাতকৈ আন কিছুমান বিষয় বেছি গুৰুত্বপূৰ্ণ। এইবোৰৰ ক্ষেত্ৰত কোনোবাই বিকল্পৰ সন্ধান দিব নোৱাৰিলে ধৰ্মনিৰপেক্ষতাৰ কথা কোৱাৰ কোনো অৰ্থ নাথাকিব। এনে ভুৱা ধৰ্মনিৰপেক্ষতাই মুছলমান সংখ্যালঘুসকলকো আকৰ্ষণ নকৰা হৈছে। তেওঁলোকে ভালকৈ বুজে যে ধৰ্মনিৰপেক্ষতাৰ নামত চলা সস্তীয়া মুছলমান তোষণ নীতিয়ে আটাইতকৈ বেছি ক্ষতি কৰে মুছলমান সকলক। নিজকে সাম্প্ৰদায়িকতাৰ বিকল্প হিচাপে প্ৰতিষ্ঠা কৰিব খোজাসকলে নিজে সাম্প্ৰদায়িকতা বাদ দিয়া উচিত। মুখেৰে ধৰ্মনিৰপেক্ষতাৰ কথা কৈ পিছ দুৱাৰেদি লেতেৰা সাম্প্ৰদায়িক ৰাজনীতি বন্ধ নকৰিলে মানুহে নিজ নিজ সম্প্ৰদায়ক প্ৰতিনিধিত্ব কৰা গোটবোৰৰ আশ্ৰয় ল'বই, তেতিয়া ই হ'ব দেশৰ সংহতিৰ প্ৰতি এক ভাবুকি।

ৰাজনীতিক সকলৰ প্ৰৰোচনাত পৰি ভাই-ভাইৰ মাজত সাম্প্ৰদায়িক সংঘাত অব্যাহত আছে। ই বিশ্ব দৰবাৰত ভাৰতৰ যি ভাৱমূৰ্তি সেয়া কলুষিত কৰিছে। সাম্প্ৰদায়িক সংঘাত এনেদৰে অব্যাহত থাকিলে অদূৰ ভৱিষ্যতে ভাৰত এখন সাম্প্ৰদায়িক ৰাষ্ট্ৰ হিচাপে বিশ্ব জনগণৰ মাজত পৰিচিত হ'ব বুলি ক'লেও অত্যুক্তি কৰা নহ'ব।❖

উৎস ঃ

১। Indian Govt. and Politics

২। সমসাময়িক বাতৰি কাকত।

ভাৰতীয় অৰ্থনীতিৰ ঘাই অৱলম্বন হ'ল কৃষিখণ্ড, তাৰ লগত জড়িত হৈ আছে দেশৰ গৰিষ্ঠসংখ্যক লোক, যিসকলৰ জীৱিকাৰ একমাত্ৰ উপায় কৃষিকাৰ্য। অৰ্থনৈতিক সংস্কাৰৰ তেৰটা বছৰৰ অভিজ্ঞতাই দেখুৱায় যে সংস্কাৰৰ নামত যিবোৰ কাৰ্যক্ৰম লোৱা হ'ল তাৰ পৰা লাভ হৈছে উদ্যোগ খণ্ডৰহে। বৃহৎ উদ্যোগী গোষ্ঠী বহুৰাষ্ট্ৰীয় কোম্পানীৰ স্বাৰ্থতে চৰকাৰী বাজেটত অনেক ব্যৱস্থা লোৱা হ'ল। আনকি কৃষিখণ্ডৰ বাবে ঘোষিত আঁচনিবোৰে প্ৰধানকৈ উপকৃত কৰিছে বৃহৎ কৃষক, মাটিৰ গৰাকী আদিকহে। তাত সাধাৰণ কৃষক-শ্ৰমিকৰ স্বাৰ্থ উপেক্ষিত। অথচ এইসকল লোক হ'ল নিৰ্বাচনী ৰাজনীতিৰ ঘাই অৱলম্বন।

— ভুবন বৰুৱা

"পানীৰ তলত চৰি ফুৰা মাছে পানী খালে যিদৰে ধৰিব নোৱাৰি, ৰজাৰ বিষয়ায়ো টকা আত্মসাৎ কৰিলে তেওঁক ধৰিব নোৱাৰি।"

—কৌটিল্য

"কূটনীতিবিদ হ'ল এনে এজন ব্যক্তি—যিজনে মহিলাৰ জন্মদিনটোহে মনত ৰাখে; কিন্তু বয়সটো কেতিয়াও মনত নাৰাখে।"

— ৰবাৰ্ট ফ্ৰষ্ট

"সামাজিক ন্যায়ৰ ক্ষেত্ৰত মৌনতা এক শক্তিশালী শত্ৰু"।

— অমৰ্ত্য সেন







প্ৰবন্ধ

# সু-শৃঙ্খল সমাজ সংগঠনত ডবুৰ পূজাৰ ভূমিকা

ডবুৰ পূজাৰ চাৰিত্ৰিক বৈশিষ্ট্যবোৰ লক্ষ্য কৰি এটা কথা দৃঢ়তাৰে কব পৰা গৈছে যে ডবুৰ পূজাই মিচিং সমাজক নৈতিকতাৰ মাজেৰে জীয়াই থকাত বহুতো অৱদান যোগাইছে। এই যে, পাপ কৰ্মত লিপ্ত হ'লে, ডবুৰ পূজাত স্বীকাৰ কৰিলে পাপ ক্ষয় হয় আৰু পুণ্য পায় বুলি যি বিশ্বাস, সেই বিশ্বাসৰ বশৱৰ্তী হৈ সকলোৱে নিজৰ নিজৰ পাপ কাৰ্য মুকলিমূৰীয়াকৈ স্বীকাৰ কৰে। এনেকৈ পাপ কাৰ্য স্বীকাৰত ডবুৰ পূজাই পুণ্য দান কৰিছেনে নকৰিছে এইটো বিচাৰ্য বিষয় নহয়। কিন্তু এজন ব্যক্তিক নিজৰ অপকৰ্মৰ প্ৰতি অনুতপ্ত কৰোৱাত আৰু ডবুৰত স্বীকাৰ কৰা পাপ আৰু সেই সৰুৰ পৰা ডাঙৰলৈকে সকলোকে যে বেয়া কামৰ পৰা আঁতৰত থকাৰ সংকল্প লোৱাত সহায় কৰিছে, সেয়া সহজেই অনুমেয়।



লক্ষীন্দৰ দলে

স্নাতক প্ৰথম বৰ্ষ, বুৰঞ্জী বিভাগ

ডবুৰ পূজা বুলি ক'লেই থোৰতে মিচিং সকলৰ কথাই আমাৰ মনলৈ আহে। মনত পৰিবৰে কথা, কাৰণ ডবুৰ পূজাৰ লগত মিচিং সমাজ নিবিড় ভাবে জড়িত। সাম্প্ৰতিক কালত ডবুৰ পূজাৰ বিষয়ে নিশ্চয় কোনো অবিদিত নহয়। ডবুৰ মিচিং সকলৰ প্ৰধান আৰু গুৰুত্বপূৰ্ণ পূজা।

বৈচিত্ৰ্যপূৰ্ণ ধৰ্মীয় পৰম্পৰাৰে পুষ্ট মিচিংসকল অসমৰ এক অন্যতম জনজাতীয় জনগোষ্ঠী। মিচিং সমাজত সদ্য প্ৰচলিত বিভিন্ন ধৰণৰ পূজা-পাৰ্বণ আৰু সকাম-নিকামৰ ভিতৰত অন্যতম স্বকীয় বৈশিষ্ট্যৰে পুষ্ট পূজা হ'ল ডবুৰ পূজা। ইয়াক এই কাৰণেই স্বকীয় বৈশিষ্ট্যৰে পুষ্ট বুলি কৈছোঁ, যেতিয়াৰ পৰা মিচিংসকলৰ মাজত হিন্দু ধৰ্মৰ প্ৰভাৱ পৰিবলৈ আৰম্ভ কৰে তেতিয়াৰে পৰা তেওঁলোকৰ মাজত হিন্দু-ধৰ্মীয় ৰীতিৰে বিভিন্ন পূজা-পাৰ্বণ, সকাম-নিকাম আদি প্ৰচলন হয়। কিন্তু ডবুৰ পূজাৰ মাজত হিন্দু-ধৰ্মীয় প্ৰভাৱ একেবাৰে দেখা নাযায়। ডবুৰ সম্পূৰ্ণ নিজস্ব জনজাতীয় ৰীতি-নীতিৰে সৃষ্ট পৰম্পৰাগত এক পূজা।

সাধাৰণতে চাৰি ধৰণৰ ডবুৰ পূজা মিচিং সকলৰ মাজত দেখা যায়। কিন্তু ইয়াৰ ভিতৰত সম্প্ৰতি মিচিং সমাজ সংগঠনত বিশেষ ভূমিকা গ্ৰহণ কৰা এঘৰীয়া বা পৰিয়াল ডবুৰৰ বিষয়েহে উক্ত লেখাটিত আলোচনা কৰিম।

যেতিয়া এখন ঘৰৰ বা এটা পৰিয়ালৰ মানুহবিলাকৰ মন কলুষ-কালিমাৰে ভৰি পৰে বা বিভিন্ন ধৰণৰ পাপ বা অপকৰ্মত লিপ্ত হয়, তেতিয়া এইখন ঘৰ বা পৰিয়ালৰ মুখীয়ালবিলাকে ডবুৰ পূজাৰ আয়োজন কৰে। এনেকৈ আয়োজন কৰা ডবুৰ পূজাত আয়োজকে সাক্ষী হিচাপে নিজৰ গাঁৱৰ আৰু অঞ্চলৰ প্ৰায়বোৰ মুখীয়াল মানুহকে নিমন্ত্ৰণ জনায়। উক্ত নিমন্ত্ৰণ ৰক্ষা কৰি প্ৰায়বোৰ নিমন্ত্ৰিতই পূজাস্থলীত উপস্থিত থাকে। ডবুৰ পূজা সাধাৰণতে দেওবাৰৰ দিনা সম্পন্ন কৰিলে বেছি ফলপ্ৰসূ হয় বুলি মিচিং সকলৰ মাজত এটা লোকবিশ্বাস আছে। ডবুৰ সাধাৰণতে পুৱাৰ ভাগৰ পৰাই আৰম্ভ হয়। সকলো যা-যোগাৰৰ অন্তত পূজাৰ আৰম্ভণিতে উপস্থিত প্ৰতিজন মুখীয়ালে হাতত এডাল এচাৰি লৈ আয়োজকৰ ঘৰৰ চাঙত কোবাই কোবাই "আজৌঙী" "আজৌঙী" বুলি চিঞৰি গোটেই ঘৰখন পাঁচবাৰ ঘূৰাৰ অন্তত টুঙগৌঙ (সন্মুখৰ মুকলিকৈ ৰখা চাঙ)ত একেই ভঙ্গিমাৰে কিছু সময় ৰয়। এনেকৈ ক্ষন্তেক সময়ৰ পিছতে ঘৰৰ

সকলোবোৰ মানুহে পূজাত প্ৰয়োজনীয় একোটাকৈ টোপোলা হাতত লৈ আহে। আৰু টোপোলাবোৰ মুখীয়ালবিলাকৰ হাতত গতাই দিয়ে। এই একে সময়তে ঘৰৰ গৃহিণীয়ে জ্বলি থকা এডাল কাঠৰ খৰি কবাঙ (চাঙত উঠা জখলা) ৰ ঠিক ওপৰতে পানী ঢালি নুমুৱাই দিয়ে। এনেকৈ জ্বলা জুইত পানী ঢালি নুমাই দিয়াৰ অৰ্থ হ'ল— এখন ঘৰ বা পৰিয়ালৰ মানুহবিলাকৰ মাজত অপায়-অমঙ্গল, পাপ আৰু অপকৰ্ম জুইৰ দৰে জ্বলি থাকে, যেনেকৈ জ্বলা জুই পানীৰ স্পৰ্শত নুমাই চেঁচা পৰি যায়, ঠিক তেনেকৈ জুইৰ দৰে জ্বলি থকা অপায়-অমঙ্গল, পাপ আৰু অপকৰ্ম আদিও যেন ডবুৰৰ স্পৰ্শত নুমাই চেঁচা পৰি শান্তি আৰু পবিত্ৰতা দান কৰে। ডবুৰ পূজাৰ এনেবোৰ চিৰাচৰিত ৰীতিয়ে মানুহক নৈতিকতাৰ মাজেৰে জীয়াই থকাত প্ৰেৰণা যোগায়।

এইদৰে ডবুৰৰ প্ৰথম পৰ্বৰ শেষত দ্বিতীয় পৰ্ব আৰম্ভ হয়। দ্বিতীয় পৰ্বত পূজাত উপস্থিত সকলোবোৰ মানুহ বৃত্তাকাৰে বহি লয়। আয়োজক ঘৰৰ তথা পৰিয়ালৰ সকলো সদস্যই এজন এজনকৈ বৃত্তাকাৰৰ মাজত সোমাই নিজৰ নিজৰ পাপ, অপকৰ্ম আৰু কুচিন্তাবোৰ মুকলিমূৰীয়াকৈ প্ৰকাশ কৰিব লাগে, যাক মিচিং ভাষাত "লুপুচুনাম" বুলি কোৱা হয়। এনেকৈ প্ৰকাশ কৰা পাপ বা অপকৰ্মৰ প্ৰকৃতি অনুযায়ী 'বাৰ্ষিট' হিচাপত দণ্ড লোৱা হয়। সকলো সদস্যৰ স্বীকাৰোক্তিৰ শেষত মুঠ কিমান 'বাৰ্ষিট' হয়, তাৰ হিচাপতহে দণ্ড লোৱা হয়। ধৰক, মুঠ বাৰ্ষিট এশ হ'লে, প্ৰতি বাৰ্ষিটত দুই টকাকৈ ধৰিলে দুশ টকা হয়। ইয়াত বাৰ্ষিট হিচাপৰ এটা সংক্ষিপ্ত আভাসহে দিব বিচৰা হৈছে। বাৰ্ষিট আৰু টকাৰ পৰিমাণৰ কোনো ধৰা-বন্ধা নিয়ম নাই।

ডবুৰ পূজাৰ চাৰিত্ৰিক বৈশিষ্ট্যবোৰ লক্ষ্য কৰি এটা কথা দৃঢ়তাৰে কব পৰা গৈছে যে ডবুৰ পূজাই মিচিং সমাজক নৈতিকতাৰ মাজেৰে জীয়াই থকাত বহুতো অৱদান যোগাইছে। এই যে, পাপ কৰ্মত লিপ্ত হ'লে, ডবুৰ পূজাত স্বীকাৰ কৰিলে পাপ ক্ষয় হয় আৰু পুণ্য পায় বুলি যি বিশ্বাস, সেই বিশ্বাসৰ বশৱৰ্তী হৈ সকলোৱে নিজৰ নিজৰ পাপ কাৰ্য মুকলিমূৰীয়াকৈ স্বীকাৰ কৰে। এনেকৈ পাপ কাৰ্য স্বীকাৰত ডবুৰ পূজাই পুণ্য দান কৰিছেনে নকৰিছে এইটো বিচাৰ্য বিষয় নহয়। কিন্তু এজন ব্যক্তিক নিজৰ অপকৰ্মৰ প্ৰতি অনুতপ্ত কৰোৱাত আৰু ডবুৰত স্বীকাৰ কৰা পাপ আৰু সেই সৰুৰ পৰা ডাঙৰলৈকে সকলোকে যে বেয়া কামৰ পৰা আঁতৰত থকাৰ সংকল্প লোৱাত সহায় কৰিছে, সেয়া সহজেই অনুমেয়। শেষত এটা কথাৰেই লেখাটিৰ মোখনি মাৰিব খুজিছোঁ— পাপক পুণ্য দান কৰাৰ ক্ষমতা ডবুৰ পূজাৰ নাথাকিবও পাৰে; কিন্তু নৈতিকতাৰ দোহাই দি সু-শৃঙ্খল সমাজ সংগঠনতযে ইয়াৰ ভূমিকা অপৰিসীম তাত তিলমানো সন্দেহ নাই।❖

**সম্পাদকৰ কোঠালিৰ পৰা**

## 'লাজ' চাবলৈ গৈ লাজ পালোঁ

ঢকুৱাখনা চহৰৰ একমাত্ৰ চিনেমা গৃহটোলৈ মাহচেৰেকৰ আগতে এখন বোলছবি আহিছিল। নাম 'লাজ'। সু-লেখক অৰুণ গোস্বামীৰ কাপৰ পৰা ওলোৱা বহুজন পঠিত, হৃদয়স্পৰ্শী 'মাছমৰীয়া ছোৱালীৰ লাজ' শীৰ্ষক গল্পটিৰ ভিত্তিত সুদক্ষ, সফল পৰিচালিকা মঞ্জু বৰাই নিৰ্মাণ কৰা চিনেমা। কাকত-আলোচনীত বিজ্ঞাপন পাইছিলোঁ, আশা পুহি ৰাখিছিলোঁ - এদিন চাম। ছবিখন অহাৰ চাৰি কি পাঁচদিন পাছত এটা বন্ধৰ দিনত পেডেল কোবাই 'G. S. চিনেমা হল'ত উপস্থিত হ'লোঁ। কিন্তু পৰিবেশ দেখোন নিমাওমাও, নিৰ্দ্ধাৰিত সময় ওকলি যোৱাৰ পাছতো দেখা গ'ল দৰ্শকৰ সংখ্যাই 'ডাবল ফিগাৰো' নুচুলেগৈ। ফলত বসতে নাম থৈ ঠোঁট-মুখ চেলেকি গৃহাভিমুখে গমন।

আমি দেখিছোঁ, বিনোদনধৰ্মী, গতানুগতিক ধাৰাৰ ছবি এখন আহিলে চিনেমা-গৃহটোৰ টিকট কাউন্টাৰত দৰ্শক (বিশেষকৈ চেঙেলীয়া মখা) ৰ 'ব্ৰহ্ম' ঠেলা-হেঁচা লাগে, যেন কোনো বিখ্যাত তীৰ্থদৰ্শনহে কৰিব - এনে ছবি তিনি-চাৰি সপ্তাহ একেলেঠাৰিয়ে প্ৰদৰ্শিত হয়, অথচ মঞ্জু বৰাৰ 'লাজ' চাৰিদিন নচলে। এনে কাৰণতে বৰাৰ 'বৈভৱ', জাহ্নু বৰুৱাৰ 'কণিকাৰ ৰামধেনু', 'পখী', 'সাগৰলৈ বহু দূৰ' আদি আৰু ভবেন্দ্ৰনাথ শইকীয়াৰ আদৰ্শবাদী, সুস্থ, ৰুচিসন্মত ছবিবোৰ চোৱা হোৱা নাই। আমি কেৱল হকে-বিহকে মাৰপিট থকা; যৌনোত্তেজক নৃত্য-গীত-দৃশ্যৰে ভৰপূৰ; হিংস্ৰতা, নগ্নতা আদিৰে ভাৰাক্ৰান্ত চিনেমা একোখনহে চাই ভাল পাওঁ— আমি স্বল্পবসনা নায়িকাৰ দেহবল্লৰী চাই অশ্লীল সুহুৰি মাৰোঁ, 'খুন কা বদলা খুন' হ'লে উল্লসিত হওঁ। জাহ্নু বৰুৱাৰ দৰে জ্যোতিস্মান পৰিচালক অসমীয়া ছবি জগতৰ ক্ষেত্ৰখন এৰি যাবলৈ ওলাইছে, খেদ প্ৰকাশ কৰিছে দৰ্শকৰ সমাদৰ নাপায়। (... যাওক কোন ক'লৈ যায়— আমাৰ কি ?) - এনে মনোভাব আমাৰ।

আমাৰ ৰুচিবোধ, চিন্তা-চৰ্চা, ভাবাদৰ্শ, মানসিকতা ইমানযে কুৎসিত, তৰল আৰু অন্তঃসাৰশূন্য হৈ পৰিছে! আমাৰ বিবেকক কেনেকৈ যে পদানত কৰি ৰাখিছোঁ! 'লাজ' চাবলৈ গৈ সেইদিনা যি প্ৰচণ্ড লাজ আৰু দুখ পালোঁ, তাক পাহৰা নাযায়।

*(সুশান্ত পেগুৰ ওচৰত ঋণ স্বীকাৰ কৰা হ'ল।)*







**প্ৰবন্ধ**

# অসমৰ সংস্কৃতিত বাঁহৰ গুৰুত্ব

নমিতা দত্ত
স্নাতক ২য় বৰ্ষ, অসমীয়া বিভাগ

অসমীয়াসকলৰ বাবে 'বাঁহ' এক অপৰিহাৰ্য অংগ। অসমীয়া জনজীৱনৰ প্ৰতিটো খোজৰ লগৰী হৈছে বাঁহ। জন্মৰ মুহূৰ্তৰপৰা মৃত্যুলৈকে প্ৰতি মুহূৰ্ততে বাঁহৰ প্ৰয়োজন হয়। কেঁচুৱা এটা জন্ম হোৱাৰ পিছত নাড়ী কাটিবলৈ বাঁহৰ চোঁচ ব্যৱহাৰ কৰা হয়। বাঁহৰ চোঁচেৰে নাড়ী কাটিলে কোনো বেমাৰৰ বীজাণু নাড়ীত প্ৰৱেশ কৰিব নোৱাৰে। এজন লোকৰ মৃত্যু হ'লে বাঁহৰ চাং সাজি শ্মশানশালীলৈ নিয়া হয়। সেই শ্মশানশালীতো বাঁহৰ খুটা পুতি মৰিশালী দিয়া হয়। বাঁহৰ অবিহনে অসমীয়া সাংস্কৃতিক জীৱন আধৰুৱা হৈ ৰ'ব। আমাৰ অসমীয়া সংস্কৃতিত বাঁহৰ মূল্য কিমান সেয়া ডাকৰ বচন এফাঁকি শুনিলেই বুজিব পাৰি—

"যাৰ নাই বাঁহ, তাৰ নাই সাহ।"

অসমৰ জন-জীৱনত বাঁহৰ প্ৰয়োজন হোৱা বিভিন্ন দিশসমূহ হৈছে অপৰিহাৰ্য।

**বাসগৃহ নিৰ্মাণত বাঁহৰ প্ৰয়োজনীয়তা ঃ**

ঘৰ বা বাসগৃহ হৈছে মানুহৰ তিনিটা মৌলিক প্ৰয়োজনৰ এটা। অসমৰ গাঁও অঞ্চলত বসবাস কৰা লোকসকলৰ বাসগৃহ প্ৰধানকৈ বাঁহেৰেই নিৰ্মিত। বাঁহেৰে বেৰ সাজি, চালি তৈয়াৰ কৰি ঘৰ সজাটো অসমীয়া সাংস্কৃতিক জীৱনৰ এক অন্যতম পৰিচায়ক। ঘৰ সাজোঁতে ব্যৱহাৰ হোৱা ৰুৱা-কামি, বেৰ, খবোৱা, মূধচ, ছটি-মাৰলি, খুঁটা, চাল, তঙাল, বগলী দাং আদি সকলোবোৰ বাঁহেৰেই নিৰ্মিত। আকৌ ঘৰৰ বেৰবোৰ মাটিৰ পৰা ওপৰত থাকিব পৰাকৈ এডাল গোটা বাঁহৰ ওপৰত তুলি দিয়া হয়। ঠিক বেৰৰ ওপৰফালে বাঁহৰ কাঠিৰ, শিয়াল-তাঁতীৰ দৰে একোখন ঢাপলিকা বা বাকলি বৈ বান্ধি দিয়ে। মূধৰ খুঁটা, কুমৰ খুঁটা, পাৰিৰ খুঁটা আদিবোৰো বাঁহেৰে দিয়া হয়। আকৌ গাঁত খান্দি মাটি উলিয়াবলৈ বাঁহৰ থাকৰ বা খোঁকাউৰী ব্যৱহাৰ কৰা হয়। এতেকে দেখা গ'ল যে বাসগৃহ নিৰ্মাণত অসমৰ গ্ৰাম্যাঞ্চলৰ লোকসকলৰ বাবে বাঁহ অতি প্ৰয়োজনীয়।

**খাদ্য হিচাপে বাঁহৰ প্ৰয়োজনীয়তা ঃ**

মানুহৰ আন এটা মৌলিক প্ৰয়োজন হৈছে খাদ্য বা আহাৰ। যদিও খাদ্য হিচাপে বাঁহ নহ'লেই নোহোৱা বিধৰ নহয়, তথাপিও বাঁহৰ পৰা তৈয়াৰী কেইবিধমান আহাৰ কেৱল অসমীয়া সমাজতে নহয়, বৰ্তমান নগৰ-চহৰ সকলোতে যথেষ্ট পৰিমাণে সমাদৃত হৈছে। বাঁহৰ পৰাই অসমীয়া ৰাইজৰ প্ৰিয় খাদ্য খৰিচা তৈয়াৰ কৰা হয়। ভলুকা বাঁহৰ কোমল বাঁহগাজৰ পৰা তৈয়াৰী খৰিচাৰ টেঙা জোল আৰু আচাৰৰ সোৱাদ বৰ তৃপ্তিদায়ক। কবিৰ ভাষাৰে—

"ক'ত পাবা টেঙা খৰিচা/ ক'ত ঢেকীয়া শাক,
ক'ত এনে এঠা দৈ/ধুলে নেৰায় যাক।"

কোনো কোনোৱে বাঁহপাতৰ আগৰ কোমল অংশ ভাজি কৰিও খায়। ইয়াৰ উপৰিও অসমীয়া গ্ৰাম্য সমাজত প্ৰচলিত 'চুঙা চাউল' সিজাবলৈ বাঁহৰ চুঙা ব্যৱহাৰ কৰা হয়। ৰন্ধা-বঢ়া কাৰ্য জুইৰ দ্বাৰা কৰিলে শুকান বাঁহ খৰি হিচাপে আৰু জুইত ফু দিবলৈ ব্যৱহাৰ কৰা চুঙাটোও বাঁহৰ চুঙাই ব্যৱহাৰ কৰে।

**বিহুৰ লোকবাদ্য নিৰ্মাণত বাঁহৰ প্ৰয়োজনীয়তা ঃ**

বিহু হৈছে অসমীয়াৰ বাপতি সাহোন। বিহু নাচোতে ব্যৱহাৰ



হোৱা টকা, গগনা, বাঁহী, পেঁপা, মুৰুলী, চুঙা ঢোল আদিবোৰ বাঁহেৰেই নিৰ্মিত। বিহুৱতী গাভৰুৱে বাঁহৰ গগনাটিক বুকুৰ আপোন বুলি ভাৱে। বিহুগীতত উল্লেখ আছে -

"আগলি বাঁহৰে লাহৰী গগনা
গগনা কিহেৰে বাওঁ,
দুফালে দুছটি মাজতে এছটি
মুগাসূতা মেৰিয়াই যাওঁ।"

বাঁহৰ বাঁহীও অসমীয়া জনগণৰ অতি আপোন। বিহুগীতত বাঁহীৰ বিষয়ে কোৱা হৈছে —

"বাঁহৰে তলতে বাঁহী বাই আছিলো
শাহু আয়ে শুনকহি বুলি,
শাহু আয়ে শুনিলে মিচিকিয়াই হাঁহিলে
জোঁৱাই ধেমেলীয়া বুলি।"

ইয়াৰ উপৰিও বিহুৰ ক্ষেত্ৰত আটাইতকৈ গুৰুত্বপূৰ্ণ বাদ্য ঢোলৰ মাৰিডালো বাঁহৰ পৰাই নিৰ্মিত। উল্লেখ্য, অসমীয়া সমাজত এটা বিশ্বাস আছে যে মাঘ বিহুৰ উৰুকাৰ নিশা ঘৰৰ গছ-গছনি, ভঁৰাল আদিবোৰ গংগাস্নান কৰিবলৈ যায়। গতিকে এইবোৰক বান্ধি ৰাখিবলৈও বাঁহৰ 'তমাল' ব্যৱহাৰ কৰা হয়।

**কৃষি কাৰ্যত বাঁহৰ প্ৰয়োজনীয়তা ঃ**

অসমীয়া গ্ৰাম্য কৃষকসকলৰ প্ৰধান লগৰী হ'ল বাঁহ। এই বাঁহৰ পৰাই হালবোৱা বিভিন্ন ধৰণৰ সঁজুলি নিৰ্মাণ কৰা হয়। কৃষি কাৰ্যত ব্যৱহৃত সঁজুলি যুঁৱলি, মৈ, হালোৱা এচাৰি, ডিলামাৰি, হোলমাৰি, ভাৰবোৱা, বাংকা, ওখোন আদি বাঁহেৰে নিৰ্মিত। ইয়াৰ উপৰিও খেতি কৰাৰ পাছত শস্যবোৰ গৰু-ছাগলী আদিয়ে নষ্ট কৰিব নোৱাৰাকৈ বাঁহৰ তাঁতী দিয়া হয়। আনকি খেতি চপোৱাৰ সময়ত ধানবোৰ পথাৰৰ পৰা ঘৰলৈ আনিবলৈ ব্যৱহাৰ কৰা বিৰিয়া পাতো বাঁহেৰেই সাজি লোৱা হয়।

**মাছ ধৰা কাৰ্যত বাঁহৰ প্ৰয়োজনীয়তা ঃ**

বাঁহ আৰু বাঁহেৰে তৈয়াৰী নানান সঁজুলি মাছ ধৰিবলৈ ব্যৱহাৰ কৰা হয়। অষ্ট্ৰিকসকলে বাঁহৰ বীজ সিঁচি থৈ যোৱাত বাঁহ সংস্কৃতি অসমীয়া লোকৰ মাজত পত্ৰে-পুষ্পে সুশোভিত হৈ পৰে। মাছধৰা সঁজুলি হ'ল— জাকৈ, প'ল, চেপা, খলহা, জুলুকী, ডিঙাৰ, চহৰা, সিঁচনি, উভতি, পচা, বৰশীৰ ডাঁৰিকি, থোহা, চালনী আদি। এইবোৰৰ উপৰিও ৰাতি মাছ কাটিবলৈ লোৱা জোৰডাল বাঁহৰ পৰাই তৈয়াৰী। এই সকলোবোৰতে বাঁহৰ প্ৰয়োজনীয়তা অনস্বীকাৰ্য।

**তাঁতশালত বাঁহৰ প্ৰয়োজনীয়তা ঃ**

তাঁতশাল অসমীয়া গ্ৰাম্য জীৱনৰ এক অপৰিহাৰ্য অংগ। অসমীয়া বোৱনী-শিপিনীসকলৰ তাঁতত বাঁহৰ ব্যৱহাৰ হয়। তাঁতশালত ব্যৱহৃত হোৱা গৰকা মাৰি, পুতল, শলি, চিৰি, কাঠি, গেৰেলি কাঠি, ছাগলী খুটি, চালি মাৰি, খুটা, উঘা, চেৰেকী, কানমাৰি, ব-তোলা চুঙা, লেটাই , ফুল তোলা কাঠি আদি বাঁহেৰে নিৰ্মিত। তাঁতশালৰ ৰাঁচখনো বাঁহেৰেই নিৰ্মিত আছিল যদিও বৰ্তমান লোহাৰ ৰাঁচে সেই ঠাই লৈছে। বাঁহৰ ব্যৱহাৰ নোহোৱা হ'লে তাঁতশালতে বোৱা, অসমীয়া সাংস্কৃতিক জীৱনত বহুলভাৱে ব্যৱহৃত 'গামোচা'ৰ অস্তিত্বও কিজানি হেৰাই গ'লহেতেন।

**ঘৰৰ বাহিৰে-ভিতৰে ব্যৱহৃত সঁজুলি ঃ**

বাঁহৰ ব্যৱহাৰ ঘৰৰ বাহিৰে-ভিতৰে হয়। ঘৰৰ চাৰিও কাষে জেওৰা মাৰিবলৈ, নঙলা-জপনা দিবলৈ বাঁহ ব্যৱহাৰ কৰা হয়। নদী, জান আদি পাৰ হ'বৰ বাবে ইয়াৰ ওপৰত দলং, সাঁকো আদিও বাঁহেৰেই দিয়া হয়। আনহাতে, ঘৰৰ দৈনন্দিন শাক-পাচলি ধুবলৈ, চাউল, ধান আদি ৰাখিবলৈ ব্যৱহাৰ কৰা সামগ্ৰীসমূহ বাঁহেৰেই তৈয়াৰী। পাচি, খৰাহী, ডলা, ডুকুলী, চালনী, পেৰা, টোম আদি বাঁহেৰে সজা হয়। সকাম-নিকামত মানুহ বহিবলৈ ব্যৱহাৰ কৰা 'ঢাৰি' খনো বাঁহেৰেই তৈয়াৰী।

ঔদ্যোগিক ক্ষেত্ৰতো বাঁহৰ আৱশ্যকতা অনস্বীকাৰ্য। বিশেষকৈ কাগজ কলত বাঁহ প্ৰধান কেঁচামাল ৰূপে ব্যৱহাৰ হয়। জাগীৰোডত থকা কাগজ কললৈ প্ৰতি দিনে শবো অধিক বাঁহ অনা ট্ৰাক অহা-যোৱা কৰা দেখা যায়।

উৎসৱ, পূজা-পাৰ্বণ আদিত 'বাঁহ' ব্যৱহৃত হয়। নামনি অসমত বাঁহৰ পূজা কৰে। নামনি অসমৰে বৰপেটাত দ'লযাত্ৰা বা ফাকুৱা মহোৎসৱত বাঁহ ভঙা উৎসৱ পাতে। মিজোৰামত বাঁহ নাচ সংস্কৃতি আছে। মহ খেদা উৎসৱত বাঁহৰ টাঙোন লৈ মানুহৰ দুৱাৰে দুৱাৰে মৰিয়াই ফুৰে। উজনি অসমত দেউৰীসকলে হুঁচৰী গাবলৈ যাওঁতে একো একোডাল বাঁহ লৈ যায়। বাঁহডালত কোবাই কোবাই নৃত্য কৰে। অসমৰ চুবুৰীয়া ৰাজ্য অৰুণাচলত চুঙাত পানী অনা আৰু চুঙাত লাওপানী আদি খোৱাৰ পৰম্পৰা আছে। এনেদৰে নানা অনুষ্ঠানত বাঁহৰ ব্যৱহাৰ আছে।

অসমৰ গ্ৰাম্যাঞ্চলৰ প্ৰায়বিলাক মানুহেই স্ব-নিৰ্ভৰশীল। তেওঁলোকে হাঁহ, কুকুৰা, গাহৰি আদি পুঁহিয়েই জীৱন নিৰ্বাহৰ প্ৰয়োজনীয় বস্তুবোৰ যোগাৰ কৰি লয়। হাঁহ-কুকুৰা, গাহৰিৰ গঁড়াল, গোহালিঘৰ, মেজিঘৰ, ভঁড়ালঘৰ আদি বাঁহেৰেই নিৰ্মিত। লাও, কোমোৰা, জিকা, লেচেৰা-মাহ আদি বগাবলৈ বাঁহৰ চাং পাতি দিয়া হয়। পাণ পাৰিবলৈ বাঁহৰ জখলা বনোৱা হয়। বহুতো মানুহে বাঁহৰ পৰাই চকী, মেজ; শুবলৈ বিচনা আৰু ঘৰৰ দুৱাৰ-খিৰিকী সাজি লয়। কানি-কাপোৰ, বয়-বস্তু থবলৈ গাঁৱৰ মানুহে বাঁহৰ জপা সাজে। ভাস্কৰ বৰ্মাই এনে জপাতে কাপোৰ নুৰিয়াই হৰ্ষবৰ্ধনলৈ পঠিয়াইছিল। পুৰণি অসমীয়া সাহিত্যত ঠায়ে ঠায়ে বাঁহেৰে নিৰ্মিত বিচনিৰ মনোৰম বৰ্ণনা আছে। "জাপি" লোকশিল্পৰ উচ্চতম সৃষ্টি। পুৰণি দিনত চুলি আঁচুৰিবৰ কাৰণে 'কাকৈ' নামৰ বাঁহেৰে কাকৈ ফণী নিৰ্মিত হৈছিল। এই সম্বন্ধে লোকগীততো উল্লেখ আছে।

বাঁহ নহ'লে অসমীয়া গ্ৰাম্য লোকৰ অৱস্থা শোচনীয় হৈ পৰিব। অসমীয়াৰ বাপতি সাহোন স্বৰূপ এই সম্পদটি অসমৰ লগতে সমগ্ৰ ভাৰতবৰ্ষতে উজলাই তোলাটো প্ৰত্যেক অসমীয়াৰে কৰ্তব্য।❖

**সহায় লোৱা গ্ৰন্থ ঃ**

১। লোক-সংস্কৃতিত দৃষ্টিপাত—সতীশ চন্দ্ৰ ভট্টাচাৰ্য।
২। অসমৰ সংস্কৃতি— ড° লীলা গগৈ।






প্ৰবন্ধ

# বিমূৰ্ত ফটোগ্ৰাফী

**ইন্দিবৰ বুঢ়াগোহাঞি**
**মুৰব্বী অধ্যাপক, প্ৰাণীবিজ্ঞান বিভাগ**

চিত্ৰকলাৰ দৰেই ফটোগ্ৰাফীও এক বিমূৰ্ত কলা। বিষয়বস্তুৰ কোনো ধৰণৰ বিশদ বৰ্ণনা নিদি কেৱল তাৰ অন্তৰ্নিহিত ৰূপৰ ব্যতিক্ৰম প্ৰকাশেই হ'ল বিমূৰ্ততা। (Abstract can be defined as having only intrinsic form with little or no attempt at pictorial representation or narrative content and as expressing a quality from an object).



অক্টোপাছ -১৯১২, এলভিন ক'বামৰ এখন বিমূৰ্ত ফটোগ্ৰাফ
ফটো ঃ বেটাৰ ফটোগ্ৰাফীৰ সৌজন্যত।

আজিৰ পৰা ১৫০ বছৰৰ আগতে ফটোগ্ৰাফী আৱিষ্কাৰ হৈছিল। তেতিয়াৰ পৰা আজি পৰ্যন্ত ফটোগ্ৰাফীৰ বহুখিনি উন্নতি হৈছে। সম্প্ৰতি ডিজিটেল ফটোগ্ৰাফীৰ প্ৰচলনে ফটোগ্ৰাফীৰ জগতখনত তোলপাৰ লগাইছে। সৃষ্টি হৈছে—অসংখ্য বিভাগ যেনে, স্নেপশ্বুটিং, পৰট্ৰেইট, কমাৰ্চিয়েল, এডভাৰটাইজিং, ফেশ্চন, গ্লেমাৰ, নুড, ৱেড্ডিং, টেকনিকেল, নেচাৰ, ট্ৰেভেল, ডকুমেন্টচ, নিউজ, জাৰ্ণেলিজম, চাইন্টিফিক, মেডিকেল, ডকুমেন্টৰি, পিক্টৰিয়েল, ৱাইল্ডলাইফ ইত্যাদি। এই বিভাগবোৰৰ যোগেদি অতি কম সংখ্যক ফটোগ্ৰাফাৰেহে নিজৰ সূক্ষ্ম ভাৱ-অনুভূতিবোৰ প্ৰকাশ কৰিবলৈ যত্ন কৰিছে। বাকীসকলে আওপুৰণি পদ্ধতিৰে কেৱল শ্বাটাৰ টিপি ছবি তোলাত ব্যস্ত আছে। কোনো সৃষ্টিশীল কৰ্ম এইসকল ফটোগ্ৰাফাৰৰ ছবিত ধৰা পৰা নাই। কেমেৰাৰ শ্বাটাৰ টিপিলেই সমুখত থকা মানুহ-দুনুহ, কোনো বস্তু অথবা প্ৰকৃতিৰ ছবি এখন উঠে। এই 'হুবহু প্ৰতিকৃতি' সৃষ্টি কৰাটোত কোনো কৌশল আৰু কল্পনাৰ ৰহণ নাই। আত্মপ্ৰকাশৰ স্পষ্ট দাগ নাই। এনে ফটোগ্ৰাফ বিমূৰ্ত ফটোগ্ৰাফৰ পৰা সম্পূৰ্ণ নিলগত। কেৱল আনন্দ দানেই ইয়াৰ বৈশিষ্ট্য।

অইনহাতে ফটোগ্ৰাফীৰ বিভিন্ন কৌশল আৰু সা-সঁজুলি প্ৰয়োগ কৰি বিষয়বস্তুক চিত্তাকৰ্ষক অথচ নন্দনতত্ত্বসন্মত ৰূপত ধৰি ৰখাই হ'ল— বিমূৰ্ত ফটোগ্ৰাফ। এই কৰ্ম ইমান সহজসাধ্য নহয়। এইটো এটা সৃষ্টিশীল কৰ্ম। য'ত কল্পনাৰ যাদুকৰী স্ফুলিংগ, কাব্যিকতা আৰু আৱেগৰ সমাহাৰ হয়। য'ত সদায় সৌন্দৰ্যৰ নতুন ধাৰণা প্ৰতিভাত হয়। য'ত মায়াময় পোহৰৰ চিটিকনিয়ে মানুহৰ অন্তৰ্নিহিত গুণ আৰু চৰিত্ৰৰ প্ৰকাশ ঘটায়। য'ত আত্মাৰ বাসনাও মূৰ্ত হৈ উঠে।

এনে ছবিয়ে কেৱল চাওঁতাজনৰ চকুকেইে জুৰ নেপেলায়, মন আৰু আত্মাকো গতিদান কৰে। বিমূৰ্ত ফটোগ্ৰাফ এখনৰ বাবে যেনেকৈ এটা ভাল বিষয়বস্তুৰ প্ৰয়োজন, ঠিক তেনেকৈ সুন্দৰ উপস্থাপনৰো আৱশ্যক। কেতিয়াবা দেখা যায়, বিষয়বস্তু ভাল হলেও যেনেদৰে দেখিলে তেনেদৰে ছবি তোলা বাবে বিমূৰ্ততা নষ্ট হয়। সেয়েহে বিষয়বস্তুৰ সকলো গুণবিশিষ্ট সৌন্দৰ্য প্ৰকাশৰ প্ৰচেষ্টা কৰিব লাগে। ইয়াৰ বাবে প্ৰয়োজন হ'লে বিভিন্ন কৌশল আৰু পদ্ধতি ব্যৱহাৰ কৰা প্ৰয়োজন। ফটোগ্ৰাফীৰ বাবে আৱশ্যক হোৱা আহিলা-পাতিবোৰ অত্যন্ত দামী আৰু দুষ্প্ৰাপ্য। তাৰোপৰি সাধাৰণলোকৰ মাজত ফটোগ্ৰাফী জনপ্ৰিয় নহয়। এনে হোৱা বাবে বহুসময় ফটোগ্ৰাফীৰ আৱশ্যকীয় বিষয়বস্তু লওঁতে সমস্যা আছে। এই সকলোবোৰ চেৰাই ফটোগ্ৰাফাৰ এজনে কাম কৰিব পাৰিলেহে সৃষ্টি সম্ভৱ হয়।

সূচনা ঃ

উনবিংশ শতাব্দীৰ চিত্ৰকলা আন্দোলনৰ এক বিশিষ্ট ধাৰা বিমূৰ্তবাদ। ইয়াক প্ৰতীতিবাদ বুলিও কোৱা হয়। চিত্ৰশিল্পীয়ে অনুভূতি আৰু আৱেগ প্ৰকাশ কৰিবলৈ কেনভাচত জ্যামিতিৰ ৰূপ বিহীন কিছুমান ব্যঞ্জনাত্মক ৰঙৰ বোল সানিছিল। এয়েই আছিল— প্ৰতীতিবাদৰ মূলকথা। আদিতে বিমূৰ্ত ফটোগ্ৰাফক বোলা হৈছিল 'ভৰ্ট'গ্ৰাফ'। ইংলিচ ভ'ৰ্টিচিষ্ট চিত্ৰকলা আন্দোলনৰ সন্মানাৰ্থে এই ভৰ্ট'গ্ৰাফ শব্দটো ব্যৱহাৰ কৰা হৈছিল। ১৯১৩ চনত এলভিন লেংডন ক'বামে স্কাইস্কেপাৰৰ ওপৰৰ পৰা নিউয়ৰ্ক মহানগৰীখনৰ ফটো লৈছিল। ইয়াত মহানগৰীখনৰ পথবোৰক ফিটা কিছুমান পৰি থকা যেন দেখা গৈছিল। পাৰ্ক আৰু বিল্ডিংবোৰক কিছুমান বৰ্গাকৃতি আৰু আয়তাকৃতিৰ থুপ যেন দেখা গৈছিল। অন্যান্য বস্তুবোৰ কিছুমান অদ্ভুত আকৃতি আৰু ৰেখালৈ ৰূপান্তৰিত হৈছিল। এই ফটোখন চাই মানুহে নতুন তৃপ্তি লাভ কৰিছিল। লগতে বিমূৰ্ততা সম্পৰ্কে কিছু বুজাৰ চেষ্টা কৰিছিল। ইয়াৰ পাচত ক'বামে তেওঁৰ ভৰ্ট'গ্ৰাফসমূহৰ ১৯১৭ চনত লণ্ডনত প্ৰদৰ্শনী পাতিছিল। কেলিডাস্কোপ এটাত কোনো এটা বস্তুৰ ছবি ফুলৰ আকৃতিত সজ্জিত অৱস্থাত দেখা যায়। ক'বামে তেওঁৰ ভৰ্ট'গ্ৰাফত বিষয়বস্তু কেলিডাস্কোপৰ ছবিৰ দৰে বিভিন্ন কোনত পৃথকে পৃথকে তুলিছিল। প্ৰতিটো খণ্ডকে সমান সমান পৃষ্ঠত ভাগ কৰা হৈছিল। পিকাচো আৰু ব্ৰেকৰ চিত্ৰৰ লগত এইখিনিতে ভৰ্ট'গ্ৰাফৰ সাদৃশ্য পৰিলক্ষিত হয়।



মধু চৰকাৰৰ এখন চ্যুৰিয়েলিষ্টিক ফটোগ্ৰাফ

ফটো ঃ বোটাৰ ফটোগ্ৰাফীৰ সৌজন্যত।

ক'বামক অনুসৰণ কৰি ১৯২০ চনৰ পৰা ১৯৩০ চনলৈ বিভিন্ন ভৰ্ট'গ্ৰাফ কাঠফুলাৰ দৰে বিয়পি পৰিছিল। মেন ৰয় আৰু মনলি লাগি নামৰ দুজন ভৰ্ট'গ্ৰাফাৰে কেমেৰা নোহোৱাকৈ কিছুমান বস্তুৰ প্ৰতিকৃতি পোহৰৰ সহায়ত ধৰি ৰখাৰ ব্যৱস্থা কৰিছিল। এইবোৰক "ফট'গ্ৰাম" বোলা হৈছিল। ফেন্সিচ ব্ৰেকিয়ে কিছুমান কাগজ কাটি নানা আকৃতিৰ বস্তু বনাই তাত পোহৰ নিক্ষেপ কৰি সিবোৰৰ ছবি তুলিছিল। জাৰোমিন ফ্ৰেংক নামৰ ফটোগ্ৰাফীৰ আদিকালৰ ফটোগ্ৰাফাৰ এজনে চ্যুৰিয়েলিজমৰ দ্বাৰা প্ৰভাৱান্বিত হৈ অচিনাক্ত বিষয়বস্তু কিছুমান সন্নিবিষ্ট কৰিছিল। হাৰ্বাট বেয়াৰে তেওঁৰ ফটোগ্ৰাফীত স্বাভাৱিক আকৃতিৰ বস্তুবোৰক সলনি কৰি নানা আকৃতিলৈ ৰূপান্তৰিত কৰি পৰীক্ষা-নিৰীক্ষা চলাইছিল। প্ৰত্যেকখন ছবিতে তেওঁ বিষয়বস্তুৰ নেপথ্যত নিসৰ্গ ব্যৱহাৰ কৰিছিল। এনেদৰেই ফটোগ্ৰাফীত বিমূৰ্তবাদৰ সূচনা হৈছিল।

বিমূৰ্ততা বুজাৰ জটিলতা ঃ

আধুনিক কবিতা, চিত্ৰকলা বুজা কঠিন বুলি যিদৰে এটা প্ৰচলিত ধাৰণা আছে সেইদৰে বিমূৰ্ত ফটোগ্ৰাফ বুজাতো সেই ধাৰণাই বিদ্যমান। দৰ্শক এজনে যেতিয়া ফটো এখন চাই তেতিয়া তেওঁ জগতত দেখা বস্তুবোৰৰ মাজৰ কিবা কিবি দেখিম বুলি ভাৱে। সেয়াও জীৱন্ত ৰূপত। কিন্তু যেতিয়া ফটোখনত জীৱন্ত বস্তু অথবা স্বাভাৱিক আকৃতিৰ পৰিৱৰ্তে কিছুমান অগতানুগতিক ৰং আৰু ৰূপৰ ব্যঞ্জনাত্মক প্ৰকাশ দেখিবলৈ পায় তেতিয়াই জটিল বুলি মন্তব্য কৰে।

ৰঙেই হৈছে পৃথিৱীৰ বিনন্দীয়া ৰূপৰ বৈশিষ্ট্য। কিন্তু বিমূৰ্ত ফটোগ্ৰাফ এখনত ৰঙৰ প্ৰয়োগ অত্যন্ত জটিল কাম। কিন্তু ক'লা-বগাৰ প্ৰয়োগ সহজ আৰু বোধগম্য হয়। ফটোগ্ৰাফীৰ মাধ্যমত কিছুমান সীমাবদ্ধতা আছে। যেনে, অইল পেইন্টিং এখনত এশবাৰ ৰং আৰু ৰূপ সলাই থাকিব পাৰি। কিন্তু ফটোগ্ৰাফীত সেয়া সম্ভৱ নহয়। তথাপি বিমূৰ্ত ফটোগ্ৰাফ এখনে দৰ্শকক অনৰ্গল আকৰ্ষণ কৰি থাকে— তাত সন্নিবিষ্ট হোৱা বিষয়বস্তুৰ উপাদান সমূহ, পোহৰৰ মায়াময় চিক্‌মিক্‌নি, ছাঁৰ উজ্জ্বল আৰু অনুজ্জ্বল উপস্থিতি, ৰঙৰ চিৰন্তন আকৰ্ষণ আৰু ৰূপৰ সমাবেশে। এইবোৰৰ উপৰিও তাত থাকে একো একোটা প্ৰতীক। বিমূৰ্ত ফটোগ্ৰাফত ইয়াক বাদ দিব নোৱাৰি। বহুসময়ত উপন্যাস বা গল্পৰ ৰস আস্বাদনতকৈ এনে ফটোগ্ৰাফ এখনৰ ৰসাস্বাদন মধুৰতম হৈ পৰে।

যি কি নহওক, প্ৰতিটো কলা সৃষ্টিৰ আঁৰত একোটা অন্তৰ্নিহিত অৰ্থ থাকে। বিমূৰ্ততাৰ মাজত অৰ্থ সৃষ্টি কৰিবলৈ যাওঁতেই সেই কৰ্মই কলাৰ ওচৰ চপাই আনে। তেনে প্ৰচেষ্টাত সফলতা আহিলেই কেমেৰাৰ প্ৰতিটো স্নেপেই হৈ পৰিব পাৰে বহু মূল্যবান শিল্পকৰ্ম। প্ৰতিজন ফটোগ্ৰাফাৰৰ কোনটো স্নেপ পৃথিৱীৰ শ্ৰেষ্ঠ ফটোগ্ৰাফখন হয় কোনেও কব নোৱাৰে। সেয়ে প্ৰত্যেকজন ফটোগ্ৰাফাৰৰ কেমেৰাৰ শ্বাটাৰত লুকাই আছে— সেই সৌভাগ্য।❖





চকুৰাখনা মহাবিদ্যালয় আলোচনী

গ্ৰন্থ বীক্ষণ

# মোৰ দৃষ্টিত তিনিখন গ্ৰন্থ

গায়ত্ৰী দলে
স্নাতক প্ৰথম বৰ্ষ, অসমীয়া বিভাগ

**আপুনি আপোনাৰ স'তে যুদ্ধ কৰিব পাৰিবনে**
**কবি ঃ সনন্ত তাঁতি**
**প্ৰথম প্ৰকাশ ঃ ২০০৪**




মানৱ মুক্তিৰ কবি সনন্ত তাঁতিৰ 'আপুনি আপোনাৰ স'তে যুদ্ধ কৰিব পাৰিবনে' কাব্য সংকলন খন অসমীয়া কাব্য সাহিত্যলৈ এক অনবদ্য দান। সংকলন খনত থকা ৪৭ টা কবিতাৰ বেছিভাগ কবিতাই মানৱ মুক্তিৰ শ্লোগান আৰু প্ৰেম।

মানুহে সুখে-সন্তোষে এইখন সমাজত জীয়াই থাকিবলৈ হ'লে সকলো প্ৰকাৰৰ বাধা, সংস্কাৰৰ শিকলিৰ বান্ধোনৰ পৰা মুক্ত হ'ব লাগিব। নিজৰ কামনা-বাসনা, তুচ্ছ সংকীৰ্ণতাক জয় কৰিব নোৱাৰিলে মুক্তি অসম্ভৱ। কবিতা পুথিখনৰ নাম ভূমিকাত সেয়ে তেওঁ লিখিছে, "আপুনি আপোনাৰ স'তে যুদ্ধ কৰিব পাৰিবনে/পাৰিবনে যুদ্ধ কৰি নিজৰ হৃদয়ক চুবলে'/হৃদয়ৰ পৰা আৰু ভিতৰলৈ গৈ বিবেকক সাক্ষাৎ কৰিবলে'/বিবেকক ক'ব পাৰিবনে মই তোমাৰ লগত আছো/... আপুনি আপোনাৰ বিবেকৰ আগে আগে গৈ/বিবেকৰ পতাকা উৰুৱাবলে' পাৰিবনে"— এই চেতনা মানৱীয়তাৰ চেতনা, মানৱমুক্তিৰ চেতনা। লগতে তেওঁ এই বিধ্বস্ত সমাজখন, দেশখন যাতে মানুহৰ সৎ চিন্তাৰ ফলশ্ৰুতিত নতুন ৰূপত গঢ় লৈ উঠে তাকো কামনা কৰিছে— "আহক আমি এই সমাজ ব্যৱস্থাৰ বৈষম্যৰ/প্ৰতিবাদ কৰিবলৈ গণ আন্দোলনৰ প্ৰতি/আমাৰ বিবেকক সহাঁৰি জনাওঁ।"

নিৰাভৰণ স্বভাৱ সুন্দৰী নাৰীৰ দৰে তেওঁৰ কবিতাত নাই কোনো আলংকাৰিক শব্দ বা কঠিন ভাষাৰ প্ৰয়োগ। তেওঁৰ ভাষা গণজীৱনৰ মুখৰ ভাষা। সাধাৰণ হালবোৱা মানুহ এজনেও, অনাখৰী জনেও তেওঁৰ ভাষাৰ, শব্দৰ লগত একাত্মবোধ স্থাপন কৰিব পাৰিব। উপলব্ধিৰ পোহৰত আৰু অনুপম সাহসৰ ভেটিত তেওঁৰ পৰা নিঃসৃত হৈছে অনুপম শব্দ ভাণ্ডাৰ।

জৈৱিক অনুভূতিপূৰ্ণ প্ৰেমৰ অবিহনেও হ'ব পাৰি মহান মানৱ-প্ৰেমিক। পবিত্ৰ প্ৰেমেৰেহে জীৱন গঢ়িব পাৰি। প্ৰেম বিষয়ক তেওঁৰ 'মোক নিৰ্মাণ কৰা মোৰ ভিতৰতে' কবিতাটোত লিখিছে ঃ মোৰ বুকুৰ ভিতৰতে থাকা/মোৰ তেজৰ ভিতৰতে জাগি থাকা/তোমাৰ দীৰ্ঘ উশাহৰ পৰা মোৰ বাবে উৎপন্ন কৰা শস্যৰ দৰে সপোন/মোক পৰিচালিত কৰা মোৰ ভিতৰতে/অৱগাহন কৰা মোৰ শব্দত...

এইখন মানুহৰ সমাজত মানুহে মানুহৰ দৰে জীয়াই থকাটো বৰ এটা সহজ নহয়। নিজৰ সত্তাক দলিয়াই দি বিলাসিতাৰ প্ৰতিযোগিতাত দৌৰিবলৈও কুণ্ঠাবোধ নকৰে। কিছুমানে একোখন কৃত্ৰিম সুখ আৰু দুখৰ মুখা পিন্ধি শূন্যত ডুবি থাকে, কিছুমানে জীয়াই থাকিবলৈ যুদ্ধ কৰে নিজক অস্ত্ৰ হিচাপে লৈ আৰু কিছুমানে আন্ধাৰৰ সুযোগত ঘটা সকলো কাৰ্য-কলাপক নীৰৱে চাই থাকি অসহায় হুমুনিয়াহ কাঢ়ে। তেনে এক চিত্ৰই তেওঁৰ 'মই থাকো নষ্ট নগৰীত' নামৰ কবিতাটোত প্ৰতিভাত হোৱা দেখা যায়, "মই বসবাস কৰা এই নগৰীৰ প্ৰায় নব্বৈ শতাংশ মহিলাই ঘাতকসকলৰ মা/এওঁলোকে পুৰুষক আকৰ্ষিত কৰিবলৈ নিতৌ মুখত সানে/বিষাক্ত জুলীয়া পদাৰ্থ। ওঁঠত লগায় মাল্টিনেচনেল কোম্পানীৰ/ৰঙ। প্ৰতিদিন গৰ্ভনাশক দ্ৰব্য খোৱাৰ পিচতো এওঁলোকৰ গৰ্ভতেই জন্ম হয় হেজাৰ হেজাৰ ঘাতক।... মই থাকো নষ্ট এখন নগৰীত।" চৰকাৰী অপশাসন আৰু নিষ্ঠুৰ নিৰ্যাতন-নিপীড়নে গঢ়ি তোলা অপসংস্কৃতিৰ স্বৰূপ উদঙাই দিবলৈ তেওঁ দ্বিধাবোধ কৰা নাই। চৰকাৰী শোষণ-নিৰ্যাতনে সৃষ্টি কৰা ই এখন অপসংস্কৃতিৰ স্পষ্ট প্ৰতিবিম্ব।

গণতন্ত্ৰ, গণতান্ত্ৰিক সংস্কৃতি, গণমুক্তিৰ কামনাতে তেওঁ ৰচনা কৰিছে কবিতা। তেওঁ কোনো নতুন কথা কোৱা নাই। নলবাৰীৰ সাহিত্য-সংস্কৃতিৰ বিশিষ্ট অনুষ্ঠান 'সেউজী সেউজী'য়ে সনন্ত তাঁতিৰ এই কাব্যগ্ৰন্থ 'আপুনি আপোনাৰ স'তে যুদ্ধ কৰিব পাৰিবনে' খন প্ৰকাশ কৰি উলিয়াইছে।

**গন্থ ঃ নন্দন তত্ত্বৰ কৰ্মীসকল**
**ড° ভূপেন হাজৰিকা**
**প্ৰথম প্ৰকাশ ঃ ১৯৯৩**

দেশ-বিদেশৰ জন মানসত এগৰাকী স্বনামধন্য সঙ্গীত শিল্পীৰূপে পৰিচিত আৰু প্ৰতিষ্ঠিত ব্যক্তি ড° ভূপেন হাজৰিকা। কিন্তু ড° হাজৰিকা কলা-সংস্কৃতিৰ জগতত কেৱল গীতিকাৰ,

সুৰকাৰ, সুধাকণ্ঠ শিল্পী, চলচিত্ৰ পৰিচালক, সঙ্গীত পৰিচালক, চিত্ৰ-শিল্পী বা শ্ৰোতা-দৰ্শকৰ প্ৰিয় গণ শিল্পীয়ে (Performing artist)ই নহয়, তেখেত গদ্য-সাহিত্যৰ এগৰাকী কৃতী সাহিত্যিকো। 'গতি', 'বিন্দু', 'আমাৰ প্ৰতিনিধি', 'প্ৰতিধ্বনি'ৰ সম্পাদক ৰূপে তেখেতে লিখা সম্পাদকীয় সমূহৰ উপৰিও অসম তথা দেশ-বিদেশৰ বিভিন্ন কাকত-আলোচনীত লিখা বহু সংখ্যক গীত, প্ৰবন্ধ, ভ্ৰমণ কাহিনী আৰু বিভিন্ন সময়ত বিভিন্ন বিষয়ক লৈ লিখা তেখেতৰ চিন্তা-চৰ্চাৰ নিবন্ধবোৰে সমাজ সচেতন শিল্পী ভূপেন হাজৰিকাক এগৰাকী চিন্তাশীল সাহিত্যিকৰূপে এখনি সুকীয়া আসনত অধিষ্ঠিত কৰিছে। তেখেতৰ অ'ত ত'ত প্ৰকাশিত বিভিন্ন লেখাসমূহক সংগ্ৰহ কৰি 'ৰতিমোহন নাথে' সম্পাদনা কৰে আৰু 'সূৰ্য হাজৰিকা'ই এই 'নন্দনতত্বৰ কৰ্মীসকল' গ্ৰন্থখন প্ৰকাশ কৰি উলিয়ায়।

'নন্দনতত্বৰ কৰ্মীসকল'ৰ বিষয়ে ভূপেন হাজৰিকাদেৱে লিখিছে, 'জীৱনটোনো কিমান পৰ? কেইটামান মূহুৰ্ত, কেইটামান প্ৰহৰ...। কিন্তু কি বিশাল অনিঃশেষ সৌন্দৰ্যৰ মাজেৰে সেই প্ৰহৰ আহিছে ৰূপৰ মাজেৰে, মাধুৰ্যৰ মাজেৰে সিহঁতে যেন চিৰস্মৰণীয় হ'বলৈ ক্ষুধাৰ হাত পাতি আহে। সেই মুহূৰ্ত হয়তো আহেও, শেষো হৈ যায়; কিন্তু মাধুৰ্যৰতো শেষ নাই। সেই মুহূৰ্তক নাট্যকাৰে নাটকেৰে, চিত্ৰকৰে তুলিকাৰে, গীতিকাৰে গীতেৰে, নৃত্যবিদে নৃত্য-মুদ্ৰাৰে, কবিয়ে কবিতাৰে চিৰদিনৰ বাবে সৃষ্টিত বন্দী কৰি ৰাখে। সেয়েই হয় সংস্কৃতি। গতিকে সাহিত্য আৰু সংস্কৃতি বা কবিতা আৰু গীত জানো বৰ লগা-ভগা নহয়?"— ইয়াৰ উত্তৰত আমি ইতিবাচক সঁহাৰি জনোৱাৰ বাহিৰে নহয় বুলি কোৱাৰ ধৃষ্টতা নাই। বৰ লুইতৰ পাৰৰ গন্ধৰ্ব কোঁৱৰ ভূপেন হাজৰিকাই তেখেতৰ যাযাবৰী শিল্পী জীৱনত দেশ-বিদেশৰ যিসকল নন্দনতত্বৰ মহান সাধকৰ সাহচৰ্য লাভ কৰাৰ সৌভাগ্য হৈছে, সেই সকলৰ জীৱনৰ প্ৰতিটো মুহূৰ্তৰ পৰা বিন্দু বিন্দুকৈ শিক্ষা আহৰণ কৰি নিজৰ শিল্পী জীৱনটোক এনেদৰে গঢ়ি তুলিবলৈ অনুপ্ৰেৰণা লাভ কৰিছে। সেইসকল সুন্দৰ মনৰ মহৎ লোকৰ বিশাল ব্যক্তিত্ব আৰু সাধনাময় সংগ্ৰামী জীৱনাদৰ্শৰ ওপৰত আলোকপাত কৰি কলাৰত্ন ভূপেন হাজৰিকাই বিভিন্ন সময়ত বিভিন্ন ধৰণৰ প্ৰবন্ধ লেখিছে। তেওঁ আলোকপাত কৰিছে সেইসকল লোকৰ সৃষ্টি-প্ৰতিভা আৰু মহত্বপূৰ্ণ অৱদানৰ ওপৰতো।

"ভাৰ্জিনা ঃ কোন গাভৰু এওঁ" নামৰ লেখাটোত তেজপুৰৰ বীৰেণ চৌধুৰী নামৰ এজন চিত্ৰকৰক কলিকতাত 'ভাৰ্জিনা' ছদ্মনামেৰে ছৱি অঁকা অৱস্থাত লগ পায়। মাৰ্জিত, ৰুচি সম্পন্ন মানুহৰ ঘৰত সেই ভাৰতীয় ডেকাজনে ৱাটাৰ কালাৰৰ পেইন্টিং বেচি বেচি, সংগ্ৰাম কৰি কৰি আৰ্টছ্ কলেজত পঢ়িছিল। তেওঁ 'ভাৰ্জিনা' ছদ্মনাম লোৱাৰ সম্পৰ্কত কোনোবা এজনে কৈছিল ঃ "ভাৰতীয় অভিজাত সম্প্ৰদায়ে ইউৰোপৰ যিকোনো বস্তুকে মহান আৰ্ট বুলি ভাৱে আৰু ভাৰতীয় পেইন্টিং আদিক কম দামী বুলি ভাৱে বাবেই বোধহয় এই ডেকাজনে ইংৰাজী ছদ্মনামটোৰে চহী কৰিছে। 'ভাৰ্জিনা' আৰু তাকো স্ত্ৰী লিঙ্গৰ, তেতিয়াহে কিজানি Attraction বাঢ়ে!!" ১৯৫৯ চনতে বীৰেণ চৌধুৰীয়ে কলিকতা আৰ্টছ্ কলেজত নাম লগায় আৰু তিনিবছৰ গাঁৱে-ভূঞে ঘূৰি মানুহ চাইছে, আকাশ চাইছে। মেঘৰ খেলা চাইছে। দাৰিদ্ৰ্য দেখিছে। তাৰ মাজতে হাঁহি দেখিছে। তেওঁৰ ৱাটাৰ কালাৰত আকাশখন যেন জীৱন্ত হৈ উঠে। দুখৰ আকাশ, আনন্দৰ আকাশ, দূৰৰ আকাশ, গহীন আকাশ সকলো মূৰ্ত হৈ উঠে।

১৯৫৬ চনত ভাৰতীয় শিল্পীৰ প্ৰতিনিধি হৈ ভূপেন হাজৰিকাদেৱে ৰাছিয়ালৈ যাওঁতে লগ পাইছিল বিখ্যাত প্ৰতিভাৱান অভিনেতা চেৰকাচোভক। সেই চেৰকাচোভৰ আছিল ভাৰতৰ প্ৰতি গভীৰ প্ৰেম। ১৯৩৩ চনত জন্ম হৈছিল সাধাৰণ বনুৱাৰ ঘৰত। পিছত চালিয়াপিন নামৰ বিখ্যাত অপেৰা থিয়েটাৰৰ গায়ক আৰু অভিনেতাক দেখি অনুপ্ৰাণিত হৈ তেওঁ অভিনয় আৰম্ভ কৰিলে। ৰাছিয়ালৈ হাজৰিকাদেৱ যাওঁতে সন্ধিয়াৰ ভোজমেল এখনত সাংবাদিক বিবেকানন্দ মুখোপাধ্যায়, নাট্যকাৰ শচীন সেনগুপ্ত, মুল্কৰাজ আনন্দ আৰু চিত্ৰ শিল্পী এম. এফ হুছেইনৰ আগত চেৰকাচোভে ভাষণ দি থাকোঁতে এম. এফ হুছেইনে ভোজৰ মেজৰ নেপকিন এখনত কাটা চামুচ আৰু কটাৰীৰে, মাখন, টমেটো চ'চ, হালধীয়া তৰকাৰী আৰু কেঁচা জলকীয়াৰ সেউজীয়া ৰসেৰে চেৰকাচোভৰ মুখখন আঁকি পেলাইছিল। চেৰকাচোভ আছিল অত্যন্ত ৰসিক ব্যক্তি। কিন্তু এই মানুহজনে লেনিন, মেক্সিম গৰ্কী, নেভস্কী আৰু আইভানৰ দৰে গম্ভীৰ চৰিত্ৰ ইমান বাস্তৱতা সানি ৰূপায়িত কৰিছিল যে মানুহে তেওঁক বাস্তৱ চৰিত্ৰ বুলি ধৰি আনন্দত প্ৰায় বলিয়া হৈ গৈছিল।

ড° ভূপেন হাজৰিকাই লগ নোপোৱা দুই-এজন গুণী-জ্ঞানীৰ বিষয়েও লিখিছে। দুই চাৰি গৰাকী সুন্দৰ মনৰ ৰাজনীতিকৰ বিষয়েও লিখিছে। পলগঁগা, গালিব, ৰত্নকান্ত বৰকাকতী, ডিম্বেশ্বৰ নেওগ আদি কেইবাগৰাকী লগ নোপোৱা মানুহৰ বিষয়েও সহজ-সৰলকৈ লিখিছে। তেনেদৰে লিখিছে বিমলা চলিহা, শৰৎ চন্দ্ৰ সিংহ আদিৰ দৰে সুন্দৰ মনৰ মানুহৰ বিষয়েও। এই গ্ৰন্থৰ ভিতৰত যি সকল ব্যক্তিৰ বিষয়ে লিখিছে, তেওঁলোকক হাজৰিকাদেৱে 'বনুৱা' বুলিছে আৰু ইয়াত বনুৱাসকলৰ যশস্যা-প্ৰতিভাৰ প্ৰতি গুৰুত্ব আৰোপ কৰাৰ পৰিৱৰ্তে ৰচনাকাল কিম্বা প্ৰকাশ কালৰ প্ৰতিহে গুৰুত্ব দিয়া হৈছে। মানুহৰ এই সমাজখনক সুন্দৰৰ এক নতুন দিগন্তলৈ আগুৱাই নিয়াৰ প্ৰয়াসেৰে সুন্দৰৰ সৰু-বৰ আলিয়েদি বাট বুলোঁতে, নন্দনতত্বৰ বনুৱাসকলে প্ৰায়েই দুষ্কৃতি বা অপ-সংস্কৃতিৰূপী পিশাচী এন্ধাৰৰ বিৰুদ্ধে সংগ্ৰামত অৱতীৰ্ণ হ'বলগীয়া হৈছে আৰু সেই অসুন্দৰ বিনাশী সংগ্ৰামত তেওঁলোকে কলা-সংস্কৃতিক অস্ত্ৰ হিচাপে লৈ







যুগে যুগে সেই 'ৰণৰ অগনি সুৰেৰে নুমোৱা'ৰ ব্ৰতত ব্ৰতী হৈ আহিছে। সেইবাবেই তেওঁলোকে সদায় 'আশাৰে গীত গাই গাই', 'জীৱনৰ জেউতিৰে জ্বলোৱা দীপাৱলী'ৰ পোহৰত এখনি সুন্দৰ সমাজ গঢ়াৰ সপোন দেখি আহিছে। তাৰেই এটি জ্বলন্ত স্বাক্ষৰ এই 'নন্দনতত্বৰ কৰ্মীসকল' নামৰ গ্ৰন্থখন।

**অৰণ্যৰ অহোৰাত্ৰ**
**সুনীল গঙ্গোপাধ্যায়**
**অনুবাদ ঃ ড° নমিতা ডেকা**
**প্ৰথম প্ৰকাশ ঃ-২০০৪**




নগৰীয়া জীৱনৰ কোলাহল আৰু ব্যক্তিগত জীৱনৰ গতানুগতিকতাৰ পৰা সাময়িকভাৱে আঁতৰি থাকি জীৱনৰ আনন্দ উপভোগ কৰিবলৈ চাৰিজন যুৱকে অৰণ্যৰ মাজত যাপন কৰে এক ভিন্ন স্বাদৰ জীৱন। এই চাৰিজন যুৱকে কেনেদৰে জীৱনৰ আনন্দ সংগ্ৰহ কৰিলে, কি পালে, কি হেৰুৱালে তাৰ এক ৰোমাঞ্চধৰ্মী বৰ্ণনাৰে সমৃদ্ধ বঙলা সাহিত্যৰ প্ৰসিদ্ধ ঔপন্যাসিক সুনীল গঙ্গোপাধ্যায়ৰ বিখ্যাত উপন্যাস 'অৰণ্যৰ দিনৰাত্ৰি'। অসমীয়ালৈ অনুবাদ কৰোঁতে সু-বিন্যস্ত কাহিনীৰ প্ৰতি লক্ষ্য ৰাখি উপন্যাস খনৰ নাম দিছে 'অৰণ্যৰ অহোৰাত্ৰ'। এই উপন্যাসখনৰ কাহিনীকে লৈ বিখ্যাত পৰিচালক সত্যজিত ৰায়ে 'অৰণ্যৰ দিনৰাত্ৰি' নামৰ এখন চিনেমা প্ৰস্তুত কৰি তুলিছিল। সেই চিনেমাখন মুক্তিলাভ কৰিছিল ১৯৭০ চনৰ ১৬ জানুৱাৰীত।

সুনীল গঙ্গোপাধ্যায়ৰ কোনো নতুন চিনাকিৰ প্ৰয়োজন নাই। তেওঁৰ সাহিত্য কৃতি, বাংলা সাহিত্যলৈ অৱদান সৰ্বজনবিদিত। কবিতা আৰু উপন্যাসৰ যোগেদি তেওঁ সমগ্ৰ বঙালী সমাজ জীৱনক উদঙাই দেখুৱাইছে। বঙালী সমাজ আৰু সংস্কৃতিৰ অনেক উপাদান, সেয়া সমস্যাই হওক বা নতুন আস্বাদনেই হওক, সকলোখিনি গঙ্গোপাধ্যায়ৰ উপন্যাসত বিবৃত হৈছে।

বিশ্বমানৱ-প্ৰকৃতিৰ মাজত প্ৰকৃততে ধৰা-বন্ধা পাৰ্থক্য নাই। সকলোৰে মাজত থাকে একেধৰণৰ আশা-হতাশা, স্বপ্ন-কামনা, ঘাত-প্ৰতিঘাত আৰু সফলতা-বিফলতাৰ কাহিনী। তথাপিও জাতি, গোষ্ঠী, দেশ আৰু ভাষা-সংস্কৃতিৰ পৃথকতাৰ বাবে মানুহে একোটা স্বতন্ত্ৰ দ্বীপত বাস কৰে। এই দ্বীপত প্ৰত্যেকৰে বাবে থাকে নিজা ভাষা আৰু সংস্কৃতি। তাৰ মাজতেই যেতিয়া বিভিন্ন দেশ বা জাতিৰ লগত সংযোগ স্থাপনৰ প্ৰয়োজন হয়, তেতিয়া উপলব্ধি কৰা প্ৰথমটো বাধা হ'ল ভাষাগত। এই ভাষাগত অসুবিধাক আঁতৰাবৰ বাবে অংগী-ভংগী, ভগা-ছিগা শব্দৰ প্ৰয়োগ কৰিব লগীয়া হয়। এই প্ৰয়োগ একপ্ৰকাৰ অনুবাদেই, ভাৱধাৰাক প্ৰকাশযোগ্য কৰাৰ অনুবাদ। বাংলাৰ পৰা উপন্যাসখন অসমীয়ালৈ অনুবাদ কৰি সুখপাঠ্য কৰি তোলাত সফলতা লাভ কৰিছে অনুবাদিকা ড° নমিতা ডেকাই। মূল লেখকতকৈ অনুবাদক/অনুবাদিকাৰ দায়িত্ব দৰাচলতে বেছি হয়। লেখকে মুকলি মনেৰে চিন্তা আৰু অনুভূতি প্ৰকাশ কৰি কলম চলাব পাৰে। তেওঁ নিজা শব্দৰ নাড়ী-নক্ষত্ৰ ভালদৰে বুজি পায় আৰু সেইমতে ভাৱ অনুসৰি শব্দ প্ৰবাহ বৈ যাবলৈ এৰি দিয়ে। অনুবাদকৰ দায়িত্ব হ'ল মূল লেখকৰ চিন্তা-অনুভূতিক বেলেগ এচাম পাঠকৰ গ্ৰহণযোগ্য ৰূপে পৰিবেশন কৰা। কেৱল বঙলাতে নহয়, অসমীয়া অনুবাদখনেও সমানেই পাঠক সমাজৰ মাজত গুৰুত্ব আৰু সমাদৰ লাভ কৰিছে। অনুবাদৰ ক্ষেত্ৰত তেওঁৰ দক্ষতাৰ পৰিচয় এই উপন্যাসখনৰ মাজেদি প্ৰতীয়মান হৈছে।

সঞ্জয়, অসীম, শেখৰ, ৰবি নামৰ এই চাৰিজন যুৱকে নগৰীয়া জীৱনৰ প্ৰতি বীতশ্ৰদ্ধ হৈ অৰণ্যত শান্তিময় জীৱন অতিবাহিত কৰিবলৈ আহি কি পালে, কি হেৰুৱালে সেই চিত্ৰ অংকন কৰিছে এই উপন্যাসখনত। প্ৰকৃতি আৰু আদবাসীসকলৰ সৈতে, চাওতালি যুৱতীৰ হাঁহিৰ চিম্ফনীৰ সৈতে মিলিব বিচাৰিছে; কিন্তু কোনো সময়তে তেওঁলোক সম্পূৰ্ণৰূপে নগৰীয়া মানসিকতাৰ পৰা মুক্ত হ'ব পৰা নাই। যেনিয়ে আগবাঢ়িছে, য'তে খোজ দিছে, যাৰ লগতেই মুখামুখি হৈছে—সকলোতে নগৰীয়া কোলাহলপূৰ্ণ জীৱনে তেওঁলোকৰ পিছ লৈছে, পুৰণি অভিজ্ঞতাবোৰে ভাৱ-চিন্তাক অন্য দিশতো প্ৰভাৱিত কৰিছে। গতিকে গোটেই উপন্যাসখনৰ কাহিনীক প্ৰকৃতি আৰু আদিবাসী জীৱনৰ বিপৰীতে নগৰীয়া জীৱনৰ মানসিক দ্বন্দই আগুৰি ধৰি আছে। সেয়েহে ৰবি, সঞ্জয়, শেখৰ, অসীমহঁতৰ যি দ্বন্দ সেয়া অৱশ্যে আমাৰেই দ্বন্দ, কিয়নো আজিৰ সমাজত এনেধৰণৰ চৰিত্ৰৰ বৰ অভাৱ আছে বুলিব নোৱাৰি।

উপন্যাসখনৰ ভিতৰত পাঠকে এক তৃপ্তি লাভ কৰিব। সেই তৃপ্তি মূলত যিমান, অসমীয়াতো সিমানেই পোৱা যাব। উপন্যাসখন প্ৰকাশশৈলী আৰু বিষয়বস্তু দুয়োটা দিশৰ পৰাই প্ৰশংসনীয়।❖

সমালোচনালৈ চকু নিদি কাম কৰি যোৱা। এটা কথা সদায় মনত ৰাখিবা কোনো সমালোচকৰ স্মৃতিত আজিলৈকে ক'তো মূৰ্তি নিৰ্মাণ কৰা হোৱা নাই।

— জাঁ চিবেলিয়াছ

দৃষ্টিকোণ

# সাফল্যৰ আঁৰৰ কেইটামান কথা

মিলন চেতিয়া
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ

বিশ্বৰ যিবিলাক সফল ব্যক্তি নিজৰ নিজৰ লক্ষ্যস্থানত উপনীত হবলৈ সক্ষম হৈছে অথবা যি সকলে সফল ভাৱে জীৱন-যাপন কৰিছে, তেওঁলোকৰ জীৱনীবোৰ অধ্যয়ন কৰি বিশ্লেষণ কৰিলে কেনেকৈনো জীৱনৰ কন্টকময় পথেদি তেওঁলোকে আগবাঢ়ি বৰ্তমান উচ্চ শিখৰত উপনীত হৈছেগৈ তাক আমি অনুধাৱন কৰিব পাৰোঁ।

আমি আমাৰ সহজাত প্ৰকৃতিৰেই উপলব্ধি কৰিব পাৰোঁ যে জীৱনটো কাৰোবাৰ বাবে ৰৈ নাথাকে; ক্ৰমশঃ আগুৱাই গৈ থাকে। অৱশ্যে গছ-গছনিৰ দৰে আমি বাঢ়ি গৈ থাকিলে বা ওখ হৈ গৈ থাকিলে নহব; সিংহৰ দৰে মাথোঁ খাদ্য বিচাৰি ঘূৰি ফুৰিলে নহব; অথবা মাছৰ দৰে কণী পাৰি পোৱালী দি ফুৰিলে নহব; আমি মানুহ হৈ মানুহৰ দৰে জীৱনত বহুত কাম কৰিব লাগিব। জীৱনৰ প্ৰতিটো মুহূৰ্ততেই পাব পৰা ভুল আৰু শুদ্ধ পথবোৰ বিচাৰ কৰিব লাগিব। নিজস্ব অভিজ্ঞতা, জ্ঞান আৰু গুণীজনৰ পৰা পৰামৰ্শ লাভ কৰি সঠিক পথৰ সন্ধান কৰিব লাগিব। এনেধৰণৰ কামৰ মূল্য আছে। এনেধৰণৰ কাৰ্যই আমাক ভাল ফল দিব পাৰে।

আমি কোনো এটা কাম কৰিবলৈ আৰম্ভ কৰাৰ আগতেই আমাৰ আগত নানা সমস্যা আহি পৰে। মানুহ মাত্ৰেই সমস্যাৰে জৰ্জৰিত। ডেল কাৰ্নেগীয়ে কৈছিল, "আপোনাৰ যদি আজি দিনটোত কোনো সমস্যাই দেখা নিদিয়ে তেন্তে আপুনি পোনে পোনে ঘৰলৈ উভতি যাওক আৰু ঘৰত সোমাই দৰ্জা বন্ধ কৰি মাটিত আঁঠুকাঢ়ি ভগৱানক হাত যোৰ কৰি কওঁক, 'হে ভগৱান মোক যেন তুমি এটা সমস্যা দিয়া'।" আচলতে সমস্যাহীন জীৱনৰ কোনো মাদকতা নাই। সমস্যা প্ৰত্যেকজন ব্যক্তিৰ ওচৰলৈ আহে। তাক সমাধান কৰিব পৰাটোহে আচলতে প্ৰকৃত কাম আৰু কৰাজনেই প্ৰকৃত ব্যক্তি।

কোনো এটা সমস্যা সমাধানৰ ক্ষেত্ৰত প্ৰথমেই তিনিটা পথ গ্ৰহণ কৰা আৱশ্যক। সেইয়া হ'ল - চিন্তা, জ্ঞান আৰু বিশ্বাস। মানুহক যেতিয়া এটা গুৰুত্বপূৰ্ণ অৰ্থাৎ ডাঙৰ সমস্যাই আগুৰি ধৰে, তেতিয়া প্ৰত্যেকেই সেই সমস্যাটোৰ একেবাৰে শিপালৈ গৈ তাৰ বিষয়ে সকলো ধৰণৰ জ্ঞান লাভ কৰি আগবাঢ়ি গলে সেই সমস্যাটো সমাধান হোৱাটো নিশ্চিত। যিকোনো সমস্যাৰ যদি আকাৰ বাঢ়ি গৈ থাকে, তেতিয়া তাক বিশ্লেষণ কৰিবলৈ সকলোৰে ব্যৰ্থ হোৱা দেখা যায়। সেয়ে কোনো সমস্যাৰ আচল ৰূপটো তন্ন তন্নকৈ বিশ্লেষণ কৰি তাক সমাধানৰ বাবে আগবাঢ়িব লাগে। কোনো এটা সমস্যা বিশ্লেষণ কৰি চালে দেখিব যে ই আপোনাৰ শত্ৰু নহয়; বৰং বন্ধুহে।

কেতিয়াবা কোনো সমস্যা আমাৰ আগত থিয় দিয়ে, তেতিয়া আমি প্ৰত্যেকেই চিন্তা কৰিব লাগিব, ভাৱিব লাগিব; আমি তাক অনায়াসেই কৰিব পাৰিম, যদিহে আমি একাগ্ৰতা আৰু শান্ত মানসিক শক্তিৰ অধিকাৰী হওঁ। আমাৰ আটাইতকৈ শক্তিশালী অস্ত্ৰ হ'ল - চিন্তা শক্তি। সাধাৰণতে যেতিয়া কোনো এটা সমস্যাই দেখা দিয়ে, তেতিয়া মানুহ আৱেগৰ বশৱৰ্তী হৈ পৰে। সেইবাবেই সঠিক ভাৱে চিন্তা কৰিবলৈ সকলোৱে পাহৰি যায়। সেয়ে কোনো কামেই আমি আৱেগৰ বশৱৰ্তী হৈ কৰিব নালাগে। আৱেগৰ বশৱৰ্তী হৈ কৰা কাম ইতিবাচক নহৈ নেতিবাচকহে হয়গৈ। আৱেগ মানুহক লাগে; কিন্তু সেয়া কাম কৰাৰ ক্ষেত্ৰতহে, চিন্তা-ভাৱনাৰ ক্ষেত্ৰত নহয়। আমি কোনো এটা সমস্যা সুস্থিৰ হৈ চিন্তা কৰিব লাগে। বিপদ বা সমস্যাত পৰা মুহূৰ্তত সঠিক চিন্তাধাৰাই মানুহৰ একমাত্ৰ পথ। নিজৰ সমস্ত সমস্যাৰ উত্তৰ বা সমাধান নিজৰ মনৰ ভিতৰতে বসবাস কৰি থাকে। কিন্তু সেই সমাধানৰ সূত্ৰক বাধা দিবলৈ সাজু হৈ থাকে নিজৰ আৱেগময় প্ৰতিক্ৰিয়া আৰু ভয়। সেয়ে ষ্টেনিল অনলেগুে কৈছিল, "প্ৰতিটো সমস্যাৰ ভিতৰতেই নিহিত হৈ থাকে তাৰ সমাধানৰ বীজ"।

ডেল কাৰ্নেগীয়ে কৈছিল - এই সমস্যা জৰ্জৰিত সমাজ ব্যৱস্থাত আমি সফলভাৱে জীৱন-যাপন কৰিবলৈ হলে চাৰিটা কথাৰ ওপৰত গুৰুত্ব দিব লাগিব। এই চাৰিটা কথা হ'ল ঃ

১। আমি কি কৰোঁ।

২। আমাৰ বাহ্যিক আকৃতি কি?

৩। আমি কি কথা কওঁ।

৪। আমাৰ কথা কোৱাৰ আচৰণ বা ভংগী কেনে।

এই কথা আজি সকলোৱে স্বীকাৰ কৰোঁ যে সফলতা তেওঁলোকেহে লাভ কৰে, যিসকলে জীৱনটোক সঠিক ভাৱে পৰিচালনা কৰিব পাৰে, যিসকলে অনায়াসেই ঘাত-প্ৰতিঘাত, বাধা-বিপত্তি জয় কৰিব পাৰে। এই ঘাত-প্ৰতিঘাত, বাধা-বিপত্তি সকলোৱেই জয় কৰিব নোৱাৰে কিয়? তেতিয়াই আহি পৰে ব্যক্তিত্বৰ কথা। বিখ্যাত অভিনেত্ৰী নানছেনে তেওঁৰ ব্যক্তিত্ব ব্যাখ্যা কৰি এনেদৰে কৈছিল ঃ মই তিনিটা নীতি মানি চলোঁ, যিবোৰে মোৰ ব্যক্তিত্ব







শক্তিশালী কৰি সফলতাৰ দিশত জীৱনটো আগুৱাই নিয়াত সহায় কৰিছে। সেই নীতি তিনিটা হৈছে ঃ

১। মনত ভয় অনুভৱ কৰি কেতিয়াও থমকি নৰবা, জীৱনৰ লক্ষ্যাভিমুখে তুমি আগুৱাই গৈ থাকিবই লাগিব।

২। কিবা কাম কৰিবলৈ যাওঁতে বা কৰোঁতে পাছ হুঁহকি যাবলৈ কোনো পথ খোলা নাৰাখিবা। সেইটো এটা কাপুৰুষোচিত আৱিষ্কাৰ।

৩। টান কাম তাকেই বোলে যিটো কৰিবলৈ অলপ সময় লাগে, অসম্ভৱ কাম হ'ল সেইটো যিটো কৰিবলৈ আৰু অলপ বেছি সময় লাগে।

বয় চেৰাউডে কৈছিল— "যিটো বিশেষ ক্ষমতাৰ সহায়ত কোনো এজন মানুহে আন মানুহক সহজতে প্ৰভাৱিত কৰিব পাৰে, সেয়াই হৈছে ব্যক্তিত্ব।" আমাৰ মনত হয়তো এনেধৰণৰ প্ৰশ্ন উদয় হয় যে যিবিলাক মানুহ সফল হৈছে তেওঁলোকেনো কেনেদৰে সফলতা লাভ কৰিছে? কিদৰে তেওঁলোকে এনেবোৰ কাম কৰিব পাৰে অথচ আমি কৰিব নোৱাৰোঁ? ইয়াৰ বাবে আমি সকলো কামতে নিজৰ মনটোক অভ্যাসৰ দ্বাৰা পৰিচালিত কৰিব লাগিব। অভ্যাসৰ বলতেই মানুহ সাহসী হয়, কষ্টসহিষ্ণু হয়। আৱেগৰ বশৱৰ্তী নহয়। আমি নিজৰ জীৱনটো ভাল অভ্যাসৰ দ্বাৰা পৰিচালিত কৰি থাকিলে নিশ্চয় মনে বিচৰা কাম কৰিব পাৰিম। পৃথিৱীৰ আন মানুহে কৰা কাম আমি কৰিব নোৱাৰিম কিয়? কিন্তু ইয়াৰ বাবে লাগিব আমাক অনুশীলন, শৃংখলাবদ্ধতা, মানসিক শক্তি আৰু দৃঢ়তা। বাৰে বাৰে পৰাজিত হৈ থাকিলে ধৈৰ্য ধৰিব পৰা শক্তি লাগিব। জিম হুইটেকাৰে বৰ সুন্দৰ কথা এষাৰ কৈছিল— "তুমি কেতিয়াও পৰ্বতটো জয় নকৰা, তুমি জয় কৰিব লাগিব কেৱল নিজকহে"। এই কথাষাৰৰ মূল্য আমি গভীৰভাৱে অনুধাৱন কৰিব লাগিব।

শক্তিশালী মানুহ সৃষ্টি হয় সংগ্ৰাম কৰাৰ মাজেদি। মানুহে মানসিক আৰু আধ্যাত্মিক দিশৰ পৰা সবল হৈ গঢ় লৈ উঠিব পাৰে একমাত্ৰ বাধাৰ সন্মুখত অবিৰাম ভাৱে যুঁজ কৰি; সবল হৈ উঠিব পাৰে নানা জ্বালা-যন্ত্ৰণা, দুখ-কষ্ট ভোগ কৰি। অৱশ্যেই এই যুঁজত অৱতীৰ্ণ হ'ব লাগিব শৃংখলাবদ্ধভাৱে। ইয়াৰ পৰিণামত তেওঁৰ অন্তৰ্দৃষ্টি, শাৰীৰিক শক্তি আৰু ক্ষমতা ইমানকৈ বাঢ়ি উঠে যে তাৰ ফলত তেওঁ নানাধৰণৰ গঠন মূলক কাম কৰি নিজৰ লগতে মানৱ জাতিৰো কল্যাণ সাধিব পাৰে।

কাৰোবাৰ মনৰ ভিতৰত কি আছে আমি তাক হয়তো কোনো পধ্যেই জানিব নোৱাৰিম, যেতিয়ালৈকে তাৰ ভিতৰত কোনো গতিময় প্ৰেৰণা অনুপ্ৰৱেশ কৰাব নোৱাৰোঁ। বাস্তৱিকতে আপুনি কেতিয়াও মানুহৰ ভিতৰত কিমানখিনি সুপ্ত ক্ষমতা থাকে সেয়া জানিব নোৱাৰে, যেতিয়ালৈকে আপুনি তেওঁক গতিময় কোনো গঠন মূলক প্ৰেৰণা প্ৰদান কৰিব নোৱাৰে। প্ৰতিজন ব্যক্তিকেই জগাই তোলাটো সম্ভৱ। যেতিয়া কোনো মানুহৰ সন্মুখৰ দুৱাৰ উন্মুক্ত কৰি তেওঁৰ আচল ব্যক্তি সত্বাক আগুৱাই যোৱাত গুৰুত্ব দিয়া হয়, তেতিয়া তেওঁ অধিক কৰ্মকুশলতা দেখুৱাব পাৰে। আচলতে প্ৰতিজন মানুহৰ ভিতৰত বস-বাস কৰি থকা সুপ্ত ক্ষমতাসমূহ জাগ্ৰত কৰি তোলাটোৱেই মানুহৰ প্ৰকৃত কাম। তেতিয়াহে সকলোৱে সফলতাৰ দিশত আগবাঢ়ি যাবলৈ সক্ষম হয়।

প্ৰত্যেকজন মানুহৰেই জীৱনৰ একোটা নিৰ্দিষ্ট লক্ষ্য থাকে আৰু এই নিৰ্দিষ্ট লক্ষ্যপথত উপনীত হ'বলৈ বহুতে চেষ্টা কৰে; কিন্তু সকলোৱে সফল হ'ব নোৱাৰে। সেয়েহে উক্ত লক্ষ্যপথত উপনীত হ'বলৈ আমি প্ৰথমতে আমাৰ জীৱনটোক কেনেদৰে সেই গতিপথলৈ আগুৱাই নিব লাগিব তাক স্থিৰ কৰি লব লাগিব। লক্ষ্যহীন জীৱন গুৰিয়ালবিহীন নাৱৰ দৰে। সেয়ে বৰ্তমান সমস্যাৰে জৰ্জৰিত সমাজ ব্যৱস্থাত সকলো মানুহেই একোটা নিৰ্দিষ্ট লক্ষ্য আগত ৰাখি কাম কৰিব লাগিব। প্ৰতিজন ছাত্ৰই বা প্ৰতিজন ব্যক্তিয়েই এটা নিৰ্দিষ্ট লক্ষ্য ৰাখি কাৰ্যত অগ্ৰসৰ হয়। কিন্তু উক্ত লক্ষ্যত উপনীত হ'বলৈ আগবাঢ়ি যোৱা পথটোত সমস্যাই বাধা দিয়ে। সেয়ে সেই সমস্যাবোৰ সমাধান কৰি কেনেদৰে আমি আগবাঢ়ি যাব লাগিব তাৰ প্ৰতি সকলোৱে সচেতন হ'ব লাগিব। তাৰ কাৰণে তলত দিয়া কথা কেইটাৰ প্ৰতি চকু দিব লাগিব।

প্ৰথমতে, প্ৰত্যেকজন মানুহেই নিজৰ লক্ষ্য স্থিৰ কৰি আৰম্ভণিৰে পৰা এটা নিৰ্দিষ্ট সময় লৈ লব লাগে। জীৱনটো সদায় গতিশীল, কেতিয়াও ৰৈ নাথাকে। সেয়েহে সকলো ব্যক্তিয়ে কেনেকৈ নিৰ্দিষ্ট সময়ৰ ভিতৰত নিজৰ লক্ষ্যস্থানত উপনীত হব পাৰি তাক স্থিৰ কৰি লব লাগে।

দ্বিতীয়তে, নিজৰ লক্ষ্যটোত গভীৰভাৱে মনোযোগ দিব লাগিব আৰু অধ্যয়ন কৰিব লাগিব। নিজৰ মনক স্থিৰ কৰিব লাগিব যে মই মোৰ লক্ষ্যত উপনীত হমেই। আনে কৰিব নোৱাৰা কামবোৰ মই কিয় কৰিব নোৱাৰিম?

তৃতীয়তে, আমি প্ৰত্যেকেই শক্তিশালী চৰিত্ৰৰ অধিকাৰী হব লাগিব। আমি আমাৰ মন আৰু চৰিত্ৰটোক যদি শক্তিশালী ৰূপত গঢ় দিব নোৱাৰো, তেতিয়া আমি সফল হব নোৱাৰিম। কোনোবাই কেতিয়াবা আমাৰ মনটো, আমাৰ উচ্ছাসবোৰ ভাঙি দিব পাৰে। কিন্তু তেতিয়া আমি নিজেই আমাৰ মনটোক দৃঢ় কৰি গঢ়ি তুলিব লাগিব। আমি নিজৰ চৰিত্ৰটো নিজেই বিশ্লেষণ কৰিব লাগিব যে মই মোৰ চৰিত্ৰটোৰ বিষয়ে কিমান জানো, মোৰ চৰিত্ৰটো শক্তিশালী হয় নে নহয়? যদি নহয় কিয় নহয়? মই মোৰ চৰিত্ৰটো শক্তিশালী কৰি গঢ়ি তুলিব নোৱাৰিম কিয়? প্ৰকৃততে চৰিত্ৰহীন মানুহে কেতিয়াও সফলতাৰ দিশলৈ আগবাঢ়ি যাব নোৱাৰে।

চতুৰ্থতে, আমি প্ৰতিজন ব্যক্তিয়েই নিজৰ লক্ষ্যস্থানত উপনীত হবলৈ কঠোৰ পৰিশ্ৰম কৰিব লাগিব। যিটো আমাৰ লক্ষ্য, সেই লক্ষ্যটোলৈ আগবাঢ়ি যাবলৈ হলে আমি অন্ততঃ ৯০ শতাংশতকৈ বেছিহে পৰিশ্ৰম কৰিব লাগিব। যত্ন কৰিলে ৰত্ন পোৱাৰ দৰে কঠোৰ পৰিশ্ৰম কৰিলেহে আমি আমাৰ লক্ষ্যস্থানত উপনীত হব পাৰিম।

পঞ্চমতে, আমি প্ৰত্যেকজনেই নিজৰ লক্ষ্যাভিমুখে আগবাঢ়ি যাবলৈ জীৱনৰ প্ৰতিটো কামেই পৰিকল্পনা কৰি লব লাগিব। পৰিকল্পনাহীন কামে কেতিয়াও সুফল দিব নোৱাৰে। প্ৰথমতে, আমি আজিৰ দিনটোৰ বাবে ৰাতিপুৱাৰ পৰা ৰাতি শোৱা আগমুহূৰ্তলৈকে কোন সময়ত কি কাম কৰিম ইত্যাদি সকলোবোৰ ৰাতিপুৱা বিচনাত থকা সময়তেই বা ৰাতি শোৱা আগমুহূৰ্ততে পৰিকল্পনা কৰি লব লাগে। দ্বিতীয়তে, সপ্তাহটোৰ বাবে সপ্তাহটোত কি কি কাম কৰা হব; তৃতীয়তে মাহটোৰ বাবে মাহটোত কি কি কাম কৰা হ'ব; চতুৰ্থতে, বছৰটোৰ বাবে এই বছৰটোত কি কি কাম কৰিম, কেনেদৰে সকলো কাম বছৰটোত শেষ কৰিম; শেষত গোটেই জীৱনটোৰ বাবে এনেদৰে আমি সকলো কামেই পৰিকল্পনা কৰি কামত আগবাঢ়িব লাগিব। এইটো কথাও মনত ৰাখিব লাগিব যে অকল পৰিকল্পনা কৰিলেই নহব, তাক বাস্তৱত ৰূপ দিবলৈও চেষ্টা কৰিব লাগিব। যদি আমি কৰা পৰিকল্পনাবোৰ কামত নলগাওঁ, তেন্তে আমি কেতিয়াও কৃতকাৰ্য হব নোৱাৰিম।

ষষ্ঠতে, নিজেই এজন প্ৰতিভাসম্পন্ন ব্যক্তি হব লাগিব। যিটো নিৰ্দিষ্ট লক্ষ্যত উপনীত হবলৈ আগবাঢ়ি যোৱা হয়, সেই লক্ষ্যটোৰ বিষয়ে নিজৰ জ্ঞান, বুদ্ধি, কৌশল তথা প্ৰতিভা থাকিব লাগিব। নিজৰ জ্ঞানেৰে চিন্তা-চৰ্চা কৰি নিজৰ প্ৰতিভা বিকাশ ঘটাব লাগিব। অৰ্থাৎ নিজেই এজন প্ৰতিভাসম্পন্ন ব্যক্তি হব লাগিব।

সপ্তমতে, নজনাটো কোনো লাজৰ কথা নহয়, জানিবলৈ ইচ্ছা নকৰাটোহে লাজৰ কথা। অৰ্থাৎ প্ৰত্যেকেই কোনো এটা বিষয় সম্পৰ্কে জানিবলৈ ইচ্ছুক হব লাগে। প্ৰত্যেকেই যিকোনো বিষয়ৰেই জ্ঞান লাভ কৰিবলৈ যত্নবান হব লাগে। জ্ঞানেই হ'ল সফলতাৰ চাবিকাঠী।

অষ্টমতে, বৰ্তমান যুগত সমাজ-ব্যৱস্থা যি জটিলতালৈ আগবাঢ়িছে, ইয়াত সহজতে নিজৰ লক্ষ্যাভিমুখে আগুৱাই যোৱাত যথেষ্ট কষ্ট আছে। যদি আমি প্ৰত্যেকেই নিজ লক্ষ্যস্থানত উপনীত হ'বলৈ স্থিৰ হওঁ, তেন্তে আমাক প্ৰৱল আত্মবিশ্বাস লাগিব। যিটো বিষয়ক লৈ আমি অধ্যয়ন কৰিব বিচাৰিছোঁ, যিটো বিষয় আমি জানিবলৈ ইচ্ছুক হৈছোঁ, তাৰ বিষয়ে আমাৰ মনত প্ৰবল আত্মবিশ্বাস থাকিব লাগিব। নিজ লক্ষ্যপথত উপনীত হবলৈ আমি আত্মবিশ্বাসেৰে আগুৱাই যাব লাগিব, নহলে আমি কেতিয়াও সফল হব নোৱাৰিম। হেনৰি ডেভিদ থাৰোৱে কৈছিল - " মানুহ জন্ম হয় সফল হবলৈহে, ব্যৰ্থ হবলৈ নহয়।" আত্মবিশ্বাসেই মানুহৰ সাফল্যৰ প্ৰথম সোপান। জীৱনে যে আমাৰ বাবে অনেক কিবা-কিবি কৰিব সেই আশা কৰাটো অৰ্থহীন, যদিহে আমি জীৱনৰ বাবে একো নকৰোঁ। আমি কাম কৰিব লাগিব, নিজৰ ওপৰত বিশ্বাস ৰাখিব লাগিব, তেতিয়াহে আহিব সফলতা। এক মাত্ৰ আত্মবিশ্বাসী মানুহে শ্ৰেষ্ঠত্বৰ আসন অৰ্জন কৰিব পাৰে। কিবা এটা কাম কৰিবলৈ আগবাঢ়োতেই আমাৰ মনত এক ভয়ৰ উদ্ভৱ হয়। তেতিয়া আমি কামটো কৰিবলৈ অসমৰ্থ হওঁ। আমাৰ মনৰ এই ভয়ক জয় কৰিব লাগিব আমি আমাৰ বিশ্বাসেৰে। বিশ্বাস আপোনাৰ কেতিয়াও শত্ৰু নহয়, বৰং বন্ধুহে।

যিসকলে বৰ্তমান সফলতা অৰ্জন কৰিছে, তেওঁলোকৰ জীৱনীবোৰ অধ্যয়ন কৰিলেই দেখা যায় যে তেওঁলোকে কিমান আত্মবিশ্বাসেৰে কামত আগবাঢ়ি গৈছিল। মহান ব্যক্তিসকলে কৰা কামবোৰ আমি কিয় কৰিব নোৱাৰিম- এনে প্ৰশ্ন উদয় হলেই আমাৰ আত্মবিশ্বাস সবল হ'ব।

নৱমতে, আপুনি কোনো অৱস্থাত নেতিবাচক কথা নকব। সদায় ইতিবাচক দিশটোহে চাব লাগে। কোনো এটা কাম কৰিবলৈ লোৱাৰ আগতে হয়তো বহুতৰ মনত এনে কিছুমান ভাৱ উদয় হয় যে মই এইটো কৰিব নোৱাৰিম। অৰ্থাৎ মনলৈ নেতিবাচক ধাৰণা অহাৰ লগে লগে কামটোও নেতিবাচক হৈ পৰে। সেয়ে সদায় আপুনি ইতিবাচক দিশটো চাওক। নোৱাৰা কথাটো সমাধা হৈ যাব। এই পৃথিৱীত যিহেতু মানুহে নোৱাৰা কাম একোৱেই নাই, সেয়েহে মনলৈ কেতিয়াও নেতিবাচক ধাৰণা নানিব অথবা নেতিবাচক কথাও কোৱাৰ পৰা বিৰত থাকক। তেতিয়াহে আপুনি সফলতাৰ জখলাত উঠি যাব পাৰিব। এই জগতত যিমান মানুহ জন্ম হৈছে সকলোৱে জানো সফলতা লাভ কৰিব পাৰিছে? প্ৰকৃততে যি নিজৰ জীৱনটো সঠিকভাৱে পৰিচালিত কৰিব পাৰিছে, তেওঁলোকেহে বৰ্তমান কৃতকাৰ্য হৈছে। মহান ব্যক্তিসকলৰ আত্মজীৱনীবোৰ যদি পঢ়োঁ, তেতিয়া আমি এই কথা প্ৰত্যক্ষ কৰিব পাৰোঁ। বহুৰত আমি অন্ততঃ এখন হলেও আত্মজীৱনী পঢ়িবলৈ চেষ্টা কৰিব লাগে। এই আত্মজীৱনীবোৰে আমাক সঠিক পথৰ সন্ধান দিব পাৰিব।

(আমেৰিকাৰ বিখ্যাত ঔপন্যাসিক ডেল কাৰ্নেগী আৰু নৰ্মেন ভিনচেন্ট পীলৰ "How to Get Success in Life" নামৰ গ্ৰন্থৰ আধাৰত।)❖

> তোমাক মানুহে কি ধৰণৰ ভৰাটো বিচৰা, সেই দিশত কাম কৰি যোৱাটো হ'ল যশস্যা লাভৰ সহজতম উপায়।
>
> — চক্ৰেটিছ






আলোকপাত

# ঢকুৱাখনা মহাবিদ্যালয় আৰু কিছু কথা

কৃষ্ণকান্ত চেতিয়া
স্নাতক ২য় বৰ্ষ (বিজ্ঞান)

'ঢকুৱাখনা মহাবিদ্যালয়' ঢকুৱাখনা মহকুমাৰ একমাত্ৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান হৈ নাথাকিলেও প্ৰথমতে স্থান পাব পৰা শিক্ষানুষ্ঠান হৈ আছে বুলি বৰ্তমানেও স্বীকৃত। ইয়াৰ বিভিন্ন কাৰণ আছে। যেনে ধৰক, আয়তনৰ ফালৰ পৰা, অধ্যয়নৰ বিষয়ৰ পৰা, ফলাফলৰ দিশৰ পৰা ইত্যাদি। কিন্তু দুখৰ কথা এই যে, বৰ্তমান ঢকুৱাখনা মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা দ্ৰুত গতিত হ্ৰাস পাব ধৰিছে। এইয়া ঢকুৱাখনা মহাবিদ্যালয়ৰ লগতে ঢকুৱাখনাবাসী ৰাইজৰ বাবে অত্যন্ত বেয়া খবৰ। ইয়াৰ কাৰণসমূহ সূক্ষ্মভাৱে বিশ্লেষণ কৰি সঠিক পদক্ষেপ গ্ৰহণ নকৰিলে ঢকুৱাখনা মহাবিদ্যালয়খনি ঢকুৱাখনাৰ আটাইতকৈ পুৰণি মহাবিদ্যালয় হৈয়ো প্ৰথম শাৰীৰ মহাবিদ্যালয়ৰ সন্মানৰ অধিকাৰী হৈ থাকিব নোৱাৰিব।

নব্বৈ দশকৰ মধ্যভাগলৈকে ঢকুৱাখনা মহাবিদ্যালয়ত প্ৰায় আঢ়ৈ হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰিছিল। কিন্তু চলিত বৰ্ষত ঢকুৱাখনা মহাবিদ্যালয়ত অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হৈছে ৮৯০ জন। অৰ্থাৎ বিগত দহ বছৰত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আধাতকৈ অধিক হ্ৰাস পাইছে। ১৯৬৬ চনতে স্থাপন হোৱা মহাবিদ্যালয় এখনৰ বাবে একহাজাৰ ছাত্ৰ-ছাত্ৰী নোহোৱাতো সঁচাকৈয়ে অতি দুখজনক কথা। এই ক্ষেত্ৰত যদিও অন্যান্য মহাবিদ্যালয় স্থাপনকেই কাৰণ বুলি ধৰা হয়, তথাপিও ইয়েই একমাত্ৰ মুখ্য কাৰণ নহয়।

আমি যদি ঢকুৱাখনা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ কথা লক্ষ্য কৰোঁ, তেতিয়া দেখিম— ঢকুৱাখনাত কেইবাখনো উচ্চতৰ মাধ্যমিক বিদ্যালয় স্থাপন কৰিলেও ঢকুৱাখনা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হ্ৰাস পোৱা নাই। ইয়াত এতিয়াও প্ৰায় এহেজাৰ ছাত্ৰই অধ্যয়ন কৰে। কিন্তু ঢকুৱাখনা মহাবিদ্যালয়ৰ ক্ষেত্ৰত মাত্ৰ দুখন মহাবিদ্যালয় আৰু কেইখনমান উচ্চতৰ মাধ্যমিক বিদ্যালয় স্থাপনে বাৰুকৈয়ে প্ৰভাৱিত কৰিলে। ঢকুৱাখনা মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হ্ৰাস ঘটাৰ কেইটামান মুখ্য কাৰণ হ'ল ঃ মহাবিদ্যালয়ৰ শৈক্ষিক পৰিৱেশ নব্বৈ দশকৰ মধ্যভাগতকৈ কিছু উন্নতি হৈছে যদিও পৰ্যাপ্ত হোৱা নাই। এতিয়াও ঢকুৱাখনা মহাবিদ্যালয়ত ডিচেম্বৰ মাহৰপৰা কলা শাখাৰ ক্লাছ প্ৰায়ে নহয়। মুষ্টিমেয় কেইজনমান ছাত্ৰ-ছাত্ৰীৰ বাদে বাকী আধা সংখ্যক কলেজলৈ যায়, আড্ডা মাৰে আৰু ঘৰলৈ উভতে। বেছিভাগেই কলেজলৈ নাযায়। এইক্ষেত্ৰত ছাত্ৰ-ছাত্ৰী সকলৰ অমনোযোগিতা আৰু প্ৰশাসনৰ শিথিলতাই মূল কাৰণ। তাৰোপৰি ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰায় সংখ্যকে নিজৰ দায়িত্বৰ প্ৰতি সচেতন নহয়। চলিত বৰ্ষতে দেখা গৈছে— কৰ্তৃপক্ষৰ পৰা নিৰ্দেশ জাৰি কৰাৰ কেইদিনমানৰ পিছতেই ছাত্ৰ-ছাত্ৰীসকলে ইউনিফৰ্ম পৰিধান কৰিবলৈ এৰি দিয়ে। পৰিচয় পত্ৰ লগত লৈ নাহে। এই ক্ষেত্ৰত ছাত্ৰ সকল ছাত্ৰীসকলতকৈ বেছি আগবঢ়া। ছাত্ৰ-ছাত্ৰীসকলে নিজৰ যান-বাহনো প্ৰায়ে বিশৃংখলভাৱে ৰাখে। এইবোৰ কিয় হৈছে? নিয়ম-শৃংখলা মানি চলাটো এজন প্ৰকৃত ছাত্ৰৰ কৰ্তব্য। কিন্তু মানি নচলিলে কি তেনেকৈয়ে থাকি যাব নেকি? কৰ্তৃপক্ষৰ ফালৰ পৰা এজন দ্বাৰৰক্ষকৰ ব্যৱস্থাওটো কৰিব পাৰে। এজন চতুৰ্থ বৰ্গৰ কৰ্মচাৰীকে পুৱা ৯ বজাৰ পৰা ১২ বজালৈকে মুখ্যদ্বাৰত ৰখাৰ ব্যৱস্থা কৰিলে ছাত্ৰ-ছাত্ৰীসকলে বাধ্য হৈ ইউনিফৰ্ম পৰিধান কৰি আহিব।

মহাবিদ্যালয়ত ক্লাছ হৈছে নে নাই, যদি নাই হোৱা কিয় হোৱা নাই তাৰ খতিয়ান লৈ যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ অধ্যক্ষ মহোদয়ে পদক্ষেপ ল'ব বুলি আশা কৰিলোঁ।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ে উপস্থিতিৰ হাৰৰ ক্ষেত্ৰত যি নিয়ম প্ৰৱৰ্তন কৰিছে অৰ্থাৎ ৬০ শংতাশৰ তলত উপস্থিত থাকিলে পৰীক্ষা দিবলৈ নিদিয়া আৰু ৭৫ শংতাশ ৰ তলত উপস্থিত থাকিলে শাস্তিমূলক দণ্ড মাচুল ভৰোৱাৰ ব্যৱস্থা আমাৰ মহাবিদ্যালয়ত সম্পূৰ্ণৰূপে প্ৰয়োগ কৰাটো একান্তই বাঞ্ছনীয়। কিয়নো তেতিয়াহে ছাত্ৰ-ছাত্ৰীসকলে ক্লাছ কৰিব তথা নিয়মানুবৰ্তিতা মানি চলিব। ফলত ছাত্ৰ-ছাত্ৰীসকলৰ বাধ্যতামূলক শিক্ষাৰ ফলাফল বৰ্তমানতকৈ অধিক উন্নত হ'ব আৰু ইয়ে বাহিৰৰ ছাত্ৰ-ছাত্ৰীক মহাবিদ্যালয়খনৰ প্ৰতি আকৰ্ষণ কৰিব।

মানুহ সৌন্দৰ্যৰ পূজাৰী। সৌন্দৰ্যই সকলোকে আকৰ্ষণ কৰে। কিন্তু ঢকুৱাখনা মহাবিদ্যালয়ত থাকিবলগীয়া নূন্যতম সৌন্দৰ্যকণো দেখিবলৈ পোৱা নাযায়। বছৰৰ প্ৰায় সংখ্যক দিনেই মহাবিদ্যালয়খনি অপৰিপাটি-অপৰিষ্কাৰ হৈ থাকে। ইয়াৰ বাবে কৰ্তৃপক্ষই কঠোৰ শাসনৰ লগতে ছাত্ৰ-ছাত্ৰীৰ মাজত সৌন্দৰ্যবোধৰ প্ৰতি স্পৃহা জগাই তুলিলে ফলপ্ৰসূ হ'ব বুলি মই ভাবোঁ।

শেষত ঢকুৱাখনা মহাবিদ্যালয়ৰ বিষয়ে নকলেই নোৱাৰা কথা কেইটা হ'ল— মুখ্যদ্বাৰৰ মান, সৌন্দৰ্য-গাম্ভীৰ্য আৰু গৰু-ছাগলী পাৰাপাৰ নহ'বলৈ সজোৱা দলংখনেৰে গৰু-ছাগলীৰ সহজাতিক্ৰম্য দিশটো। ইয়াকেই মহাবিদ্যালয়খনৰ ভিতৰৰ দিশটোৰ প্ৰতিফলন বুলি ক'ব পাৰি। আনটো হ'ল, মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ কাৰ্যালয়ৰ সন্মুখত 'ছাত্ৰ সন্থাৰ মুখ্য কাৰ্যালয়' নামৰ চাইনবৰ্ডখন। কিন্তু বাস্তৱ ক্ষেত্ৰত আমি ছাত্ৰ সন্থাৰ কোনো কাৰ্যালয় দেখা পোৱা নাই।

শেষত বিষয়টোৰ কেওটা দিশৰ সঠিক মূল্যায়নেৰে ঢকুৱাখনা মহাবিদ্যালয়ৰ উন্নতি তথা গৌৰৱ অটুট থকাৰ কামনা কৰিলোঁ।❖

গল্প

# তোমাৰ ছবিটি বুকুতে সাৰটি



ড° জিতৰাম কলিতা
মুৰব্বী অধ্যাপক, অসমীয়া বিভাগ

"আইতা, তুমি মোক বিহু নাচিবলৈ শিকাবা বুলি কৈছিলা নহয়? আজি মোক শিকাবই লাগিব। আহা না, মোক শিকাই দিয়া।" মণিয়ে আইতাকৰ হাত এখনত খামুচি ধৰি কথাষাৰ কলে। আইতাক ৰহিমলাই পুতেক-বোৱাৰীয়েকৰ ভাতখোৱা বাচন-বৰ্তনখিনি ধুই আহি হাত দুখন গামোচাৰে মচি উঠিছিল।

"ৰ'বা মাজনী, মই তোমাক এতিয়াই বিহু নাচিবলৈ শিকাম।" হাতত থকা তিতা গামোচাখন চকী এখনত থৈ ৰহিমলাই ক'লে, "বিহু এনেকৈ ফ্ৰক পিন্ধি নেনাচে নহয়। নাচনীৰ সাজ পিন্ধি লব লাগিব। মাৰাৰ চাদৰ এখন আনি মই তোমাৰ ফ্ৰকটোৰ ওপৰতে পিন্ধাই দিম দেই। তুমি অলপ ৰ'বা।" ৰহিমলাই আলনাৰ পৰা বগা চাদৰ আৰু গামোচা এখন আনিলে। চকীত থকা গামোচাখন ৰ'দত মেলি দি আহি মণিক নাচনী সজাই কঁকালত গামোচাখন বান্ধি হাত দুখন কঁকালত ৰাখিবলৈ ক'লে। মণিয়ে সেইদৰে নাচনীৰ পাজ দিয়াত আইতাকে ক'লে, "মই বিহু নাম এফাঁকি গাই যাম, তুমি মূৰটো লৰাই লৰাই কঁকালত হাত দুখন থৈ মই দেখুৱাই দিয়াৰ দৰে দেহত ভাঁজ দিবা দেই।"

ৰহিমলাই নৃত্যৰ ভংগিমা দিয়া দেখি মণিয়ে তপৰাই ক'লে, "তুমি বিহু নাম গাই যোৱা। মই নাচিব পাৰিম নহয়। বিহুনাচ এইবাৰ তোমাৰ লগত ফাট বিহুত চাই আহিছোঁ নহয়। সেইদৰে নাচি যাম।"

তিনি বছৰীয়া মণিয়ে বিহু নাম এফাঁকি নিজে গাই নাচিবলৈ আৰম্ভ কৰিলেই। ৰহিমলাই এইটো জানে যে বিহু নৃত্য ধ্ৰুপদী নৃত্য নহয় যে ই কিছুমান নীতি-নিয়মৰ অন্তৰ্ভূক্ত। বিহু নৃত্য এবিধ লোক সংস্কৃতি। জন-জীৱনৰ মনৰ ভাব স্বতঃস্ফূৰ্তভাৱে প্ৰকাশ হোৱা এবিধ নৃত্য। বিহু নৃত্য শিকিবলৈ কোনো বেলেগ গুৰুৰ ওচৰত প্ৰশিক্ষণ লব নেলাগে। পৰম্পৰাগতভাৱে উজনি অসমৰ গাঁও-ভূঁইবোৰত বিহু নৃত্যৰ প্ৰশিক্ষণ দি অহা হৈছে। এনে প্ৰশিক্ষণ দি আহিছে মাক আৰু আইতাকে। ৰহিমলাৰ মনত আছে, তাইৰ বয়স তিনি-চাৰি বছৰমান হোৱাৰ পৰাই মাক আৰু আইতাকে তাইক বিহু নাম এফাঁকি গাই হাত চাপৰি মাৰি নাইবা হাতৰ অংগী-ভংগীৰে নাচিবলৈ শিকাইছিল। এইদৰে বয়সীয়া সকলে বিহুগীত গাবলৈ আৰু নৃত্য কৰিবলৈ প্ৰশিক্ষণ দিয়ে। ইয়াৰ প্ৰত্যক্ষ ফল হিচাপে বিহু নাম এফাঁকি গালেই অসমীয়া কোনো কণমানি ছোৱালীয়ে কঁকাল ভাঙি নাচিব





লাগে বুলি জানে। অসমীয়া ল'ৰা-ছোৱালীয়ে ল'ৰালি কালৰে পৰা বিহুনাম গাবলৈ আৰু নৃত্য কৰিবলৈ জ্ঞান লাভ কৰে।

মণিয়ে নাচি থকাৰ মাজতে ক'লে, "আইতা, বিহুনাম গোৱা আকৌ।"

"অ' ৰবা দেই। মই গাওঁ দেই।"

"ৰাঙলী মদাৰৰ পাত ঐ নাচনী
ৰাঙলী মদাৰৰ পাত,
কঁকাল ঘূৰাই ঘূৰাই নাচ ঐ নাচনী
লগাইছোঁ নামৰে জাত।"

ৰহিমলাই হাত চাপৰি বজাই বিহুনাম গাই গ'ল আৰু মণিয়ে কঁকাল ঘূৰাই ঘূৰাই নাচিবলৈ ধৰিলে।

মণিৰ বিহু নাচ দেখি ৰহিমলাৰ ত্ৰিশ বছৰৰ আগৰ কথাবোৰ মনলৈ আহে। তাই আছিল বান্তৌ গাঁৱৰ এগৰাকী আগশাৰীৰ নাচনী। খোপাত কপৌফুল এপাহ গুজি লৈ ওঁঠ দুটা বৰহমথুৰিৰ ৰঙেৰে বোলাই দুহাত জেতুকাৰ ৰঙেৰে ৰঙা কৰি হাতত টকাটি লৈ বিহু মাৰিবলৈ যোৱা ৰহিমলাক দেখি সকলোৱে ঘূৰি ঘূৰি চাইছিল। খগেন চমুৱা বায়নৰ একমাত্ৰ ছোৱালী আছিল ৰহিমলা। দেখা-শুনাই তাই যেনে সুন্দৰী কাম-বনটো তাই আছিল পাকৈত। তাইক ভাল পাবলৈ অঞ্চলৰ ডেকা ল'ৰাবোৰ পাগল হৈ পৰিছিল। তেতিয়া তাই ঢকুৱাখনা হাইস্কুলত পঢ়ি আছিল। নৃত্য -গীত, অভিনয় আদিত যিদৰে আগবঢ়া আছিল, পঢ়া-শুনাটো আছিল চোকা। গাঁৱৰ গাভৰুবোৰে চ'ত মাহৰ ১৫ দিন যোৱাৰ পাছৰে পৰা গাঁওখনৰ পাছ ফালে থকা আঁহত জোপাৰ তলত ৰাতি বিহুৰ পৰম্পৰা হিচাপে বিহু পাতিছিল। আবেলিৰ পৰা তেওঁলোকে ঘৰৰ সকলো কাম-বন শেষ কৰি বিহুতলীলৈ গৈছিল। কেতিয়াবা সেই বিহু সন্ধিয়ালৈকে চলিছিল। ৰাতি বিহুৰ পৰম্পৰা হিচাপে পতা তেওঁলোকৰ বিহু গৰু-বিহুৰ আগদিনালৈকে মাৰিছিল। এইদৰে মৰা বিহু ডেকা-গাভৰুৱে একেলগে কৰা অনুষ্ঠান নহয়। আচলতে ই গাভৰুহঁতৰ অনুষ্ঠান। অৱশ্যে গাভৰুৰ এনে বিহুৰ অলপ আঁতৰত ডেকা সকলেও ঢোল-পেঁপা বজাই বিহু মাৰিছিল। সাধাৰণতে উত্তৰফালে ডেকা-ল'ৰাবোৰে বিহু মাৰিছিল আৰু দক্ষিণফালে গাভৰুসকলে বিহু মাৰিছিল। এইদৰে ওচৰা-ওচৰিকৈ ডেকা-গাভৰুৱে বিহু মৰাৰ যোগেদি বিহুৱা-বিহুৱতীৰ হিয়া দিয়া নিয়া পৰ্যন্ত ঘটিছিল। দূৰৈত ঢুলীয়াৰ ঢোলৰ চেৱত গাভৰুৱে নাচিছিল আৰু বিহুগীতৰ মাধ্যমতে ডেকা-গাভৰুৱে মনৰ কথা ব্যক্ত কৰিছিল। গৰু বিহুৰ দিনা আবেলিৰ পৰা ডেকা-বুঢ়াসকলে গাঁৱৰ প্ৰতিঘৰতে হুঁচৰি গাবলৈ আৰম্ভ কৰে। হুঁচৰিত অংশ গ্ৰহণ কৰা ডেকা সকলৰ কোনো এজনৰ চেনেহীৰ ঘৰত হুঁচৰি গাওঁতে যুৱকজনে মনৰ সকলো কথা পিৰালিত থিয় হৈ থকা চেনেহীৰ আগত গীতৰ মাধ্যমত প্ৰকাশ কৰে আৰু চেনেহীয়ে সেই কথাবোৰ আগ্ৰহেৰে শুনে। সাত বিহুৰ দিনাখন গাঁৱৰ গাভৰুহঁতে বিহু উৰুৱা পাতে। তেওঁলোকে বিহু অনুষ্ঠিত কৰা পথাৰখনৰ দাঁতিত থকা হাবিখনৰ একোজোপা গছক আলিংগন কৰি গছজোপাক সেৱা কৰি সেই বছৰৰ বাবে বিহুক বিদায় দিয়ে। বিহু উৰুৱা দিনাখনত যিবোৰ ডেকা-গাভৰুৰ মাজত প্ৰেমে গভীৰভাৱে শিপায় আৰু মিলনৰ বাসনাই যাৰ মন উথপ্‌থপ কৰে তেওঁলোকে বিহু উৰুৱা ঠাইৰপৰা পলাই গৈ যুৱীয়া জীৱন আৰম্ভ কৰে। বাকী গাভৰু সকলে অন্য অবাঞ্চিত ডেকাই যাতে জোৰ কৰি পলুৱাই নিব নোৱাৰে তাৰ বাবে সতৰ্ক হৈ গছৰ তলৰপৰা তৰা-নৰা ছিঙি চিধাই ঘৰলৈ দৌৰ মাৰে। এইদৰে ভিৰাই দৌৰ মাৰোতে কাৰোবাৰ উজুতিত ভৰিৰ নখ পৰ্যন্ত ছিঙি যোৱাৰ উদাহৰণ আছে।

ৰহিমলাই গাঁৱৰে হৰেণ গগৈ মাষ্টৰৰ পুতেক সদানন্দ গগৈক গাভৰু হোৱাৰে পৰা ভাল পায়। সদানন্দ পঢ়া-শুনাত বৰ চোকা। পঢ়াৰ উপৰিও তেওঁ গাঁওখনৰ সৰ্বাংগীন উন্নতিৰ বাবে সদায় চেষ্টা কৰে। তেওঁৰ আপ্ৰাণ চেষ্টাতে গাঁৱত যুৱক সংঘ স্থাপিত হৈছে, পুথিভঁৰাল হৈছে আৰু উঠি অহা যুৱক-যুৱতীক উন্নয়নৰ পথৰ সন্ধান দিবলৈ উদ্যোগ লৈছে। তেওঁৰ ব্যৱহাৰ-পাতি বৰ ভাল। লেখা-মেলাটো তেওঁৰ হাত আছে। তেওঁ লিখা "সোণৰ আঙুঠি" নামৰ একাংকিকা নাটখন ৰহিমলাহঁতে স্কুলৰ বাৰ্ষিক অধিৱেশনত মঞ্চস্থ কৰি শ্ৰেষ্ঠ দল হৈছিল আৰু ৰহিমলাই শ্ৰেষ্ঠ অভিনেত্ৰী হৈছিল। তাইৰ প্ৰতি সদানন্দৰ দুৰ্বলতা আছিল আৰু ৰহিমলাই এই কথা তেওঁৰ কথা-বাৰ্তাত গম পাইছিল। তেওঁ সুখ্যাতিৰে মেট্ৰিক পাছ কৰি শিৱসাগৰত কলেজত পঢ়ি আছিল। কলেজত পঢ়ি থাকোঁতে এদিন গাঁৱত লগ পোৱাত কথাৰ মাজতে ৰহিমলাই তেওঁক নগৰীয়া ছোৱালীৰ লগত বিয়া পতাৰ কথা ক'লে। তাৰ উত্তৰত সদানন্দই কলে যে এম. এ. পাছ কৰি কোনো চাকৰিত নোসোমোৱালৈকে তেওঁ বিয়া নেপাতে। তেওঁ যেতিয়া গাঁৱৰ ল'ৰা, গাঁৱলীয়া ছোৱালীকে বিয়া কৰাব। নহলে আনে নহলেও ৰহিমলাই অভিশাপ দিব। কথাষাৰ শুনি ৰহিমলাৰ মন শাঁত পৰি গ'ল আৰু কথা দিলে যে তেওঁৰ বাবে তাই অপেক্ষা কৰি থাকিব।

ৰহিমলাই নিজৰ প্ৰিয় গছডালক সাৰটি ধৰি কিবা দোষ হৈছে যদি মাৰ্জনা কৰিবলৈ কলে আৰু সেৱা এটা জনাই সেই বছৰলৈ বিহু উৰুৱালে। বিহুত সদানন্দ গাঁৱলৈ আহিছিল। এই কথা তাইক বান্ধৱী এজনীয়ে কৈছিল, কিন্তু ৰহিমলাহঁতৰ ঘৰলৈ তেওঁ নাহিল। গতিকে হাবিৰ মাজত সদানন্দ থাকিব পাৰে বুলি ভাবি তাই এখন্তেক অপেক্ষা কৰিলে। কুলি-কেতেকীৰ মাতে তাইৰ হিয়া-মন ইচাট্‌-বিচাট্‌ কৰিলে। দূৰৈত ঢোল, পেঁপা, গগনাৰ মাতত তাই মতলীয়া হৈ পৰিছে। সদানন্দক লগ পাবলৈ তাইৰ মনটোক যেন হাতী বন্ধা ফঁইৰে বান্ধি ৰাখিব নোৱাৰা হৈছে। তেওঁ আহি তাইৰ ওঁঠ দুটিত অন্ততঃ চুমা এটা খাই সাৰটি ধৰাহেতেন তাইৰ জীৱন

সাৰ্থক হ'লহেতেন। এটা উতপ্ত হুমুনিয়াহ কাঢ়ি তাই চাৰিওফালে চালে। লগৰ ছোৱালীবোৰ দৌৰা-দৌৰি কৰি ঘৰলৈ যোৱা দেখি তাইৰো মনত ভয় সোমাল। তাই মৰমৰ গছজোপাৰ পৰা বিদায় লৈ দৌৰ মাৰিবলৈ লওঁতে সন্মুখতে ওচৰৰ দীঘলা গাঁৱৰ সনাতন দোকানীৰ পুতেক হৰেণক দেখিলে। হৰেণ সদানন্দৰ সম বয়সীয়া। তাইৰ তাক দেখি চুলিৰ আগেদি যেন জীউটো উৰি গ'ল। হৰেণে চল পালেই তাইক জোকায় আৰু তাৰ নিজৰ অন্তৰৰ কথা ক'বলৈ বিচাৰে। তাইক ভালপাব বিচাৰে। অৱশ্যে তাই এতিয়ালৈকে তাক অলপো আসৈ দিয়া নাই। তাৰ প্ৰতি তাইৰ অলপো দুৰ্বলতা নাই। সি সাতঘাটৰ চেঙেলি বুলি সকলো গাভৰুৱে জানে। দেউতাকৰ যথেষ্ট ধন-সম্পত্তি থকা বাবে সি বাহাদুৰি কৰি ফুৰে। তাই সদানন্দৰ বাহিৰে অন্যৰ কথা ভাবিবই নোৱাৰে।

ৰহিমলাই মাতবোল নকৰি ঘৰলৈ যাবলৈ উদ্যত হোৱাত হৰেণে মাত লগালে, "ক'লৈ যোৱা ৰহিমলা? মই তোমাক নিজৰ কৰি নিবলৈ আহিছোঁ। ব'লা মোৰ লগতে।"

"কিহৰ গৰজ পৰিছে তোমাৰ লগত যাবলৈ? নেযাওঁ।" তাই উচাট মাৰি ক'লে।

"নেযাওঁ বুলিলে নহ'ব। মই কেইবাজনো বন্ধু লগত লৈ আহিছোঁ। বৰযাত্ৰী। বুজিছা? নিকুঞ্জ, তোমালোক ওলাই আহা।" হাবিৰ মাজৰপৰা কেবাজনো ডেকা ওলাই আহিল। হৰেণে ৰহিমলাৰ হাত এখনত ধৰিলে। তাই এৰুৱাই যাবলৈ আপ্ৰাণ চেষ্টা কৰিও নোৱাৰিলে। নিকুঞ্জই সেন্দূৰৰ খোলা টেমা এটা আগবঢ়াই দিলে। হৰেণে তাৰ পৰা সেন্দূৰ অলপ লৈ ৰহিমলাৰ শিৰত ফোঁট এটা দি ক'লে, "বন্ধুসকল, এতিয়াৰ পৰা ৰহিমলা মোৰ পত্নী।" হৰেণে ৰহিমলাক দাংকোলা কৰি নিব বিচৰাত ৰহিমলাই চিঞঁৰি দিলে। নিকুঞ্জই পকেটৰপৰা ৰুমাল এখন উলিয়াই মুখত সোপা দিলে। তেওঁলোকে তাইক হাবিৰ মাজেৰে লৈ গৈ জামুগুৰি গাঁও পালেগৈ। জামুগুৰিত হৰেণৰ বায়েক থাকে। হৰেণে বন্ধুবৰ্গৰ সৈতে বায়েকৰ ঘৰত উপস্থিত হ'ল। বায়েকে জানিব পাৰিলে যে ভায়েকে ছোৱালী পলুৱাই আনিছে। সময় সন্ধিয়া হৈছে। দেউতাকে সেই বিয়াত স্বীকৃতি নিদিয়ালৈকে হৰেণে সপত্নীক তেওঁলোকৰ ঘৰত থাকিবই লাগিব। বায়েকে গিৰিয়েকক ৰাতিৰ সাঁজৰ বাবে মাংস যোগাৰ কৰিবলৈ কৈ ৰহিমলাৰ ওচৰলৈ গ'ল। ৰহিমলাই হুকহুকাই কান্দি আছিল। তাইৰ মনৰ আশা পূৰণ নোহোৱাত কেৱল কান্দিয়ে থাকিল। গাঁৱৰ গাভৰু আৰু বোৱাৰীবোৰে ন-ছোৱালীৰ কান্দোন দেখি ধৰি ল'লে বিয়াৰ দিনা ছোৱালীয়ে ঘৰলৈ মনত পেলাই কান্দেই। এইটো তেনেই সাধাৰণ কথা। ৰহিমলাই ওৰণিৰ তলতে তাইৰ মৰ্মান্তিক বেদনাখিনি ঢাকি ৰাখিব লগা হ'ল।

কেইদিনমানৰ ভিতৰতে ৰহিমলাই ধৰিব পাৰিলে যে হৰেণে তাইক মনে-প্ৰাণে ভালপায় আৰু জোৰ পূৰ্বক তাইক অপহৰণ কৰা বাবে তেওঁ অনুতপ্ত। তাইৰ কোনো কথাতে তেওঁ অবাধ্য নহয়। হৰেণৰ ভিনিহিয়েকে তেওঁৰ শহুৰেকৰ লগত হৰেণৰ বিয়া সম্পৰ্কে যোগাযোগ কৰিলে। সনাতন গগৈয়ে বায়নৰ কন্যাক পলুৱাই নিয়াত অসন্তুষ্ট হোৱা নাছিল। কাৰণ তেওঁ জানে যে পুতেকে ভাল ঘৰৰে ছোৱালী পছন্দ কৰিছে। গতিকে তেওঁ দ্বিধাহীনভাৱে ৰহিমলাক বোৱাৰী হিচাপে গ্ৰহণ কৰিবলৈ ইচ্ছা প্ৰকাশ কৰিলে আৰু পুতেকক বোৱাৰীয়েকৰ সৈতে ঘৰলৈ মাতি পঠালে। ৰহিমলাই মনৰ সকলো শান্তি বিসৰ্জন দি যান্ত্ৰিকভাৱে দাম্পত্য জীৱন অতিবাহিত কৰিবলৈ বাধ্য হ'ল। সনাতন দোকানীয়ে খগেন বায়নৰ লগত মিতুৰ হ'বৰ বাবে চোৰ ওলাবৰ বাবে মানুহ পঠাইছিল, কিন্তু বায়নে তেনে দৰে কন্যাক হৰেণে চুৰ কৰাত সেই মিত্ৰতা স্বীকাৰ নকৰিলে।

বিয়াৰ পিচত হৰেণৰ বহুতো সলনি হ'ল। আগৰ যাযাবৰী জীৱন পৰিত্যাগ কৰি দেউতাকৰ ব্যৱসায়ত সহায় কৰিবলৈ আগবাঢ়ি আহিল। সনাতন দোকানীয়ে পুতেকৰ সহযোগ লাভ কৰি নিজৰ ব্যৱসায় বহল কৰিলে। ৰহিমলাই সদানন্দৰ লগত যোগাযোগ কৰিবলৈ অনেক চেষ্টা কৰিলে। সফল হ'ব নোৱাৰিলে। কাৰণ সদানন্দ ঘৰলৈ বৰ কমকৈ আহিব ল'লে।

"আইতা, মোৰ ভাগৰ লাগিছে। শোওঁগৈ ব'লা।" বহু সময় ধৰি নৃত্য কৰি মণি ভাগৰি পৰিল। হামি এটা মাৰি আইতাকৰ হাতত ধৰি শোৱনী কোঠালৈ টানি নিলে। ৰহিমলাই মণিক বিচনাখনলৈ নি শুৱাই দিলে আৰু নিজেও কাষতে বাগৰ দিলে।

তাইৰ শহুৰেক অৱস্থাপন্ন মানুহ আছিল। মানুহজনে যথেষ্ট পৰিশ্ৰম কৰিছিল। তথাপি ৰহিমলাক কেতিয়াও বেয়া ব্যৱহাৰ কৰা নাছিল। তাইৰ বিয়াৰ এবছৰ পিছতে তেওঁলোকৰ সংসাৰলৈ এটা পুত্ৰ সন্তানৰ আগমন হয়। তাৰ নাম থলে পুলক।

দিনবোৰ গৈ থাকিল। ৰহিমলাৰ পুত্ৰ সন্তান জন্ম হোৱাৰ খবৰ পাই মাক-দেউতাকে মিতুৰ পাতিবলৈ আগবাঢ়ি আহিল। এতিয়া তাই নিজৰ গাঁওখনলৈ যাব পৰা হ'ল। এবাৰ মাকৰ ঘৰলৈ যাওঁতে তাই জানিব পাৰিলে যে সদানন্দই ইংৰাজীত এম. এ. পাছ কৰি এখন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষকৰ চাকৰিত সোমাইছে। মাক-দেউতাকে বিয়াৰ কথা কোৱাত তেওঁ "এতিয়াই বিয়া পতাৰ সময় হোৱা নাই" বুলি কৈছে। কথাটো শুনি ৰহিমলাই এটা তপত হুমুনিয়াহ কাঢ়িলে।

পুলকৰ বয়স আঠ বছৰ হোৱাৰ সময়তে তাইৰ শহুৰ আৰু শাহুৱেকে আগা-পিছাকৈ একে বছৰতে স্বৰ্গগামী হৈছিল। পিতৃৰ মৃত্যুৰ পিছত হৰেণে ব্যৱসায়ত মনপুতি লাগিল। পুলক পঢ়াত বৰ চোকা আছিল। সি প্ৰৱেশিকা পৰীক্ষাত প্ৰথম স্থান পাইছিল। দেউতাকে তাক উত্তৰ লক্ষীমপুৰ কলেজতে বিজ্ঞান শাখাত নামভৰ্তি কৰাই দিলে। দিনবোৰ গতানুগতিকতাৰ মাজেদি পাৰ হৈছিল। ৰহিমলাই আলহী হিচাপে অহা তাইৰ লগৰীয়া এজনীৰ পৰা জানিব পাৰিলে







যে সদানন্দই সাহিত্য-ৰচনাত মনোযোগ দিছে আৰু অসমৰ ভিতৰতে এই বিষয়ত নাম কৰিছে। তেতিয়ালৈকে তেওঁ বিয়া পতা নাই। গাঁৱলৈ তেওঁ প্ৰায় নাহে। কথাটো শুনি ৰহিমলাই নিজকে দোষী বুলি ভাবিছিল। বিহু উৰুৱা প্ৰথাই তাইৰ জীৱনত আউল লগাই দিলে। পুলকে বি. এছ. চি পাছ কৰিলে, কিন্তু উচ্চমান বিষয়ত শতকৰা নম্বৰ কম হোৱাত বিশ্ববিদ্যালয়ত চিট নাপালে। লালুক হাইস্কুলত বিজ্ঞান শিক্ষকৰ চাকৰি এটাত সোমাল। দেউতাকে তাৰ বিয়াখন পাতি দিবলৈ মন কৰি থিলামৰাৰ তেওঁৰ বন্ধু এজনৰ ছোৱালী পছন্দ কৰি পুলকক ছোৱালী চাবলৈ খবৰ দিলে। পুলকে দেউতাকৰ কথা নেমানিলে। তেওঁ উত্তৰ লক্ষীমপুৰ বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী মনোমতী দুৱাৰকহে বিয়া কৰাব বুলি দেউতাকক জনাই দিলে। মনোমতী আছিল শৰৎ দুৱৰা নামৰ এজন ঠিকাদাৰৰ জীয়াৰী। মনোমতী আৰু পুলকে একেলগে কলেজত পঢ়িছিল। তেওঁলোকৰ মাজত থকা প্ৰণয়ৰ কথা ৰহিমলাই জানিছিল আৰু সেইবাবে তাই সেই বিয়াত মত দিলে। হৰেণে ঘৈণীয়েকৰ কথামতে পুলকৰ বিয়াখন মনোমতীৰ লগতে পাতি দিলে। বিয়াৰ কিছু দিনৰ পাছত পুলকে উত্তৰ লক্ষীমপুৰত মাটি কিনিলে আৰু দেউতাকৰ পৰা টকা নি ঘৰ সাজিলে। স্কুললৈ অহা-যোৱাত সুবিধা হ'ব বুলিহে হৰেণে টকা-পইচা দি ঘৰ সজাইছিল।

ঘৰ লোৱাৰ পাছৰে পৰা মনোমতীয়ে স্বামীৰ গাঁৱৰ ঘৰলৈ আহ-যাহ কমাই দিলে। নগৰীয়া ছোৱালী বাবে তাই গাঁৱৰ নীতি-নিয়মবোৰ ভাল নেপায়। ঠিকাদাৰৰ ছোৱালী বাবে তাই বৰ আত্মাভিমানী আৰু অহংকাৰী। ৰহিমলাই মনোমতীৰ গাঁৱৰ প্ৰতি থকা বিদ্বেষ ভাৱটো ভাল পোৱা নাছিল।

পুলকৰ এজনী ছোৱালী জন্ম হ'ল। মাকে তাইৰ নাম ৰাখিলে মণি। মণি জন্ম হোৱাৰ দুবছৰ পাছতে ৰহিমলাৰ স্বামী হৰেণৰ এনকেফেলাইটিচ বেমাৰত মৃত্যু হয়। ৰহিমলাই স্বামীক বচাবলৈ বহু টকা খৰচ কৰিছিল। তাই পুলকৰ লগত গাড়ী ভাৰা কৰি বেমাৰ দেখুৱাবলৈ গুৱাহাটীলৈ লৈ গৈছিল; কিন্তু নিয়াত দেৰি হোৱা বাবে বচাব নোৱাৰিলে। স্বামীৰ বিয়োগৰ পাছত ৰহিমলা বৰ অকলশৰীয়া হৈ পৰিল। অতীতৰ স্মৃতিবোৰে তাইক বৰ আমনি কৰিব ধৰিলে। জীৱনৰ গতি নিষ্ঠুৰ। মানুহে বিচৰা ধৰণৰ নহয়।

পুলক বৰ তিৰোতা সেৰুৱা। মনোমতীৰ নিৰ্দেশমতে সি গাঁৱৰ দোকানখন মইনাক চলাবলৈ বন্দবস্ত কৰিলে। মইনাই দোকানখনৰ চেলচ্‌মেন হিচাপে দেউতাকক সহায় কৰিছিল। সি বৰ বিশ্বাসী ল'ৰা। দোকানখনত থকা মালৰ মূল্য আৰু দোকানৰ ভাৰা হিচাপ কৰি এখন চুক্তিপত্ৰ কৰিলে। দেউতাকৰ ৰায়তী মাটিখিনি গাঁৱৰে মানুহক আধিকৈ খেতি কৰিবলৈ বন্দবস্ত কৰিলে। মাকক সিহঁতৰ ঘৰলৈ লৈ গ'ল। ৰহিমলাই এনে ব্যৱস্থা কৰাত অলপো ভাল পোৱা নাছিল। বোৱাৰীয়েকৰ ব্যৱহাৰ-পাতি অলপো সুবিধাজনক নাছিল। ধনী মানুহৰ দুহিতা যেতিয়া তাই কাম কৰা মানুহ নহ'লে চলিব নোৱাৰে। আজি কালি বিশ্বাসী চাকৰণী পাবলৈকো টান। তদুপৰি দৰ্মহা-পাতি আগতীয়াকৈ দিব লাগে। পুলকে ভাবিলে, মাকক লগত ৰাখিলে সিহঁতৰ চাকৰৰ দৰ্মহাখিনি বাচিব আৰু এজনী বিশ্বাসী মানুহ ঘৰত থাকিব। ৰহিমলাই পুতেকৰ লগত যাবলৈ আপত্তি কৰিলে; কিন্তু পুতেক নাচোৰ বান্দা। সি মাকক লগত ৰাখিবই। নহ'লে মানুহে তাক হাঁহিব। সি জোৰ কৰি মাকক লৈ গ'ল। কেইদিনমান ৰহিমলাই বিশেষ অসুবিধা পোৱা নাছিল। মাক অহাৰ পাছত মনোমতীয়ে ঘৰত ৰখা ছোৱালীজনীক বিদায় দিলে। শাহুৱেক বৰ কামিলা যেতিয়া দেহাটো ভালে ৰাখিবলৈ ঘৰৰ কাম-বনত সহায় কৰিব পাৰিব। মণিয়ে আইতাকৰ লগ এৰিবই নোখোজে। তাই এতিয়া আইতাকৰ লগতে শোৱে। পাছলৈ মনোমতীৰ ব্যৱহাৰ কঠুৱা হৈ পৰিল। সদায় শাহুৱেকৰ কামত ছিদ্ৰ ধৰি হুতা মাত মাতে। গাঁৱলীয়া ভূত বুলি বিদ্ৰূপ কৰে। তাই যেন বোৱাৰীয়েকৰ নিকিনা গোলাম। ঘৰখনৰ যাৱতীয় কাম-বন কৰাৰ উপৰিও ৰাতিপুৱা আৰু সন্ধিয়াৰ ভাত তায়ে ৰান্ধিব লাগে। কাপোৰ-কানিও ধুব লাগে। ৰহিমলাৰ খন্তেকো আহৰি নাই। ইমানবোৰ ব্যস্ততাৰ মাজতো তাইৰ সদানন্দৰ কথা সদায় মনত পৰে। গাঁৱৰপৰা কোনো মানুহ আহিলেই সদানন্দৰ কথা সোধে। সদানন্দই বিয়া নকৰালে। "কিয় নকৰালে বাৰু?"— তাই নিজকে নিজে প্ৰশ্ন কৰে। তাইৰ ওপৰত প্ৰতিশোধ লৈ বিয়াখন পাতিব লাগিছিল। তেওঁ এতিয়াও তাইক ভালপায় নেকি? তাইৰ ল'ৰালিৰ স্মৃতিবোৰ মনত পৰিলে চকু দুটা বিষাদেৰে পৰিপূৰ্ণ হৈ পৰে। কালৰ কি কুটিল গতি!

মণিৰ টোপনি অহাত ৰহিমলাই বিচনাৰপৰা উঠি আহি বাৰান্দালৈ গ'ল। বাৰান্দাত সেই দিনাৰ দৈনিক বাতৰি কাকতখন পৰি আছে। হকাৰে দি গৈছে। তাই বাতৰি কাকতখন তুলি লৈ পঢ়িবলৈ লওঁতে কাকতখনৰ এখন ছবি তাইৰ চকুত পৰিল। চিনাকি ছবি। তাই উৎকণ্ঠাৰে বাতৰিটোৰ হেড লাইনটো পঢ়িলে। যাত্ৰীবাহী বাচ আৰু ট্ৰাকৰ মুখামুখি সংঘৰ্ষত তিনি জনৰ মৃত্যু, বিশ জন আহত। নিহত সকলৰ ভিতৰত এজন হৈছে অসমৰ আগশাৰীৰ নাট্যকাৰ,গল্প লিখক সদানন্দ গগৈ। ৰহিমলাই চকুৰে ধোঁৱা-কোঁৱা দেখিলে। বাৰান্দাত থকা প্লাষ্টিকৰ চকীখনতে বহি তাই হুকহুকাই কান্দিলে। কান্দোনৰ মাজতে তাইৰ মনত পৰিল ল'ৰালি বিহু নৃত্য কৰোঁতে ওচৰত কোনোবা ডেকাই গোৱা সেই পদ ফাঁকি —

"তোমাৰে ছবিটি বুকুতে সাৰটি
দিম কুমতীয়াত পৰি,
উতল পাতল কৰি যামেগৈ তললৈ
খাব ঘঁৰিয়ালে ধৰি।" ❖

গল্প



# নীড়বিহীন পখীৰ আৰ্তি

বশিষ্ঠদেৱ ফুকন
স্নাতক দ্বিতীয় বৰ্ষ, অসমীয়া বিভাগ

শ্বেতবস্ত্ৰেৰে আবৃত কৰি ৰখা হৈছে— 'মা'ৰ মৃতদেহ। মূৰ শিতানত ধূপ আৰু ধূনাখিনি জ্বলিয়েই আছে। কোনোবাই আনি তুলসীপুলি এটাও কাষত থৈ গৈছে। চিনাকি আত্মীয়-স্বজন, প্ৰতিবেশী সকলোৱে আহি মৃতদেহটোক প্ৰণাম জনাই দেউতা আৰু বাইদেউহঁতৰ কাষলৈ গৈ সান্ত্বনা দিছে। বিভিন্ন আসক্তিৰ পিছত জীৱনত যিমানেই দৌৰা নাযাওক কিয়, সকলোৰে শেষ দৌৰটো— এই মৃত্যু।

ঃ বেছি পলম কৰা উচিত নহয়। সোনকালে সংকাৰৰ দিহা কৰিব লাগে। —দীপেন খুৰা আৰু দুজনমান বয়সস্থ মানুহে কোৱা-কুই কৰিলে।

কথাখিনি কৈ তেওঁলোকে দেউতাৰ ফালে চালে। সকলোৱে জানে— আঁতৰত থকা ৰূপম মাৰ সংকাৰ কৰিবলৈ আহি নাপাব। বাকী থাকিলোঁ মই। স্বাভাৱিকতে সকলো দায়িত্ব মোৰ ওপৰতে পৰে। ইয়াত কোনো দ্বিমত নাই। তথাপি আনবোৰৰ দৰে মই নিজেও দেউতাৰ ওপৰত দৃষ্টি ৰাখিলোঁ।

আঁঠুদুটাৰ ওপৰত মূৰটো গুজি মাটিতে বহি উচুপি থকা দেউতাই এইবাৰ মূৰ তুলি মোৰফালে চাই পঠিয়ালে। মুখেৰে কিন্তু



মই বাৰু কোন ধৰ্মৰ লোক? কোন সম্প্ৰদায়ৰ তেজ মোৰ ধমনীত? মোৰ পিতৃ পৰিচয় কি মই নাজানো, নাজানো কোন ধৰ্মৰ লোক! ক্ৰুছবিদ্ধ হোৱা যীশুখ্ৰীষ্টৰ ধৰ্ম অনুধাৱন কৰিম নে হজৰত মহম্মদৰ ধৰ্ম। নে তেত্ৰিশকোটি দেৱ-দেৱীক প্ৰণাম জনাম? কিন্তু প্ৰকৃত সত্য জনাৰ প্ৰচণ্ড স্পৃহা এনে মুহূৰ্তত, এনেহেন পৰিৱেশত কিয় মোৰ অন্তৰ প্ৰবাহত জাগ্ৰত হৈছে? মই বাৰু অতি আত্মকেন্দ্ৰিক হৈ পৰিছোঁ নেকি?

এটা শব্দও উচ্চাৰণ নকৰিলে। দেউতাৰ মনৰ মাজৰ নিৰ্বাক কথাখিনি মুহূৰ্ততে মই হৃদয়ঙ্গম কৰিব পাৰিলোঁ।

আৰম্ভ হ'ল—মৃতদেহ শ্মশানলৈ নিয়াৰ যো-জা কৰাৰ ব্যস্ততা। মাৰ নিষ্প্ৰাণ মুখমণ্ডলৰ ওপৰত নিমজ্জিত হ'ল মোৰ স্থিৰ দৃষ্টি। কিছুসময়ৰ পিছত মৃতদেহ কান্ধত তুলি লৈ যোৱা হ'ব। দপ্‌দপ্‌কৈ জ্বলি উঠিব চিতাগ্নি। তেজ-মঙহৰ সমগ্ৰ শৰীৰৰ শেষ অস্তিত্ব ৰ'বগৈ কেৱল কিছুমান ছাঁই আৰু এঙাৰত। তাৰ পিছত মা এখন ছবি হৈ যাব— কেৱল এখন ছবি।

দীপেন খুৰা কাষলৈ আহি কোমল মাতেৰে ক'লে—

ঃ নীলাভ ! দুখ কৰি থাকি লাভ নাই বোপাই! যা, ধুতি-চাদৰ যোৰ পিন্ধি ল! মৃতদেহ সোনকালে নিব লাগে।"

নিঃশব্দে আহি কাপোৰযোৰ সলাই ললোঁ।

আৰম্ভ হ'ল মাৰ অন্তিম যাত্ৰা। সাঙীখনৰ সন্মুখত দুজন আৰু পিছপিনে আন দুজন। আৰু একেবাৰে আগত জ্বলন্ত অগ্নিশিখা লৈ মই। শেষবাৰৰ কাৰণে বাইদেউহঁত, দেউতা আৰু বহুজনে মাক প্ৰণাম জনালে। পিছপিনৰ পৰাই কাণত পৰিছে তেওঁলোকৰ কান্দোন ধ্বনি। আমাৰ পিছে পিছে যাৱতীয় বস্তুবোৰ লৈ আহি থাকিল কিছু সংখ্যক মানুহ।

আহি আহি আমি গাঁৱৰ বহল পথাৰখন পালোঁ। মোৰ দৃষ্টি নিজে নিজেই গৈ পথাৰৰ ওপৰত পৰিল। খন্তেকৰ কাৰণে যেন স্তব্ধ হ'ল— মোৰ শ্বাস-প্ৰশ্বাস।... ইয়াতে, ঠিক এই পথাৰখনতে খেলি থাকোঁতে ঘটিছিল সেই ঘটনা। এটা মাত্ৰ মুহূৰ্তৰ ঘটনা। দাদা ৰূপম আৰু অন্যান্য সমনীয়াৰ স'তে খেলি আছিলোঁ। খেলৰ মুহূৰ্তত ৰূপমৰ স'তে মোৰ কাজিয়া হৈছিল। সি মোৰ বিৰোধিতা কৰিছিল। মই তৰ্ক কৰিছিলোঁ। হঠাতে বন্ধু অনুজে কৈ উঠিছিল— "নীলাভ, তুমি কিয় তাৰ লগত কাজিয়া কৰিছা! ৰূপমতো তোমাৰ দাদা





নহয়। তুমি তেওঁলোকৰ পালিত সন্তান। সঁচাই কৈছো— তুমি তেওঁলোকৰ কোনো নহয়।"

অনুজৰ প্ৰতিটো শব্দই সেইদিনা অন্তৰৰ গভীৰ কোণত বিশেষভাৱে প্ৰৱেশ কৰিছিল। তাৰ পিছৰে পৰা বুজা-নুবুজা বহুতো প্ৰশ্নই অহৰ্নিশে অন্তৰ প্ৰবাহত তোলপাৰ লগাইছিল। অনুজে বাৰু কিয় তেনেকৈ ক'লে? তাৰ কথাৰ সত্যতা আছে নেকি ? আন কাকো নকৈ মোকেইবা কিয় ক'লে।

মনৰ অৱদমিত উৎকণ্ঠা লৈ এদিন ঘৰত কোনো নোহোৱা সময়ত মাৰ ওচৰলৈ গৈ প্ৰশ্ন কৰিলোঁ—

ঃ মা! এটা কথা সোধোঁ?

ঃ কি কথা ?

ঃ মই বাৰু তোমালোকৰ সন্তান নহয় নেকি ? মই তোমালোকৰ তোলনীয়া সন্তান নেকি ? —কথাষাৰ কৈয়েই হুক্‌হুকাই মই কান্দি দিছিলোঁ।

মাৰ পৰা কোনো আশ্বাস সিদিনা মই পোৱা নাছিলোঁ। বৰঞ্চ মোৰ প্ৰশ্নটোৰ পৰা তেওঁ পলায়ন কৰিবহে বিচাৰিছিল। মই দুখ পাইছিলোঁ। উৎকণ্ঠাও বাঢ়ি গৈছিল। পিছত দেউতাক গৈ প্ৰশ্ন কৰিছিলোঁ। দেউতাই ধমক দি কৈছিল— "পঢ়া-শুনাত মন নাই। কেৱল আজে-বাজে কথা। যা, মই এতিয়া ব্যস্ত আছোঁ। তাৰ দুদিন পিছত বৰদেউতাৰ ঘৰ পাইছিলোঁগৈ। বৰমাক খোলা-খুলিকৈয়ে সকলো কথা কৈছিলোঁ। তাৰ পিছত জোৰ দি বৰমাক সুধিছিলোঁ— "কোৱা বৰমা, মোৰ পৰা একো নুলুকোৱাবা। সকলো কথা মোক জানিব দিয়া।"

বৰমা বিমোৰত পৰিছিল যদিও মোৰ কথাৰ উত্তৰ দিবলৈ বাধ্য হৈছিল। সকলো ৰহস্যৰ ভেদ ভাঙি প্ৰকৃত সত্যখিনি তেওঁৰ পৰাই জানিব পাৰিছিলোঁ। মই আচলতে মা-দেউতাৰ তোলনীয়া সন্তানহে।

প্ৰকৃত সত্য উদ্‌ঘাটন হোৱাৰ পিছত কেউপিনে মই আন্ধাৰ দেখা পাইছিলোঁ। সম্পূৰ্ণৰূপে বুজি পাইছিলোঁ— অধিকাৰ সাব্যস্ত কৰাটো দূৰৰ কথা, বৰঞ্চ মই মা-দেউতাৰ অনুকম্পাৰ ওপৰতহে সম্পূৰ্ণ নিৰ্ভৰশীল। কেইবাটাও বিনিদ্ৰ ৰজনী বিচনাত ছট্‌ফটাই একাকীত্বৰ মাজত অতিবাহিত কৰিছিলোঁ। ৰাতিৰ এন্ধাৰৰ মাজত মিলি গৈছিল— মোৰ অসহায়তা, বিহ্বলতা আৰু কৰুণ আৰ্তি। মাজে মাজে ঘৰৰ পৰা পলায়ন কৰাৰ অদম্য স্পৃহা হৈছিল। কিন্তু ক'লৈ যাম? কোনে দিব আশ্ৰয়? স্নেহৰ শীতল ছায়াঁ? কেতিয়াবা আকৌ হেৰাই যাবলৈ মন গৈছিল— কালৰ সেই অবিনাশী আমন্ত্ৰণত...মৃত্যুৰ শীতল ছাঁয়াত...! কিন্তু...!

আমি আহি শ্মশান পালোঁহি। মাৰ প্ৰাণহীন দেহ কান্ধৰ পৰা নমাই থোৱা হ'ল। কেইজনমানে চিতাৰ দিহা কৰিবলৈ গ'ল, কেইজনমান খৰি যোগাৰ কৰিবলৈ। কিছুদূৰলৈ গৈ মাটিতে মই বহি পৰিলোঁ। আৰু কিছুসময়ৰ পিছত মাক প্ৰজ্বলন কৰা হ'ব। যদি আত্মাৰ অস্তিত্ব স্বীকাৰ কৰোঁ— তেনেহ'লে মা এক আত্মা হৈ যাব... কেৱল এক বিদেহী আত্মা...!

আজি দেখোন বাৰে বাৰে অনুভৱ হৈছে— মাৰ ওপৰত অভিযোগ কৰাৰ কোনো বিশেষ থল নাই। একমাত্ৰ এই গৰাকীয়েইতো নাৰী— যিয়ে মোৰ সকলো দায়িত্ব বহন কৰিছিল, মাতৃত্বৰ উমাল স্নেহেৰে অনবৰতে আৱৰি ৰাখিছিল। নহ'লে ক'তবা হ'লহেতেন মোৰ আশ্ৰয়! জীৱনৰ গতিয়েইবা কেনে হ'লহেতেন!

অথচ প্ৰায়েই ইচ্ছা হৈছিল— প্ৰকৃত মা-দেউতাৰ পৰিচয় পাবলৈ। বিশেষকৈ জন্মদাত্ৰী মাতৃক জনাৰ দুৰ্বাৰ হেঁপাহ হৈছিল। বৰমায়ে মোক সেই সম্ভেদো দিছিল। কেৱল বৰমাৰ মুখে শুনিছিলোঁ—মোৰ জন্ম বৃত্তান্ত।

...১৯৮৩ চন। স্বৰাজোত্তৰ অসমৰ সবাতোকৈ কলংকিত বৰ্ষ। বহু নিৰীহ দেশপ্ৰেমিকে অসমী আইৰ অস্তিত্ব ৰক্ষাৰ বাবে প্ৰাণাহুতি দিলে—বুৰঞ্জীয়ে কোনো কালেই ক্ষমা কৰিব নোৱাৰা এদল বৰ্বৰ, অসভ্য, নীচ ৰাজনৈতিক দালালৰ ক্ষমতাৰ গাদী দখলৰ বাবে কৰা ৰক্তপিপাসু তথাকথিত নিৰ্বাচনত। অসমৰ চাৰিওফালে সেই সময়ত কেৱল হুলস্থুল। ঘৰ-দুৱাৰ, সা-সম্পত্তি, বয়-বস্তুৱেই নহয়, মানুহৰ জীৱনৰো সংশয়ৰ মূহুৰ্ত। তাৰ মাজতে হত্যা, ধ্বংসলীলা, অপহৰণ, ধৰ্ষণ...। সেই দুঃসময়ৰে অভিশপ্তা এগৰাকী নাৰী— অনন্যা। ধৰ্ষিতা অনন্যা। এদল বৰ্বৰৰ কামনাৰ বলি হোৱা অনন্যাই এদিন নিজকে চাই আৱিষ্কাৰ কৰিলে যে তাইৰ গৰ্ভত সন্তানৰ অংকুৰে থিতাপি লৈছে। ধীৰে ধীৰে গৰ্ভস্থিত সন্তান ক্ৰমবৰ্ধিত হৈছিল। আৰু এদিন অকলে অকলে দীৰ্ঘকাতৰ এবুকু যন্ত্ৰণাক লৈ দিছিল— তাইৰ সন্তানক জন্ম স্বীকৃতি। কিন্তু তাই সন্তানৰ মুখ দেখিব নাপালে। সন্তান প্ৰসৱ কৰাৰ পিছত সেই নাৰী গুচি গৈছিল মৃত্যুৰ হিমশীতল দেশলৈ! সেইয়া আছিল ৮৪ চনৰ কোনোবা এটা মাহৰ এটা দিন।... আৰু সেই সন্তানেই মই। মোৰ মাতৃ সেই অভাগী অনন্যা। থৈ গ'ল— পৃথিৱীত মোক পালন কৰাৰ অক্ষমতা।

তথাপি মই পালিত হলোঁ। ডাঙৰ-দীঘল হ'লোঁ। এইগৰাকী মায়ে— মোৰ সমুখত নিশ্চল হৈ পৰি থকা মায়ে মোক পালন কৰিলে।

শুধ বগা কাপোৰ আৰু পুষ্পৰে আবৃত সৰ্বশৰীৰৰ মাজত কেৱল প্ৰস্ফুটিত হৈ আছে মাৰ মুখমণ্ডল। স্বয়ংক্ৰিয়ভাৱে মোৰ দৃষ্টি গৈ সেই মুখণ্ডলৰ ওপৰত নিমজ্জিত হ'ল।

অন্তৰৰ মাজত খেলিমেলি কিছুমান ভাৱৰ উদ্ৰেক।

ঃ নীলাভ! — দীপেন খুৰাৰ মাততহে সম্বিত ঘূৰাই পালোঁ। খুৰাৰ মুখৰপিনে চাই পঠিয়ালোঁ।

ঃ আমি সকলোৱেই এনেদৰে এদিন যাব লাগিব বোপাই, দুখ কৰি লাভ নাই। দুদিনৰ আগ-পিছ মাথোঁ। জীৱনটোৱেই এখন

চলন্ত ৰেল—কোনোবা অচিনাকি ড্ৰাইভাৰে চলাই নিয়া ৰেলখনৰ প্ৰত্যেকটো দবাত অকলশৰে বহি যোৱা আমিবোৰ মাথোঁ সাধাৰণ যাত্ৰী—যাৰ নামিবলগা ষ্টেচনৰ কোনো নিৰ্দিষ্ট নাই।... বাৰু এতিয়া আহ, মুখাগ্নি কৰহি। সকলো ৰৈ আছে। —কথাষাৰ কৈ দীপেন খুৰা আঁতৰি আহিল।

ধীৰে ধীৰে মই থিয় হলোঁ। যি গৰাকী মাৰ পৰা এদিন মই সান্নিধ্য এৰাই চলিবলৈ যত্ন কৰিছিলোঁ, সেইগৰাকী মাকে অন্তিম বিদায় দিবলৈ ওলাই কঁপি উঠিছে মোৰ অন্তৰাত্মা।

মাৰ নিষ্প্ৰাণ শৰীৰ চিতাৰ ওপৰত তুলি দিয়া হ'ল। শৰীৰৰ ওপৰতো জাপি দিয়া হ'ল প্ৰজ্বলন সামগ্ৰী। অগ্নিশিখা হাতত লৈ মই আগবাঢ়ি গলোঁ। হঠাৎ যেন মই থৰ্থৰকৈ কঁপি উঠিলোঁ। আত্মচেতনাবোধখিনি প্ৰচণ্ডভাৱে জাগ্ৰত হৈ উঠিল। মই বাৰু কোন ধৰ্মৰ লোক? কোন সম্প্ৰদায়ৰ তেজ মোৰ ধমনীত? মোৰ পিতৃ পৰিচয় কি মই নাজানো, নাজানো কোন ধৰ্মৰ লোক! ক্ৰুছবিদ্ধ হোৱা যীশুখ্ৰীষ্টৰ ধৰ্ম অনুধাৱন কৰিম নে হজৰত মহম্মদৰ ধৰ্ম! নে তেত্ৰিশকোটি দেৱ-দেৱীক প্ৰণাম জনাম? কিন্তু প্ৰকৃত সত্য জনাৰ প্ৰচণ্ড স্পৃহা এনে মুহূৰ্তত, এনেহেন পৰিৱেশত কিয় মোৰ অন্তৰ প্ৰবাহত জাগ্ৰত হৈছে? মই বাৰু অতি আত্মকেন্দ্ৰিক হৈ পৰিছোঁ নেকি?

যন্ত্ৰচালিত এক ৰবটৰ দৰে হাতত তুলি লোৱা অগ্নিশিখা লৈ মাৰ চিতাৰ চাৰিওফালে সাতবাৰ প্ৰদক্ষিণ কৰিলোঁ। তাৰ পিছত মাৰ মুখমণ্ডলত গুজি দিলোঁ সেই অগ্নি শিখা। দপ্‌দপ্‌কৈ জ্বলি উঠিল চিতা। ক্ৰমে মাৰ শৰীৰ অগ্নিদগ্ধ হৈ আহিছে। সৌৱা... মোৰ সমুখত এতিয়াও প্ৰকট হৈ আছে মাৰ পদযুগল। খন্তেক পিছতে সেই পদযুগলো অগ্নিয়ে দগ্ধ কৰিব।

চকুৰ আগৰ সকলো বস্তুৱেই ক্ৰমে অস্পষ্ট হৈ আহিছে। মই পুৰুষ মানুহ। ভালকৈয়ে জানো—চকুপানী মোৰ ওচৰত শোভা নাপায়। তথাপি বাধাহীনভাৱে বব ধৰিছে অশ্ৰুৰ নিজৰা। কেইঘণ্টামানৰ ভিতৰতে সকলো শেষ হৈ গ'ল। অৱশেষত ৰ'লগে মাথোঁ মাৰ অস্থিখিনি। ইতিমধ্যে অস্তাচলত ৰঙা হৈ পৰা সুৰুযটো ধীৰে ধীৰে ডুব গ'ল।

বিশাল আকাশেদি উৰি গৈছে নাম নজনা চৰাইৰ জাক। এন্ধাৰ-পোহৰৰ মাজত হেৰাই গ'ল সিহঁতৰ প্ৰসাৰিত ছাঁ...!❖

('মা'ৰ পবিত্ৰ স্মৃতিত)

'ব্ৰহ্মপুত্ৰৰ সিপাৰৰ কাজিৰঙাৰ এন্ধাৰৰ মাজত বাঘ এটাই চিকাৰৰ বাটত জোপ লৈ আছে (নিশ্চয়)। দূৰণীৰ বালিচাপৰিত, কঁহুৱা আৰু ঝাঁও বনৰ মাজত, ব্ৰহ্মপুত্ৰৰ বহল, ক'লা পানীধাৰত একোটা ৰহস্য শুই শুই চকু পিৰিকিয়াৰ লাগিছে। তাৰ কেটামানে জুম বান্ধি ৰহস্যটোনো কি, ভুমুকিয়াই ফুৰিছে। বুটৰ নিচেই কাষতে পকা পাৰটোত বহি বহি 'জুটুলাজুটুলি' চুলিৰে ধুবুনী ছোৱালী কেইজনীমানে কাপোৰ থুকুচিব লাগিছে "ছুপ্-ছুপ্-ছুপাৎ"। ধেৎ ! ঢৌবোৰহে।'

.....................................................................

'হঠাৎ চকু পৰিল বৰুণৰ বাইদেৱেকৰ ফোঁটটো তেজৰ দৰে দগ্‌মগাবলৈ ধৰিছে। নাৱৰ পৰা মূৰটো অলপ হুলাই দিয়াত ঢৌৰ প্ৰতিবিম্ববোৰ গোটেই মুখখনেদি পাৰ হৈ গৈছে। ঢৌবোৰে যেন ফোঁটটো ভাগ বাতি লৈ যাব!'

(মহিম বৰাৰ 'কাঠনি বাৰী ঘাট' পৰিৱেশ প্ৰধান গল্প হিচাপে সাৰ্থক সৃষ্টি। উল্লিখিত বাক্যকেইটিত থকা বাংময় চিত্ৰ এখনে পাঠকক চমক খুৱায়।)

বসন্তপুৰৰ ৰজা চন্দ্ৰাকৰে যেতিয়া সেনাপতি বীৰবাহুৰ অক্ষমতা আৰু শিথিলতাত অগ্নিশৰ্মা হৈ, "ল, এয়ে তোৰ উপযুক্ত শাস্তি" বুলি হাতৰ উন্মুক্ত তৰোৱাল সেনাপতিৰ বুকুত বহুৱাই দিলে আৰু লগে লগে বীৰবাহু "উস ভগৱান" বুলি মাটিত বাগৰি পৰিল, তেতিয়াই পিছৰ আৰু কাষৰীয়া মানুহবোৰে "আগৰ মানুহ বহি যোৱা, আগৰ মানুহ বহি যোৱা" বুলি চিঞৰি উঠিল।

(ভবেন্দ্ৰ নাথ শইকীয়াৰ 'যাত্ৰাবধ'ত মানৱ জীৱনৰ কিছুমান বাস্তৱ পৰিস্থিতিৰ চিত্ৰায়ন লক্ষ্য কৰা যায়।)





গল্প



# সেউজীয়া হৃদয়

জুলী দত্ত
স্নাতক ১ম বৰ্ষ, বিজ্ঞান শাখা

পুৱা সাৰ পায়েই উৰ্মিয়ে বিচনাতে দোকমোকালিৰ পৰিৱেশটো অনুভৱ কৰাত লাগিল। কিচিৰ-মিচিৰ চৰাইৰ মাতবোৰ শুনি তাইৰ খুব ভাল লাগিল। একেজাপে বিচনাৰ পৰা উঠি খোলা খিৰিকীখনেদি বাহিৰখন চালে। ইমান ধুনীয়া লাগিছে! সেউজীয়া পথাৰখনৰ সিফালে থকা ওখ ওখ গছবোৰ চাই চাই তাই তন্ময় হৈ পৰিল।

হঠাতে কান্ধত কাৰোবাৰ হাতৰ পৰশ পাই উভতি চালে। ৰেখা দিদি। "চাহ ৰেডি হৈ আছে। তুমি হাত-মুখ ধোৱাগৈ যোৱাঁ।" —ৰেখা দিদিয়ে তাইক মৰমেৰে হাত বুলাই ক'লে।

লৰালৰিকৈ মুখ ধুই তাই চাহৰ টেবুললৈ আহিল। ইতিমধ্যে আশ্ৰমৰ সকলো আহি তাত উপস্থিত হৈছিল। ৰেখা দিদিয়ে তাইৰ ফালে চাহ-কাপ আগবঢ়াই দিলে। শুভ্ৰ আঙুঠি এটা পিন্ধি থকা ৰেখা দিদিৰ বগা ধুনীয়া হাতখন তাইৰ মাকৰ হাতখন যেন লাগিল। হঠাতে তাইৰ মনত অতীতৰ স্মৃতিবোৰ ভাঁহি উঠিল।

কিমান মৰমেৰে মাকে তাইক শোৱাৰ পৰা জগাইছিল— "মাজনী উঠ আকৌ, পঢ়াৰ সময় হ'ল নহয়।" লৰালৰিকৈ উঠি তাই মুখ ধুইছিল। দুটামান আসন কৰি পঢ়াৰ টেবুলত বহিছিল। মাকে পঢ়াৰ টেবুললৈকে চাহ-কাপ যতনাই আনিছিল। তাইৰ বাবে মাক মাথোঁ এগৰাকী মাতৃয়ে নহয়, আটাইতকৈ ভাল বন্ধু, আটাইতকৈ মৰমৰ আশ্ৰয়স্থল, অভিভাৱক আৰু কিমান কি যে নাছিল। নাগপাশৰ দৰে মাকে তাইক মেৰাই ৰাখিছিল সকলো সময়তে। তাই কেতিয়াবা ভাবি নাপাইছিল মাকে ইমান সোপা মৰম ক'ত জমা কৰি থয়। মাকৰ এই সকলোবোৰ মৰম-চেনেহৰ পাছতহে দেউতাকে তাইৰ হৃদয়ত আৱগাহন কৰিছিল।

মাক-দেউতাকৰ একমাত্ৰ সন্তান আছিল উৰ্মি। উৰ্মিমালা চৌধুৰী। কিমান মৰম-চেনেহৰ মাজত তাই ডাঙৰ-দীঘল হৈছিল। মাক, দেউতাকে তাইৰপৰা যি আশা কৰে তাকে দিবলৈ তাই চেষ্টা কৰিছিল। সফলো হৈছিল তাই। ফলত সিহঁতৰ ঘৰখন হৈ পৰিছিল এখন সুখ মৰম, চেনেহৰ পৰিপূৰ্ণ আলয়।

কিন্তু ভগৱানে হয়তো দিনবোৰ সদায় একেদৰে যাবলৈ নিদিয়ে। সকলোৰে জীৱনলৈ এবাৰ হ'লেও আহে ধুমুহা, দুৰ্যোগৰ কলীয়া ডাৱৰ। উৰ্মিৰ জীৱনলৈও আহিল তাইৰ হৃদয় চিৰাচিৰ কৰা দিনটো।

সেইদিনা কলেজলৈ ওলাওঁতেই মাকে তাইক ক'লে— "মাজনী, অলপ সোনকালে আহিবিচোন। মোৰ গাটো খুব জ্বৰ জ্বৰ লাগিছে।" তাই কলেজলৈ যাব নুখুজিছিলেই। কিন্তু মাকে যাবলৈ কোৱাত তাই বিষণ্ণ মন এটা লৈ কলেজলৈ আহিল। ফিজিক্সৰ ক্লাচটো কৰি যেতিয়া তাই ওলাই আহিছিল, তেতিয়াই খুৰাকৰ পুতেক শিন্টুৱে বলিয়াৰ দৰে দৌৰি গৈ তাইৰ হাতখনত ধৰি টানি আনি ক'লে, "মাৰৰ বৰ টান হৈ আছে, আহ সোনকালে।" তাৰ পিছত তাৰ স্কুটাৰৰ পাছত বহুৱাই খৰধৰকৈ ঘৰলৈ লৈ আহিল। ঘৰৰ গেটৰ মুখত ৰৈয়ে তাইৰ হৃদয়খন কঁপি উঠিল। এইয়া কি! ইমানবোৰ মানুহ সিহঁতৰ ঘৰত... চোতালত...সেইয়া কাক শুৱাই থোৱা আছে বগা কাপোৰেৰে ঢাকি। বলিয়াৰ দৰে দৌৰি গ'ল তাই। বগা কাপোৰখন দাঙি তাই থৰ হৈ ৰ'ল। তাই চকুৰে ধুঁৱলী-কুঁৱলী দেখিবলৈ পালে। লাহে লাহে তাই একো কব নোৱাৰা হৈ গ'ল। যেতিয়া তাই চকু মেলিলে তেতিয়া দেখিবলৈ পালে, বহুত মানুহে তাইৰ বিচনাৰ চৌপাশে বহি তাইক লৈ আলোচনা কৰি আছে।

মানুহবোৰে যেতিয়া কয়— "আয়ে ছোৱালীটি মাউৰা হ'ল", তেতিয়া তাইৰ হৃদয়খন ভাঙি চুৰমাৰ হ'ব খোজে। তাইৰ শুভাকাংক্ষী সকলো আহিল, সান্ত্বনা দিলে তাইক। এই সকলোৰে মাজত হিমন্ত বিশ্ব জ্যোতি ছাৰৰ কথাকেইটা তাইৰ কাণত বাজি থাকিল— "উৰ্মি, মাৰাৰ কায়িক দেহটোৰহে মৃত্যু হৈছে, কিন্তু আত্মাৰ মৃত্যু হোৱা নাই নহয়। তুমি তোমাৰ মাক জীয়াই ৰাখিব লাগিব তোমাৰ কৰ্মৰ মাজেদি।" ধৈৰ্যৰ বান্ধোনডাল সোলোক-ঢোলোক হ'ব খোজোঁতেই যেন কোনোবাই আঁটি আঁটি বান্ধি থৈ গ'ল। হিমন্ত বিশ্ব জ্যোতি ছাৰৰ কথাকেইটাই তাইৰ হৃদয়ত গভীৰভাৱে ৰেখাপাত কৰিলে। তাইৰ অনুভৱ হ'ল যেন মাক এতিয়াও তাইৰ পৰা একেবাৰে আঁতৰি যোৱা নাই।

কাজ-কৰ্ম যোৱাৰ পাছত তাহাঁতৰ আত্মীয়-কুটুম্বৰে ভৰি থকা ঘৰখন খালী হৈ গ'ল। উৰ্মিয়ে বেয়া নাপালে মানুহবোৰ গুচি যোৱা বাবে। মাকৰ উপস্থিতি অনুভৱ কৰিবলৈ তাইৰ বাবে নিসংগতাই শ্ৰেয়।

ঘৰখনত তেতিয়া মাথোঁ তিনিটি প্ৰাণীহে আছিল। উৰ্মি, দেউতাক আৰু বিশ্ব খুৰা। বিশ্ব খুৰাক তাই সৰুৰে পৰা সিহঁতৰ ঘৰতে দেখিছে। দেউতাকৰ দূৰ-সম্পৰ্কীয় আছিল তেওঁ; নিঠৰুৱা মানুহটোৱে হেনো সিহঁতৰ ঘৰখন ভাল পাই সংসাৰলৈ পিঠি দি

সিহঁতৰ ঘৰতে গোটেই জীৱন কটাবলৈ সংকল্প কৰিছিল। সৰুৰে পৰা তাই বিশ্ব খুৱাক পাইছে। ধেমালি কৰাৰ বয়সৰে পৰা। মাকৰ মৃত্যুৰ পাছত ঘৰখনত মাকৰ বহুখিনি দায়িত্ব বিশ্ব খুৱাই কান্ধপাতি লৈছিল। সেয়েহে মাক মৰাৰ পাছত ঘৰুৱা কাম-বনবোৰ কৰাত উৰ্মি আৰু দেউতাকৰ কোনো অসুবিধা হোৱা নাছিল। কিন্তু উৰ্মিয়ে প্ৰতিটো মুহূৰ্ততে মাকৰ কোমল সান্নিধ্যৰ কথা অনুভৱ কৰিছিল। সোঁৱৰণিকে সাৱটি তাই জীৱনটো কটাব পাৰিব বুলি সাহস গোটাইছিল। মাকে তাইক সৰুৰে পৰাই কৈছিল পুৱা সাৰ পায়েই দিনটোত অন্ততঃ এটা হ'লেও ভাল কাম কৰিবলৈ। সেয়ে তাই মাকৰ মৃত্যুৰ পাছত নিতৌ মাকৰ ফটোখনৰ আগত বৈ এটা ভাল কাম কৰাৰ সংকল্প কৰিছিল।

দিনটোৰ সমস্ত কাম-কাজৰ অন্তত যেতিয়া উৰ্মি বিচনালৈ যোৱাৰ সময় হয়, তেতিয়া তাই মাকৰ লগত বহু সময় আলাপ কৰে। তাই কৰা কামবোৰ, কৰিবলৈ থকা কামবোৰৰ কথা মাকৰ ফটোখনৰ আগতে কয়। মাকে যেন মৌনভাৱে সন্মতি দি থাকে, তেনেলাগে তাইৰ।

মাকৰ মৃত্যুৰ দুখ উৰ্মিয়ে লাহে লাহে পাহৰি যায়। মাক যেন তাইৰ কাষে-পাঁজৰে নীৰৱে ঘূৰি ফুৰে, তেনেলাগে তাইৰ। চিন্তা হয় তাইৰ দেউতাকক লৈহে। তাইৰ এনে লাগে দেউতাক যেন আগতকৈ বহু গহীন হৈ গ'ল। আগৰ হাঁহি থকা মুখখনৰ ঠাইত এতিয়া গহীন হৈ থকা দেউতাকৰ মুখৰ অভিব্যক্তিয়ে তাইৰ হৃদয়ত বাৰুকৈয়ে আঘাত কৰে। দেউতাকৰ দুখ তাই অনুভৱ কৰিব পাৰে। এনেবোৰ সময়তে উৰ্মিৰ নিজকে বৰ দুৰ্বল যেন লাগে। অনবৰতে হাঁহি থকা সেই ৰসিক মানুহজনে যেতিয়া নীৰৱে বাৰাণ্ডাৰ চকীত বহি থাকে, তেতিয়া উৰ্মিৰ কান্দো কান্দো লাগে। তাই বুজে দেউতাকৰ দুখ কিমান গভীৰ, জীৱন সংগিনী হেৰুওৱাৰ দুখ। তাই বিচাৰে দেউতাকে আগৰ দৰে পুৱা শুই উঠি বাৰাণ্ডাত পায়চাৰি কৰক; তাৰ পাছত নিউজ পেপাৰ পঢ়ক, অফিচলৈ যাওক, আহোঁতে তাই ভাল পোৱা মিঠাই আনক। কিন্তু মাকৰ মৃত্যুৰ পাছত দেউতাকে এই সকলোবোৰ কামতেই অনিয়মীয়া হৈ পৰিল।

কলেজৰ ক্লাচ, নিজৰ পঢ়াশুনা, দেউতাকক লৈ চিন্তা আদিবোৰৰ মাজেৰে উৰ্মিৰ দিনবোৰ পাৰ হৈ যায়। কিন্তু এই সকলোবোৰৰ যতি পেলাই মাকৰ মৃত্যুতকৈও দুখৰ এক বোজাই উৰ্মিৰ জীপাল বুকুখন চূৰমাৰ কৰি থৈ গ'ল। সিদিনা সময়তকৈ কিছু আগতেই তাই বিচনালৈ যাব খুজিছিল। তেনেতে দেউতাকে তাইৰ মূৰত হাত ফুৰাই ক'লে— "মাজনী মাৰ নোহোৱাৰে পৰা তোৰ বৰ কষ্ট হৈছে নহয়! তোৰ লগ এটা হবৰ বাবেই মই আকৌ এবাৰ হোমৰ জুইৰ আগত বহিব খোজোঁ। তোৰো লগ এটা...।" উৰ্মিয়ে আৰু পাছৰ কথাকেইটা শুনিব নোৱাৰিলে। খঙত তাই কঁপি উঠিল। দেউতাকে এইবোৰ কি কৈছে! দেউতাকৰ মাজত যে ইমান নিষ্ঠুৰ এক ব্যক্তি সোমাই আছে তাই বুজিবই পৰা নাছিল। মাকৰ মৃত্যুৰ এবছৰ নহওতেই দেউতাকে পুনৰ বিয়াৰ কথা ভাবিব পাৰিলে। বিশ্ব খুৱাই সকলো কাম নিয়াৰিকৈ কৰাৰ পাছত দেউতাকে এনে কি কষ্ট পালে যাৰ বাবে পুনৰ বিয়াৰ কথা চিন্তা কৰিব লগা হ'ল। তাইৰ সহ্য নহ'ল দেউতাকক। খঙতে তাই দেউতাকক গালি পাৰিবলৈ লাগিল। দেউতাকে যিমানে বুজালে সিমানে খঙত গৰজি উঠিল উৰ্মি। অৱশেষত তাই নিজৰ চুলিবোৰকে টানি টানি ছিঙিবলৈ লাগিল। মাকৰ মৃত্যু নহৈ যদি দেউতাকৰ মৃত্যু হ'লহেতেন, মাকে বাৰু এনে কথা ভাবিব পাৰিলেহেতেন নে? মাকৰ মমতাময়ী মুখখন মনত পৰাৰ লগে লগে উৰ্মিৰ চকুৰেদি টপ্ টপ্‌কৈ চকুলো বৰলৈ লাগিল। তাই ভাবিবই পৰা নাছিল যে দেউতাকৰ মাজত ইমান এজন জঘন্য মানুহ লুকাই আছিল।

উৰ্মিয়ে সিদ্ধান্ত ঠিক কৰি পেলালে। তাই আৰু দেউতাকৰ লগত নাথাকে। প্ৰেম, বিশ্বাস আৰু মৰমক বিশ্বাসঘাতকতা কৰা এইজন দেউতাকৰ লগত নাথাকে। দেউতাক নপঢ়া-নজনা মানুহ হোৱাহেতেনো উৰ্মিয়ে মানি ল'ব পাৰিলেহেতেন। কিন্তু ইমান এজন জনা-বুজা, সমাজত স্থান থকা মানুহ হৈ পত্নীৰ মৃত্যুৰ এবছৰ নহওতেই পুনৰ বিয়া পাতিব নিজৰ কলেজত পঢ়ি থকা দুহিতাৰ আগত। নাই নহ'ব, ইমান অন্যায় উৰ্মিৰ সহ্য নহয়। দেউতাকৰ ঠাইত মাক হোৱাহেতেন কিন্তু চকুলো টুকি টুকি বছৰৰ পাছত বছৰ কটালেহেতেন।

হিমন্ত বিশ্ব জ্যোতি ছাৰেই এদিন উৰ্মিৰ আগত মুচৌৰিত থকা এই আশ্ৰম খনৰ কথা কৈছিল। ছাৰৰ পৰা ঠিকনাটো লৈ সকলো আত্মীয়-কুটুম্বৰ বুজনি দলিয়াই থৈ উৰ্মি গুচি আহিছিল এই আশ্ৰমখনিলৈ। অনাথ শিশুৰ বাবে কাম কৰা 'শান্তি' নামৰ এই আশ্ৰমখনিৰ প্ৰতিজন সদস্যই সমাজসেৱাৰ বাবে জীৱন ত্যাগ কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। প্ৰতিজন সদস্যই বিভিন্ন কামৰ লগত জড়িত। উৰ্মিয়েও নিজৰ পঢ়া-শুনা ঠিকমতে চলাইছে, লগতে আশ্ৰমৰ কামো কৰিছে। অনাথ শিশু, কুষ্ঠৰোগীসকলৰ কাৰণে জীৱনক তুচ্ছজ্ঞান কৰা আশ্ৰমৰ এই সকল ব্যক্তিৰ মহানতা দেখি উৰ্মিয়ে তবধ মানিছে। হত্যা, হিংসা, স্বাৰ্থ পূৰণত ব্যস্ত এই পৃথিৱীৰ মানুহবিলাকৰ মাজতো যে কিছু সঁচা অন্তৰৰ লোক আছে, এই আশ্ৰমলৈ অহাৰ পাছতহে উৰ্মিয়ে উপলব্ধি কৰিছে। তাইৰ মনটোৱে যেন বাৰে বাৰে কৈ উঠিছে— "মই পাৰিম। মাক মোৰ কৰ্মৰ মাজেদি জীয়াই ৰাখিব পাৰিম।" কথাটো মনলৈ অহাৰ লগে লগে উৰ্মিৰ ভাল লাগি গ'ল। হঠাতে তাইক কোনোবাই গাত ধৰি জোকাৰি দিলে। উভতি চাই দেখে, আশ্ৰমৰ আটাইতকৈ বয়োজ্যেষ্ঠ সূৰ্য আংকল। সন্মুখৰ ফালে আঙুলি টোৱাই সূৰ্য আংকলে চিঞৰি উঠিল— "দেখো দেখো উৰ্মি, কিতনা সুন্দৰ ৰহ পক্ষী"। সূৰ্য আংকলে দেখুৱাই দিয়াৰ ফালে চাই উৰ্মিয়ে চিঞৰি উঠিল— "ইমান ধুনীয়া চৰাই।"❖







গল্প


# দুঃসময়

হীৰামণি লামু বৰুৱা
স্নাতক ২য় বৰ্ষ, অসমীয়া বিভাগ

তৰা-নৰা ছিঙি হাতীজাক ল'ৰি আহিল। পিছলৈ চাবলৈ কাৰোৱেই সময় নাই অথবা সিহঁতৰ গন্তব্য স্থাননো ক'ত তাকো নাজানে। সিহঁতে দৌৰিছে, কেৱল দৌৰিছে; জীয়াই থাকিবৰ বাবে। দেহৰ ভিতৰত সোমাই থকা জীউটো যাতে বাহিৰলৈ ওলাই যাব নোৱাৰে তাৰ আপ্ৰাণ চেষ্টা কৰিছে সিহঁতে।

"নাই, মই আৰু এখোজো আগলৈ যাব নোৱাৰো।" বুঢ়ী হাতী জনীয়ে হাতীজাকক উদ্দেশ্যি যেন কথাষাৰ ক'ব বিচাৰি সেই ঠাইতে বহি পৰিল।

বুঢ়ী হাতীজনীৰ মনৰ ভাৱ বুজি হাতীজাক থমকি ৰ'ল। হাতীজনীৰ অৱস্থা দেখি সিহঁতৰ মনবোৰো সেমেকি গ'ল। "এই বয়সত তাইৰ দেহৰ সামৰ্থ্যইবা কিমান ?"



ঠাইডোখৰ পাতল হাবিৰে পূৰ্ণ। মাজৰ প্ৰায়বোৰ গছেই নিজৰ অস্তিত্ব বহন কৰিছে একো একোটি মূঢ়া হৈ। সেই ঠাইবোৰতযে একোজোপাকৈ ডাঙৰ গছ আছিল তাৰেই নীৰৱ সাক্ষী সেই মূঢ়াবোৰ। পাহাৰৰ নামনিৰ সেই ঠাইডোখৰতে হাতীজাকে জিৰণি লোৱাৰ সিদ্ধান্ত ল'লে। কিন্তু ইয়াৰ পাছত সিহঁত যাব ক'লৈ? আনফালে বুঢ়ী হাতীজনীৰো অৱস্থা বৰ ভাল নহয়। তথাপি ভোকৰপৰা পৰিত্ৰাণ পাবলৈ হাতীজাকে নিজৰ নিজৰ খাদ্য সংগ্ৰহ কৰাত ব্যস্ত হ'ল। চোৰাং চিকাৰীৰ চকুৰ আঁৰ হৈ হাতীজাকে মনে মনে স্বস্তিৰ নিশ্বাস এৰিলে।

নীলা বেদনাৰে নিয়ৰৰ মণিয়ে টোকা অশ্ৰু কণাৰ দৰে হাতীজাকৰ ব্যস্ততায়ো হাতীজনীৰ দুচকুলৈ বোৱাই আনিলে দুধাৰি অদৃশ্য চকুলো। পৰি থকা ঠাইতে টানত পৰি ৰাম বোলাৰ দৰে হাতীজনীয়ে ভগৱানৰ ওচৰত মূৰ দোৱালে। এতিয়া তাইৰ আশা মাত্ৰ এখন মুক্ত আকাশৰ...।

"আমাৰ জন্ম নিঃসংগে,
মৃত্যুৰেও নিয়ে নিঃসংগে,
সেয়ে বিচলিত হৈ গৰজে
প্ৰেমৰ আকাশ, স্নেহৰ আকাশ।"

এই নিঃসংগ মূহুৰ্তত বুঢ়ী হাতীজনীৰ অন্তৰত বহু কথাই আঘাত হানিবলৈ ধৰিলে। তাইৰ নিজৰ মাকলৈ মনত পৰিল।

বুঢ়ী হাতীজনী তেতিয়া সৰু আছিল। সেই সময়ত তাই মাকৰ লগত ছাঁটোৰ দৰে ঘূৰি ফুৰিছিল। বহুবাৰ মাকে তাইক চোৰাং চিকাৰীৰ হাতৰ পৰাও পলুৱাই নিছিল। মাকৰ মৰমেৰে তাইৰ হৃদয় ভৰি আছিল। চকুত তেতিয়া জিলিকিছিল সপোনৰ মায়া, মুখত জোনৰ কোমল ছাঁ আৰু নিশাহত সুৰভিৰে ভৰিছিল হৃদয়। কিন্তু এদিন তাই নিৰ্মম অথচ এটা সত্যক স্বীকাৰ কৰিব লগা হৈছিল। তাই হেৰুৱাই পেলাইছিল জীৱনৰ মায়া আৰু অৰণ্যৰ সপোন।

১৯৫০ চনৰ ভূঁইকঁপত হিমালয়ৰ নামনিত পাহাৰ খহি সোৱণশিৰি নৈত এটা প্ৰাকৃতিক বান্ধৰ সৃষ্টি হৈছিল। সেই সময়ত সিহঁতবোৰে সেই অঞ্চলতে বিচৰণ কৰি ফুৰিছিল। এদিন ৰাতি কাণ-তাল মৰা শব্দত তাইৰ মাকে সাৰ পাইছিল। বান্ধ ভাঙি তীব্ৰ বেগে পানী বাগৰি আহিল। মাকৰ লগত প্ৰায়বোৰ হাতী যেনি তেনি দৌৰিবলৈ ধৰিলে। কিবা এটা ভাবি বিশেষ ভংগীমাৰে মাকে তাইক বাম ঠাইলৈ দলিয়াই দিলে। আঁতৰৰ পৰা তাই পানীৰ মাজত মাকৰ মুখখন এবাৰহে দেখা পালে। মাকে যেন তাইক সেই ঠাইৰপৰা

সোনকালে আঁতৰি যাবলৈ ক'লে; এই ভাবি তাই মাকৰ বিপৰীত দিশত দৌৰিবলৈ ধৰিলে। সেই বানপানীত তাই মাকৰ লগতে আন বহুতকে হেৰুৱালে।

কিছুদিন তাই যথেষ্ট মনোকষ্ট পাইছিল। মাকৰ মৰমৰ আবুৰৰ পৰা ওলাই আহি তাই অসহায় হৈ পৰিল। মন হৈ পৰিল অশান্ত আৰু উগ্ৰ। মাকৰ দুখত তাই কেইবাদিনো অনাহাৰে থাকিল। বাৰে বাৰে তাইৰ মনত পৰে মাকৰ সাগৰ-নীলা গভীৰ দুচকুলৈ আৰু সেই দুটোপাল চকুলো...; যিদিনা শেষবাৰৰ বাবে তাই মাকক দেখিছিল, পানীৰ মাজত হেৰাই গৈছিল মাকৰ অস্তিত্ব।

কথাবোৰ ভাবি থাকোঁতে তাইৰ চকুত পৰিল, দুজনমান মানুহে তাইৰ পৰা অলপ নিলগত কিবা এটা গুৰুত্বপূৰ্ণ কথা আলোচনা কৰি আছে। গছজোপাৰ আঁৰ হৈ হাতীজনী দীঘল দি শুই পৰিল। মৃত্যুৰ ক্ষণ গণি থকাৰ মুহূৰ্ততো জীয়াই থকাৰ তীব্ৰ আশাত তাই মানুহকেইজনৰ পৰা নিজকে লুকুৱাবলৈ যত্ন কৰিলে। মানুহকেইজনৰ কথা-বতৰাৰ পৰা বুঢ়ী হাতীজনীয়ে গম পালে যে সেই ঠাইত তেওঁলোকে এটা প্ৰজেক্ট বহুওৱাৰ কথা সিদ্ধান্ত কৰিছে। প্ৰজেক্টৰ বাবে পাহাৰটোৰ কিছু অংশ খহাব লাগিব। তাৰবাবে সিহঁতে বোমাও লৈ আনিছে। প্ৰজেক্টৰ জৰিয়তে কোটিপতি হোৱাৰ বাসনা তেওঁলোকৰ। অজ্ঞ ৰাইজৰ বাবে, নিজৰ দেশৰ এটা বৃহৎ অংশৰ বাবে চিন্তা কৰাৰ সৎ মানসিকতা তেওঁলোকৰ নাই। কেৱল ব্যক্তিগত লাভৰ লালসাত নিমগ্ন তেওঁলোক।

কথা পাতি পাতি মানুহকেইজন পাহাৰৰ ওপৰলৈ উঠি গ'ল। নিৰ্দিষ্ট ঠাইত বোমাকেইটা পুতি তেওঁলোক আঁতৰি গ'ল। বুঢ়ী হাতীজনীৰ হৃদয়খন আকৌ এবাৰ কঁপি গ'ল। ইফালে-সিফালে চালে; নাই, হাতীজাকৰ এটাকো তাই দেখা নাপালে। তাইৰ মনলৈ বেয়া চিন্তাবোৰ আহিবলৈ ধৰিলে। তাইৰ ভয় হৈছে জানোচা মানুহকেইজনে দি থৈ যোৱা বোমাকেইটাৰ আশে-পাশে হাতীজাক ঘূৰি ফুৰিছে! হাতীজাকক কিবা এটা ইঙ্গিত দিবলৈও বুঢ়ী হাতীজনীৰ সামৰ্থ্যই নুকুলায়। কেৱল মৃত্যুৰ বাবে তাই বৈ আছে অপেক্ষাৰ পদূলিত।

প্ৰায় ২০ মিনিট মানৰ পাছত ধুম্ ধুম্‌কৈ বোমাকেইটা ফুটিল। নিয়তিৰ নিষ্ঠুৰ পৰিহাস! পাহাৰৰ পৰা খহি অহা মাটিৰ অংশবোৰৰ সৈতে তিনিটা হাতী খহি আহি বুঢ়ী হাতীজনীৰ ওচৰত পৰিলহি। তেজেৰে তুম্‌বলি হাতীকেইটাক দেখি বুঢ়ী হাতীজনীয়ে ভয় নাখালে, ইয়াৰ আগজাননী তাই আগতেই পাইছিল। কিন্তু তাইৰ ধাৰাসাৰে চকুলো বৈ আহিল। বুঢ়ী হাতী জনীয়ে ভাবিলে, "এই সময়ত মৃত্যুটো কাৰ বাবে বেছি প্ৰয়োজনীয় আছিল ? সিহঁত কেইটাৰ নে? নে তাইৰ নিজৰ?"

সৰু হাতী-পোৱালীটোৰ মৃত শৰীৰটো দেখি হাতীজনীৰ আকৌ নিজৰ মাকলৈ মনত পৰিল। "মাক মৰিল, তাই বাচি গ'ল; আৰু আজি এই পোৱালীটোৰ মাক বাচি গ'ল আৰু পোৱালীটো...।" তাই আৰু একো ভাবিব নোৱাৰিলে। নিজৰ উদং বুকুখন শাঁত পেলাবলৈ মাকে পোৱালীটোক বিচাৰি ফুৰিব। কিন্তু বিচাৰি পাব জানো বুকুৰ উমেৰে উমাল হৈ থকা তাইৰ চেনেহৰ পোৱালীটোক? এনেদৰে হয়তো সিহঁতেও এদিন অপাৰগ হৈ পৰিব ৰচিবলৈ অৰণ্যৰ সোণালী সপোন।

বুঢ়ী হাতীজনীয়ে নিজৰ অৱশ শৰীৰটো হাতী পোৱালীটোৰ ওচৰলৈ চোঁচৰাই নিলে। মৃত পোৱালীটোৰ শিতানত বহি তাই নিজৰ মৃত্যুৰ বাবেও ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালে। তাই আৰু মানুহ নামৰ জীৱটোৰ মুখ চাব নোখোজে। মৃত্যুৰ আগমূহূৰ্ততো তাইৰ এটাই আশা, জুইত জাহ যোৱা চগাৰ দৰে যেন জাহ যাওক মানুহৰ বিকৃত মানসিকতা। পোৱালীটোৰ গাতে বুঢ়ী হাতীজনীয়ে নিজৰ মূৰটো থ'লে। তাৰ দেহৰ তেজেৰে বুঢ়ী হাতীজনীৰ দেহটো ৰাঙলী হৈ পৰিল।❖

এগৰাকী বিখ্যাত চুটিগল্পকাৰ এইচ. ই. বেট্‌ছৰ ভাষাত, "যি কোনো বস্তু— এটা ঘোঁৰাৰ মৃত্যুৰ পৰা আৰম্ভ কৰি এগৰাকী গাভৰুৰ প্ৰথম প্ৰেমলৈকে, এটা ফুলৰ পাপৰি মেল খোৱাৰ পৰা আৰম্ভ কৰি এটা প্ৰচণ্ড ভূমিকম্পলৈকে— সূৰ্য্যৰ পোহৰত দেখা প্ৰতিটো বস্তুৱেই চুটিগল্পৰ বিষয় হ'ব পাৰে।"

চমাৰছেট মমে এষাৰ ধুনীয়া কথা কৈছে, "মোৰ দৃষ্টিত পাৰ্থিৱ হওক অথবা আধ্যাত্মিক হওক, এটা বিশেষ ঘটনাৰ বৰ্ণনাই চুটিগল্প। আৰু, সেই ঘটনাক তাৰ বিস্তাৰৰ বাবে প্ৰয়োজনীয় অবান্তৰৰ অৱতাৰণা নকৰাকৈ নাটকীয় সংহতি দিব পৰাতেই চুটিগল্পৰ সফলতা।"

অসমীয়া সাহিত্যলৈ এই নৱতম সাহিত্যৰূপটোক সুৰাগুৰি তুলি আনিছিল, সাহিত্যৰথী বেজবৰুৱাই। ড° (নগেন) শইকীয়াই লিখিছে, বেজবৰুৱাই তেওঁৰ 'ভদৰী' গল্পটো লিখি উলিয়াইছিল ১৮৯৫ চনৰ ২৩ মাৰ্চ তাৰিখে; আৰু খুব সম্ভৱ, এইটোৱেই বেজবৰুৱাৰ হাতৰ প্ৰথম চুটিগল্প।

— মহেন্দ্ৰ বৰা







গল্প



# অনুৰূপালৈ মুকলি চিঠি

সুশান্ত পেগু
স্নাতক ১ম বৰ্ষ (বুৰঞ্জী বিভাগ)

ৰমেনৰ নেৰা-নেপেৰা অনুৰোধত বাধ্য হৈ টিপ চাকিটো জ্বলাই টেবুলত বহিলোঁ। অপ্ৰত্যাশিতভাৱে শেষ হোৱা জীৱনৰ এটা অধ্যায় খুচৰি চোৱাৰ অভিলাষ নাছিল। ৰমেনে যিষাৰ কথা ক'লে আজি, সদায় গা এৰাই চলিবলৈ চেষ্টা কৰি আহিও আজি নোৱাৰিলোঁ। হয়তো পাৰিলোহেতেন, তথাপি কিবা এটা অজান আকৰ্ষণত বন্দী হ'লোঁ।

ঃ এই তই ফোন নকৰ নাই, কিন্তু চিঠি এখন লিখিব পাৰ।

একেখিনি কথা সি মোৰ ওচৰত কেবাদিনো পেঘেনিয়াই আছে। মই তাৰ কথাবিলাক গুৰুত্ব দিয়া নাই। সিও এৰাবিধৰ নহয়। আকৌ আহিল। আহিয়ে পেনপেনাবলৈ ধৰিলে— "খকুৱা তোৰ মুখৰ আহাৰ আনে খাব।"

ঃ হ'ব, পাৰ যদি নিজৰ হেংদাং দাঙি ৰাখ। মই সেইবিলাক এৰিছোঁ।

ঃ থ থ, সেই মৰতীজনীৰ কথা ভাবিয়ে পৰীক্ষাত বাৰ বাজিল। এতিয়া সেইবোৰ এৰিছ!!

ঃ ৰমেন তই যা, মোক আমনি নকৰিবি। অনুৰোধ কৰি চালোঁ।

ঃ মই যোৱাটো ডাঙৰ কথা নহয়, কিন্তু তাইৰ চিন্তা এৰিবিনে নেৰ? আব্দাৰৰ সুৰত সি ক'লে।

ঃ তই কচোন, ভাল পোৱাটো জানো ইমান সস্তীয়া, ইচ্ছা কৰিলেই পাহৰি যাবলৈ। মই কাতৰ হ'লোঁ।

ঃ মই জানো সীমান্ত, প্ৰেমে লাভ-লোকচান বিচাৰ নকৰে। অবাঞ্চিত ক্ৰমে প্ৰেমৰ অধ্যায় সূচনা হয়। তয়ো তাইক ভাল পাইছিলি...

ঃ পাইছিলি নহয়, এতিয়াও পাওঁ আৰু ভৱিষ্যতেও পাই থাকিম।

ঃ মই জানো, কিন্তু তাই কিয় দেউতাকৰ বা ঘৰৰ এষাৰ কথাতেই তোক এৰিব খুজিছে।

ঃ তই যিদৰে বুজি নোপোৱাকে আছ, ময়ো ৰহস্যটো ভাঙিব পৰা নাই। আচলতে কি জান ৰমেন, তাই মোতকৈ ভাল এজনক হয়তো বিচাৰি পাইছে। য'ত আছে জীৱনৰ নিৰাপত্তা। কাৰণ ...

ঃ আচলতে বুলি তই এতিয়া এটা কথাও ক'ব নোৱাৰ। তোক পাহৰি যোৱাৰ বা পাহৰি যাব খোজাৰ বেলেগ এটা কাৰণো থাকিব পাৰে।

ঃ এতিয়াও মই ভাবিব নোৱাৰো। তাই যে মোক পাহৰি অন্যৰ কথা চিন্তা কৰিব পাৰিব।

ঃ তই ভাবিব নোৱাৰিলে কি হ'ব, সেইটোৱেই সত্য। আজিকালি খাটি কলিজা, ভেজালহীন হৃদয় ক'তো নাপাৱ বুজিছ।

ঃ তোৰ ক্ষেত্ৰত হ'ব পাৰে, মোৰ ক্ষেত্ৰত নহয়।

ঃ (অবাইচ) চাল্লা, তোৰ সেই 'অনু'ৱে মোৰ লগত প্ৰেম কৰিছিল ? এতিয়া এটা কথাকে খামোচ মাৰি ধৰি আছ।

ঃ তাইৰ গাত দোষ আছে বুলি মই নাভাবোঁ।

ঃ মই ভাবোঁ, গতিকে চিঠি এখন লিখ। হেষ্ট-নেষ্ট এটা হৈ যাওক। তাই চাল্লা ফুটবল পাইছেনেকি, ইচ্ছা হ'লেই লঠিয়াব ইচ্ছা নাথাকিলে বেডিঙৰ তলত পামচাৰ হোৱাকে থৈ দিব।

যিমান যিয়ে নহওক ৰমেনে কোৱা কথাষাৰে মোক এৰি অহা নষ্টালজিয়ালৈ পুনৰ ঘূৰি যাবলৈ বাধ্য কৰিলে। সি মোৰ প্ৰকৃত বন্ধু আছিল। বাধ্য হৈ অনুলৈ চিঠি এখন লিখিবলৈ টেবুলত বহিলোঁ।

শনিবাৰ! সেই দিনটোৰ পৰাই মই মহাবিদ্যালয় জীৱনৰ পাতনি মেলিছিলোঁ। চিঠিখন লিখিবলৈ টেবুলত বহি ভালকৈ কথাখিনি জুকিয়াই ল'লোঁ। গতানুগতিকভাৱে শ্ৰেণী কক্ষত সোমাইছিলোঁ। ক্লাচ কৰিছিলোঁ, চিনাকী লৈছিল, চিনাকী লৈছিলোঁ। কলেজলৈ প্ৰথম অহাৰ বাবে মই সহজ হ'ব পৰা নাছিলোঁ। দুদিনমানৰ পিছতেই এজনী ছোৱালী মোৰ লগত নিজেই আহি চিনাকী হৈছিলহি। মিঠাবৰণীয়া— খুউব শকত নাছিল যদিও ল'ৰাবোৰৰ দৃষ্টিত ফিজিকেল ফিটনেজ বুলি ক'ব পাৰি। প্ৰথম চিনাকীতে ভাল লাগিছিল।

ঃ এক্সকিউজ মি!

ঃ মোকে কৈছেনে? হঠাৎ একো ধৰিব নোৱাৰি চালোঁ।

ঃ হয়, তুমি আজি প্ৰথম আহিছা?

ঃ নহয়, নহয়, কলেজলৈ অহা আজি দুদিন হ'ল।

ঃ আজি ক্লাচত তোমাক প্ৰথম দেখিছোঁ, সেইবাবেই সুধিলোঁ।

ঃ শনিবাৰে হয়তো আপুনি অহা নাছিল...। কোৱা কথা আধাতে ৰ'ল।

ঃ আপুনি নহয় তুমি। ময়ো এইবাৰ প্ৰথম কলেজলৈ আহিছোঁ। মই অনুৰূপা, 'অনু' বুলি মাতিবা। ঘৰ বালিগাঁৱত।

মোৰ চিনাকী মই তেতিয়াই দিছিলোঁ। লাহে লাহে বন্ধুত্ব; তাৰ পিছত কব নোৱাৰাকৈ তাইৰ প্ৰেমত পৰিলোঁ। লগৰ ল'ৰাবোৰে তাইৰ আৰু মোৰ মাজত মিলা-প্ৰীতি দেখি জোকাইছিল। তাই শুনি মাথোঁ হাঁহিছিল।

"সীমান্ত, তহঁতৰ যুটিতো 'মহাবিদ্যালয় সপ্তাহ'ত শ্ৰেষ্ঠ যুটি হ'ল বুলি ঘোষণা কৰা হ'ব।"— কবিতা এটাৰ বিষয়ে এদিন আলোচনা কৰি থাকোঁতে হঠাৎ আহি মনোজে মাত দিলে। মনোজক ইতিমধ্যে ক্লাচৰ আপদীয়া ল'ৰা বুলি সকলোৱে জানে। লাজতে মই এনেয়ে

মাতিলোঁ— "তোৰ কাম নাই আৰু ..."

ঃ কাম আছে, অন্ততঃ তহঁতৰ দৰে বহি থাকিবলৈ মোৰ সময় নাই। কৈয়ে সি ওলাই গ'ল।

ঃ মনোজে আমাৰ মাজত প্ৰেম হৈছে বুলি ভাৱিছে।

ঃ মই ভাৱিয়ে চোৱা নাই কথাটো। মিছা নহয় নেকি!

ঃ সঁচা!

এইদৰে অনুৰূপা আৰু মোৰ মাজত প্ৰেম আৰম্ভ হৈছিল। চিঠিখন ক'ৰ পৰা আৰম্ভ কৰোঁ একো ভাবি পোৱা নাই। টেবুলত বহি কলম কামুৰি থকাৰ বাহিৰে আধাঘন্টা সময় এটা শব্দও বগা কাগজত লিখিব পৰা নাই।

কিমান যে সুখৰ আছিল সেই দিনবোৰ! সদায় তাইলৈ চিঠি এখন দিব লাগে। নহ'লে তাই অভিমানত সেইদিনা মোক নামাতে। মই তাইৰ ওচৰত কাণত ধৰি ক্ষমা নোখোজালৈকে তাই ঠেহ পাতি থাকে। কি যে আলোচনা হোৱা নাছিল! আমাৰ গাঁৱত থকা একমাত্ৰ স্কুলখনত তাই শিক্ষকতা কৰিব। মই মাষ্টাৰ ডিগ্ৰী লৈ বিজনেছ বা কলেজত সোমাব লাগে। মা-দেউতাৰ কাষৰ পৰা আঁতৰি নহাৰ প্ৰতিশ্ৰুতি দিছিল।

এতিয়া সেইবোৰ ভাৱিলে মোৰ চকুপানী ওলাবৰ উপক্ৰম হয়। মা-দেউতাৰ কাষৰ পৰা আঁতৰি নোযোৱাৰ প্ৰতিশ্ৰুতি দি এতিয়া তাই মোৰ কাষৰ পৰাই আঁতৰি গ'ল। তাই যিদৰে মোৰ কাষলৈ নিজ ইচ্ছামতে আহিছিল, সেইদৰে মোৰ কাষৰ পৰা মোক নোকোৱাকৈয়ে গুচি গ'ল। আজিও তাই মোক নকলে, কিয় তাই আঁতৰি যাব লগা হ'ল মোৰ কাষৰ পৰা। হেবাঙৰ দৰে মূৰ খজুৱাই থাকোঁ তাইক হেৰুওৱাৰ অংক মিলাব নোৱাৰি।

সঁচাকৈ তুমি এইদৰে প্ৰতিশোধ ল'বা বুলি ভৱা নাছিলোঁ। 'অনু' তুমি এবাৰ আহি কৈ যাব নোৱাৰানে? চাবা অনু, মোৰ কোনো আক্ষেপ নাই। তুমি মাথোঁ এবাৰ হ'লেও কৈ যোৱাহি কোনখিনিত মোৰ ভুল হ'ল। আজীৱন তোমাৰ ওচৰত কৃতজ্ঞ হৈ থাকিম। মই ধৰি নাৰাখোঁ নহয়। কাৰোবাৰ হৃদয়ক জানো আবদ্ধ কৰি ৰাখিব পাৰি। অনু, তুমি এবাৰ ভাৱি চালানে তোমাৰ অবিহনে যে মোৰ হৃদয় কোঠাত চাকি জ্বলাবলৈ কোনো নাথাকিব। তুমি থকা এই বুকুৰ আসনখনত কোন বহিব এবাৰ জানো ভাৱি চালা? তুমি পুনৰ আহিলে মোৰ বুকুৰ চোতালত থকা জোনাকী পৰুৱাবোৰে হুঁচৰি গাবনে নাগাই মই নাজানো। হয়তো হীৰু দাইহে ক'ব পাৰিব। তুমি আহিলে মোৰ বুকুৰ নদীখন পুনৰ গতি কৰিবনে নকৰে মই নাজানো। হয়তো নীলিম কুমাৰেহে ক'ব পাৰিব। কিন্তু তুমি আহিলে যে আউল লাগি থকা মোৰ ভাৱনাৰ সূতাবোৰ খোল খাব সি সঁচা। ইমান দিনে নিমিলা অংক এটা যে মিলিব— একে একে দুই অথবা দুয়ে দুয়ে মিলি গ'ল থাকিল শূন্য।

এইবোৰ বহু কথা। ইমান জানো ক'ব পাৰি। অনু তুমি আহিলে চাবা তোমাক বাচ আস্থানলৈ আগবঢ়াই থৈ যামহি। তোমাৰ কথা আইক কৈছিলোঁ। আনকি তুমি দিয়া ফটোখনো দেখুৱাইছিলোঁ। তুমি অহা হ'লে আয়ে খুউব ভাল পালেহেতেন। লৃগাঙত আয়ে তোমাক লৈ আনিবলৈ কৈছিল।

ঃ আমাৰ যে চাংঘৰ তই তাইক কৈছনে নাই? আয়ে সুধিছিল।

ঃ জানে জানে, কিয় নাজানিব মই কৈছোঁ নহয়। খেতৰ বাবে আয়ে মোলৈ ভেবা লাগি চাই ৰয়।

ঃ আমাৰ ঘৰলৈ আহি তাই জানো ভাল পাব? আইৰ সন্দিহান প্ৰশ্ন।

ঃ মই তাইক মতা নাই নহয়। তাইহে বহুদিনৰ পৰা আহিম আহিম বুলি কৈ আছে। ভালৰি বোলাবলৈ মিছা মাতিলোঁ। যদিও অকণো গাত নালাগিল, আয়ে কিবা এটা বুজি পাইছিল। সেইবাবে মোক কৈছিল, 'ডাঙৰ দাদায়ে এতিয়ালৈকে বিয়া নপতাকৈ আছে। তেতিয়া মই অৱস্থা চাই ব্যৱস্থা লৈছিলোঁ।

ঃ আজি-কালি এইবিলাক জাত-পাতৰ কথা গাখীৰৰ লগত পানী মিহলোৱাৰ দৰে বুজিছ। আইৰ অলপ ওচৰ চাপি কওঁ।

ঃ হওঁতে হয়। মোৰো তাইৰ দৰে "য়ামীং" (বোৱাৰী) এগৰাকী পোৱাত আপত্তি নাই।

এনেকুৱা ধৰণৰ যোগাত্মক উত্তৰ আইৰ মুখৰ পৰা ওলালে থাওকতে চৰাই হৈ তোমাক আনিমগৈ বুলি মনটোৱে উচপিচাই থাকে।

ঃ তোৰ দেউতাই কৈছে, তাই বি.এ. টো পাছ কৰিলে গাঁৱৰ স্কুলখনতে সোমাব পাৰিব। খেতি-পথাৰলৈ মাজে মাজে গৈ সহায় কৰিব পাৰিব। ঘৰখনৰো আলপৈচান ধৰা হ'ব। আয়ে জুহালত ভাত বান্ধি থাকোঁতে খৰিকেইডাল আগবঢ়াই দি কয়। মোৰ বান্ধি থোৱা মনটোৱে ভাদমহীয়া বাৰিষাৰ দৰে পাৰ ভাঙিব খোজে। মনৰ মাজত আজি কালিৰ সুখী পৰিয়াল এটাৰ কথা আঁকি থওঁ। সুহুৰিয়াই দেওদি আঠবছৰীয়া নাবালকৰ দৰে ওলাই যাওঁ উদ্দেশ্যবিহীন ভাৱে।

জীৱন্ত অতীতৰ পৰা আকৌ বাস্তৱ তথা বৰ্তমান অৱস্থিতিলৈ ঘূৰি আহিলোঁ। থুপ খাই থকা সকলো কথা মুকলিকৈ লিখিবলৈ হয়তো আজি সময় পাম। কলমটো হাতত তুলিলোঁ। চিঠিখন দিবগৈ পাৰিলে মনটো কিছু ফৰকাল লাগিব। কাতিমহীয়া আকাশৰ দৰে। চিঠিখনৰ নাম হয়তো 'অনুৰূপালৈ মুকলি চিঠি' ৰখা হ'ব।

ঃ সোণ, অ' সোণ, কি কৰি আছ? সন্ধিয়া হ'ল। ঘৰত চাউল কেইটাৰ বাদে একো নাই। বাৰীত শাক-পাচলিও নাই। কিবা এটা কৰগৈ যা। কাইলৈ লৃগাং পালেহি। পিতায়ে তোক তিনিআলিৰ পৰা বজাৰ কেইটা কৰি আনিবলৈ কৈ থৈ গৈছে। অ, সেই যে তই কৈছিলি তোৰ লগৰ ছোৱালীজনী, তাই কাইলৈ লৃগাং চাবলৈ নাহিব জানো! লোকৰ ছোৱালী এজনীক এনেই জানো আনিব পাৰি। ঘৰখন অলপ চম্ভালি ল'বলৈ শিক। তাতে কাইলৈ লৃগাং...

ঃ ধেইৎ, কি অনবৰত কেপকেপাই থাক হে। মই সেইবোৰ একো নাজানো যা। কাইলৈ কোনো নাহে।

আয়ে অকৰা লাগি মোলৈ চাই থাকিল... ।❖

(কাকুৰ হাতত মৰমেৰে)







গল্প

# আশ্ৰয়

দীপিকা দত্ত
স্নাতক তৃতীয় বৰ্ষ (কলা)



শ্ৰুতিয়ে আগচোতালৰ ফুলনিডৰাতে হাতত বাতৰি কাকতখন লৈ বহিলহি।

আজিকালি বাতৰি কাকতবোৰত একো এটাই ভাল খবৰ নাথাকে। কেৱল হত্যা, লুণ্ঠন, অপহৰণ, ধৰ্ষণ ইত্যাদিৰে সমস্ত পৃষ্ঠা ভৰি থাকে। ক'তো যেন শান্তি নাই। চাৰিওফালে কেৱল এক বিশৃংখল আৰু সংঘাতময় পৰিৱেশ। কোনোবাই যেন শান্তিৰ কপৌহালৰ ডেউকা দুখন কাটি পেলাইছে।

সকলোৰে জীৱনলৈ কম-বেছি পৰিমাণে সংঘাত আহেই। অন্ততঃ এটা মুহূৰ্তৰ বাবে হ'লেও। সংঘাত বিহীন জীৱনৰ পূৰ্ণতা নাথাকে। সেয়েহে কোনোবা কবি সাহিত্যিকে হয়তো লিখিছে— "সংঘাতে আনে জীৱনৰ নতুন দিগন্ত।"

এই সংঘাত শ্ৰুতিৰ জীৱনলৈয়ো আহিছিল। যৌৱনৰ প্ৰথম পুৱাতেই এক প্ৰচণ্ড সংঘাতৰ সন্মুখীন হৈছিল শ্ৰুতি। সেই সংঘাতৰ কোবাল সোঁতে জীৱন-সমুদ্ৰত যেনি তেনি উটুৱাই নি অৱশেষত তাইক শান্তিৰ উপকূলত এৰি থৈ গ'ল। এতিয়া কিন্তু সেই সংঘাতময় অতীতলৈ এবাৰো উভতি চোৱা নাই শ্ৰুতিয়ে। চোৱাৰ প্ৰয়োজন বোধো কৰা নাই। পাহৰণিৰ গৰ্ভত বিলীন হ'বলৈ এৰি দিছে তাইৰ সেই কলংকময় অতীত। আজি শ্ৰুতিৰ একোৰে অভাৱ নাই। চহৰত এক অট্টালিকা সদৃশ তাইৰ ঘৰ।

হঠাৎ বাতৰি কাকতখনৰ প্ৰথম পৃষ্ঠাত প্ৰকাশ পোৱা এখন ফটোৰ ওপৰত শ্ৰুতিৰ চকু থৰ হৈ ৰ'ল। ফটোখন যেন তাইৰ বাবে বৰ চিনাকি, অথচ চিনিব পৰা নাই। এৰা, যদি এই ফটোখন তাই ভবা মানুহজনৰে হয়।

শ্ৰুতিৰ অন্তৰত এক সন্দেহ ৰৈ গ'ল। তাই লৰালৰিকৈ ফটোখনৰ সৈতে লিখা বাতৰিৰ কথাখিনি পঢ়িবলৈ উৎসুক হৈ পৰিল। তাই পঢ়ি গ'ল বাতৰিটো। খবৰটো এনে ধৰণৰ— গড়কাপ্তানী বিভাগৰ অভিযন্তা ৰজত শইকীয়াৰ দুৰ্বৃত্তৰ গুলীত মৃত্যু। হত্যাৰ কাৰণ সম্পৰ্কে পুলিচৰ মতামত এনে ধৰণৰ— তেওঁ কেবাজনো নিবনুৱা যুৱকৰ পৰা চাকৰিৰ নামত ধন আত্মসাৎ কৰিছিল। উল্লেখ্য যে তেওঁ নাৰী ধৰ্ষণ কাৰ্যতো লিপ্ত থকাৰ অভিযোগ উঠিছে বাতৰিটোত।

বাতৰিটো পঢ়ি শ্ৰুতি শিলপৰা কপৌৰ দৰে থৰ হৈ ৰ'ল। বুকুৰ কোনোবাখিনি যেন ক্ষন্তেকৰ বাবে মোচৰ খাই উঠিল। অতীতৰ দুঃস্বপ্নময় ধূসৰ ছবিবোৰ বিস্মৃতিৰ অটল তলিৰ পৰা ওলাই আহি যেন চিনেমাৰ ৰীলৰ দৰে তাইৰ মনৰ পৰ্দাত ভাঁহি উঠিবলৈ ধৰিলে ক্ৰমশঃ।

শ্ৰুতি তেতিয়া নৱম মানৰ ছাত্ৰী। দেউতাক নোহোৱা ঘৰখনত মাকৰ সৈতে দুটি প্ৰাণী। কোনোমতে দিনবোৰ চলে। ৰজত শ্ৰুতিৰ বন্ধু। দুয়ো একেলগে পঢ়ে। মেট্ৰিক পাছ কৰাৰ পিছত শ্ৰুতিয়ে আৰ্থিক অনাটনৰ বাবে কলেজত পঢ়িব নোৱাৰিলে। ৰজতে চহৰৰ কলেজত বিজ্ঞান শাখাত নাম লগালে। কলেজ বন্ধৰ দিনবোৰত ৰজত ঘৰলৈ আহিলে শ্ৰুতিহঁতৰ ঘৰলৈও যায়। শ্ৰুতিৰ খা-খবৰ লয়। দুয়ো বহু কথা পাতে, হাঁহে। মাকৰ অসুখ হ'লে দৰৱ-পাতি আনি দিয়ে। এনেদৰেই সিহঁত যেন পৰস্পৰৰ প্ৰতি পৰস্পৰ আকৰ্ষিত হৈ পৰে। আৰু শেষত দুয়ো পবিত্ৰ প্ৰেমৰ ডোলডালেৰে বান্ধ খাই পৰিল।

এদিন ৰজতে শ্ৰুতিৰ আগত মনৰ কথা প্ৰকাশ কৰি ক'লে— "শ্ৰুতি, মই তোমাক ভাল পাই পেলাইছোঁ। কোৱা তুমি মোক ভাল পোৱানে?"

শ্ৰুতি নীৰৱে ৰ'ল। তাই একো নামাতিলে। ৰজতে তাইৰ মৌনতা দেখি আকৌ সুধিলে—"চোৱা শ্ৰুতি, মই আৱেগৰ বশৱৰ্তী হৈ তোমাক এনেদৰে ভাল পাই পেলাইছোঁ বুলি নাভাৱিবা। মই যে তোমাক সঁচাকৈয়ে মোৰ জীৱনৰ লগৰী কৰিব বিচাৰিছোঁ।"

"তুমি মোক সঁচাকৈয়ে ভাল পোৱানে ৰজত? তোমাক ভাল পাবলৈ গ'লে মই যে বাওনা হৈ চন্দ্ৰলৈ হাত মেলাৰ দৰে হ'ব।"—শ্ৰুতিয়ে বহু কথাই হয়তো বুজি পাইছিল! কিন্তু ৰজতৰ একান্ত মৰম-ভালপোৱাৰ সোঁতত তায়ো উটি-ভাঁহি যাবলৈ বাধ্য হৈছিল। দুয়ো দুয়োকে আজীৱন লগৰী হোৱাৰ প্ৰতিশ্ৰুতি দিছিল।

"সঁচা ৰজত, মই তোমাক কথা দিছোঁ। আহাঁ, মোৰ বুকুৰ মাজলৈ আহাঁ।"—শ্ৰুতিয়ে মুখ গুজি দিছিল ৰজতৰ বহল বুকুত।

সেইদিনা তাই যেন অনুভৱ কৰিছিল জীৱনৰ প্ৰথম স্নেহস্পৰ্শ।

লাহে লাহে সময় বাগৰি গৈছিল ভালপোৱাৰ প্ৰতিশ্ৰুতি বহন কৰি। সময়ৰ লগে লগে দুয়োৰে কামনা-বাসনাবোৰ যেন ধীৰে ধীৰে তেজৰঙা গোলাপৰ দৰে ফুলি উঠিছিল। টলমল যৌৱনৰ কোবাল সোঁতত দুয়ো এনিশা হেৰাই গৈছিল। শ্ৰুতিৰ সুকোমল দেহৰ ভাঁজে ভাঁজে বৈ গৈছিল প্ৰথম মিলনৰ মধুৰ শিহৰণ।

ইতিমধ্যে ৰজতৰ দেউতাকৰ কৰ্মস্থান বদলি হোৱাত স-পৰিয়ালে মাদ্ৰাজ পাইছিলগৈ। উচ্চতৰ মাধ্যমিক ফাইনেল পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা ৰজত প্ৰতাপী দেউতাকৰ ইচ্ছামতে পঢ়িবলৈ গুচি গৈছিল বহুত দূৰলৈ। কলেজৰ অসংখ্য ছাত্ৰ-ছাত্ৰীৰ সৈতে আনন্দ স্ফূৰ্তিৰ মাজত ৰজতে ক্ৰমশঃ হেৰুৱাই পেলাইছিল শ্ৰুতিক তাৰ মানস পটৰ পৰা। শ্ৰুতিৰ বাবে মাথোন এৰি থৈ গ'ল এটি আশা, আধৰুৱা সপোনৰ ভগ্নস্তুপ।

এদিন শ্ৰুতিয়ে গম পালে যে তাইৰ গৰ্ভত ৰজতৰ প্ৰেমে অংকুৰ মেলিছে। তাই কোনো কথাই লুকুৱাব নোৱাৰিলে মাকৰ পৰা। মাকৰ মূৰত যেন সৰগ ভাঙি পৰিল। তাই মাথো কান্দিলে, বহু উজাগৰী নিশা কান্দি কান্দি গাৰু তিয়ালে। তাৰ বাদে অন্য কিবা কৰাৰ ৰাস্তাই বা আছে ক'ত শ্ৰুতিৰ? ৰজতলৈ পঠোৱা চিঠিবোৰৰ তাই এখনৰো উত্তৰ নাপালে। হতাশাত তাই ভাঙি পৰিল। মাজতে আত্মহত্যা কৰাৰ কথা ভাবিছিল। কিন্তু নোৱাৰিলে তাইৰ গৰ্ভত স্থিতি লোৱা সন্তানটোৰ মোহত আবদ্ধ হৈ। সেয়ে তাই জীয়াই থাকি সকলো প্ৰত্যাহ্বানৰ সতে যুঁজ কৰি যোৱাৰ সিদ্ধান্ত ল'লে অৱশেষত।

সময়ত শ্ৰুতিৰ এটি ল'ৰা সন্তান জন্ম হ'ল। গোটেই অঞ্চলতে কথাটো বিয়পি পৰিল। কুমাৰী মাতৃত্বৰ বাবে সমাজে সিহঁতক এঘৰীয়া কৰিলে। সকলোৱে জানে এই কেলেংকাৰীৰ নায়ক কোন ! কিন্তু কোনো আগবাঢ়ি নাহিল ইয়াৰ বিচাৰৰ বাবে। এই অন্যায়ৰ বিৰুদ্ধে কোনেও প্ৰতিবাদ কৰিব নোৱাৰিলে। প্ৰৱল প্ৰতাপী ৰমেন শইকীয়াৰ বিৰুদ্ধে কথা কোৱাৰ সাহস কাৰো নাই।

এদিন শ্ৰুতিক অকলশৰীয়া কৰি থৈ মাকেও চিৰবিদায় ল'লে। মাকৰ মৃত্যুত তাই চকুৰে ধোঁৱা-কোঁৱা দেখিলে। চাৰিওফালৰ পৰা যেন তাইক আন্ধাৰে আৱৰি ধৰি দাঁত নিকটাই হাঁহিব লাগিছে। এই পৃথিৱীত আপোন বুলিবলৈ তাইৰ আৰু কোনো নাথাকিল কণমানি শিশুটোৰ বাদে।

দিনবোৰ স্বাভাৱিক গতিৰেই আগবাঢ়ি গৈ থাকিল। শ্ৰুতিৰ অকলশৰীয়া জীৱনটোৰ চল পাই তাইৰ যৌৱনপুষ্ট দেহাটোৰ ওপৰত বহুতৰে চকু পৰিল। কিছুমানে তাইক উপযাচি সহায় কৰিবলৈ আগবাঢ়ি আহিল। আৰু এদিন পিশাচবোৰৰ চাৱনিলৈ ভয় কৰি তাই গাঁও এৰি গুচি আহিল। এনিশা শ্ৰুতিয়ে তাইৰ একমাত্ৰ সন্তানটিকে সম্বল কৰি ভয়, দুঃচিন্তা আৰু অনিশ্চয়তাৰ দোমোজাৰে ঘৰৰ পৰা বাহিৰ হ'ল। ৰাজ আলিৰ মাজ নিশাৰ অন্ধকাৰৰ মাজেৰে তাই উদ্দেশ্যবিহীনভাৱে আগবাঢ়িল। এনেতে হঠাৎ পিছফালৰ পৰা এখন সৰু গাড়ী আহি তাইৰ ওচৰতে ৰ'লহি। গাড়ীখনৰ ভিতৰৰ পৰা এহাল দম্পতি নামি আহিল। নিশা ৰাজআলিৰ মাজত অকলশৰীয়া এগৰাকী অনাথ, নিৰাশ্ৰয়া নাৰীক কেঁচুৱাৰে সৈতে লগ পাই দুয়ো আচৰিত হ'ল। তেওঁলোকে শ্ৰুতিক নিজৰ গাড়ীত তুলি লৈ গ'ল।

বিজিত চেটাৰ্জী ধুবুৰীৰ এগৰাকী প্ৰতিষ্ঠিত ব্যৱসায়ী। অপাৰ ধন-সম্পত্তিৰ মালিক। কিন্তু সেই সম্পত্তিৰ উত্তৰাধিকাৰী নাই। চেটাৰ্জী দম্পতিৰ জীৱনৰ চৰম দুখ হ'ল বিয়াৰ কুৰি বছৰৰ পিছতো কোনো সতি-সন্ততিৰ মুখ নেদেখিলে। শ্ৰুতিৰ জীৱনৰ কৰুণ কাহিনী শুনাৰ পিছত দুয়োৱে তাইক তেওঁলোকৰ ঘৰতে নিজৰ ছোৱালীৰ দৰে মৰম-স্নেহেৰে আশ্ৰয় দিলে। মৰম লগা ধুনীয়া শিশুটি পাই দুয়ো সুখী হ'ল।

চেটাৰ্জী চাহাবৰ ঘৰত শ্ৰুতিয়ে এটা নতুন জীৱন পালে। চেটাৰ্জীহঁতৰ মৰম-চেনেহৰ মাজত তাই কলংকময় দুঃস্বপ্নবোৰ মচি পেলালে। সময়বোৰ পাখি লগা কাঁড়ৰ দৰে উৰি যায়। এনেদৰেই কেইবাটাও শৰৎ, বসন্ত পাৰ হৈ গ'ল। ইতিমধ্যে শ্ৰুতিৰ ল'ৰা ৰূপজ্যোতিয়ে এইচ. এচ. পৰীক্ষা পাচ কৰিলে। ৰূপজ্যোতিৰ এই কৃতকাৰ্যতাত শ্ৰুতিতকৈ বেছি আনন্দিত হ'ল চেটাৰ্জী।

কিন্তু বিধিৰ কি বিধান! এদিন চেটাৰ্জী দম্পতি ভ্ৰমণলৈ যাওঁতে দুৰ্ভাগ্যক্ৰমে পথ-দুৰ্ঘটনাত পতিত হ'ল। খবৰটো প্ৰথমে শ্ৰুতিয়ে পাই মৰ্মাহত হৈ পৰিল। শ্ৰুতিয়ে তেওঁলোকৰ আত্মা কুশলে থাকিবৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালে।

শ্ৰুতিয়ে দ্বিতীয়বাৰৰ বাবে জীৱনৰ চৰম আঘাতটো পালে। তাইৰ এনে অনুভৱ হ'ল — এতিয়াহে যেন তাই মাক-দেউতাকক হেৰুৱালে। এতিয়াহে যেন এই পৃথিৱীত নিৰাশ্ৰয় হ'ল। তাই কান্দিব খুজিও কান্দিব নোৱাৰিলে। কিবা এক বেদনাই যেন তাইৰ বুকুখন চিৰাচিৰ কৰি পেলাইছে।

"মা, তুমি ইমান সময় অকলশৰে ইয়াত কি কৰি আছা?" — পুতেক ৰূপজ্যোতিয়ে আহি গাত ধৰি জোকাৰি দিয়াতহে শ্ৰুতিৰ সম্বিত ঘূৰি আহিল।

চেনেহৰ পুতেকক কাষতে পাই শ্ৰুতিয়ে তাক বুকুৰ মাজলৈ চপাই আনিলে আৰু আৱেগসনা মাতেৰে ক'লে—"একো ভবা নাই অ' মোৰ সোণ। কিছুমান পুৰণি কথা মনলৈ আহিছে। এৰি অহা দিনবোৰৰ কথা...।" আৱেগেৰে পুতেকৰ দুগালত হাত বুলাই আকৌ কৈ উঠিল—"মোৰ সোণ তোমাৰ যেন সদায় মংগল হয়। তুমিয়েই মোৰ এতিয়া শেষ আশ্ৰয়।"

ৰূপজ্যোতিয়ে একো নুবুজিলে। মাকৰ দুগালেদি বৈ অহা দুধাৰি চকুলো মাথোঁ তাৰ দৃষ্টিগোচৰ হ'ল।❖







গল্প

# কাংকান ঘাটৰ ঐনিঃতম

ৰাজেশ পেগু
স্নাতক ১ম বৰ্ষ, বুৰঞ্জী বিভাগ



নদীখনৰ পাৰে পাৰে জীয়া ঐনিঃতম এটা ঢপলিয়াই ফুৰিছে। ফাগুন মাহ। শিমলুৰ ডালে ডালে ওলমি ৰ'ল ৰঙা ৰঙা বেদনাবোৰ।

নাওখন মেলি দিবলৈ গৈ দেউনাথ থমকি ৰ'ল।

সি আনমনা হৈ পৰিল । এৰা! আজি কেবাদিনো সি এনে ঐনিঃতম শুনিও যেন শুনা নাছিল। আজিৰ সুৰটোৱে কিন্তু তাক জোকাৰি দিলে।

এদিন ঐছেঙেও গাইছিল ঐনিঃতম। বৰ মিঠা আছিল তাইৰ মাতটো।

তাই নিঃতম জুৰিলে তৰাবোৰ নীলা ওৰণিৰ আঁৰত লুকাই পৰিছিল লাজতে। শিমলু ফুলবোৰে পাহি মেলি মেলি হাঁহিছিল। যেন জোকাইছিল - "ঐছেং গাভৰু হ'ল, ঐছেং গাভৰু হ'ল।"

এইবোৰ পুৰণি কথা। বহুদিনৰ পুৰণি।

তেতিয়া দেউনাথ নাকী চিঙা গোনাম'হ। আৰু ঐছেং? তাইৰ দেহত ভাৰ ব'ব নোৱাৰা হালধীয়া যৌৱন।

দেউনাথৰ মাক নাই। তাৰ সৰুতেই ঢুকাল বোলে। দেউতাক ওমবৰ। মস্ত কানীয়া। কানিৰ লগতে মাটি-বাৰী সকলো গ'ল।

উমবৰ ঘাটে। কিন্তু ঘাটত যি এপইছা পায় তাকো কানিত উৰাই দিয়ে।

গতিকে এদিন বাধ্য হৈ হাত পাতিব লগীয়া হ'ল মহীকান্তৰ ওচৰত। মহীকান্ত গাঁওবুঢ়া। গাঁওখনৰ মুখীয়াল। ধনী মানুহ। তেওঁৰ কথাই কথা। মহীকান্ত গাঁওবুঢ়াই যদি ক'লা গৰুটো বগা বুলিও কয়-তেন্তে সেয়াই প্ৰতিপন্ন হয়।

ধনী যদিও মহীকান্ত হৃদয়বান। মানুহৰ দুখ বুজি পায়। সি ওমবৰক তাৰ মাটিত আধি খাবলৈ এৰি দিলে।

ওমবৰক কিন্তু কানিয়ে বৰকৈ শুহি পেলাইছিল। মানুহজনে এলাহত গাটোকে লৰাবলৈ টান পোৱা হ'ল। দিনটো ঘাটৰ টঙিত কানি খায়েই কটাইছিল।

গতিকে খেতিৰ সমস্ত বোজা পৰিছিল দেউনাথৰ গাত। নাঙলৰ মুঠিত ধৰিব হোৱাৰে পৰাই সি গাঁওবুঢ়াৰ মাটিত খেতি কৰি আহিছে।

মহীকান্ত গাঁওবুঢ়াৰ ল'ৰা নাই। ছোৱালী এজনী। ঐছেং।

ঐছেঙৰ নিচিনা ছোৱালী গাঁৱত দ্বিতীয় এজনী নাই। ৰূপলৈকে চাবা নে গুণলৈকে চাবা। গাঁওবুঢ়াৰ ঘৰৰ লখিমী— মানুহে কয়।

ঐছেঙৰ হাঁহিত শিমলু ফুলে। গুমৰাগৰ নাচত মতলীয়া হয় ফাগুন।

ঐছেঙহঁতৰ মাটিত আধি খায়েই সি ডেকা হ'ল। আৰু সি খেতি কৰা খাই গাভৰু হৈছে ঐছেং।

সি দিনটো পথাৰৰ কাম কৰে। ঐছেঙে তালৈ যতনাই আনে আপং আৰু পুৰাং।

দেউনাথে পুৰাং খায়। কাষতে বহি তাই তালৈ চাই থাকে। চকুৰে পৰে। তাইৰ গোলপীয়া গাল দুখন সেন্দূৰৰ ফোঁটটোৰ দৰে হৈ পৰে। দুগাল ফাটি যেন তেজবোৰ সৰি পৰিব এটোপ দুটোপকৈ।

তাৰ মূৰৰ পৰা ভৰিলৈকে সিৰসিৰণি এটা পাৰ হৈ যায়।

আপং খাই থাকোতে তাৰ ভাব হয় ঐছেংজনী আপং হোৱা হ'লে বাতিয়ে বাতিয়ে গিলি পেলালেহেতেন বাপেকে।

তাৰ লাহেকৈ চুই চাবলৈ মন যায় তাইক। তাইৰ যৌৱনটোক! কিন্তু! ...

এনেকৈ দিনবোৰে বাগৰ সলালে।

ঐছেঙৰ বুকুৰে কেইবাটাও ফাগুন পাৰ হৈ গ'ল। কেইবাবাৰো শিমলু ফুলিল-সৰিল।

ঐছেঙৰ নিঃতমৰ কথাবোৰ সলনি হ'ল। তাই প্ৰকৃতিৰ গান নোগোৱা হ'ল। তাৰ ঠাই ল'লে প্ৰেম, ভালপোৱা ইত্যাদিবোৰে।

ঐছেঙক মনে মনে কামনা কৰা ডেকাবোৰৰ চকুৰ টোপনি হৰিল। পেটৰ ভোক গুছিল। দেউনাথক চকুৰ কুটা দাঁতৰ শূল বুলি ভাবিবলৈ ল'লে।

ডেকাবোৰৰ মাজত গুম-গুমনি উঠিল। পদুলি পদুলিয়ে ফুচফুচীয়া মেল। বান্দৰৰ ডিঙিত মুকুতাৰ মালা।

কিছুমানে আকৌ তাৰ ভাগ্যক বাহ বাহ দিলে। দুয়ো বেছ মিলিব। ধন আচল নহয়। হ'ব নোৱাৰে। আজি আছে কালিলৈ নাই। মনটোহে আচল। ই যুগমীয়া।

তাৰোপৰি দেউনাথ বেয়া ল'ৰা নহয়। বাপেকটোহে কিবা কানীয়া।

কথাষাৰ টোটোৱে বৌটো হৈ গাঁৱত বিয়পি পৰিল। অহকাণে পহকাণে শেষত গাঁওবুঢ়াৰ কাণ চুলেগৈ।

পিছদিনা ঐছেং দৌৰি আহিল। তেতিয়া দেউনাথে পথাৰত কোৰ মাৰি আছিল। কোৰখন দলিমাৰি পেলাই দিলে সি। পেটৰ ভাত মুঠিতকৈ ঐছেংজনী তাৰ বেছি আদৰৰ।

গাঁওবুঢ়াৰ জীয়েকে আধিয়াৰ ওমবৰৰ বোৱাৰী হৈ চোতাল গৰকিলে। গাঁওখনত হুলস্থুল লাগিল।

গাঁওবুঢ়া গৰজি উঠিল। তাৰ পিছদিনা বিচাৰ বহিল।

দেউনাথৰ মনত আছে, ৰাইজ বৃত্তাকাৰ হৈ বহিছিল। মাজত হাত বন্ধাকৈ বহিছিল দুয়ো বাপেক-পুতেক।

গাঁওবুঢ়াই জীয়েকক ঘূৰাই ল'লে। তাৰ আলাসৰ লাড়ু জীয়েকক টোকোনা এটালৈ নিদিয়ে কোনোপধ্যে। আৰু ক্ষতিপূৰণ দাবী কৰিলে ওমবৰৰ ভেটিৰ মাটি খিনি। কানিৰ খোলাটোৰ বাহিৰে অন্য একোৱেই বাকী নাথাকিল ওমবৰৰ।

ৰাইজে ওমবৰৰ মতামত বিচাৰিলে। তাৰ বান্ধ খুলি দিয়া হ'ল। ওমবৰ উঠিল। প্ৰথমে ৰাইজক সেৱা কৰিলে। তাৰ পিছত হঠাৎ বুকুত হাত দি কটা কলগছৰ দৰে বাগৰি পৰিল। যি পৰিল পৰিলেই, আৰু কোনোদিনেই নুঠিল। দেউনাথ ঘাট মাউৰা হ'ল।

কেৰাওত হুৰা-দুৰা লাগিল। গাঁওবুঢ়াই কেবাং ভংগ কৰিলে। ঐছেঙক ঘূৰাই নিলে। ঘৰৰ ছোৱালী ঘৰলৈ যাব লাগে। কান্দি কান্দি তাই গ'লগৈ।

দেউনাথে বাপেকৰ শটো তুলিলৈ চিধা ঘাট পালেহি। সেয়াই তাৰ শেষ আশ্ৰয়স্থল। নিৰ্দয় গাঁওবুঢ়াই ঘৰৰ ভেটিটোকো কাঢ়ি নিলে।

তাৰ পিছত ?

তাৰ পিছত নদীখনেই হৈ পৰিল তাৰ সম্বল, তাৰ সঙ্গিনী, তাৰ মাতৃ। ওমবৰ ঘাটৰ পুতেক দেউনাথ ঘাটে হ'ল। গাঁৱলৈ যাবলৈ এৰিলে। নদীখনৰ ইপাৰ আৰু সিপাৰ— তাতেই আবদ্ধ হৈ পৰিল তাৰ জীৱন।

মাজে মাজে গাঁৱৰ মানুহ সিপৰীয়া গাঁৱলৈ অহা-যোৱা কৰে। তাৰ নাৱেৰেই পাৰ হৈ যায়। সিহঁতৰ পৰাই সি গাঁৱৰ দুই এটা খবৰ-বাতৰি পাই থাকে।

এদিন হঠাৎ ছকলাই কলেহি— "দেউকাই, ঐছেঙৰ বিয়া পাতিছে নহয়।"

বুকুখন ভাঙি পৰা যেন লাগিল তাৰ। হাতখন দি চালে বুকুত। নাই, ঠিকেই আছে। মাথোঁ কৃষ্ণপুৰৰ ডবাটোৰ দৰে বাজিছে।

ঐছেঙৰ বিয়া! এৰা গাভৰু ছোৱালী জনীকনো আৰু থম থমকৈ বহুৱাই থ'ব পাৰিনে!!

ৰতনে ক'লে— "পিছে দৰাটো আলৰ বুঢ়া এটা। তিনিটানে চাৰিটা সন্তান আছে বুলিছে। আগৰজনী ঢুকাবৰ এবছৰ মানেই হ'ল। ল'ৰা-ছোৱালীকেইটাক চাব লাগিব নহয়। সেয়ে ঐছেঙক ধৰিছে। পিছে গাত চেকা থকা ছোৱালীক কোন ডেকা ল'ৰাই বিয়া পাতি বদনামটো মূৰ পাতি ল'ব।" —কথাখিনি কৈ ৰতন নৰ'ল। সিফালৰ গাঁৱলৈ যাব।

পিছে দেউনাথৰ বুকুত খুন্দিয়াই থৈ গ'ল। সি জীৱন্তে মৰা যেন পালে।

তাৰ বাবেই ঐছেংজনীৰ এনে আলৈ-এথানিখন হ'ল। কাংকান ঘাটত কলিজাটো ঠেকেচি পেলাবৰ মন গ'ল তাৰ।

এদিন হঠাৎ শান্ত গাঁওখনত জয়নালৰ মাইকটোৱে ৰজনজনালে। গ্ৰাম'ফোনৰ ঐনিঃতমে তাৰ অকলশৰীয়া টঙি ঘৰটোলৈ হাওঁ হাওঁকৈ খেদি আহিল। তাৰ শুকান কলিজাটো মুচৰি পেলালে।

দৰা আহিল। দৰাটো বৰ লুইতৰ সিপাৰৰ। গতিকে দেউনাথৰ ঘাটেদিয়েই আহিল।

বিনা বাক্যই পাৰ কৰাই আনিলে সি। উপায়ো নাছিল। ইপাৰ-সিপাৰ হ'ব খোজা সকলোকে সি কেতিয়াও নিৰাশ কৰা নাই। অৱশ্যে ব'ঠাৰ এটা কোবত তাক চিৰজীৱনলৈ শুৱাই দিব পাৰিলেহেতেন সি।

নিজৰনো আৰু কি? দেহাটোহে আছে। মনটোচোন কাহানিবাই মৰিও ভূত হ'ল।

কিন্তু তেনে নকৰিলে। ঐছেঙলৈ তাৰ মৰম আজিও কমা নাই। তাই আৰু দুখ পোৱাটো সি নিবিচাৰে।

এটা সময়ত বিয়া ভাগিল। দৰা-কইনা এইফালেদিয়েই যাবগৈ। দেউনাথৰ ঘাটটো হৈ।

কি কৰিব, কি নকৰিব সি ভাবি নাপালে।

গাঁৱৰ মানুহে কইনা আগবঢ়াবলৈ ঢোলে-দগৰে ঘাটলৈকে আহিল। ব'ঠাপাত লৈ দেউনাথ সাজু হ'ল।

ওৰণি দাঙি ঐছেঙে নদীখন চাই ল'লে। একাঁঠু পানীত থিয় হৈ আছিল দেউনাথ। তাই আচলতে তাকহে চাইছিল।

দেউনাথে মন কৰিছিল তাইৰ চকুযুৰি অসম্ভৱ ৰঙা। কেইবাদিনো কান্দি আছিল চাগৈ। কপালত যেন তিনিটা সেন্দূৰৰ ফোঁট ট টকৈ জিলিকি আছিল।

তাই লাহেকৈ নদীখন সেৱা কৰিলে। নদীত ৰুঃনী পৃঃনী (দেৱতা) থাকে। আচলতে তাই দেউনাথকহে সেৱা কৰিছিল। নদীৰ একাঁঠু পানীত থিয় হৈ আছিল দেউনাথ। দেউনাথ হে তাৰ আচল দেৱতা। ৰুঃনী পৃঃনী।

মুখৰ ভিতৰতে বিৰবিৰাই আশীৰ্বাদ দিলে। জহন্নামে যোৱা আশীৰ্বাদটোৰ বাহিৰে তাইক দিবলৈ তাৰ আৰু একোৱেই বাকী নাছিল।

তাৰ দুদিন পাছত হঠাৎ গাঁওবুঢ়াৰ ঘৰত হুলস্থুল লাগিল। গাঁওবুঢ়ানীৰ গগন ফলা চিএঞৰ আহি তাৰ টঙিঘৰটোত খুন্দিয়ালেহি।

ৰতনে ক'লেহি— "ঐছেং আত্মঘাতী হ'ল। ইয়াৰ পৰা যোৱাৰ দিনাই ৰাতি হঠাৎ ঐছেং নিৰুদ্দেশ হ'ল। বহুতো বিচাৰ-খোচাৰ চলিল। নাপালে। পিছদিনা পানী তুলিবলৈ গৈ গাঁৱৰ গাভৰুহঁতে দেখা পালে নদীত ঐছেঙৰ মৃতদেহ।" ......

মালৌৱে আৰু বহুত কিবা কিবি কৈছিল। কিন্তু তাৰ কাণত নোসোমাল। তাৰ মনত মাথোন এটা কথাই গুজৰি-গুমৰি আছিল। ঐছেং আত্মঘাতী হোৱা নাই। তাইক হত্যা কৰা হ'ল। তাইৰ হত্যাকাৰী মহীকান্ত গাঁওবুঢ়া। তাইৰ দেউতাক স্বয়ং...।

দেউকাই নাওখন সোনকালে লৈ আহক। দেৰি হৈছে। কিবোৰনো ভাবি আছে অথনিৰে পৰা। নাওখন মেলিবলৈ ইমান সময় লাগেনে কিবা!!

ইপাৰৰ পৰা খংকৈ চিঞৰিলে। সেইটো গুণ। সিপাৰৰ মঙ্গলবৰীয়া হাটৰ পৰা আহিল চাগৈ।

এৰা! নাওখন মেলিবলৈ লৈ কিবোৰ যে ভাবি আছে সি। কিন্তু সি জানো ভাবো বুলি ভাবিছে সেইবোৰ। আপদীয়া ঐনিঃতমবোৰেহে...

নাকৰ আগটো পানীত তিতা যেন পালে সি। চুই চালে। ধেৎ তেৰি, ভাটি বয়সত চকুৰ পানী। নিজৰ ওচৰতে লাজ লাগিল তাৰ। পানী এচলু আনি মুখখনত এনেয়ে চটিয়াই দিলে সি।

নাওখন খৰধৰকৈ মেলি দিলে সিপাৰলৈ। তেতিয়া কানিমুনি বেলিকা। আকাশত দুটা এটা তৰাই ভুমুকি মাৰিছে।

দেউনাথে আকাশলৈ মূৰ তুলি চালে। ঐছেংজনী চাগৈ তৰা এটি হৈ তাৰপৰা মোলৈকে চাই আছে -সি ভাবিলে।

ইপাৰত তেতিয়া নিথৰ হৈ পৰি ৰ'ল নিজম আবেলিটো।❖

বেলিটোক একোৱে চুৱা কৰিব নোৱাৰে। সংসাৰৰ একোৱেই নোৱাৰে। তহঁতে নিশ্চয়কৈ মানিবি। দেৱতাসকলকো একোৱে চুৱা কৰিব নোৱাৰে। মোৰ দৰে অচ্ছুৎ এটাৰ হাতৰ স্পৰ্শয়ো নোৱাৰে। ...পিশাচ পূজাৰীহঁতে এই কথাটোকে নাজানে।

— আন্টাচেৱলচ ঃ অনুবাদ— ড° প্ৰফুল্ল কটকী

## অপমৃত্যু মৃত্যু ইত্যাদি

কৈলাশ দত্ত
স্নাতক ৩য় বৰ্ষ, প্ৰাণীবিজ্ঞান বিভাগ

সময় হ'লেই আগবাঢ়ে সন্ধিয়া
আন্ধাৰৰ বুকুত হেৰাই যায় পোহৰ
জীৱন নেওচি মৃত্যুৱে
হাতবাউলি মাতে

বন্দুকৰ গৰ্জনে কাঢ়ি নিয়ে
সিহঁতৰ ঠিকনা
চিৰাচিৰ বক্ষস্থল
জৰ্জৰিত এটি মৃতদেহ
কেঁচা তেজৰ কেচেমা গন্ধত
হেৰাই যায় সিহঁতৰ সপোন

ধ্বংসৰ তাণ্ডৱ
তেজৰ যজ্ঞ ...
সিহঁত আগবাঢ়ে
কেৱল মৃত্যুৰ টুকুৰা-টুকুৰ
ছবিৰে

পোহৰৰ মেলাত
নাঙঠ হোৱাৰ ভয়ত
সিহঁত পলাই থাকে
পৰাজিত নায়কৰ দৰে

বাস্তৱৰ কঠিন পৰশত
স্বাধীনতাৰ স্বপ্ন দেখা
জৰৌৰোৱা মানুহবোৰ
জীয়াই থাকে কেৱল
আৰ্তনাদৰ মাজত
চকিত হৈ উঠে
মৃত্যুৰ ঘন্টাধ্বনিত ...❖

## জীৱনৰ অৰ্থৰে মই মোক...

মৃন্ময়ী দত্ত
স্নাতক ২য় বৰ্ষ, অসমীয়া বিভাগ

জীৱনৰ অৰ্থৰে মই মোক চাবলৈ শিকাৰে পৰা
এখিৰিকী শৰতৰ আকাশ
বোকোচাত বান্ধি থৈছোঁ
কেতিয়াবা শিমলু তুলাৰ দৰে উৰি ফুৰিব খোজে মোৰ চৌপাশে
মই নিঃস্ব হৈ যোৱাৰ ভয়ত খেপিয়াই ফুৰোঁ সপোন

জীৱনৰ অৰ্থৰে মই মোক চাবলৈ শিকাৰে পৰা
এমুঠি বকুলফুলৰ গোন্ধেৰে
আমোলমোলাই
ৰাখিছোঁ প্ৰেমৰ কুঠৰী

জীৱনৰ অৰ্থৰে মই মোক চাবলৈ শিকাৰে পৰা
জোনাকত সেমেকিবলৈ শিকিলো
আঁউসীৰ ৰাতিও ভাল পাবলে' শিকিলো
জোনাকৰ বুকুত কিমান শান্তি
বৰষুণত তিতাজনেহে বুজে

সেই বন্দিত প্ৰেমত
তিতি জুৰুলি-জুপুৰি হওঁ
কবিতাৰ ছন্দত চেপি থওঁ সৰু সৰু টোপালবোৰ
ইয়াতকৈ জানো উপলব্ধিৰ পাৰ বাগৰা
প্ৰাণময় সময়ৰ প্ৰয়োজন আছে ❖





## আকৌ এদিন যাম দিখৌ নৈৰ পাৰলৈ

কমল দাস
*বিয়েৰাৰ*, প্ৰাণী বিজ্ঞান বিভাগ

ৰে'ল চলে উকিয়াই
জাহাজ চলে ভটিয়াই
বুদ্ বুদ্ শব্দ কৰি গুচি গ'ল
ভটিয়নী পানী জাহাজখন...

মোৰ মনৰ আঁজলিত থাকি গ'ল
তোমাৰ বহুতো মৰমৰ ৰাতিপুৱা,
যৌৱনভৰ দুপৰীয়া, সুদীৰ্ঘ দিনৰ
চিকমিক ফুট গধূলি!

এতিয়া পাহৰণতে সুমথিৰা-আবেলি এটি
আনো বুলি যাওঁ
আঘোণৰ পথাৰত
তুমি নাই!
সেয়ে ভাবোঁ
আকৌ এদিন যাম দিখৌ নৈৰ পাৰলৈ
আজান পীৰত শুনিম
"মোৰ মনত ভিন্‌পৰ নাই অ' আল্লা
হিন্দু কি মুছলমান একে আল্লাৰ ফৰমান
মোৰ মনত ভিন্‌পৰ নাই"

জিকিৰ বোৰক বিক্ৰি কৰিম
মোৰ বুকুখন
আল্লা-ঈশ্বৰ নামৰ অভিন্ন মুদ্ৰাটোৰ
বিনিময়ত!

আকৌ এদিন যাম দিখৌ নৈৰ পাৰলৈ-
শঙ্কৰ মাধৱ গোপাল অনিৰুদ্ধৰ
গুণ-গান গাবলৈ
নৈ-কাষৰ নল-খাগৰিৰ পৰা
খুজি লম এটা
অকলশৰীয়া সুহুৰি,
নৈয়ে যাচিব হেঙুলীয়া
আবেলি
বুকু ভৰাই ল'ম নৈ পাৰৰ
একলহ উশাহ !!❖

## হেৰুওৱা আত্মা থকা দেশৰ সন্ধানত

ৰিদিপ খনিকৰ
স্নাতক ১ম বৰ্ষ, ৰাজনীতি বিজ্ঞান বিভাগ

মনৰ বাগীত উঠি তোমাক বিচৰা
বহুদিন হ'ল
ঠিকনা বিচাৰি কিমানবাৰ যে
জীৱনৰ ডাকঘৰত খবৰ কৰিলোঁ
কিমানযে পত্ৰ লেখিছোঁ
কেতিয়াবা নিৰৱধি নৈখনকে
ডাকোৱাল সজাইছোঁ কেতিয়াবা দূৰ নীলিমালৈ
উৰি যোৱা
স্বৰ্গীয় পখীটোকে সুধিছোঁ তোমাৰ কথা

কিন্তু নাই
বাগীৰ যাত্ৰাৰ দিনাৰে পৰা
কিমানকযে সুধিছিলো,
"কোনোবাই জানে নেকি হেৰুওৱা আত্মা
কোন দেশত থাকে?"

কোনোৱে মোক একো নকয় কোনোৱে কৰে ভেঙুচালি
উন্মাদ বুলি কৰে অৱজ্ঞা
অৱশ্যে এজনে মোক সঠিক উত্তৰ দিলে
...বোলে অজান দেশত
তেওঁৰ ওচৰত মই চিৰকৃতজ্ঞ

এতিয়া মই ভাগৰি পৰিছোঁ
মোৰ মনৰ বাগীৰ অশ্বও থমকিছে
কেনেকৈনো যাম উত্তৰৰ সন্ধানত
কোনে দেখুৱাব পথ কোন দিশে 'অজান দেশ'
পূবে নে পশ্চিমে উত্তৰে নে দক্ষিণে
কোন ডাকঘৰত খবৰ ল'ম
যদি তাতো নাপাওঁ তেতিয়া ...
তেতিয়া আকৌ কোনে ক'ব মোক
হেৰুওৱা আত্মা থকা দেশৰ কথা❖

# কুঁৱলী

বিদ্যাৱতী গগৈ
স্নাতক ৩য় বৰ্ষ, সমাজশাস্ত্ৰ বিভাগ

আঘোণীবাইৰ স'তে কুঁৱলীৰ
বিষাদ-আলাপ

টোপ্ টোপ্‌কৈ সৰিছে
বেদনা

নীলাচলৰ আঁচল এৰি
ওলাই আহিল সূৰুয

সূৰুযৰ মুখত হাঁহি
কুঁৱলীৰ মুখত লাজৰ আবিৰ

দুবৰিৰ আঁচলৰ আঁৰত
কোন লুকাল কোন লুকাল
কুঁৱলী...❖

# হৃদয়ত খামুচি আছে তোমাৰ স্মৃতি

ৰঞ্জিত শৰ্মা
স্নাতক ১ম বৰ্ষ, অসমীয়া বিভাগ

পশ্চিমৰ বেলিটো অস্তমিত
অমানিশা আহিব
উদয় হ'বনে নৱসৃষ্টি?
টিপ চাকিটি জ্বলিছিল
নুমাও নুমাও কৰিছিল
নদীখন হৈ পৰিছিল তৰাং
শিলবোৰে উচুপিছে
মেঘবোৰ ধোঁৱা চাঙৰ পৰা নামিছে
শালিকীজনীয়ে মোক
'ৰটো টো' বুলি মাতিলে আৰু গুচি গ'ল
আছো এতিয়া
থোক কলথোকতে বহি

পুৱাটি আহিল সেমেকা থোকা-থুকি
মাতেৰে
ডিঙি মোৰ কৰকৰিয়া হ'ল
তুমি হ'ব পাৰা ভাদ অথবা আহিন
কিন্তু মই ....
মোৰ কথা জানাই - শীত
এপিয়লা অমৃত খাই
তুমি অমৰ
নৰকৰ যাতনা কিমান জানানে?
মই তাৰেই স্ফটিক
বহু দিনৰ
বহু সপোনৰ।❖







# আপদীয়া কবিতা

নন্দ চুতীয়া
গ্ৰন্থাগাৰ সহায়ক

(১)

অসমৰ সংস্কৃতি হ'ল ঘনাই অসম বন্ধ
যদিওবা হৈ পৰে জনজীৱন স্তব্ধ
মটৰ শ্ৰমিক সংস্থাই ভাবিলে
প্ৰতিটো সংস্থাই নাম জিলিকালে
আমিনো কেলৈ ৰও দি দিও চকা বন্ধ

(২)

কদাচিতে গিৰীয়েক ঘৈণীয়েকৰ হয় ঘোৰ যুদ্ধ
ইজনে সিজনলৈ নেচাই হৈ পৰে ক্ষুব্ধ
গাল মুখ ওফোন্দাই কৰে বৰ চাইজ
মতা-মাইকী দুয়ো নকৰে কম্প্ৰমাইজ
ঘৈণীয়েকৰ শক্তিশেল পাকঘৰ আজি বন্ধ

(৩)

পৰীক্ষাত ফেইল মাৰিলে হ'ম আমি ক্ষুব্ধ
এইবাৰ ফেইল হ'লে লাগি যাম যুদ্ধ
এবাৰ ফেইল দুখৰ কথা
দুবাৰ ফেইল লাজৰ কথা
খং উঠিলে ফেইল ইউনিয়নে দি দিম অসম বন্ধ

(৪)

অসম বন্ধ জিলা বন্ধ বন্ধ আৰু বন্ধ
বন্ধৰ খুন্দাত জনজীৱন লণ্ড-ভণ্ড
কি অসম কি হ'ল
সুদিনবোৰ ক'ত গ'ল
বন্ধৰ প্ৰতিবাদত কালিলৈ আকৌ পুনৰ অসম বন্ধ।❖

# এই নদী নিৰৱধি

বিউটি বৰা
উচ্চতৰ মাধ্যমিক ১ম বৰ্ষ (কলা)

নদী বৈ আছে
নিৰৱধি
প্ৰকৃতিৰে অমূল্য দান ই
নৈয়েতো নাজানে কি দৰে ধুই নিয়ে
কলুষ কালিমাৰে ভৰা
সমাজৰ আৱৰ্জনা

কবিকতো নালাগে কবিতা লিখিবলে'
কোনো নৈৰ অস্তিত্ব
কবিৰ হৃদয়ত বৈ থাকে
এখনি নীৰৱ নদী
হৃদয়ৰ অনুভূতি নুবুজাজনে
বুজিব পাৰেনে নদীৰ ভাষা ?

ভেটিব জানো পাৰি ইয়াৰ গতিক
নৈয়ে বহন কৰিব পাৰে
এটা জাতিৰ সভ্যতা
অথবা নিঃচিহ্ন কৰিব পাৰে
জীৱন্ত কোনো সত্বাক
নৈয়ে গতি সলালে
সলনি হয় জীৱনৰ ছন্দময়তা
নদীক ভাল নোপোৱাজনে
বুজি পায়নে জীৱনৰ মাদকতা?

জীৱশ্ৰেষ্ঠ মানৱৰ বৰ্বৰতাত
ত্ৰাসিত প্ৰকৃতি
আৰু
চকুলো টুকিছে নদীয়ে

মোৰ দুখৰ পৰত সমভাগী হয় নদী
এক প্ৰাণপৰশা হাত বুলনিত
বেদনাজৰ্জৰ আত্মাই
প্ৰাণ পাই উঠে লাহে লাহে।❖

## চাৰিকড়ীয়া

বিঞ্জুমনি খনিকৰ
স্নাতক ২য় বৰ্ষ, বুৰঞ্জী বিভাগ

চাৰিকড়ীয়া
শৰীৰৰ ঘাম সৰি
এসোঁতা দুসোঁতাকৈ
এখন নৈ হ'লি
পাৰ বাগৰি আহে তোৰ
পলসুৱা সোঁত
সাৰুৱা কৰে কতজনৰ
বুকুৰ বালিচৰ

তোৰ বুকুৰ মৰমত
দুচকুৰ লাজুকী চাৱনিত
উত্তাল হৈ মাছুৰৈয়ে
জাউৰিয়ে জাউৰিয়ে
উজান ধৰে

তোৰ জীৱনৰ সমগ্ৰ মৰমেৰে
আজন্ম অনন্ত কাল
আচ্ছাদিত কৰিছ মোক
ওপচাই দিছ হাঁহিৰ বৰষুণেৰে

মোৰ আকালৰ দিনত
প্ৰেমৰ আকুলতাৰে
নিতৌ বিচাৰি ফুৰোঁ
তোৰ বুকুৰ সীৰলুত
পিতাই সিঁচি যোৱা
জহাধানৰ সঁচ
আৰু
তেওঁৰ পুৰণি ধমকিটো
আওৰাই পাহৰিব খোজো লঘোনীয়া পেটৰ আৰ্তনাদ

তোৰ এঢোক মৰমেৰে
ছাঁ দি ৰাখিবি মোক
তাতেই টোপনি গৈ
পলুৱাম আজন্ম দুখৰ ভাগৰ

পাহৰি নেযাবি মোক
মই যে তোৰ
ইহ আৰু পৰজনমৰ ধ্ৰুপদী প্ৰেমৰ ধৰুৱা।❖

## জাকৈয়া ছোৱালীৰ গাভৰু মন

গোবিন কলিতা
স্নাতক ৩য় বৰ্ষ, অসমীয়া বিভাগ

আঁহত গুৰিৰ পুখুৰীত
মেটেকা কঁপাই
খিলখিলকৈ হাঁহেনে
কাৰৈ পুঠি মাছৰ দৰে
জাক জাক
জাকৈয়া ছোৱালীয়ে

তিতা-তিয়নীৰে আঁজুৰি ঢাকেনে
জাকৈয়া ছোৱালীৰ যৌৱন
উঠন বুকুৰ লাজ

ফুটুকী হৰিণীৰ দৰে মাছুৰৈ
গাভৰুৰ যৌৱনে কাণ পাতি শুনেনে
গৰখীয়া ডেকাৰ
বনগীতৰ
সুৰৰ কঁপনি

শুনি কি নুশুনি উকি
দেখি কি নেদেখি মনৰ ছবি

এতিয়া বনঘোষাৰ সুৰে সুৰে
নাচি উঠেনে
জাকৈয়া ছোৱালীৰ গাভৰু মন❖





## ৰভাতল

পৰিস্মিতা গগৈ
স্নাতক ১ম বৰ্ষ, নৃতত্ত্ব বিভাগ

ওমলা চোতালত দিলে কলপাতৰ ৰভা
মইনাজনী অকণমানি,
বিহাৰ আঁচলেৰে লাজতে ঢাকিলে
বুকুৰ কনাই

পুতলাৰ দৰা-কইনা সাজিবাৰ আজি সাতদিন
সাদিন সাতৰাতি উপবাসে থাকি
আজি তাইৰ আইয়ে ভৰিলে কোচ
কাঞ্চন ঘাটৰ ন জোৰা পানীৰে
মা-হালধি গুচালে গাৰ

সেঁওতা দীঘলকৈ ফালি কপালত পিন্ধালে
এটি তেজবৰণীয়া সেন্দুৰৰ ফোঁট
আইদেউহঁতৰ উকলিত কঁপিল কুঁহি-কোমল বুকু

সেইৰাতি তাইৰ টোপনি নাহিল
কুৰুকি কুৰুকি বুকুত সোমাল বেইৰ তলৰ কলপুলিটো
লাজ লাজ ভাৱেৰে ঢাকিলে বুকু
পিছদিনা ৰাতি কোনোবা অচিন কোঁৱৰৰ চুমাৰ পৰশত
সাৰ পাই সুধিলে,
"আই মোৰ বিয়ালৈ কিমানদিন বাকী ?"

কন্যাকালৰ সেই ৰাৰীৰ চুকৰ কলপুলিটোৰে
মেলিলে থোক (বিয়ালৈ আৰু বেছি দিন নাই)

চোতালৰ আগত জ্বলিল হোমৰ জুই
লগুণ গাঁঠিৰে বান্ধিলে তেওঁক
তিনিবাৰ ঘূৰি ৰামৰ ডিঙিত পিন্ধালে
বৰমালা
আয়তীৰ উৰুলিত দুচকু সেমেকিল
তিনিমুঠি চাউল ঘৰলৈ ছটিয়াই
এৰিলে ৰভাতল তাই...❖

## এটি জাৰজ কবিতাৰ কথাৰে

অপৰাজিতা বুঢ়াগোঁহাই
উচ্চতৰ মাধ্যমিক ১ম বৰ্ষ (কলা)

ঘন আন্ধাৰ ৰাতিটো
প্ৰসৱ যন্ত্ৰণাত চটফটাইছে
"কবিতা আহিবি ৰাতি
বহলাই পাৰি দিম পাটী"
নিচুকনি গীতৰ গুণগুণনি
কবিতা হৈ নামি আহিছিলোঁ
শ্ৰেষ্ঠজন আছিলোঁ সকলো— অপগণ্ডৰ
কৃত্ৰিম বৰষুণত
কাগজৰ নাওখেলা গীত
মোৰ সৰু পৃথিৱীখনত
এটি ক'লা সূৰুয
শ্মশানত এজনী ৰূপহী গাভৰুৰ
নূপুৰৰ ৰুণ-জুন

এটি জাৰজ কবিতাৰ
দুখ-যন্ত্ৰণাবোৰ পাৰ হৈ গৈছিল

চকুৰ পানীত গা ধুই অহাৰ বাবেই
এৰি দিছিল মোৰ জন্মদাত্ৰীক
নদীখনে শুনিছিল কথাবোৰ—মিছাকৈয়ে
গা-ধোৱা ঘাটেদি কোনো নাৱৰীয়া
অহা নাছিল সিদিনা
তাইৰ গাটো লাজ লগা হোৱাৰ পৰা
দেওলগা বতাহে মিছা বাতৰি দিছিল
পৰা হ'লে আয়ে নদীত জাপ দিলেহেতেন
পৰা হ'লে শিলৰ বুকুত জাহ গ'লহেতেন
জৰায়ুৰ গভীৰ কোণত কবিতা হৈ মই
কথা পতাৰ বাবে
আঁতৰি ফুৰিছিল আই পৃথিৱীৰ দুচকুৰ পৰা

মই এটি কবিতা হৈ আহিছিলোঁ
আইৰ উকা পৃষ্ঠালৈ
এজাক উচুপনিয়ে জিৰণি লৈছিল
এটি কলমৰ আগত।❖

(কবিতা সমূহৰ নেপথ্যৰ আলোকচিত্ৰ : ইন্দ্ৰিৰ বুঢ়াগোহাঞি)

কেটাহি

# কলেজত জনপ্ৰিয়তা লাভ কৰাৰ দুই চাৰিটা কিটিপ

নয়নমনি চেতিয়া
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (বিজ্ঞান)

এই বিশ্বায়নৰ যুগত প্ৰত্যেকেই কিবা নহয় কিবা কামেৰে বিখ্যাত হ'ব খোজে। ভাল হওক বা বেয়া হওক, মানুহে কিছুমান কঠিন কাম কৰি 'গ্ৰীনিজ বুক'ত নিজৰ নাম খোদিত কৰিছে।

হে বন্ধুসকল, আপুনিও নিবিচাৰে জানো তেনে জনপ্ৰিয়তা লাভ কৰিবলৈ? আপুনি 'গ্ৰীনিজ বুক'ত নোৱাৰিলেওচোন আপোনাৰ কলেজতেই নামটো ৰাখিব পাৰে। কলেজত অতি কম কষ্টেৰে বুদ্ধি খটুৱাই সস্তীয়া জনপ্ৰিয়তা লাভ কৰিবলৈ আপুনি সমৰ্থ হ'ব পাৰে। কিন্তু তাৰ বাবে প্ৰয়োজনীয় কিটিপবোৰ আপুনি নাজানিবও পাৰে। ময়েই কেইটামান কিটিপ দিবলৈ ওলাইছোঁ। মনোযোগেৰে আকোঁৱালি ল'লে দেখিব, আপোনাৰ আধিপত্য দিনক দিনে বাঢ়ি আহিছে।

প্ৰথম কথা, আপুনি কলেজলৈ অহাৰ আগতেই আপোনাৰ ফিগাৰটো অলপ বনাই ল'ব পাৰিলে ভাল হয়। নহ'লেও আপত্তি নাই। যিকোনো উপায়েৰে অভিভাৱকক জোৰ-জুলুম কৰি হ'লেও 'বাইক' এখন কিনি লওক। অভিভাৱকক বিভিন্ন অজুহাত দেখুৱাই অলপ সৰহকৈ টকা-পইচা সৰকাই লওক। লগত দুই চাৰিজনক নি হোটেল বা কেণ্টিনত কিবাকিবি চাহ-মিঠাই আদি খোৱাবলৈ অভ্যাস কৰক। জৰ্দা পাণ এখন বা ত্ৰিৰংগা পেকেট এটা ফালি মুখত ভৰাই Flake-Filter আদি ধৰণৰ জ্বলাই কুণ্ডলী পকাবলৈ শিকক আৰু শিকাওক। দেখিব, আপুনি বন্ধু মহলৰ মাজত জনপ্ৰিয় হৈ উঠিছে। ইয়াৰ পাছত আপুনি বন্ধু মহলৰ সহায়ত অসাধ্য সাধন কৰিব পাৰে।

"অল্প বিদ্যা ভয়ংকৰী"— এই মহান বাক্যশাৰী শিৰোধাৰ্য কৰি আপুনি দুই এটা কিক, বক্সিং অথবা এলব' মাৰিবলৈ শিকি লওক। লগতে দুই-এযাৰি ইংলিছ মাতিবলৈ শিকি লওক। আৰু তাৰ ভয়ংকৰ প্ৰয়োগ কৰক। মানে ধৰক, আপোনাৰ কোনোবা ইন্টিমেণ্ট বন্ধুৰ দ্বাৰা নতুনকৈ অহা কোনোবা এজনী ভন্টীক অলপ বেয়া ধৰণেৰে জোকাবলৈ প্ৰয়োগ কৰক, আৰু আপুনি আঁতৰৰ পৰা নিৰীক্ষণ কৰি এপাকত পোনছাটেই আহি বন্ধুজনৰ ওপৰত কিক, এলব'ৰে আক্ৰমণৰ অভিনয় কৰক। বন্ধুৱে পৰাজয় বৰণ কৰি আঁতৰি যাওক। দেখিব, আপোনাৰ লগত সেই ভন্টীজনীৰ সাংঘাতিক আত্মীয়তা গঢ়ি উঠিছে। আকৌ তেওঁৰ মুখৰ পৰাই আপোনাৰ গুণ-গান কলেজৰ আনসকলৰ মাজত বিয়পি পৰিছে।

বন্ধুৱে নোজোকাই আন কোনোবা অচিনাকীয়ে জোকালেও একে প্ৰতিক্ৰিয়াকেই অৱলম্বন কৰক। চিন্তা নকৰিব, আপোনাৰ লগত বন্ধু মহল থাকিব। গতিকে আপোনাৰ কোনো হানি-বিঘিনি নহয়। ইয়াৰ পিছত বাইক লৈ অলপ ফুৰিবলৈ ল'ব। অকলশৰীয়াকৈ বা দুজন গ'লে হয়তো কৰবাত Problem আহি যাব পাৰে। গতিকে আপুনি বাইকত চাৰি-পাঁচজনকৈ তুলি লৈ ফুৰক। বিশেষকৈ পাতি লোৱা বান্ধৱী বা আত্মীয়তা গঢ়ি উঠা ভন্টীসকলৰ তালৈ ফুৰিবলৈ গ'লে ভাল হয়। সন্ধিয়া সময়ত বাইক লৈ বছা বছা কিছুমান ঠাইত এনেয়ে দুই চাৰি-পাক মাৰি দিয়ক। বিশেষকৈ ছোৱালী মেছ, ছোৱালী হোষ্টেল আদিৰ আগেদি গ'লে ভাল হয়।

কলেজত বান্ধি দিয়া ইউনিফৰ্মবোৰ তেনেই আওপুৰণি মনোবৃত্তিৰ পৰিচায়ক। গতিকে আপুনি এইবোৰক এৰাই চলি আপোনাৰ ফিটনেছ বজাই ৰাখক। অথবা বাধ্য হৈ ইউনিফৰ্ম পিন্ধিব লগীয়াত পৰিলে তাতে আপুনি Uncommon কৰি আপোনাৰ ফিটনেছ বজাই ৰাখক। আপোনাৰ ড্ৰেছ এনে কৰাৰ উপায় হ'ল, আপুনি পেণ্টত অথালি-পথালিকৈ কিছুমান জেপ চিলাই লওক। চাৰ্টৰ সলনি ইউনিফৰ্মৰ চাৰ্টৰ ৰঙৰ স্পৰ্টিং অথবা নতুন মডেলৰ কিবা পিন্ধিবলৈ লওক। চাৰ্ট পিন্ধাৰো কিছুমান ষ্টাইল আপুনি প্ৰয়োগ কৰিব পাৰে। ধৰক, ওপৰৰ পৰা তিনি চাৰিটা বুটাম নামাৰি চোলাটো ওপৰলৈ উজুৱাই দিয়ক, চাব যাতে ডিঙিৰ গলা পিঠিত পৰে আৰু চাৰ্টৰ তলৰ অংশ নাভিৰ ওপৰত থাকে। ইয়াৰ পিছত আপুনি বুকুখন ফুলাই খোজ দিয়ক। চাব, সকলোৰে চকু আপোনাৰ ওপৰত। অথবা চাৰ্টৰ পিছফালৰ অংশ পেণ্টৰ ভিতৰলৈ সোমোৱাই আগফালৰ অংশ ছুট নকৰাকৈ ৰাখিব অথবা পাছফালৰ অংশ মুকলি কৰি ৰাখি আগফালৰ অংশ ছুট কৰি বেল্টৰ লকটো উলিয়াই ৰাখক। আকৌ পেণ্ট পিন্ধাটো আপুনি ষ্টাইল লগাব পাৰে। ধৰক, পেণ্টটো কঁকালত নিপিন্ধি একেবাৰে কঁকালৰ নিম্ন অংশ মানে য'ত সামান্য বল প্ৰয়োগ কৰিলেই সুলকি যোৱাৰ চান্স থাকে, তাত পিন্ধক। আৰু চাব যাতে পেণ্টৰ তলৰ অংশ মাটিয়ে-বালিয়ে ঘঁহনি খাই পাতলিটো এটুকুৰা এটুকুৰাকৈ এৰি যায়। আপুনি চুলিখিনি "তেৰে নাম" বা নতুন হিন্দী চিনেমাৰ এক্টৰৰ মডেলত কটাই লওক। অথবা জেল ঘঁহি বিভিন্ন ভাঁজৰ কৰি লওক। আৰু এযোৰ ক'লা গাগলছৰ ব্যৱস্থা কৰি লওক। অগত্যা আপুনি বাইক কিনিব নোৱাৰিলে





আপুনি কাৰোবাৰ পৰা ফুল হেলমেট এটা হাতত সোমোৱাই Standard Locket এটাত বাইকৰ চাবিৰ আকাৰৰ কিবা চাবি এটা সোমোৱাই কলেজৰ ফিল্ডত অথবা বাৰাণ্ডাত তহল দি ফুৰক।

"সময় অমূল্য সম্পদ" — গতিকে এই কলেজ টাইমত পোৱা অমূল্য সময়খিনিক ক্লাছত বহি বহি অবাবত খৰচ নকৰিব। তাৰ সলনি কলেজৰ সন্মুখত ৰখাই থোৱা বাইকত বহি বন্ধুসকলৰ লগত আড্ডা দি হাঁহক। অন্যথা আপোনাৰ যথেষ্ট লোকচান হৈ যাব পাৰে। আপুনি সদায় সাহসী হ'ব। প্ৰতিটো কামেই সাহসেৰে কৰিব। আপুনি সফল হ'বই। গতিকে আপুনি Urinalত গৈ চিগাৰেট খোৱাতকৈ কলেজৰ সন্মুখত বাইকৰ ওপৰত বহি খালেহে বেছি শুৱনি হয়।

চিন্তা নকৰিব। বন্ধু মহল লগত থাকোঁতে আপোনাক কোনে কি কৰিব পাৰে? ইয়াৰ পিছত য'ত প্ৰফেচৰ নাথাকে তেনে এটা ক্লাছ ৰুমত গৈ পোনছাটেই কিক বা ঘোচা মাৰি ক্লাছৰ বেঞ্চ বা ডেস্ক এখন ভাঙি দেখুৱাওক। আৰু আপোনাৰ প্ৰতিপত্তি বঢ়াওক। চাব — ঘোঁচা মাৰিবলগীয়া বেঞ্চ বা ডেস্কখন একে চাততে ভাঙিব পৰা হয়নে নহয়। অন্যথা আপুনি লাজত পৰাৰ ভয় থাকে। আকৌ এই ভগ্ন বেঞ্চ-ডেস্কবোৰ বন্ধুসকলৰ সহায়ত ক্লাছৰ পিছফালে দমাই নিয়ক। পাৰিলে ঘোঁচা মাৰি খিৰিকিৰ গ্লাছ দুই এখন ভাঙি দেখুৱাব পাৰিলে ভাল হয়। যদি কোনোবাই আপোনাৰ বিপক্ষে অফিচত গোচৰ দিবলৈ ওলাই, তেন্তে বন্ধুসকলৰ সহিতে আপুনি তেওঁক দুই এটা চৰ সোধাই বহাই থওক। চাব আপোনাৰ প্ৰতিপত্তি দিনক দিনে বাঢ়িছে।

বন্ধুমহলৰ এজন এজনকৈ পাল পাতি প্ৰতিটো ক্লাছত উপস্থিত থাকি সমগ্ৰ বন্ধুমহলৰ উপস্থিতিৰ প্ৰমাণ হাজিৰা বহীত ভৰ্তি কৰাওক। মাজে-সময়ে আপুনি বন্ধু মহলক পানীয়বিধ যোগাৰ কৰি খানা দি থাকিব। পৰীক্ষাৰ বাবে টেক্সবুক পঢ়াৰ কোনো প্ৰয়োজন নাই। বৰ্তমান বিজ্ঞানৰ যুগত কম কষ্টত উৎকৃষ্ট ফল পাবলৈ যত্ন কৰাটো আপোনাৰ স্বাস্থ্যৰ কাৰণেই ভাল। গতিকে পৰীক্ষাৰ আগদিনা দোকানৰ পৰা 'মডেল', 'চাজেচন' আদি নি পোনচাটেই পৰীক্ষাহলত মেলিবগৈ। যদি কোনোবা গাৰ্ডে আপোনাৰ নকল কাঢ়ে, তেন্তে আপুনি তেওঁক বন্ধুমহলৰ সহিতে বাটে-পথে আগচি ভাবুকি দিয়াৰ ব্যৱস্থা কৰক। দেখিব, এনেয়ে তেওঁৰ আপোনাৰ প্ৰতি দৰ এটা বাঢ়ি গৈছে। তাৰ পিছৰ বছৰলৈ আপোনাৰ ৰাস্তা খোলা ৰাখিছে।

আপুনি ৰাস্তাইদি বাইক এনেকৈ চলাবলৈ লওক যাতে আপোনাৰ শিক্ষাগুৰু তথা আন পথিকে আঁতৰতে আপোনাক দেখিয়েই চাইকেল, মটৰ আদিৰ পৰা নামি ৰাস্তাৰ কাষৰ নিৰাপদ স্থানত ৰৈ আপোনাক সন্মান জনাবলগীয়া হয়।

এইখিনি সজ উপদেশ হৃদয়ংগম কৰিব পাৰিলেই আপোনাৰ প্ৰতিপত্তি তথা জনপ্ৰিয়তা কুলাই-পাছিয়ে নধৰা হ'ব।❖

**ৰহঘৰা ঃ**

✡ এদিন ৰৰযুগৰ বতৰত এজন ডেকা এখন ৰেলৰ ভিতৰলৈ তিতি বুৰি সোমাই অহা দেখি এজন বুঢ়াই সুধিলে, 'অ' বোপাই তিতিলা নেকি ?

ডেকা ঃ দেউতা, মই তিতিলা নহয়, তিতিলাৰ ভায়েক কনতিলাহে।

✡ ঃ অ' তপন, মিঠা বৰণীয়া গৰুটো দেখিছিলা নেকি ?

তপন ঃ দেখিছিলো, কিন্তু তিতা নে মিঠা চেলেকি নাচালো।

✡ ঃ অ' অনিল, পৰীক্ষা কেনে হ'ল।

অনিল ঃ বৰ ভাল নহ'ল। মই পঢ়ি গলো জাতীয় পতাকাৰ ৰং কেইটা আৰু কি কি? পৰীক্ষাত আহিল ৰাষ্ট্ৰীয় পতাকাখনৰ ৰং কেইটা আৰু কি কি ?

✡ ঃ হলিৰাম ক'চোন আকাশত মেঘে গৰজিলে কিয় পোহৰ ওলায়?

হলিৰাম ঃ ছাৰ মেঘে আকাশত টৰ্চ মাৰি চায় ক'ৰবাত গৰজিবলৈ বাকী আছে নেকি।

✡ এদিন ল'ৰা এটাই চাইকেল চলাই গৈ আছিল। সি মানুহক আচৰিত কৰিবৰ বাবে হাত এৰি ক'লে, "চাওক, মোৰ হেণ্ডেলত হাত নাই।" তাৰ পাছত পেডেলৰ পৰা ভৰি আঁতৰাই ক'লে, "চাওক, মোৰ পেডেলত ভৰি নাই।" অলপ দুৰ গৈ ল'ৰাটো পৰিল। পৰাৰ পৰা উঠি সি ক'লে— "চাওক, মোৰ মুখত এটাও দাঁত নাই।"

✡ চিন্ময় ঃ দেউতা তুমি আন্ধাৰত লিখিব পাৰানে।

দেউতাক ঃ কিয় লাগে?

চিন্ময় ঃ তুমি আগতে কোৱা পাৰানে নোৱাৰা?

দেউতাক ঃ পাৰিম দিয়া। কথাটো কোৱা, এ কাৰণ্টেই গ'ল।

চিন্ময় ঃ এইখন মোৰ স্কুলৰ ৰিপৰ্ট কাৰ্ড। গতিকে এতিয়াই তোমাৰ চহীটো কৰি দিয়া।


✡ চুনচুনক মাকে পঢ়ুৱাই আছে। পঢ়াৰ মাজতে সি মাত লগালে, আমাৰ এটাই 'প'টো কেনেকৈ লিখে জানা। এনেকৈ লিখে '।৫' (লিখি দেখুৱায়)। হাঁহি উঠে নহয়নে মা।

মাক ঃ তুমি কেনেকৈ লিখা সোণটো।

চুনচুন ঃ চোৱা মা, এনেকৈ—'।৫' হৈছে নহয়নে মা।

সংগ্ৰাহিকা ঃ ৰশ্মি ৰেখা দত্ত

## প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ শিতান



# এজন প্ৰিজাইডিং অফিচাৰৰ ডায়েৰী

চিন্তন বৰুৱা
প্ৰাক্তন ছাত্ৰ

কাহিলী পুৱাতেই বিচনা এৰিলো। বাৰে কুৰি ভাবনাত টোপনি নাহিল। গৃহিনীয়ে ঘটং মটং কৰি পাকঘৰত ৰন্ধা-বঢ়া কৰি ক'লেহি—আহকচোন, কিবা এটা খাই লওকহি। ইমান কাউৰী পুৱাতে মোৰ খোৱাৰ অভ্যাস নাই। খামনো কিটো? উচ্চ ৰক্তচাপ, হৃদৰোগ আৰু ডায়েবেটিছৰ নিচিনা সম্ভ্ৰান্ত বংশজাত ৰোগৰ লগত হৰিভকত সম্বন্ধ। শুকান ৰুটি এখন, নাপিতে দাঁড়ি খুৰাবলৈ ব্যৱহাৰ কৰা বাটিটোৰ সমান ঢেংঢেঙীয়া দাইল এবাটি, মৰিচা শাক দুডালমানৰ ভাজি। আগৰ জুতি-বুধিৰে খোৱা মুখ; এতিয়া মুখত ললে পেটলৈ যাবলৈ মন নকৰে। এৰা, কৰিম কি? ইফালে ওলাই সাজু হ'বৰ হ'লেই। চৰকাৰী দায়িত্ব— দেশৰ কাম। প্ৰথমখন নিযুক্তি-পত্ৰত ট টকৈ জিলিকি আছে— ইলেকচন ইমাৰজেন্সি। কৰ্তব্যত তুৰি-মুৰি কৰিলে চাকৰিলৈ পতং। পাঁচ কিলোমিটাৰ বাট যাব লাগে। বাটো বেয়া। কিছুমান চকুচৰহা ৰাইজে এনেকুৱা বাট-পথক এইট্‌টি-টুৱেন্টি অংকৰ ভোজৰ ভাত বুলিও কয়। চৰকাৰী অনুমোদন যদি একলাখ তাৰে আশীভাগ মন্ত্ৰী, এম এল একে আদি কৰি বিষয়া-ঠিকাদাৰৰ পেটত হজম হয়। বিশ ভাগৰহে কাম হয়। যেইছা ৰাজা তেইচা পৰজা— অসচেতনাৰ ফল। সাধাৰণ মানুহৰ কঁকালৰ বিষ হয়, ভৰিৰ নখ ছিগে। মই লাহে লাহে গ'লেহে হ'ব। নিৰ্দেশনা পত্ৰত লিখা আছেই— পুৱা আঠ বজাত নিৰ্বাচনী কাৰ্যালয় পাবগৈ লাগিব। টালি-টোপোলা বন্ধা কাম আছেই— অন্ততঃ গৰম কম্বল এখন, বিচনা চাদৰ এখন, গাৰু এটা লবই লাগিব। কেনেকুৱা জেগাত বা পৰো! ফাইনেল এপইণ্টমেন লেটাৰখন ভোটৰ সা-সামগ্ৰী চমজি লোৱাৰ অলপ আগে আগেহে পাম। মোৰ সহযোগী পলিং অফিচাৰ কিজন বা কেনেকুৱা বিধৰ? আগৰ অভিজ্ঞতাৰ পৰা ক'ব পাৰি, কিছুমান বৰ ভাল, কিছুমান মহা আহুকাল। গৃহিনীয়ে নিয়মীয়াকৈ খোৱা জীৱনদায়িনী ঔষধ কেইটা খাবলৈ নেপাহৰিবলৈ কৈ ঔষধৰ টোপোলাটো বেগত ভৰাই দিলে। তাহানিৰ অসমীয়া তিৰোতাই গিৰিয়েক ৰণলৈ যাবৰ বেলিকা ৰাতিৰ ভিতৰতে পাঁজি-কাটি, তাঁত বৈ মন্ত্ৰপূত কবচ কাপোৰ দি সজাই পৰাই পঠিয়াইছিল। শ্ৰেণীত বুৰঞ্জী পঢ়ুৱা শিক্ষক মানুহ মই। বাৰেপতি তেনেকুৱা কথাবোৰে মনৰ দীঘলীবাটত তাঁত-বাতি কাঢ়িছে। ভোট লবলৈ যোৱা কামটোক আজিকালি বহুতে ৰণথলীলৈ যোৱাৰ সমান বুলি কয়। নহয়নো কি? চাৰি-পাঁচজন অচিনাকি মানুহে হেজাৰ বাৰশ মানুহৰ মন-মেজাজ অধ্যয়ন কৰিব লগীয়া হয়। আগৰ দিন নাই। আজিকালি সকলোবোৰ কথা জটিল হৈ আহিছে। আগেয়ে স-সন্মানেৰে ভোট গ্ৰহণ কামটো সম্পন্ন হৈছিল। দুষ্কাৰ্যলৈ মানুহবোৰে ভয়-শংকা কৰিছিল। আজিকালি দুষ্কাৰ্য কৰাবোৰহে ওপৰহতীয়া মানুহ হৈছে। তথাপিও ভোট লবলৈ যাবই লাগিব। কৰ্তব্যত হেলা কৰোঁতে লাচিতে মোমায়েকৰ শিৰশ্চেদ কৰাৰ দৰে ওপৰৱালা বিষয়াই জেল-হাজোতলৈ পঠিয়াব পাৰে। বাঘ বৰালিয়ে সৰু মাছ খাবলৈ ঈশ্বৰক নিচিন্তে। মধ্য বিত্তীয় শ্ৰেণী স্বাৰ্থত কামোৰ মাৰি তলতীয়া চাকৰিয়ালবোৰে চেপেটা মাৰি থাকে। অৱশ্যে এইটোও দেশৰ জৰুৰী কৰ্তব্য। গণতান্ত্ৰিক প্ৰক্ৰিয়া এটা। কিন্তু কামৰ ধৰণ-কৰণবোৰ আউল লগা। বাপেক মৰিব এতিয়া—মৰক, ঘৈণীয়েকৰ সন্তান প্ৰসৱৰ সময় হৈছে— হওক। ওপৰৱালা সদয় নহলে হাত সাৰিবৰ উপায় নাই। আউল লগা প্ৰক্ৰিয়াৰে কৰ্তব্য কৰোঁতে কোনোবা পুত্ৰহাৰা হৈছে, কপালৰ সেন্দূৰ মচ খাইছে, চিৰদিনলৈ ঘূনীয়া হৈছে, কোনোৱে লপা-থপা খায়ো জীৱনজুৰি লাজক আঁচলপাতি লৈছে হয়— কিন্তু কি কৰিব, এইবোৰতো দেশৰে কাম। তথাপিও গৃহিনী আৰু আপোন পা-পৰিয়ালে ভোট লবলৈ ওলালে খুব ভয় কৰে। বুজনি নামানে। বাতৰি কাগজত ভয় লগা খবৰ ওলায়। গাত মাহ-হালধি ঘঁহা বহুত বছৰ হ'ল। কেতিয়াবা নমতা-নমতি হৈছো, খকা-খুন্দাও লাগিছো, আকৌ সই-শপত খাইছো, মৰমৰ ইয়াঙাবু সন্ধি কৰিছো। এইদৰে সংসাৰ নদীত নাওখনি চলাই আছো যদিও এনেকুৱা কামত এফালে ওলালে গৃহিনীৰ চকুৰ কোণ দুটা চলচলীয়া হয়। নেদেখাজনক ভাৰসা ৰাখি তেওঁৰ যাঠিত গাঁথিৰ বিষ হোৱা হাচবেগুক পদূলিমুখৰ শেৱালিজোপাৰ গুৰিলৈকে আগবঢ়াই দিলেহি।

আজি তেওঁৰ গিৰিহঁত দেশৰ সাধাৰণ নিৰ্বাচনৰ অসাধাৰণ প্ৰিজাইডিং অফিচাৰ। মোগল সম্ৰাট হুমায়ুনে কৃতজ্ঞতাৰ চিনস্বৰূপে এদিনীয়া সম্ৰাট পতা পানীভাৰীটোৰ নিচিনা ক্ষমতাৰে মহীয়ান। মাথোন এদিনীয়া। কিন্তু সেই ক্ষমতা বা কেইজনে পূৰাবলৈ পাইছে। ঢাল তৰোৱাল বিহীন নিধিৰাম চৰ্দাৰ।

টালি-টোপোলা বান্ধি বাইচ্‌কলখন ঠেলি নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়লৈ ৰাওনা হ'লো। চাকৰিৰ ধনেৰে কিনা মটৰ চাইকেল এডুখৰি নোহোৱা নহয়। আমাৰ চুবুৰীৰ এমূৰত থকা বাঁহৰ দলংখনৰ এমূৰৰ চঁচালিখন ভাগিল। পাৰ কৰোৱাত মস্কিল। কুঁৱলী পৰি গোটেইখন বগা হৈ আছে। লাহে লাহে চাইকেলৰ পেডেল ঘূৰালো।

মহকুমাধিপতিৰ কাৰ্যালয়ৰ কাষতে থকা নিৰ্বাচনী কক্ষ পালোগৈ। ইজন সিজনকৈ গোটেই সমষ্টিটোৰ দায়িত্বপ্ৰাপ্ত প্ৰিজাইডিং অফিচাৰ, পলিং অফিচাৰকে আদি কৰি বিভিন্ন বিভাগৰ কৰ্মচাৰীসকল আহি কাৰ্যালয়ৰ সন্মুখৰ বহল ফিল্ডখন ভৰি পৰিল। আগবেলাৰ আঠ বাজিল; কিন্তু সা-সামগ্ৰী চমজি দিয়া নিৰ্বাচনী বিষয়াকিজনহে আহি পোৱাহি নাই। আঠ বজাত সময় দিলে কি হ'ব; চাৰে দহ বজাৰ পিছতহে হেনো কাউণ্টাৰ খুলিব। এটা দিন আছেই মাজতে। ইফালে দুটা মাইকত বিভিন্ন ঘোষণা কৰিবলৈ ধৰিছে। পুহমহীয়া জাৰ। হাতে হাতে হল্ড-অল্ড, টালি-টোপোলা লৈ মানুহবোৰ ইফালে-সিফালে ঘূৰি ফুৰিছে। কোট-চুৱেটাৰ, হলৌ-টুপী, মাৰ্ফলা গাত আঁৰি মানুহৰ গমনাগমন দেখি কাশ্মীৰৰ ফালৰ বজাৰ একোখনৰ ৰূপহে যেন লাগে। কাৰোবাৰ মুখত হাঁহি, কাৰোবাৰ মুখত খং আৰু উদ্বিগ্নতাৰ ছাপ। কুঁৱলীজাকো আঁতৰাই নাই, গাত বিন্দু বিন্দু নিয়ৰৰ কণিকা। কাউণ্টাৰৰ ফালে মূৰ কৰি মানুহবোৰে কথাৰ মালিহা মাৰিবলৈ ধৰিছে। চিনাকি জনক দেখি কাষ চাপি গৈছে। চালি দি সজা সৰু অস্থায়ী দোকানবোৰৰ পৰা তামোল-চাধা-চিগাৰেট কিনি সময়বোৰ পাৰ কৰিছে। ডেকা-ডঙুৱা দুজনমানে কাৰো নাম ধাম নকঢ়াকৈ ওখ খাপৰ নিৰ্বাচনী বিষয়াসকলক উদ্দেশ্যি গালিৰ নিচিনা তীৰ্যক মন্তব্য একোষাৰ এৰি দিছে। তেওঁলোকে যে সময়ৰ মূল্য নুবুজে, কামবোৰ নিয়াৰিকৈ কৰিব নেজানে তাকে আলোচনাৰ মূল বিষয়বস্তু কৰিছে। নহলেনো বাহী বিয়াৰ বৰযাত্ৰীৰ নিচিনাকৈ গুৰুত্ব নিদি হাৰাশাস্তি দিয়াৰ কি অধিকাৰ আছে? বয়সীয়া সকল নিৰ্বিকাৰ ভাবে আছে। চিনাকি ইজনে সিজনক লগ পালেই কোনে ক'ত নিযুক্তি পাইছে তাৰ কিবা পূৰ্বাভাস পাইছে নেকি সুধিছে। কোনো কোনোৱে পূৰ্বৰ অভিজ্ঞতাৰ টোপোলা খুচঁৰি কৈছে যে কনফিডিয়েন্স কথাটো কাগজে-কলমেহে। বিভিন্ন কাৰ্যালয়ৰ পৰাক্ ৰিক্ৰুইট কৰা কেৰাণী দুজনমানক অলপ খাতিৰ কৰি আগতীয়াকৈ কৈ থলেই পেহী-মাহীয়ে গিজগিজাই থকা মনোমত জেগাত নিযুক্তি দিব পাৰে। হট্‌কেজত ভাত, ফ্লাক্সত চাহপানী গৈ থাকিব। ইচ্ছা কৰিলে আপুনি নামো খাৰিজ কৰিব পাৰে। ইফালে ৰাজনৈতিক দালালবোৰেও নিজৰ মানুহক নিৰ্দিষ্ট ভোটকেন্দ্ৰত পেলাবলৈও হাতোৰা বাই ফুৰে। নিজৰ গাতে চিকুটি চালো। আত্মসন্মানটোক পৰাপক্ষত খালত পৰিবলৈ দিয়া নাই। এতিয়ালৈকে ন-দহবাৰ প্ৰিজাইডিং অফিচাৰ হৈ দেশৰ কৰ্তব্য বুলি কাম সমাধা কৰিলো। তিতা-মিঠা অভিজ্ঞতাবোৰ আঁচল পাতি গ্ৰহণ কৰিলো। অৱসৰ লৈ আজৰি হবলৈও মাথোন ছমাহ মান আছে। নিজৰ ছাত্ৰৰ লেখীয়া বিষয়া-কেৰাণী দুজনমানৰ আঁঠুৰ ওচৰতনো এই বয়সত কি কাকুতি-ঘোষা গাম? সত নাযায়। পাৰি জানো?

'এপইণ্টমেন চেল'ৰ খিৰিকি খোল খালে। কেইজনমানে ভিতৰৰ পৰা লোৰ গ্ৰিলৰ সৰু কুন্দ্ৰাক্ষৰ মাজেদি আচলখন নিযুক্তি পত্ৰ দিবলৈ আৰম্ভ কৰিলে। সেইখনতহে ভোটকেন্দ্ৰৰ সৱিশেষ পোৱা যায়। এইটো নিয়ম নতুন এইবাৰ। হৈ যোৱা নিৰ্বাচনবোৰত দহ-পোন্ধৰ দিন মানৰ আগেয়েই পাইছিল। প্ৰিজাইডিং আৰু পলিং অফিচাৰসকলে পৰস্পৰে চা-চিনাকি হৈ, ভোট কেন্দ্ৰও চাই-চিতি থকা-মেলাৰ সু-ব্যৱস্থা কৰিব পাৰিছিল। তেনে কৰাত হয়তো কেৰোণ সোমাল। এইবাৰ নতুন ব্যৱস্থা। খিৰিকিৰ মুখত মানুহৰ হেঁচা-ঠেলা, চিএঞৰ-বাখৰ আৰম্ভ হৈ গ'ল। ইমান সময়ে সভ্য-ভব্য হৈ থকা মানুহবোৰ বাৰুণী সুৰা সেৱন কৰা যদু বংশীলৈ প্ৰমোচন পালে। হিট্ চিনেমা নতুনকৈ আহিলে হলৰ কাউণ্টাৰত চেঙেলীয়া দৰ্শকৰ হেঁচা-ঠেলাৰ কোব চৰাৰ দৰে ইয়াতো গোটেইখনৰ গাত গোঁসানী লম্ভিবলৈ ধৰিলে। দলদোপ-হেন্দোলদোপ। ভিতৰৰ ফালৰ পৰাও ক্ৰম অনুসাৰে দিয়া নাই। কাগজবোৰ তল-ওপৰ হ'ল। ৰুগীয়া-বেথীয়া মানুহে তালৈ গৈ নিযুক্তি-পত্ৰ অনা সম্ভৱ নহয়। আমাৰ দেশৰ ৰাজনৈতিক নেতাই শাৰী বিলাওঁতেও দহ বাৰজনীকৈ দুখীয়া মহিলা গচকত মৰা সাধাৰণ কথা। ই নিৰ্বাচনী প্ৰক্ৰিয়াৰ এখন লতা-কটা ৰণ। নিয়ম-শৃংখলা নাই। যাৰে বল বেছি আছে তেঁৱেই গোনাম'হৰ নিচিনা আগবাঢ়ি গৈ নিজৰ হাতত থকা কাগজখন দেখুৱাই নিযুক্তি পত্ৰখন আনে। দুৰ্বলীৰ ভিতৰৰ দুই এজনে শাৰী পতাৰ কথা কৈছিল যদিও সেই কথাই কাৰোৰ কাণৰ মাকৰিৰ কাষ নাপালেগৈ। ইফালে হাতৰ টালি-টোপোলাও য'তে ত'তে এৰিব নোৱাৰি। চিনাকি এজনক ৰখীয়া পাতিব লাগিব। দিন কালহে যি হৈছে।

ঘাইজানৰ পানীত নানামি পাৰলৈ উজান উঠক বুলি বাট চালো। আমাক হেনো আজি নি কোনোবা এখন স্কুলতহে বাহৰ পাতিবগৈ। পিছদিনাহে নিজ নিজ ভোটকেন্দ্ৰত পৌচাই দিব। উৎপাত কৰিবৰ প্ৰয়োজন নাই বুলি ধৰি ললো। অৱশেষত নিজৰখন নিযুক্তি-

পত্ৰ পালো। পোনেই ভোটকেন্দ্ৰটোৰ নাম পঢ়িলো— নম্বৰ এশ আঠ, এলেংপৰীয়া এল পি স্কুল, বাঘৰ চুক। নামটোৰ অৰ্থ বুজি নাপালেও তাহানিৰ বাঘ-ভালুকৰ বাসস্থান আৰু এতিয়া এখন ভিতৰুৱা গাঁও বুলি ধৰি ললো। মোৰ বৰসেনাপতিৰ তলে দিয়া পালি সেনাপতি পলিং বিষয়াসকলৰ নামো পঢ়িলো। পূৰ্বৰ চিনাকি এজনো নাপালো। মোকে ধৰি মুঠ মানুহ চাৰিজন। খা-খবৰ কৰি দুজন মোৰ লগ ললেহি। চা-চিনাকি হ'লো। কম-বয়সীয়া মানুহ, হাঁহি মুখীয়া। এজনহে নাই। 'পাবলিচিটি চেল'ৰ জৰিয়তে মাইকত সিজনৰ নাম, পদবী কেইবাৰমান ঘোষণা কৰালো। নাই। কিবা প্ৰকাৰে নাম কটালে। 'এপইণ্টমেন চেলে' সেইজনৰ বদলি সংৰক্ষণৰ তালিকাত থকা এজনক আমাৰ লগত সাঙুৰি দিলে। কিয় জানো প্ৰথম দৰ্শনতেই তেওঁৰ প্ৰতি বীতশ্ৰদ্ধ হ'লো। অৰ্ধনিৰ্মিলীত চকু, হাৱ-ভাৱ, চলন-ফুৰণত শলাগিবলগীয়া গুণ নেদেখিলো। সাজপাৰ জধলা। বয়সো বেছি নহয়। মুখ-গহ্বৰেদি নিৰ্গত মাদক দ্ৰব্য ফেৰিৰ গোন্ধক জৰ্দাপাণৰ গোন্ধেৰে পৰাস্ত কৰিব পৰা নাই। ঘৈণীয়েকে বাৰু মুখ ধুবলৈ ফিল্টাৰ কৰা পানীৰ সলনি ভুলকৈ সিবিধেই দিলে নিকে? ইমান ৰাতিপুৱাতেই! ইয়াকে কয়— ভাগ্য।

অইন এটা কাউণ্টাৰেদি স্যমন্তক মণিস্বৰূপ ইলেকট্ৰনিক ভোটিং মেশ্বিনকে মুখ্য কৰি ভোট গ্ৰহণৰ সা-সামগ্ৰীবোৰ চমজি লোৱা হ'ল। এইবেলি প্ৰথমবাৰৰ বাবে ইলেকট্ৰনিক ভোটিং মেশ্বিন প্ৰয়োগ হ'ব। আগৰ জপাৰ লেখীয়া লোহাৰ গলগ্ৰহ বাকচবোৰ নাই। পাতল পাতল লাগিছে। শোৱন-খাৱন এৰি হেজাৰ-বাৰশ বেলট পেপাৰো চহী কৰিবলগীয়া নাই। ৰবটৰ নাতি-পুতিৰ লেখত পৰা মেশ্বিনটো ভি. আই. পি. কেচৰ নিচিনাকৈ লৈ ফুৰিব পাৰি।

গোটেই ফিল্ডখন জুৰি জুম জুমকৈ বহি মানুহবোৰে নিজৰ নিজৰ ভাগত পৰা বস্তুবোৰ সঠিকভাবে পাইছেনে নাই তাক তন্ন তন্নকৈ চাই-চিতি লৈছে। এইটো নিয়মেই। দৰকাৰী বস্তুৰ হৰণ-ভগন হ'ব নোৱাৰিব। আমিও অলপ মুকলিমূৰীয়া ঠাই এডোখৰতে চোতালত পুৰণি পেৰাৰ সাজ-পাৰ, আ-অলঙ্কাৰ উলিয়াই চোৱাদি গোটেইখিনি বস্তু লিৰিকি-বিদাৰি চাবলৈ ধৰিলো। ভোট লৈ আহি 'ৰিচিভিং কাউণ্টাৰ'ত বস্তুবোৰ চমজাই দিবৰ বেলিকা এপদ বস্তু নাপালেই দুজনমানে যেনেকুৱাখন পয়মাল সৃষ্টি কৰে ভুক্তভোগীয়েহে জানে। কাগজ-পত্ৰ, চিল-মোহৰ ঢেৰ, সৰু-ডাঙৰ খামো এগালমান। কিছুমান খালি হৈয়ে থাকে, তথাপিও লা-ৰে মোহৰ মাৰি আনিব লাগে। তালিকাখন চাই মই নিজে গাই যাবলৈ ধৰিলো। পলিং বিষয়াকিজনক 'চেক' কৰিবলৈ ক'লো। পেপাৰ চিল-খামৰ ভিতৰত আছে —সৰু কাগজ। প্ৰিজাইডিং অফিচাৰৰ ডায়েৰী—ডায়েৰী বহী নহয়, তিনিখিলামান কাগজ— সেইখনেই আচলখন, ইন্‌ডেলিবল ইংক—ভোটাৰৰ নখত ৰং দিয়া চিঞাহি—দুই ফাইল-পালেনে? ৱাক্স মানে মমবাতি—এক পেকেট- পালে যদি সিফালে থক। মনত পৰিছে দেই, এবাৰ বেলট পেপাৰ খোচা পুছাৰ (Pucher) ডাল মানে খোচনি মাৰিডাল হেৰাল—ৰিচিভিং কাউণ্টাৰত সেইডালকে বিচাৰি ব্যতিব্যস্ত কৰি আছিল— সামান্য বাঁহ এচটি—তেহে হোমগাৰ্ডৰ ডেকা ল'ৰাটোৱে দৌৰ মাৰি গৈ নিৰ্বাচনী কাৰ্যালয়ৰ ফুলনিৰ জেওৰা খনৰ জেওৰা এচটা ভাঙি আনি দিয়াতহে ৰক্ষা পৰিলো। কথাবোৰ হাঁহি উঠা। ইলেকচনত সেইডালৰো মহিমা, ফুটা লেমটোৰো মহিমা। প্ৰথম পলিং বিষয়াজনে মোক সমৰ্থন কৰি ক'লে— খোচনি মাৰিডাল আৰু সেৰেঙা-ফেটেঙাকৈ সজা ৱেষ্ট পেপাৰ বাস্কেটৰ যোগান ঠিকাটো পালেও হেনো গাড়ী এখন নিজাকৈ লব পাৰি। এইবোৰ সঁচা নে মিছা নাজানো। কেতিয়াবা আক' বিচৰা কাগজখন বা খামটো হাততে থাকে, অথচ বিচাৰি হায়ৰাণ হ'বলগীয়া হয়। বেচি চিৰিয়াছ হ'লে তেনেকুৱা হয়েই। দুই এপদ পোৱা নাযায়ো।

এইবাৰ কাৰ্যালয় চৌহদৰ পৰা ওলাই আহি 'টেন্সপট চেল'ৰ ফালে আহিলো। বাহিৰৰ ফিল্ডখনত শাৰী শাৰী গাড়ী। অধিগ্ৰহণ কৰা। ভৌগোলিক ভাবে গোটেই বিধান সভা সমষ্টিটোৰ ভোটগ্ৰহণকাৰী সকলক দুটা মণ্ডলত বিভাজন কৰিছে। আইন-শৃংখলাৰ দোহাই দি আমাৰ 'বি' মণ্ডলৰ মানুহবোৰক এখন হায়াৰ চেকেণ্ডাৰী স্কুলত এৰাতি ৰাখিব। একোখন গাড়ীত তিনি-চাৰিটাকৈ ভোট কেন্দ্ৰৰ বিষয়াসকলক ক্ৰম অনুসৰি পঠিওৱাৰ ব্যৱস্থা হ'ল। একোটা দলৰ লগত দুডাল ৰাইডাং বেত দণ্ডধাৰী লোক দিলে। এজন আৰক্ষী, এজন হোমগাৰ্ড। এজনৰ চাকৰি স্থায়ী, ইজনৰ অস্থায়ী। আৰক্ষীজনে হোমগাৰ্ডৰ ওপৰত প্ৰভূত্ব খটায়। আটাইখিনি মানুহ গোট খায় মানে বেলি পাটত উঠাৰ সময় হ'ল। কোনোবা এজন চাহ খাবলৈ, এজন তামোল কিনিবলৈ, কোনোবা এজনে সৰুপানী চোঁও বুলি গ'ল। সেইকিজনক বিচাৰি আৰু দুজনমান গ'ল। মাইকতো বাৰম্বাৰ নাম ফুকঁৰা হ'ল। গাঁতত পৰুৱা ওলোৱা সোমোৱা কৰাৰ দৰে অহা-যোৱা, বিচৰা-বিচৰি খেলখন চলি থাকিল। এদিনীয়া ক্ষমতা পাই বৰকৈ জঁকি উঠিবও নোৱাৰি। এজন প্ৰিজাইডিঙে 'এনেকুৱা লোকক এৰি থৈ যাব লাগে' বুলি ফুৰোহণি এটা মাৰিছিল যদিও কাম নহ'ল। এৰি থৈ গ'লে নিজৰহে বিপদ। আচল দুদিন আগলৈ আছেই।

আমাৰ 'ৰেষ্ট কেম্প' স্কুলঘৰটো পালোগৈ। স্কুলখন ডাঙৰ যদিও কেইটামান কোঠাৰহে মজিয়া পকা। লাইট-ফেন নাই, টিউবৱেল এটা, শৌচাগাৰ এটা, গা-ধোৱা ঘৰ এটাও নাই। দুশ-ডেৰশ মানুহৰ যা-যোগাৰৰ দায়িত্ব দিয়া চেক্টৰ (Sector) অফিচাৰকিজনক তাতেই পাই 'তিহাৰ জেলত সুমুৱাবলৈ আহিছে' বুলি নিৰ্যাতিত মানুহবোৰে গালি-আস্ফালন কৰিলে। কেউজনে ফৰিং-চিটিকা দিলে। সৰহখিনি মানুহেই স্কুলৰ ওচৰৰ বাসিন্দাসকলৰ ওচৰত তৃতীয় শ্ৰেণী অতিথি মৰ্যাদাৰে প্ৰাতঃকৃত্য সম্পন্ন কৰিলে।





পিছদিনা আমাৰ ওচৰা-ওচৰি দুটা ভোট কেন্দ্ৰৰ মানুহক এখন ৪০৭ বাছত তুলি গন্তব্যস্থানলৈ নিয়াৰ বন্দোবস্ত হ'ল। এলেংপৰীয়া ভায়া বাঘমৰালৈ যোৱা ৰাস্তা-পদূলি ডাঙৰ গাড়ী যোৱাৰ উপযোগী নহয়। বানপানী উৎসৱত খণ্ড-বিখণ্ড আলি। এটা ছিগা মথাউৰিৰেদি যাব লাগে। বাঁহৰ দলং আছিল। খৰালি ধেনুভিৰীয়া উপপথেদি যায়। ড্ৰাইভাৰে তেওঁৰ গাড়ীখনৰ গিয়েৰবক্সৰ অৱস্থা বৰ ভাল নহয় বুলি তলেদি নমাবলৈ ইতঃস্ততঃ কৰিছিল। কিন্তু আমাৰ ভাগৰুৱা সহযাত্ৰী সকলৰ 'পাৰিব পাৰিব' সমবায় উচতনিত নমাই দিলে। শেষৰ দিনাৰ কৰ্ণৰ ৰথখনৰ নিচিনাকৈ আঠালতীয়া মেদিনীয়ে আমাৰ গাড়ীখনো গ্ৰাস কৰিবলৈ ধৰিলে। কেউজনে নামি ঠেলা মাৰি চালো। গাড়ীৰ জান বাজ হ'বৰ উপক্ৰম হ'ল। লৰচৰ নহ'ল। চেক্টৰ অফিচাৰে এনেকুৱা ঘেগেলা গাড়ীহে আমাক দিবলৈ পালে বুলি খং-ৰাগ কৰি সকলোৱে চৰণকে গমনৰ সাৰথি কৰিলে। আমাৰ ভোটকেন্দ্ৰ পাবলৈ বেছি দূৰ নাছিল। এক কিলোমিটাৰমান টালি-টোপোলা হাতে-কান্ধে বান্ধি খোজ কাঢ়িবলৈ ধৰিলো। এনে অজান্তি মুলুকত আন এখন গাড়ীলৈ অপেক্ষা কৰিলে লাভ নহ'ব।

এলেংপৰীয়া ভোটকেন্দ্ৰ পালোহি। গাঁওখনৰ এমূৰতে স্কুল ঘৰটি। নাতি দূৰতে এখন নৈ। প্ৰাকৃতিক পৰিবেশটো বৰ ভাল। শিক্ষা গ্ৰহণৰ কাৰণে প্ৰাকৃতিক পৰিৱেশ সুন্দৰ হ'লেও ভোট গ্ৰহণৰ কাৰণে সুন্দৰ নহবও পাৰে। স্কুলঘৰৰ পৰা কিছু দূৰতহে মানুহৰ ঘৰ। তিনি ভাগৰ দুভাগমান ওখলৈকে ইটাৰে গাঁথনি কৰা। দুৱাৰ দুখন। তাৰে এখন ভগা। সেই কাৰণেই চাগৈ ভিতৰত দুটা ছাগলীয়ে পহৰা দি আছিল। বয়-বস্তু নমাই দীঘলকৈ উশাহ এটা ললো। হাত-মুখ ধুবলৈ নৈখনৰ ফালে যাবলগীয়া হ'ল। স্কুলৰ টিউবৱেলটোৰ তলৰ নলাডাল আৰু পকী ফ্লৰখনহে আছে, এম এল কাঠবৰুৱাৰ 'ভাৰত বুৰঞ্জী'ত থকা কনিষ্কৰ মূৰ্তিটোৰ লেখীয়া হেণ্ডেলৰ সৈতে মূৰটো নাই।

আমাক দলে বলে প্ৰৱেশ কৰা দেখি এজন-দুজনকৈ গাঁৱৰ ৰাইজ আহি খা-খবৰ কৰিলেহি। তেওঁলোকে ভোটিং মেশ্বিনটোনো কেনেকুৱা, বুতামনো কেনেকৈ টিপে, কি ৰঙৰ পোহৰ ওলায়— তাৰে সৰস আলোচনা কৰিবলৈ ধৰিলে। আমিও তেওঁলোকৰ সহযোগিতাত ভোট কেন্দ্ৰটি সজাবলৈ বিচাৰিলো। কোনফালে ভোটাৰ সোমাব, কোনফালে ওলাব, বিষয়াসকলে ক'ত অৱস্থান লব, মেশ্বিনটো কত থব লাগিব, তাকে বাঁহৰ খুটি মাৰি ৰচিৰে বন্ধাৰ পৰিকল্পনা কৰিলো। ইয়াৰ আগৰবাৰৰ কথা এযাৰ মনত পৰিল— দুজন ডেকা ল'ৰাই বাঁহ আনিম বুলি টকা লৈ গৈ পুনৰ গা দেখা নিদিলে। সকলোকে বিশ্বাস কৰিবও নোৱাৰি। ইয়াত অগতিৰ গতি গাঁওবুঢ়াজনক বিচাৰিলো। এজনে জানিবলৈ দিলে—তেখেত বয়সীয়া লোক, ইফালে অসুস্থও— পুতেক এজনেহে বিষয়খন চম্ভালি আছে। গাঁওবুঢ়াৰ লাটত আৰু এটা ভোটকেন্দ্ৰ আছে। পুতেকে সেইটো চাই-চিতি আহিহে পিছত ইয়ালৈ আহিব বুলি বাতৰি পঠাইছে।

এইবোৰ কাম কৰি থাকোঁতেই আবেলি হ'ল। যি গৰাকী দুই নম্বৰ স্থানৰ পলিং বিষয়া সংৰক্ষণ বিভাগৰ পৰা ওহাল কাটি আমাৰ লগত দিছিল তেওঁ মোৰ ওচৰলৈ আহি অপৰাধীৰ সুৰত ক'লে যে খৰধৰকৈ আহোঁতে ঘৰতে চচ্‌মাযোৰ এৰি আহিল। কাইলৈতো চচ্‌মা এযোৰ নহ'লে কামেই নহ'ব। ঘৰলৈকো দূৰ। মোৰ কপাললৈ আপোনা আপুনি হাতখন উঠি আহিল— হৰি বিষ্ণু! আপোনাৰ যদি চচ্‌মা এযোৰ নহ'লে নহয়েই মই কি প্ৰকাৰে সহায় কৰো! তেওঁ মুখত মিচিকিয়া হাঁহি এটি বিৰিঙাই ক'লে— 'ছাৰ, আপুনি চিন্তা নকৰিব। আপোনাক বিপদত নেপেলাওঁ নহয়। ইয়াৰ পৰা দুমাইলমান দূৰৈত মোৰ মিতিৰ আছে। তাতে এযোৰ পাম।' চকুৰ পাৱাৰ অনুসৰি য'তে-ত'তে চচ্‌মা সুলভ বুলি কোৱাত হাঁহিও উঠিছে আৰু ফাকি-ফুকা কৰিছে বুলি সন্দেহো জন্মিছে। ওচৰত মিতিৰ নোহোৱা ভোট কেন্দ্ৰত পৰা হ'লে কি হ'লহেতেন। আকৌ ভাবিলো—বাজী গৰু পুহিনো কি লাভ হ'ব? আইন-কানুনৰ ভয় দেখুৱাই মৌখিক অনুমতি দিলো। চচ্‌মা এযোৰ গোটাই আপুনি আজিয়েই ঘূৰি আহিব লাগিব। ভোটগ্ৰহণৰ নিচিনা কৌশলী কুৰুক্ষেত্ৰ এখনত অন্ধ সৈনিক এজনৰ কাম নাই। মিতিৰৰ ঘৰলৈ যাবলৈ ওলোৱাত বাকীকিজনে ক'বলৈ ধৰিলে—'আপুনি এনেই গ'লেই নহ'ব। মিতিৰৰ ঘৰৰ পৰা জলপানৰ টোপোলা আনিব আমালৈ।' সিজনে শলাগিলে।

ৰন্ধন-প্ৰকৰণৰ একো আহিলা নোহোৱাত কাষৰীয়া এঘৰতে চাহ-ভাতৰ ব্যৱস্থা কৰিবলৈ দিয়া হ'ল। বজাৰ-সমাৰো কৰি দিয়া হৈছিল, টকা-পইচাও দিয়া হ'ল। গাঁওবুঢ়াৰ পুতেকৰ সাহায্যত গাঁৱৰ পৰা ঢাৰি-পাটি, বেঞ্চ-ডেস্ক সংগ্ৰহ কৰি স্কুলৰ ভিতৰতে ৰাতিটো বঞ্চিবলৈ ব্যৱস্থা কৰিলো। ভোটৰ সা-সামগ্ৰীবোৰ লৈ কাৰোবাৰ ঘৰত থাকিলে কিছুমানে সেইঘৰৰ সমৰ্থিত প্ৰাৰ্থীক দুই নম্বৰী প্ৰক্ৰিয়াৰে সহায় কৰা বুলি ৰৌজাল-ৰৌজাল কৰে।

আজি টোপনি নাহিল। আহিম বুলি কৈ মিতিৰৰ ঘৰৰ পৰাও দুই নম্বৰ স্থানৰ পলিং বিষয়াজন নাহিল। গোপনীয়তাৰ ভেদ ভাঙি এজন গঞাই জানিবলৈ দিলে— আগৰ চৰকাৰৰ মন্ত্ৰীজন এইবাৰো প্ৰাৰ্থী। তেওঁৰ অনুস্বাৰ-বিসৰ্গ বিলাকে যোৱা নিশা গাঁওখনত সূতা আৰু টকা-পইছা বিলাই গ'ল। আন প্ৰাৰ্থীৰ বেনাৰ-প'ষ্টাৰ ফালিছে। ভয়-ভাবুকিও দেখুৱাইছে। কথাবোৰ কাণত পৰাত পিছদিনা কামখিনি কেনেকৈ সুচাৰুৰূপে চলাই নিব পাৰো সেইবোৰ কথাই মনলৈ আহি থাকিল। তদুপৰি মোৰ কাষতে বিচনা লোৱাজনৰ উচ্চ নাসিকা গৰ্জনেও মোৰ চকুত অগা-দেৱা কৰি থকা টোপনিক কলতললৈ খেদিলে।

পুৱা হ'ল কি নহ'ল— উঠিলো। নৈখনতে পানী দুচলুমান মাৰি গা-টো তিয়াই ল'লো। চেঁচা। ঘৰত হোৱা হ'লে পানী তপতাই ল'লোহেতেন। দুদিন ধূলিয়ৰি ৰাস্তাৰে আহোঁতে সৰ্বশৰীৰতে ডাঠ চামনি পৰিছিল। কেউজনকে জগাই দিলো। ভোটকেন্দ্ৰটি সজাই - পৰাই কেইডালমান ধূপ-কাঠি জ্বলাই দিলো।

ভোটিং মেশ্বিন সাজু কৰিলো। এজন প্ৰাৰ্থীৰ এজেণ্ট দুজনহে বেচ সক্ৰিয়। তেওঁলোক হৈছে ৰাতি টকা-পইছা বিলোৱা জনৰ এজেণ্ট। আন প্ৰাৰ্থীৰ এজেণ্টকিজন নাহিলে নহয় বুলিহে অহা। দূৰে দূৰে থেৰো-গেৰো কৰি থাকে লাজুকী বান্দৰৰ লাজেৰে। অনুমান কৰিব পাৰি, আন প্ৰাৰ্থীৰ পৰা টকা লৈ আচলতে শেষ নিশাৰ খেল দেখুওৱাজনৰহে সমৰ্থক। এজেণ্টসকলৰ আখৰ লিখাৰ অভ্যাসো কম যেন লাগিল। এজনে 'পেপাৰ চিল' নামৰ অতি দৰকাৰী সৰু কাগজখিলাত যিটো বিয়াগোম চহী মাৰিলে— উপাধিটো লিখিবলৈ ঠাই নাপাই কলম দাঙি ৰৈ আছে। তেওঁৰ মুখলৈ চাই তেওঁক বলিৰ দখলীকৃত ত্ৰৈলোক্য লবলৈ সাজু হোৱা বামন অৱতাৰ যেনহে লাগিল। আনলৈ ঠাই নাই। সেইখন নাকচ। কাৰ্যালয়ৰ পৰা তেনে কাগজ মুঠেই তিনিখনহে দিছে। অইন এখন উলিয়াই তেওঁলোকক সাৱধানে একাষত সৰুকৈ চহী কৰিবলৈ দিলো। দুজনে ঠিকেই কৰিলে বাৰু, এজন ইমানেই সাৱধান হ'ল যে পলৰ চাবত শাল মাছ পৰিলে যিদৰে হেঁচা দিয়ে তেওঁৰ ডত্ পেনৰ প্ৰচণ্ড হেঁচাত 'পেপাৰ চিল'ৰ এফাল ফাটি গ'ল। শেষৰখন বুজাই মেলি, দা-বাখৰ দিহে ঠিক কৰি ভোটিং মেশ্বিনৰ বুকুত মেথনি মাৰি পিন্ধাই দিলো।

এইখিনি কামত ব্যস্ত থাকোঁতেই মিতিৰৰ ঘৰ ফুৰি চচ্‌মা আনিবলৈ যোৱাজনে হাতত এটা টোপোলা ওলমাই ভোটকেন্দ্ৰ পালেহি। এটা হৰলিক্সৰ বটলত গাখীৰ— সেইটো মোৰ ফালে আগবঢ়ালে। আন এটা মোক নেদেখুৱাকৈ ৰাখিলে। হোমগাৰ্ড ল'ৰাটোৱে সিটো বস্তুৰ ফালে নাকটো নি যি অভিব্যক্তি দেখুৱালে— দূৰৈত থাকিয়েই অনুমান কৰিলো সেয়া গৰু-ম'হৰ ওহাৰৰ পৰা ওলোৱা দ্ৰব্যবিধ নহয়। কি গলগ্ৰহে পালে বুলি এসোঁতা বিলাপ কৰিবৰহে মন গৈছিল। তেওঁ কথা ৰাখিব নোৱাৰাৰ কাৰণে দুখ কৰিলে। আচলতে তেওঁ শাহুৱেকৰ ঘৰলৈহে গৈছিল। শাহুৱেকে জোঁৱায়েকক আহিবলৈ নিদিলে। মানুহজনৰ অন্তৰত দুখ। কোনাবা উতনুৱা ডেকা ল'ৰাৰ মটৰ চাইকেলৰ খুন্দাত তেওঁৰ পত্নীৰ মৃত্যু ঘটিছে। দুজনী ছোৱালী সন্তানক বুকুত বান্ধি জীয়াই আছে মানুহজন। পত্নীশোকতে হেনো তেওঁ মদ এটুপি খায়। তেওঁৰ মুখত আকৌ গোন্ধ পালো। তেওঁক ভোটাৰৰ শ্লিপ লিখা আৰু ভোট দিয়াৰ আগতে নখৰ ওপৰত ৰং লগাবলৈ দিলো। তেওঁ জেপৰ পৰা এযোৰ চচ্‌মা উলিয়াই ল'লে। চচ্‌মাযোৰৰ এটা ঠেং মাজতে ভগা। তাতে ৰচি লগোৱা। এখন কাণত মেৰিয়াই ল'ব লাগে। আচলতে সেইযোৰ চচ্‌মা তেওঁৰ শাহুৱেকে তাঁত বওঁতে ব্যৱহাৰ কৰা। ভোট দিবলৈ আহি পলিং বিষয়াৰ এনে দুৰ্গতি দেখি, কাঠচিতিয়া ভোটাৰজনেও তেওঁলৈ চাই মিচিকিয়া হাঁহি এটি বিনামূলীয়াকৈ দি যায়।

ভোট গ্ৰহণ চলি আছে। ভোটাৰৰ গমনা-গমন আৰু ভোটিং মেশ্বিনৰ দীঘলীয়া পিঁ পিঁ শব্দই পৰিৱেশটো গতিশীল কৰি তুলিছে। বাহিৰত পুৰুষ-মহিলাৰ জুম। ভোটকেন্দ্ৰৰ এশ মিটাৰ ওচৰত বাহিৰৰ শ্লিপ দিয়া নিষিদ্ধ যদিও জেওৰা-জপনা একো নোহোৱা বহল ঠাইখনত সীমা নিৰ্দ্ধাৰণৰ সুচল নাই। কেতিয়াবা ভোটাৰৰ ভিৰ, কেতিয়াবা পাতল। এই দুজন পলিং বিষয়াৰ সক্ৰিয়তাৰ বিপৰীতে শেষৰ ফালৈ আঙুলিত দাগ লগোৱাজনৰ চকু জাপ খাবলৈ ধৰিলে। এবাৰ বাহিৰলৈ গৈ কোন টলকতনো মিতিৰ-টোপোলাৰ সিটো বটল খুলিলে তৰ্কিবই নোৱাৰিলো। টোপনিৰ জালত এগৰাকী সদ্য বিবাহিতা মহিলা ভোটাৰৰ আঙুলি এটাত ধৰি ৰং দিবলৈ উদ্যত হওঁতে মহিলা গৰাকী জকজকাই উঠিল। আস্ফালনৰ কোবত অজাতি মুলুকত দেৱৰ দুৰ্ল্লভ ইণ্ডেলিবল চিএ্ৰাহিৰ এক ফাইল টেবুলতে উবুৰিখাই পৰিল। বিষয়াজনে ঘটনাৰ আকস্মিকতাত নিজৰ গাৰ ফালে বৈ আহিব ধৰা চিএ্ৰাহিখিনি খালি হাতেৰে মচি দিয়াত তেওঁৰ দুয়োখন হাত এনেকৈ ক'লা হ'ল যে কোনোবা ধুনমৰা মহিলাই হাতত যেন মেহন্দিহে সানি ল'লে। কেন্দ্ৰৰ ভিতৰত থকা আটায়ে এবাৰ উচ্চস্বৰে হাঁহিলে।

মই তেওঁক সকলো কামৰ পৰা অব্যাহতি দি এচুকত বহি থাকিবলৈ দিলো।

ভোট গ্ৰহণ চলি থকাৰ মাজতে ধূমকেতুৰ দৰে চেক্টৰ বিষয়াজনেও গা-দেখা দিলেহি। আমাক কষ্ট দিয়া বুলি নিজে দুখ কৰিলে। তেওঁৰ মুখতো মদৰ গোন্ধ পালো। গতিকে এইজন মদাহীৰ আগত সিজন মদাহীৰ কু-কীৰ্ত্তিৰ অভিযোগ নিদিলো। ভোট গ্ৰহণ শেষ হোৱাৰ লগে লগেই তেওঁৰ গাড়ীখনতে আমাক নিয়াৰ প্ৰতিশ্ৰুতি দি গ'লগৈ। চি আৰ পি এফৰ কুমাওন ৰেজিমেণ্টৰ টহলদাৰী দলটোৱেও দুঘণ্টামান ভোটকেন্দ্ৰৰ আশে-পাশে পহৰা দি আন এটা কেন্দ্ৰলৈ গ'ল। টহলদাৰী দলটোৰ নায়কজনক আকৌ এবাৰ আহিবলৈ অনুৰোধ জনোৱাত সন্মতি প্ৰকাশ কৰিলে।

ভোট গ্ৰহণ কামটো বাহিৰৰ পৰা সহজ যেন দেখিলেও ভিতৰি সিমান সহজ নহয়। জীয়াভোট আৰু মৰাভোটৰ সংজ্ঞা জানিবলগীয়া হয় প্ৰিজাইডিং অফিচাৰে। প্ৰেতাত্মা আৰু জীৱাত্মাৰ নামত ভোট দিবলৈ অহা ৰহস্যময় ভোটাৰখিনিয়ে তেওঁৰ মাথা গৰম কৰি দিয়ে। প্ৰেতাত্মা মানে মৰা মানুহৰ আৰু জীৱাত্মা মানে বিয়া দি উলিয়াই দিয়া ছোৱালী, চা-চাকৰি, পঢ়া-শুনা, ব্যৱসায়-বাণিজ্য সংক্ৰান্তত গাঁৱৰ বাহিৰত থকা ভোট বিলাক। অচিনাকি ঠাইত সিহঁতক কি চিনি পাব। গাঁওবুঢ়া আৰু এজেণ্টকিজনেও ইলুটি সিলুটি মাৰে। যাঠি-সত্তৰ বছৰীয়া ভোটাৰক ফিল-আপ-দি গেপ







কৰিবলৈ বাহিৰৰ পৰা চৈধ্য-পোন্ধৰ বছৰীয়াক পঠিয়ালে আপোনাৰ মাথা গৰম নহৈ কি? সিহঁতৰ খোজবোৰ ভাওনাত কৃষ্ণ প্ৰবেশৰ নিচিনা থমকা-থমক, মুখবোৰ দাগীচোৰৰ নিচিনা। সেইজন আচল ভোটাৰ নহয় বুলি ক'লেও এজেণ্টে প্ৰতিবাদ কৰি 'কটীয়া' হৈহে আছে বুলি উত্তৰ কাটে। ভোটাৰ লিষ্টৰ মতাক মাইকী কৰা, বোৱাৰীয়েকক শাহুৱেক কৰা ছপা ভুলবোৰ আছেই। কেতিয়াবা আক' নখত লগোৱাৰ দাগ লগে লগে অমিতা এঠা ঘঁহি এৰুৱাই একেজন ভোটাৰেই দুই-তিনিবাৰ আৱিৰ্ভাৱ হয়। মুঠতে মূৰ গৰম। ভাব হয়, দেহি ঐ, ইমান কূট-কৌশল কৰি গাঁৱৰ মানুহে জন-প্ৰতিনিধি বাচি ৰজা পাতে। এনেচা আউল লগা সূতা, এককেজি নিমখ, দুটামান টকাত ভোট কিনি লয়। নিৰ্বাচনত জিকাৰ পিছত চাৰি বছৰ এঘাৰ মাহলৈ সেইবোৰ ভোটাৰৰ কথা এবাৰ ভাবেনে? এলেংপৰীয়া গাঁও ইমান পিছপৰি থাকেনে?

ভোট গ্ৰহণ শেষ হ'বলৈ মাত্ৰ পোন্ধৰ মিনিটমান আছে। কেন্দ্ৰৰ আশে-পাশে থকা মানুহখিনিক আঁতৰাই পঠালো। মই প্ৰিজাইডিং অফিচাৰৰ ডায়েৰীখন পূৰাবলৈ উলিয়াই ললো। এইখনেই ভোট কেন্দ্ৰৰ সংক্ষিপ্ত সৱিশেষ। সকলো কথা ভালদৰে লিখিব লাগিব। ভোট কেন্দ্ৰৰ নম্বৰ আৰু নাম— ১০৮, এলেংপৰীয়া এল পি স্কুল। মুঠ ভোটাৰ...। পুৰুষ...। মহিলা...। হঠাতে তিনিখন মটৰ চাইকেলত উঠি ছজন ক'লা জেকেট পিন্ধা ডেকা ল'ৰা হুৰমূৰকৈ ভোটকেন্দ্ৰৰ ভিতৰলৈ সোমাই আহিল। ভোট দিবলৈ থাকিযোৱা সকলো ভোটাৰৰ হৈ ভোট দিবলৈ বিচাৰিলে। মই হেনো বৰ কাঢ়া দেখুৱাইছো বুলি শুনি আহিছে। পুলিচজনে সিহঁতক বাধা দিবলৈ প্ৰয়াস কৰিছিল যদিও সফল নহ'ল। হোমগাৰ্ডজনে মোৰ বহি থকা চকীখনৰ পিছফালে ধৰি থক্‌থক্‌কৈ কঁপিবলৈ ধৰিলে। পলিং বিষয়া দুজনৰো মুখ বিবৰ্ণ হ'ল। এজেণ্ট দুজনমানেও তেওঁলোকক সমৰ্থন জনালে। দেখিলো— কথা বিষম। মোৰ ৰক্তচাপ বাঢ়িবলৈ ধৰিলে, হৃদস্পন্দন বেসুৰা হ'বলৈ ধৰিলে। মই কথাৰ সুৰ সলাই তেওঁলোকৰ ফলীয়া হোৱাৰ অভিনয় কৰিলো। লাগে পুনৰ ভোট গ্ৰহণ হ'ব। প্ৰাণ বচাব লাগিব। প্ৰথমজন পলিং বিষয়াক চকুৰে ইঙ্গিত দিলো। ক'লো—হ'ব তোমালোকৰ প্ৰাৰ্থীকেই ভোট দিবা, মোৰনো কি আহে যায়। কিন্তু এটা কাম কৰা, তোমালোকে থাকি যোৱা ভোটাৰৰ নামবোৰ বাচি উলিয়াই চহী কৰিব লাগিব। পিছত একে লেথাৰিয়ে বুতাম টিপি থাকিবা, তেহে ভোটবোৰ বৈধ হ'ব। ইনভেলিড ভোট দি কি লাভ হ'ব। ইফালে অযথা পলম কৰি সেইবোৰকে কৰাই আছো। ইতিপূৰ্বে 'পেপাৰ চিল'ত চহী কৰাওঁতেই সিহঁতৰ লিখাৰ দৌৰ উমান পাই থৈছো। ইফালে কাণ উনাই আছো, ঈশ্বৰকো খাটিছো—সাধুকথাৰ চিলনীৰ মাকৰ নিচিনাকৈ টহলদাৰী সেনাৰ গাড়ীখন আহি পাওকহি। এজনে মোৰ চালাকি ধৰিব পাৰি হাতত থকা লোৰ ৰড ডাল জোকাৰি মোলৈ চোঁচা লৈ ক'লে— 'তই এইবোৰ চালাকি কৰিছ, দে মেশ্বিনটো—নহ'লে মাথা গুৰি কৰিম।' কিন্তু সকলোকে আচৰিত কৰি মই মনে মনে এচুকত বহি থাকিবলৈ দিয়া, মিতিৰৰ ঘৰত ফুৰি অহা, উতনুৱা ল'ৰাৰ মটৰ চাইকেলৰ খুন্দাত পত্নীৰ অকাল বিয়োগ হোৱা, বেদনাত মদ খোৱা পলিং অফিচাৰজনে ভগা খিৰিকীৰ বাতাম এডাল আঁজুৰি আনি মোলৈ চোঁচা লোৱা গুণ্ডা ল'ৰাটোৰ মূৰত প্ৰচণ্ড কোব সোধাই ভীমৰ দৰে আটাহ পাৰি—'চাৰৰ গাত কোনে হাত দিব চাওঁ'—এইবুলি আৰু দুটাক টঙনিয়াই ধৰাশায়ী কৰিলে। বাকীকেইটা দৌৰ মাৰিলে।

সেনাৰ গাড়ীখনৰ লগত ইখন গাড়ী লৈ চেক্টৰ অফিচাৰো পালেহি। আমাক তুলি আনিলে।

এইবাৰহে মই পলিং বিষয়াজনলৈ চাই থক্ থক্‌কৈ কঁপিলো।❖

"সিদিনা কবৰস্থান এখনত সোমাবলৈ যাওঁতে ছাইন ব'ৰ্ডত লিখি থোৱা দেখিলোঁ, 'মহিলাসকলৰ প্ৰৱেশ নিষেধ'। ইমানদিনে জানিছিলোঁ সাধাৰণতে প্ৰৱেশ নিষেধ হয় গৰু-ছাগলিৰ। এতিয়া দেখিছোঁ মহিলাৰ বাবেও। সম্ভৱতঃ জন্তু আৰু মহিলাৰ ক্ষেত্ৰতে যাৱতীয় নিষেধ জাৰি হয়।

মৃত্যুয়েহে নাৰীক কবৰস্থানত সোমোৱাৰ স্বাধীনতা দিব পাৰে। তেনেহ'লে এই কথাষাৰ সঁচা নে যে নমৰিলে নাৰীৰ মুক্তি নাই?"

নিৰ্বাচিত কলাম —তছলিমা নাছৰিন

"কাতিৰ শঁতা-লগা বৰষুণৰ শঁতা ভাঙিল, বতৰ এতিয়া ফৰকাল
ঠন ধৰা ধাননি ডৰালৈ চাই ৰ-লাগি ৰৈ আছে সৰুদৈ
মুখৰ মিচিকিটো তাই বৰ ধুনীয়াকৈ ৰিহাৰ আগেৰে ঢাকি থ'ব পাৰে..."

'পথৰুৱা গোন্ধ', — হীৰেণ ভট্টাচাৰ্য

প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ শিতান

# Monumental Structures and Architectures of Assam: An Introduction to the Ahom Age.

Dipanka Boruah
6th Semester, Dept. of Architecture, (MS) Ex Student

Monuments and architectures give evidence to the socio-cultural structures of a society or an age. They identify the distinctiveness from age to age on the one hand, and go on to show similarities between two ages on the other hand. The best known Egyptian tombs were pyramids. They were built for the relief and comfort of the dead pharaohs (kings) and queens applying peculiars architectural forms. The early Greek classical temples were built aiming to please the gods according to their beliefs. The temple of Neptune may be referred to here. The early Roman Empires extensively used the Greek architectural ideas, such as the temple of 'Vesta'. But Roman distinctive style, of course, began to evolve in the first century A.D. These features can be seen in the pantheon. In the middle age, common castles and houses were built in Europe. However,in this brief writing it is intended to discuss a few monumental structures which are architecturally of superior standard built during the 'Ahum Age' of Assam.


Kareng ghar at Gargaon
The Famous monumenttal structure of Ahom age

II

Assam, a beautiful North-East frontier state of India, covers about a 78,438 square kilometres. Presently, Assam consists of 24 districts with a population of 2,66,38,407. This North-eastern state bears an ethnological peculiarities due to different dialects, languages and socio-cultural diversities. There are many historical data as to how the name of the state became Assam. One of the most authenic arguments is that after the name 'the Ahom' the state became popular as Assam or Asom. The Ahom people entered in to the south-eastern corner of the Brahmaputra Valley of Assam from Burma (now Myanmar) towards the beginning of the second quarter of the 13th century (1223 A.D). The founder king of the Ahom was great Su-Ka-Pha. He started the Ahom kingdom in 1228 A.D. This dynasty ruled over Assam almost six hundred years from 1228 up to the treaty of the Yandaboo in the year of 1826 A.D. This period of Ahom rule is called 'Ahom Age'. During this long period, the Ahom kings appeared to give new dimension to the process of making Assamese nationality. Importantly, under the Ahom Royal Patronage, Assamese monumental structures and architectures appeared in a new way. They are the Ahom Royal palace of Rangpur (Talatal Ghar, a Seven-Storied Structure house), Gargaon Kareng (King's palace), a seven storied house (One storey at the ground level, three storied above the ground level and three storied under the ground level). The Sila Saku or Stone Bridges over several rivers of Sibsagar district, Teracotta pipe line for underground water supply, the temples of Siva, Bishnu and Devi Durga, God of Sri Ganesh, Sri Surya are important. Structurally, these temples are different from one another.

III

The Talatal Ghar and Khar Ghar were constructed by bricks and two-roofed were similar to the two-roofed Assamese thatched-houses. The






'Rangghar' is a four roofed brick structure. The Rangghar is decorated with two ' Magarhs' (Crocodile) facing opposite to each other on the top of the structure. The 'Joydol' was built in memory of martyr Joymoti Knowri (queen), mother of king Rudrasimha used local stones on its walls and decorated it with fine sculptures. The sculptures and architecture of this temple indicate as Bishnu temple.


*Siva Dole*
*The Famous hindu temple of Siva Worship*

Among the monumental structures of the Ahom age ' Maidams' the grave yards of the Ahom Royals and nobles (like the pyramids of ancient Egypt) are worth mentioning here. Most of the 'Maidams' are structured at the Charaideo, (Che-rai-doi) the first capital of the Ahom Kingdom. Maidams are found in the district of Sibsagar, Jorhat and Dibrugarh. These maidams look like low hills with big structures. For example, king Rudrasimha's (1696-1714 A.D.) maidam's total height was 78 feet 6 inches. Talasils (big stones) are used for soiling, falasils (broken stones) used for layer and lathiya sils (boulders) were used for the necessity were used for the constraction of Maidams. Superior quality of solid bricks and broken bricks as per the necessity were used for the construction of the maidams.

During the Ahom age 'Saku' (Stone bridge) were constructed over the rivers and thier tributaries, particularly, in the distric of Sibsagar. The Namdangar Silasaku, Dorikar Silasaku, Dijoir Silasaku are still in existence. Besides, these structures, 'Garh' or ramparts (Defensive walls), Pukhuri (Water tank) and numarable roads were constructed during the Ahom age. The four banks of the Sibsagar Pukhuri cover 2 miles 588 feet with 129 acres water area. Another big pukhuri is known as ***Joysagar***. The four banks of the Joysagar pukhuri is 2 miles, 4 furlong 288 feet with 155 acres of water area. It took only 45 days to complete the construction.

Another historically prominent series of architectural works is ramparts or garhs. It was constructed for defence purpose. The garhs or ramparts were constructed by Kutuha bah (Throned bamboos). The present names of Mechagarh and Numaligarh come after ramparts built in the Ahom age. Ahom kings constructed some roads which are still famous. The Dhai Ali (Dhai road), Dhudar Ali (Constructed by lazy men) are historically famous.


*Rong ghar*
*The Royal Centre of Ahom Culture & Sports*

The temples and palaces were constructed using wood, bricks and bio-chemical cements. These bio-camical products were prepared from gur (molasses), matimah, barali fish, mustard oil, dhuna, duck eggs, milk, samuk-chun, sil-sun,brick powder. These bio-chemical products were put together in a 'Jaligat' (hole in the earth) and mixed for construction as cement.❖

**Books consulted :**

1. Mrs. Devi, Laksmi: *Ahom-Tribal Relations : A political Study,* 1968, Guwahati.
2. *Dk Ultimate Visual Dictionary: 21st Century supplemented*, London www.dk.com.
3. *Dream land Atlas of India: States and Geography 2002*, New Delhi.
4. *Dr. Boruah, Bhimkanta : 'Monumental Architectures of the Ahom Age' Girin Phukan ed, Indian Journal of Tai Studies* Vol: II, 2002.

## প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ শিতান

# শব্দ

**জিতু কুমাৰ চমুৱা**
**প্ৰাক্তন ছাত্ৰ**

নৈৰ পৰা তুলি আনি তোক সজাই তুলিছো
অৰণ্যৰ পৰা কাপোৰ আনি পিন্ধাইছোহি
নিৰ্জনতাৰ পৰা আশা আনি গাঁঠি দিছো ওঁঠত
সুমিষ্ট ফল আনি তোক খুৱাই পুহি ৰাখিছো

অ' মোৰ জোন-জোনালী
মিঠা গীত গাই তোক শুৱাইছো
ফুলাম কাপোৰেৰে ৰহণ চৰাইছো
তই মোৰ লগত কথা পাতিবি, গান গাবি

ৰিব্ ৰিব্ মলয়াত ঘৰ এটা সাজি
কোঠাবোৰত আলফুলে গুজি লৈ
তোক চাই আছো
আকাশ-বতাহেদি সুগন্ধি হৈ অহা।❖

# হৃদয়ৰ অভিধানত প্ৰেমৰ আক্ষৰিক অৰ্থ বিচাৰি

**জিতু দত্ত**
**প্ৰাক্তন ছাত্ৰ**

কবিতা

কোনোবা এজনীয়ে
এই পুখুৰীটোৰ পাৰত
যোৱা নিশা আওৰাইছিল
সুখ-দুখৰ এমুঠি কবিতা
বৰ্ষা কোন বাটেৰে আহিব
তাই হয়তো নাজানিছিল।

আশা

জোখতকৈ অধিক প্ৰয়োজনৰ আশাত
খোজত খোজ থৈ
এটি অন্তহীন পথৰ অন্তৰালত তেওঁ...
দুখৰ ডাৱৰ এচপৰা
অদূৰত।

বিষণ্ণ সন্ধিয়া

সূৰ্যটো অৰণ্যখনত নামিবৰ পৰতে
দূৰ আকাশৰ বুকুত বগলী এজাক
ভয়াতুৰ
এইমাত্ৰ পাৰ হৈ গ'ল জলদস্যু এদল
গাঁওখন অলপ পিছতে
আন্ধাৰ অজগৰ এটাই গিলি পেলাব।❖

উৎস ঃ ঢকুৱাখনা মহাবিদ্যালয় আলোচনী
উনবিংশতম সংখ্যা ঃ ১৯৯৫-৯৬ বৰ্ষ।

# তেওঁত মোৰ ছবি

**মেঘালী দত্ত**
**প্ৰাক্তন ছাত্ৰী**

তেওঁ মোৰ স'তে কথা পাতে হাঁহিৰে
মই উত্তৰ দিওঁ অশ্ৰুৰে।
তেওঁ মোক সপোনৰ কথা কয় ঃ
সপোনতে তেওঁ মোক কইনা সাজে,
সপোনৰ ঘৰ সাজে, পাতে
মোৰ দুচকুৰ পতাত আলফুল চুমাৰে গুজি দিয়ে
তেওঁৰ সমস্ত পোহনীয়া সপোন।
মোৰ প্ৰতিটো আবেলিত তেওঁৰ মায়াসনা
সম্ভাষণ ঃ আহানা এবাৰ তোমাক পোহৰৰ গান শুনাওঁ
ফুচফুচাই কওঁ, কিদৰে বেলিৰ মৰমত ডুব যায় ৰূপালী জোন,
তৰাবোৰৰ ঘূৰণীয়া মেলত কোন ৰূপহী আপোনভোলা হয়
কোন ডেকাৰ বাঁহীত বাজি উঠে সপোনৰ সুৰ।
মোৰ সমস্ত হেঁপাহৰ এৰালডাল চিঙি দিয়ে তেওঁ
হেঁপাহবোৰ পাখি মেলি উৰে।
তেওঁৰ সপোনবোৰে মোক ওৰে ৰাতি উজাগৰে ৰাখে
আৰু লাহে লাহে গ্ৰাস কৰে মোৰ সমগ্ৰ সত্বা
এতিয়া মোৰ চৌদিশে কেৱল তেওঁৰ সপোনৰ জাক জাক জোনাকী
এনেকৈয়ে মৰম পিচলা বাটত মই
হেৰুৱাই পেলালো নিজকে কেৱল তেওঁত
এতিয়া আৰু মই কেৱল মই হৈ থকা নাই
হৈ থকা নাই মই কেৱল মই!❖







## ভিন্ন মত

# মুখামুখি

*(ঢকুৱাখনা মহাবিদ্যালয়ৰ সামগ্ৰিক দিশটোত পোহৰ-পাত কৰাৰ উদ্দেশ্যেৰে মহাবিদ্যালয়ৰ দুগৰাকীমান প্ৰবক্তা আৰু ছাত্ৰ ছাত্ৰীক প্ৰশ্ন সোধা হৈছিল। আশানুৰূপ সঁহাৰি পোৱা নগ'ল যদিও যিকেইটা লেখা পোৱা গৈছিল তাৰে দুটামান নিৰ্বাচিত লেখাৰ সম্পাদিত ৰূপ আগবঢ়োৱা হ'ল।)—সম্পাদনা সমিতি*

**ঃ মহাবিদ্যালয়ৰ বিজ্ঞানাগাৰৰ সা-সুবিধাসমূহ আৰু অধিক উন্নত কৰাৰ থল আছেনে? এই সন্দৰ্ভত আপোনাৰ পৰামৰ্শ কি?**



ঃঃ নিশ্চয় আছে। পকীঘৰৰ মাজত আবদ্ধ পৰীক্ষাগাৰৰ সঁজুলি, আচ্‌বাব্‌, পৰিবাহিত জল তথা বিজুলি শক্তিৰ সু-ব্যৱস্থা আৰু ব্যৱহাৰিক পাঠ্যক্ৰম গ্ৰহণ কৰোঁতে ছাত্ৰ-ছাত্ৰীসকলৰ পৰা কোনো অভিযোগ নহালৈ চাই আপাত দৃষ্টিত আমাৰ মহাবিদ্যালয়ৰ বিজ্ঞানাগাৰসমূহ যোল্ল অনাই পূৰ হৈ থকা যেনেই অনুভৱ হয়। কিন্তু বাস্তৱিকতে আমাৰ বিজ্ঞানাগাৰসমূহে এতিয়াও আদৰ্শ বা পূৰ্ণাঙ্গ ৰূপ পাইছেগৈ বুলি আমি ডাঠি ক'ব নোৱাৰো।

আমাৰ পৰীক্ষাগাৰসমূহক অধিক উন্নত তথা আদৰ্শ ৰূপত গঢ় দিবলৈ হ'লে তলত উল্লেখ কৰা সুবিধা সমূহৰ সংযোজনৰ প্ৰয়োজনবোধ কৰোঁ ঃ

১। পাঠ্যক্ৰমৰ নিৰ্দেশাৱলী তথা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা অনুপাতে পৰীক্ষাগাৰৰ আহিলাসমূহ পূৰণ হৈ থকা উচিত।
২। পৰীক্ষাগাৰ গৃহৰ শব্দৰ প্ৰতিধ্বনি/প্ৰদূষণ নিয়ন্ত্ৰণৰ বাবে মজিয়াত কাৰ্পেট আৰু ওপৰত চিলিঙৰ ব্যৱস্থা বাঞ্ছনীয়।
৩। গুণগত মানৰ পৰীক্ষাৰ আহিলা আৰু আচ্‌বাব্‌ নিতান্তই আৱশ্যক।
৪। পৰীক্ষাগাৰসমূহ শীত-তাপ নিয়ন্ত্ৰিত নহ'লেও, চৌপাশে নিম্ন উচ্চতাৰ উদ্ভিদ-উদ্যান গঢ় দি নিৰ্মল বায়ু আৰু সূৰ্যৰ কিৰণ অনবৰত পৰীক্ষাগাৰৰ মাজেদি চলাচল কৰাৰ ব্যৱস্থা কৰিব লাগে।
৫। পদাৰ্থ বিজ্ঞান বিভাগৰ পৰীক্ষাগাৰত বিশেষকৈ নিজা ববীয়া বৈদ্যুতিক জেনেৰেটৰৰ ব্যৱস্থা থাকিব লাগে।
৬। পৰীক্ষাগাৰসমূহত কোঠাৰ লগতে সংলগ্ন চেনিটেচন (SENITATION) ব্যৱস্থাৰ অতীব প্ৰয়োজন।

তদুপৰি এটি আদৰ্শ তথা কৰ্মক্ষম বিজ্ঞানাগাৰ গঢ়ি তুলিবলৈ হ'লে পৰীক্ষাগাৰৰ আহিলা, আচ্‌বাব্‌ তথা কিতাপ-পত্ৰৰ প্ৰণালীবদ্ধ বিন্যাস, শিক্ষক-কৰ্মচাৰীৰ কৰ্তব্য নিষ্ঠা, ছাত্ৰ-ছাত্ৰীৰ একাগ্ৰতা আৰু বিভাগীয় মুৰব্বীৰ কৰ্তৃপক্ষ, সহকৰ্মী তথা ছাত্ৰ-ছাত্ৰীৰ লগত সু-সম্পৰ্ক থকাটো একান্তই বাঞ্ছনীয়।

দিলীপ হাতীবৰুৱা
মুৰব্বী, পদাৰ্থ বিজ্ঞান বিভাগ

**ঃ মহাবিদ্যালয়ৰ সাহিত্য-সংস্কৃতি-শিল্প চৰ্চাৰ বাতাবৰণ সম্পৰ্কত আপোনাৰ মতামত?**



ঃঃ ঢকুৱাখনা মহাবিদ্যালয়ত সাহিত্য-সংস্কৃতি-শিল্প চৰ্চাৰ বাতাবৰণ সম্পৰ্কত তিনিমহীয়া অভিজ্ঞতাৰে এটা শুদ্ধ আৰু সঠিক মতামত আগবঢ়োৱাটো যিদৰে সহজ নহয়, ঠিক সেইদৰে যুক্তিপূৰ্ণও নহয়। তথাপিও আপোনালোকে মতামত বিচৰাত এগৰাকী নতুন প্ৰবক্তা হিচাপে এই তিনিমাহত মহাবিদ্যালয়ৰ লগত ওতঃপ্ৰোতঃভাৱে জড়িত হৈ বিষয়টোৰ সম্পৰ্কত যি অভিজ্ঞতা হৈছে, সেই অভিজ্ঞতাৰে মই কওঁ যে আমাৰ ছাত্ৰবন্ধুসকলৰ সাহিত্য-সংস্কৃতি, শিল্পৰ ক্ষেত্ৰখনত দখল থকাৰ লগতে সিবিলাকৰ চৰ্চাও তেওঁলোকৰ মাজত আছে। মোৰ নিজা ধৰণেৰে ছাত্ৰ-ছাত্ৰী-সকলৰ মাজত চলোৱা এক গৱেষণামূলক অধ্যয়নত এই কথা দৃষ্টিগোচৰ হৈছে। এই দিশত আগ্ৰহী কেইগৰাকীমান ছাত্ৰ বন্ধুৱে মোক ব্যক্তিগত ভাৱে লগ কৰিছে, তেওঁলোকক লগ পাই মই সঁচাই আনন্দিত। তেওঁলোকৰ প্ৰতিভা আছে, আগ্ৰহ আছে, কিছু পৰিমাণে চৰ্চাও আছে। মই তেওঁলোকক আশাবাদী মনোভাৱ লৈ "Where there is will, there is a way"ক দৃঢ়তাৰে মানি লৈ আগবাঢ়িবলৈ উৎসাহিত কৰিছোঁ। মই ভাৱোঁ আমাৰ ছাত্ৰবন্ধু সকলক আমি শিক্ষকসকলে যদি উৎসাহিত কৰোঁ, আন্তৰিকতাপূৰ্ণ প্ৰেৰণা দিওঁ, নিশ্চয়কৈ তেওঁলোক মহাবিদ্যালয়ৰ গৌৰৱ হ'ব পাৰিব। ছাত্ৰবন্ধুসকলৰ ওপৰত মোৰ পূৰ্ণ আস্থা আছে। আমাৰ শিক্ষকসকলৰ মাজতো প্ৰতিভা আছে, চৰ্চা আছে, কিন্তু মই দেখিবলৈ পাইছোঁ যে বিষয়টিৰ ওপৰত কিছু শিক্ষকৰ দখল আছে, কিন্তু চৰ্চাৰ অভাৱত সিবিলাকে গতি লাভ কৰিব পৰা নাই। যদি এই প্ৰতিভা-সম্পন্ন শিক্ষকসকলেও বিষয়টিত চৰ্চা কৰি গতি দিবলৈ চেষ্টা কৰে, তেন্তে ছাত্ৰ সমাজ উৎসাহিত হোৱাৰ লগতে মহাবিদ্যালয়ত সাহিত্য-সংস্কৃতি, শিল্পৰ ক্ষেত্ৰখনত এক সুস্থ বাতাবৰণ গঢ় লৈ উঠিব বুলি মই ভাবোঁ।

কুইন হাজৰিকা
প্ৰবক্তা, ৰাজনীতি বিজ্ঞান বিভাগ

**ঃ বিভিন্ন বন্ধৰ সময়ত মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰত ছাত্ৰ-ছাত্ৰীসকল অধ্যয়নৰ পৰা প্ৰায়েই বিৰত থাকে। এই সময়চোৱাত ছাত্ৰ-ছাত্ৰীৰ অধ্যয়নৰ সুবিধাৰ্থে আপুনি কিবা ব্যৱস্থা কৰিব পাৰে নেকি?**



ঃঃ পুথিভঁৰাল হ'ল জ্ঞানৰ ভঁৰাল। পুথিভঁৰালে জাতি, ধৰ্ম, বৰ্ণ, বয়স নিৰ্বিশেষে সকলোকে সামৰি বিদ্যালয়, মহাবিদ্যালয়ৰ জ্ঞান আহৰণৰ উদ্দেশ্য সাধন কৰে। আধুনিক শিক্ষা নীতিতো শিক্ষা দানতকৈ শিক্ষা গ্ৰহণ প্ৰক্ৰিয়াৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছে। সেয়ে পুথিভঁৰাল অবিহনে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলো শিক্ষা গ্ৰহণ আৰু শিক্ষাদানত লাভৱান হ'ব নোৱাৰে। পুথিভঁৰালত ছাত্ৰ-ছাত্ৰী বা শিক্ষকে বন্ধৰ দিনটো নিৰ্ভয়ে আৰু বিনা অনুগ্ৰহেৰে নিজৰ ইচ্ছানুসৰি জ্ঞান আহৰণৰ পূৰ্ণ স্বাধীনতা পায়।

বিভিন্ন বন্ধৰ সময়ত পুথিভঁৰালত ছাত্ৰ-ছাত্ৰীসকল অধ্যয়নৰ পৰা প্ৰায়েই বিৰত থাকে। ইয়াৰ কাৰণবোৰ বিচাৰি চালে আমি দেখা পাওঁ যে বহুত ছাত্ৰ-ছাত্ৰী আছে, গৰমৰ বন্ধ, দুৰ্গা পূজাৰ বন্ধ (নিৰ্দিষ্ট দিনকেইটাৰ বাহিৰে) ত যে পুথিভঁৰাল খোলা থাকে তেওঁলোক অজ্ঞ। আকৌ কিছুমান ছাত্ৰ-ছাত্ৰী আছে, তেওঁলোকে মাত্ৰ কলেজৰ ডিগ্ৰীটো কিবাকৈ পালেই হ'ল বুলি ভাৱে, পুথিভঁৰালৰ প্ৰতি কোনো গুৰুত্ব নাই। আজিৰ জ্ঞান-বিজ্ঞানৰ যুগতো আমাৰ ছাত্ৰ-ছাত্ৰীয়ে পাঠ্যপুথিকে সাৰোগত কৰি, শ্ৰেণীকোঠাত দিয়া সংক্ষিপ্ত টোকা পঢ়ি কোনোমতে পৰীক্ষাত পাছ কৰাটোকেই প্ৰধান লক্ষ্য কৰি লৈছে।

বৰ্তমান যুগটো প্ৰতিযোগিতামূলক যুগ আৰু এই যুগৰ লগত ফেৰ মাৰিবলৈ হ'লে যথেষ্ট অধ্যয়ন কৰিব লাগিব। পঢ়াৰ অভ্যাস গঢ়িবলৈ হ'লে কেইদিনমান অভ্যাস কৰাৰ পিছত ইয়েই স্বভাৱলৈ ৰূপান্তৰ হ'ব। Once reading habit graws, it is sure to remain life long. যিসকল ছাত্ৰ-ছাত্ৰীয়ে বন্ধৰ দিনবোৰ শুই-বহি বা এনেয়ে নকটাই পুথিভঁৰাললৈ আহি পঢ়াৰ অভ্যাস গঢ়ি তোলে সেইসকল ছাত্ৰ-ছাত্ৰীয়ে জীৱনত কৃতকাৰ্য্যতা লাভ কৰিবই।

অনুসন্ধিৎসু, অধ্যয়নশীল ছাত্ৰ-ছাত্ৰীয়ে পাঠ্যপুথি, প্ৰসঙ্গ পুথি অথবা অন্যান্য যিকোনো বিষয়ৰ লগতে আজৰি পৰত মনৰ খোৰাক গল্প, উপন্যাস, জীৱনী, ভ্ৰমণ কাহিনীকে আদি কৰি সমাজ, সাহিত্য-সংস্কৃতি আদি বিভিন্ন বিষয়ৰ কিতাপ বিচাৰি পুথিভঁৰাললৈ ধাৱমান হোৱাটোৱেই আজিলৈকে পৰিলক্ষিত হৈছে আৰু গ্ৰন্থাগাৰৰ ফালৰ পৰাও তেওঁলোকৰ প্ৰয়োজন পূৰাবলৈ যৎপৰোনাস্তি চেষ্টা কৰি অহা হৈছে। আনহাতে পাঠ্যক্ৰমত সন্নিৱিষ্ট একোটি বিষয়ৰ ওপৰত বিভিন্ন লিখকে লিখা কিতাপৰ তুলনামূলক অধ্যয়নৰ লগতে বিষয়টিৰ বিভিন্ন দিশসমূহৰ সমল আহৰণ কৰিবৰ বাবে একোটি বিষয়ৰ ওপৰত কেইবাখনো কিতাপ অথবা প্ৰসঙ্গ পুথি ছাত্ৰ-ছাত্ৰী সকলে অধ্যয়ন কৰিব লাগে। প্ৰতিটো বিষয় ওপৰত থকা বিভিন্ন লিখকৰ ভিন্ ভিন্ কিতাপ অথবা প্ৰস পুথিসমূহ ছাত্ৰ-ছাত্ৰীসকলে নিজে কিনি পঢ়িব পৰাটো প্ৰায় অসম্ভ কিতাপসমূহ দুৰ্লভ আৰু দামী হোৱা হেতুকে কিমান অভিভাৱ যে কিনি দিব পাৰিব, সেই কথা গ্ৰন্থাগাৰৰ বাবে গ্ৰন্থ সং কৰোঁতেই গভীৰভাৱে উপলব্ধি কৰিব পাৰি। সেয়েহে, আম ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন বন্ধৰ সময়তো গ্ৰন্থাগাৰৰ কাষ চপা নিতান্তই বাঞ্ছনীয় আৰু অপৰিহাৰ্য।

হিমাজ্যোতি
গ্ৰন্থাগাৰিক, ঢকুৱাখনা মহাবিদ্যাল

**ঃ মহাবিদ্যালয়ত প্ৰতিবছৰে নাম-ভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীৰ সং কমি যোৱা পৰিলক্ষিত হৈছে। ইয়াৰ কাৰণ আপুনি কি বুলি ভাবে**



ঃঃ মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰী কমি যোৱাৰ কাৰণ বিচাৰ কৰি বহুতো কাৰণ উল্লেখ কৰিব পাৰি। যেনে -বৰ্তমান অসমত প্ৰচলিত শিক্ষা-ব্যৱস্থা, সমাজ-ব্যৱস্থা, যুৱক-অভিভাৱকসকলৰ মানসিকতাবোধ, অসমৰ আৰ্থিক অচলাৱস্থা, মহাবিদ্যালয়ত নাম ভৰ্তিকৰণ তথা যাৱতীয় খৰচৰ অত্যধিক পৰিমাণ ইত্যাদি।

বৰ্তমান অসমত ত্ৰিশ বছৰৰ আগতেই প্ৰৱৰ্তন হোৱা শি পদ্ধতিৰে শিক্ষাদান কৰা হৈছে, য'ত Syllabus ৰ অন্তৰ্ভু বিষয়সমূহ অধ্যয়নৰ জৰিয়তে কোনো বিষয়ক বাস্তৱ পৰিস্থিতি লগত ৰিজাই নিজৰ মাজত কিবা এটা নতুন উপলব্ধিৰে প্ৰেৰি হ'ব পৰাকৈ বা কৰ্মমুখী হ'ব পৰাকৈ, বিভিন্ন প্ৰতিযোগিতামূল পৰীক্ষাৰ দিশত আগবাঢ়ি যাব পৰাকৈ সমল নাই। যাৰ ফল উদ্ভৱ হোৱা নিবনুৱা সমস্যা, সংস্থাপনহীনতা দেখি আজিৰ যুৱচা মহাবিদ্যালয়ৰ ডিগ্ৰীৰে সঠিক পথৰ সন্ধান কৰাতকৈ কাৰিকৰি কম্পিউটাৰমুখী আদি শিক্ষাৰে কৰ্মমুখী হোৱাৰ চেষ্টা কৰিছে

দ্বিতীয়তে, মেধাৱী আৰু অৰ্থৱন্ত ছাত্ৰ-ছাত্ৰীসকলে অসম এক্সপ'জাৰ নাই বাবে বাহিৰৰ আৰ্থিকভাৱে আগবঢ়া ৰাজ্যবোৰ পঢ়িবলৈ গুচি গৈছে। তদুপৰি মহাবিদ্যালয়ৰ শিক্ষাৰে শিক্ষি চাকৰিমুখী কৰ্মবিমুখ নিবনুৱা সকলক দেখি বৰ্তমান অভিভাৱক সকলে নিজৰ সন্তানক মহাবিদ্যালয়ৰ আনুষ্ঠানিক শিক্ষাৰ বেষ্টনী আৱদ্ধ নাৰাখি অন্য দিশৰ কৰ্মমুখী শিক্ষা দিয়াত গুৰুত্ব দিছে ফলত মহাবিদ্যালয়ত প্ৰতিবছৰে নাম-ভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কমি যোৱা পৰিলক্ষিত হৈছে।

ডলি
স্নাতক প্ৰথম বৰ্ষ, অৰ্থনীতি বিভাগ





**ঃ ঢকুৱাখনা মহাবিদ্যালয়ত পাঠদান অনিয়মীয়া হয় বুলি অভিযোগ শুনা যায়। এই সম্পৰ্কত আপোনাৰ মতামত কি ?**



ঃঃ ঢকুৱাখনা মহাবিদ্যালয়ত পাঠদান কাৰ্য নিয়মীয়া নহয় বুলি সমালোচনা হয়। প্ৰায়বোৰ ছাত্ৰ-ছাত্ৰীৰ মাজত এই মন্তব্যই প্ৰাধান্য লাভ কৰে। কিন্তু মোৰ ক্ষেত্ৰত এই মন্তব্যই প্ৰণিধানযোগ্য নহয়।

প্ৰথমে আমি চাব লাগিব যে কিয়নো শিক্ষক-শিক্ষয়িত্ৰীসকলে আমাক পাঠদান দিয়াৰ ক্ষেত্ৰত হেমাহি কৰে। যদি পাঠদান দিয়াৰ ক্ষেত্ৰত গাফিলতি কৰে অৰ্থাৎ নিয়মীয়াকৈ ক্লাছৰুমলৈ নাহে, তেতিয়াহলে আমাৰ ছাত্ৰ-ছাত্ৰীসকলে বিহিত ব্যৱস্থা লোৱাৰ ব্যৱস্থা কৰিব লাগে আৰু তাৰ পিছতো যদি ছাৰ-বাইদেউসকলে ক্লাছ কৰিবলৈ নাহে তেতিয়াহে তেওঁলোকৰ ওপৰত দোষ জাৰি দি সমালোচনা কৰিব লাগে আৰু অধ্যক্ষক জনাব লাগে। কিন্তু পোনে পোনেই তেখেতসকলক সমালোচনা কৰা সমীচিন নহয়। কাৰণ ছাত্ৰ-ছাত্ৰীসকলৰ সজাগতাই বহুক্ষেত্ৰত শিক্ষক-শিক্ষয়িত্ৰীসকলকো অনুপ্ৰাণিত কৰে।

মানুহৰ মনটো প্ৰৱণতাময় অৰ্থাৎ অনুসন্ধিৎসু। এটা নতুন কাম শিকিবলৈ সকলোৱে ইচ্ছা কৰে। সেইবাবেই আমি কাৰোবাৰ পৰা কিবা এটা পাবলৈ যিমান চেষ্টা কৰা উচিত ঠিক আনক দিবলৈও সিমানেই চেষ্টা কৰা উচিত। এই কথাটো মই এইবাবেই ক'ব বিচাৰোঁ, আমি যদি ছাৰ-বাইদেউসকলৰ পৰা শিক্ষা আহৰণ কৰিবলৈ ইচ্ছা কৰোঁ, তেনেহ'লে তেখেতসকলৰ আগত তেনে আগ্ৰহ প্ৰকাশ কৰি দেখুৱাব পাৰিব লাগিব। কাৰণ অনিয়মীয়া ছাত্ৰ-ছাত্ৰীক কেতিয়াও শিক্ষকসকলে পঢ়াই ভাল নাপায়, যিমানেই তেওঁ কৰ্তব্যপৰায়ণ নহওক। কিন্তু একান্ত বাধ্য, আগ্ৰহী ছাত্ৰকহে সকলোৱে মৰম কৰে, শ্ৰদ্ধা কৰে আৰু ল'ৰা-ছোৱালীক দিবলগীয়া শিক্ষাদান কৰি ভাল পায়। কাৰণ ছাত্ৰ-ছাত্ৰী ভালেই শিক্ষক ভাল আৰু শিক্ষক ভালেই ছাত্ৰ-ছাত্ৰীৰ ভাল।

ঢকুৱাখনা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে অনিয়মীয়া পাঠদানৰ ওপৰত মন্তব্য কৰে যদিও মোৰ বাবে এই মন্তব্য গ্ৰহণযোগ্য নহয়। কাৰণ প্ৰায়বোৰ ক্ষেত্ৰত দেখা যায় যে যেতিয়া ছাৰ-বাইদেউসকলে ক্লাছৰুমত পাঠদান দিবৰ বাবে প্ৰৱেশ কৰে ঠিক কেইমুহূৰ্তমানলৈকেহে ছাত্ৰসকল মনোযোগী হয় কেৱল নিজৰ উপস্থিতি দেখুৱাবলৈ। উপস্থিতি দিয়াৰ পাছতেই প্ৰায়ভাগে পিছ দুৱাৰেদি ওলাই যায়। এই ক্ষেত্ৰত জানো ছাৰ-বাইদেউসকলৰ ওপৰত দোষ জাপি দি কিবা লাভ আছে যে ছাৰসকলে আমাক ক্লাছ নকৰে। আমি সকলোৱে আনক দোষ দি ভাল পাওঁ। কিন্তু আনক দোষ দিয়াৰ আগতে নিজৰ দোষটোও বিচাৰ-বিশ্লেষণ কৰি চাব পাৰিব লাগিব। যিবিলাক ল'ৰা-ছোৱালীয়ে নিয়মিত পাঠদানত উপস্থিত নাথাকে তেওঁলোকে নিজৰ দৰে আমাকো উপস্থিত নাথাকে বুলিয়েই ভাৱে আৰু ছাৰ-বাইদেউসকলে ক্লাছ কৰিছেনে নাই কৰা তাৰ কোনো হিচাপ নাৰাখে আৰু ফলস্বৰূপে আনৰ আগত কৈ ফুৰে যে আমাৰ ঢকুৱাখনা কলেজৰ ক্লাছবোৰ অনিয়মীয়া হয়। আমি সাধাৰণ সভা পাতিব লাগে আৰু সকলো ল'ৰা-ছোৱালীয়ে ইয়াৰ ওপৰত গোচৰ তৰিব লাগে।

শেষত, মই ভাবোঁ যে অকল শিক্ষক-শিক্ষয়িত্ৰীক দোষ নিদি যদি সকলোৱেই পাৰস্পৰিক সহায়-সহযোগিতা, মিলনেৰে আমাৰ দৈনন্দিন জীৱনৰ পাঠ গ্ৰহণ নিয়মিত ভাৱে কৰোঁ, তেতিয়াহ'লে এই বিষয়টোৰ ওপৰত "ঢকুৱাখনা মহাবিদ্যালয়ত পাঠদান অনিয়মীয়া হয়" বুলি সমালোচনাৰে মন্তব্য দিবলৈ একো নাথাকে। ❖

পম্পী বৰুৱা
স্নাতক দ্বিতীয় বৰ্ষ, নৃতত্ত্ব বিভাগ

## ভিন্ন মত

⊛ ঢকুৱাখনা মহাবিদ্যালয়ৰ শৈক্ষিক পৰিৱেশটো মোৰ দৃষ্টিত সন্তোষজনক। ছাত্ৰ-ছাত্ৰীসকলে দ্বিধা-সংকোচ ভাব ত্যাগ কৰি শিক্ষক-শিক্ষয়িত্ৰী (প্ৰৱক্তা) সকলৰ লগত সু-সম্পৰ্ক বজাই ৰাখিবলৈ চেষ্টা কৰিলে শৈক্ষিক বাতাবৰণ অধিক উন্নত হ'ব বুলি ভাবোঁ।

প্ৰকাশ বৰুৱা, স্নাতক ২য় বৰ্ষ

⊛ মহাবিদ্যালয়ৰ পুথিভঁৰালটোৰ পৰা মই যথেষ্ট উপকৃত হৈছোঁ। নিজৰ পাঠ্যক্ৰমৰ উপৰিও অন্যান্য বাতৰি কাকত আৰু বিভিন্ন আলোচনী যোগান ধৰাটো ইয়াৰ অন্যতম বৈশিষ্ট্য।

ৰূণজুন দত্ত, স্নাতক ২য় বৰ্ষ

⊛ ঢকুৱাখনা মহাবিদ্যালয় আলোচনীখন মই অধিক উন্নত মানৰ হ'ব লাগে বুলি ভাবোঁ। কিয়নো কলেজ স্তৰৰ আলোচনী হিচাপে ইয়াৰ লেখা-মেলাবোৰ অপেক্ষাকৃতভাৱে অনুন্নত। লগতে কলেৱৰটোও শকত-ডাঙৰ হোৱাটো বিচাৰোঁ।

ত্ৰিবেণী বৰগোহাঁই, উঃ মাঃ ২য় বৰ্ষ

⊛ ঢকুৱাখনা মহাবিদ্যালয় কেণ্টিনখন অধিক পৰিষ্কাৰ আৰু আহল-বহল হোৱা উচিত। মহাবিদ্যালয়খনৰ সকলোৰে পক্ষে সুবিধাজনক হ'বৰ বাবে ই সকলো দিশৰ পৰা উপযোগী হ'ব লাগে।

প্ৰাঞ্জল পালক, উঃ মাঃ ১ম বৰ্ষ

দৈনিক বাতৰিৰ "কলেজ কেম্পাছ" শিতানত ইতিপূৰ্বে প্ৰকাশিত।

# প্ৰাণী বিজ্ঞান বাৰ্তা


## (প্ৰাণী বিজ্ঞান বিভাগৰ প্ৰাচীৰ পত্ৰিকা)

### সম্পাদকীয়

বিজ্ঞান শিক্ষাৰ প্ৰতি অনীহা কিয় ?

প্ৰচলিত বিজ্ঞান শিক্ষাৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ আকৰ্ষণ যে কমি আহিছে সেই কথাষাৰ প্ৰায়েই শুনা যায়। আজিৰ পৰা কেইটামান দশকৰ আগৰ অসমৰ শৈক্ষিক ক্ষেত্ৰখনলৈ লক্ষ্য কৰিলে দেখা যায় যে সেই সময়ত এক বুজন সংখ্যক ছাত্ৰ-ছাত্ৰীৰ স্বাভাৱিকতে বিজ্ঞান বিষয়টি আছিল প্ৰথম পছন্দৰ বিষয়। তেওঁলোকে মহাবিদ্যালয়—বিশ্ববিদ্যালয় শিক্ষা অথবা কাৰিকৰী-শিক্ষাৰ দ্বাৰা শিক্ষিত হৈ নিজে আত্ম-সংস্থাপিত হ'বলৈ চেষ্টা চলাইছিল আৰু প্ৰায় ক্ষেত্ৰতেই তেওঁলোক সফল হোৱা দেখা গৈছিল। সময় বাগৰি যোৱাৰ লগে লগে শৈক্ষিক ক্ষেত্ৰখনলৈ অনেক পৰিৱৰ্তন আহিল। বৰ্তমান উদাৰীকৰণ, ব্যক্তিগতকৰণ আৰু বিশ্বায়ন (Liberalization, Privalization and Globalization) ৰ যুগত বিজ্ঞানৰ ব্যৱহাৰিক ক্ষেত্ৰবোৰৰ ব্যাপক পৰিৱৰ্তন হ'ল। বিশেষকৈ মহাকাশ প্ৰযুক্তি (Space Technology), তথ্য প্ৰযুক্তি (Information Technology) আৰু জৈৱ প্ৰযুক্তি (Bio Technology) ৰ ক্ষেত্ৰত চমকপ্ৰদ সাফল্য আহৰণ কৰাৰ সময়ত পৰম্পৰাগত বিজ্ঞান শিক্ষাৰে শিক্ষিতসকলে বিশেষ আগবাঢ়িব নোৱাৰা অৱস্থা এটাৰ সৃষ্টি হ'ল। কাজেই সাধাৰণ বিজ্ঞান শিক্ষাৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ অনীহা আহি পৰিছে। ইয়াৰ ফলত বিজ্ঞান-শিক্ষাৰ শ্ৰেণীসমূহত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা তুলনামূলকভাৱে কমিবলৈ ধৰিছে। এইক্ষেত্ৰত পাঠ্যক্ৰম নিৰ্দ্ধাৰণ কৰা সংস্থাসমূহৰ দায়িত্ব অধিক হৈ পৰিছে। প্ৰয়োজনভিত্তিক পাঠ্যক্ৰম, বৃত্তিমুখী পাঠ্যক্ৰম আদিৰ লগতে সংস্থাপনৰ দিশটোৰ প্ৰতি চকু দিয়াটোও প্ৰয়োজনীয় হৈ পৰিছে। বিজ্ঞান শিক্ষাৰ প্ৰতি অনীহা হোৱাৰ অন্য এক কাৰণ হ'ল কলা আৰু বাণিজ্য শাখাৰ কেতবোৰ বচা বচা ক্ষেত্ৰত হোৱা দ্ৰুত অগ্ৰগতি। য'ত এশ শতাংশ নিয়োগৰ নিশ্চিতি প্ৰদান কৰা হয়।

বৰ্তমান আমি দেখিছোঁ, এহাতে তথ্য-প্ৰযুক্তিক ধৰি বিজ্ঞানৰ নতুন নতুন ক্ষেত্ৰত প্ৰচুৰ সম্ভাৱনা, আনহাতে আকৌ পৰম্পৰাগত বিজ্ঞান শিক্ষাৰে শিক্ষিত হাজাৰ হাজাৰ উচ্চ শিক্ষিত নিবনুৱাৰ শাৰী। এতিয়া কথা হ'ল, এই সম্ভাৱনা আৰু হতাশাগ্ৰস্ততাৰ মাজৰ



## দেৱালৰ সাহিত্য

দূৰত্ব যেতিয়ালৈকে কমাব পৰা নাযায়, তেতিয়ালৈকে আমাৰ দেশৰ বিজ্ঞান শিক্ষাৰ ছবিখন ধূসৰ হৈয়ে ৰ'ব। এই ক্ষেত্ৰত চৰকাৰ, বিশ্ববিদ্যালয় অনুদান আয়োগ আৰু অন্যান্য পাঠ্যক্ৰম প্ৰস্তুতকাৰী সংস্থাসমূহৰ দায়িত্ব অধিক।

**অলপ চিন্তনীয় ঃ**

বৰ্তমান আমাৰ সমাজখন হিংসা, বিদ্বেষ, হত্যা, লুণ্ঠনেৰে ভৰি পৰিছে। চাৰিওফালে কেৱল ধ্বংসৰ ধোঁৱাই ছানি ধৰিছে। এই প্ৰতিকূল পৰিস্থিতিত আমি নিজকে অভিযোজন ঘটাই জীৱন যুঁজত সজ পথেৰে আগবঢ়াই লৈ যাওঁ আহক। আমি নিজ অস্তিত্ব ৰক্ষাৰ বাবে কৰিবলগীয়া কৰ্তব্যত ব্ৰতী হওঁ আহক। এই কামনাৰে...❖

২১ ডিচেম্বৰ,'০৪

উত্তম চুতীয়া
সম্পাদক, প্ৰাণীবিজ্ঞান বাৰ্তা

# উৰ্ণনাভ

## (অৰ্থনীতি বিভাগৰ প্ৰাচীৰ পত্ৰিকা)

## উৎপাদনৰ অধিকাৰ—পেটেন্ট

অৰ্থনীতিৰ প্ৰচলিত ধাৰণাটোৰ জন্ম বা বিকাশ হোৱাৰ আগলৈকে মানুহৰ মাজত কোনো ব্যৱসায় অথবা পণ্য উৎপাদনৰ ক্ষেত্ৰত নিৰ্দিষ্ট নিয়ম নাছিল। উৎপাদনকৰ্তাই নিজ ইচ্ছা অনুসৰি পণ্যৰ উৎপাদন কৰিছিল আৰু গ্ৰাহকে নিজ চাহিদা অনুযায়ী সেই পণ্য ক্ৰয় কৰিছিল। কিন্তু পৰ্যায়ক্ৰমে অৰ্থনীতি বোলা ধাৰণাটোৰ বিকাশ হ'ল। উৎপাদন তথা ব্যৱসায়ৰ ক্ষেত্ৰখনত ব্যাকৰণ মানি চলিবলৈ মানুহে শিকি ল'লে। দেশ এখনত চলা ব্যৱসায় আৰু উৎপাদনৰ ওপৰত দেশখনৰ শাসন যন্ত্ৰটোৰ পোনপটীয়া নিয়ন্ত্ৰণ স্থাপিত হ'ল।

ওপৰত উল্লেখ কৰি অহা কথাখিনিৰ পটভূমিতে আহি পৰিছে পেটেন্ট (Patent)ৰ কথা। আজিকালি যিকোনো গুৰুত্বপূৰ্ণ পণ্য, ঔষধ, কৃষিজাত দ্ৰব্য আদিৰ উৎপাদনৰ সৈতে পেটেন্টৰ সম্পৰ্ক আছে। পেটেন্টনো কি? সৰলভাৱে পেটেন্ট হ'ল কোনো এক নতুন





উদ্ভাৱনৰ পিছত উদ্ভাৱনকৰ্তাজনলৈ সেই বিশেষ উদ্ভাৱনৰ ওপৰত আইনগতভাৱে দিয়া একচেটিয়া অধিকাৰ। অৰ্থাৎ সেই নতুনকৈ উদ্ভাৱিত পণ্য বিধৰ ব্যৱসায়িক উৎপাদনৰ অধিকাৰ সেই উদ্ভাৱনকৰ্তাজনৰ হাতত থাকিব। ইচ্ছা কৰিলে তেওঁ ধনৰ বিনিময়ত আনক সেই পণ্য উৎপাদনৰ অধিকাৰ প্ৰদান কৰিব পাৰিব।

**ভাৰতত পেটেন্ট আইন ঃ-** বিংশ শতিকাৰ আৰম্ভণিত ইংৰাজ শাসিত ভাৰতবৰ্ষত বিভিন্ন ক্ষেত্ৰত নতুন নতুন প্ৰক্ৰিয়া ব্যৱহাৰ হ'বলৈ ধৰে। আৰু ইয়াৰ লগে লগে উদ্ভাৱন বা উৎপাদন প্ৰক্ৰিয়াবোৰ নকল হোৱাৰ সম্ভাৱনাই দেখা দিয়ে। ইংৰাজ শাসকসকলে স্থানীয় উৎপাদনকাৰীৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি— 'Indian Patents and Designs Act 1911' জাৰি কৰে। ইতিমধ্যে ভাৰত স্বাধীন হোৱাৰ পাছত অৰ্থনীতিৰ দিশত বহুতো পৰিৱৰ্তন সাধন হয়। এই পৰিৱৰ্তনৰ প্ৰতি লক্ষ্য ৰাখি ১৯৪৯ চনৰ ৭ ডিচেম্বৰত নতুন পেটেন্ট বিল এখন উত্থাপন কৰা হয়। কিন্তু সেইখন গৃহীত হোৱাৰ আগতেই প্ৰথম লোকসভা ভংগ হয়। আকৌ ১৯৬৫ চনত আন এখন নতুন পেটেন্ট বিল লোকসভাত উত্থাপন কৰা হয় যদিও সময়ৰ নাটনিৰ বাবে গৃহীত নহয়। পুনৰ এই বিলখন ১৯৭০ চনত উত্থাপন কৰা হয় আৰু বিলখন গৃহীত হয়। তেতিয়াৰ পৰাই এই বিলখন কোনো সংশোধনৰ অবিহনে চলি আছিল। কিন্তু বিলখন গেট্ (GATT- General Agreement of Tariffs and Trade) চুক্তি সম্পাদিত হোৱাৰ পিছত সংশোধন কৰিবলগীয়া হয় আৰু সংশোধন কৰিবলগা হৈছিল বিশ্ব বাণিজ্য সংস্থা (WTO - World Trade Organisation)ৰ অনুকূলে।

**পেটেন্ট আৰু বাণিজ্য সংস্থা ঃ-** সাম্প্ৰতিক বিশ্বত বাণিজ্য নিয়ন্ত্ৰণত বিশ্ব বাণিজ্য সংস্থাৰ গুৰুত্ব অপৰিসীম। সেই গুৰুত্ব অনুসৰি সংস্থাটোৰে বান্ধি দিয়া নীতি-নিয়মবোৰ কোনো এখন সদস্য দেশে এৰাই চলাটো অসম্ভৱ। বিশ্ব বাণিজ্য সংস্থা মূলতঃ আমেৰিকাৰ দ্বাৰা প্ৰভাৱিত। আমেৰিকা আৰু অন্য পুঁজিবাদী দেশবোৰে বিশ্ব বাণিজ্য সংস্থাক প্ৰভাৱ পেলাই অহাৰ ফলস্বৰূপে ভাৰতবৰ্ষৰ দৰে উন্নয়নশীল দেশবোৰে এই সংস্থাটোৰ নিৰ্দেশনাত নিজৰ স্বাৰ্থৰ বিপৰীতে কিছুমান কাম কৰিবলগা হয়। ইয়াৰ অন্যথা এই দেশবোৰৰ বিৰুদ্ধে বাণিজ্যিক নিষেধাজ্ঞা জাৰি কৰিব পাৰে।

এনেবোৰ কাৰণতে ১৯৭০ চনৰ পেটেন্ট আইনখনৰ আমূল সংশোধন কৰা হয়। এই পৰিৱৰ্তনটো চমুকৈ ক'বলৈ হ'লে ভাৰতত আগতে চলিছিল "Product Patent", কিন্তু বৰ্তমান 'Process Patent' প্ৰচলিত। এই দুয়োখন পেটেন্টৰ মাজৰ পাৰ্থক্য বৰ মাৰাত্মক। ধৰা হওক, এটা বিদেশী কোম্পানীয়ে কোনো এবিধ জৰুৰী ঔষধ উৎপাদন কৰিবলৈ আৰম্ভ কৰি দিছে। ইমান দিনে আমি আন মাধ্যমত সেইবিধ ঔষধ পাই থকাত কোনো বাধা নাছিল। কিন্তু এতিয়া এবাৰ বজাৰত মুকলি কৰি দিয়া ঔষধ আনে উৎপাদন কৰিব নোৱাৰিব। অৰ্থাৎ পেটেন্ট আইন সংশোধনৰ পৰা লাভৱান হ'ল এটা বিদেশী কোম্পানী। দেখাত এই কথাখিনিত কোনো অন্যায় নাই। বিদেশী কোম্পানীটোৱে ধন খৰচ কৰি গৱেষণা চলাই কোনো নতুন জৰুৰী ঔষধ উদ্ভাৱন কৰিছে আৰু এই ধন ব্যৱসায় কৰি আদায় কৰিছে। ভাৰতীয় কোম্পানীবোৰেও এনে এটা নতুন ঔষধ উদ্ভাৱন কৰিব পাৰে। তাত বাধা কোনেও দিব নোৱাৰে। কিন্তু সেই বিদেশী কোম্পানীটোৱে যদি সেই আৱিষ্কাৰত পেটেন্টৰ দাবী কৰে, তেন্তে এই দাবীক প্ৰত্যাহ্বান জনাবৰ বাবে গোচৰ তৰিব লাগিব। যিটো এটা ব্যয়বহুল প্ৰক্ৰিয়া। এখন উন্নয়নশীল দেশৰ কোম্পানীয়ে যিটো ব্যয় কৰাটো অসম্ভৱ। পেটেন্টৰ ক্ষেত্ৰত উন্নত দেশবোৰৰ ধাৰণাটো এনেধৰণৰ— তেওঁলোকৰ থকাখিনি তেওঁলোকে ৰাখিব, আনখিনি তেওঁলোকে ভাগ কৰিব।

বৰ্তমান এই পেটেন্ট আইনৰ প্ৰভাৱ সকলোবোৰ ক্ষেত্ৰতে দেখা দিছে। পেটেন্ট আইনৰ সংশোধনৰ দ্বাৰা বিশ্ব বাণিজ্য সংস্থাই উন্নত দেশবোৰকহে সহায় কৰিছে। মুঠতে পেটেন্টক লৈ বিতৰ্কৰ অন্ত নাই। তথাপিও নব্য বিশ্ব অৰ্থনীতিত পেটেন্টৰ ধাৰণা অতি গুৰুত্বপূৰ্ণ হৈ পৰিছে। কাৰণ পেটেন্ট মানেই হৈছে উৎপাদনৰ অধিকাৰ।❖

মণিষ বৰগোহাঁই
স্নাতক ১ম বৰ্ষ, অৰ্থনীতি বিভাগ

# INNOVATION

## (ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰাচীৰ পত্ৰিকা)

## ছাত্ৰ আৰু ৰাজনীতি

"সমাজচ্যুত মানুহৰ শেষ আশ্ৰয় ৰাজনীতি" বুলি কোৱা কথাষাৰ যুক্তিসংগত নহয় যদিও বৰ্তমান সময়ত ৰাজনীতিয়ে গ্ৰহণ কৰা এক বিগ্ৰহ ৰূপৰ পৰিপ্ৰেক্ষিতত উক্ত বাক্যক দৃঢ়ভাৱে গ্ৰহণ কৰিব পাৰি যে ৰাজনীতি সমাজপ্ৰিয় মানুহৰ বাবে নহয়। এনে এক বিতৰ্কৰ সন্ধিক্ষণত আমাৰ মনলৈ স্বতঃস্ফূৰ্তভাৱে নিগৰি আহে ছাত্ৰ আৰু ৰাজনীতিৰ মাজত থকা সম্পৰ্ক আৰু ইয়াৰ ভয়াবহতাৰ বিষয়ে। অৱশ্যে হয়, ৰাজনীতিৰ লগত জড়িত থকাটো দেশৰ প্ৰতিজন সুস্থ-সবল নাগৰিকৰ কৰ্তব্য। গতিকে, এইক্ষেত্ৰত ছাত্ৰসকল ৰাজনীতিৰ উৰ্দ্ধত হ'ব নোৱাৰে। কিন্তু আধুনিক যুগৰ ৰাজনৈতিক ব্যৱস্থাত ছাত্ৰসকল ৰাজনীতিত জড়িত হৈ পৰাটো আশীৰ্বাদ নে অভিশাপ তাক বিশ্লেষণ কৰাটো অতিশয় জৰুৰী।

আজিৰ বাস্তৱ ৰাজনীতিৰ জগতখনলৈ যদি এবাৰ সূক্ষ্মদৃষ্টিৰে পৰ্যবেক্ষণ কৰা হয়, দেখা যায় যে ক্ষমতাৰ সংকট আৰু ক্ষমতাৰ

সংঘৰ্ষৰে জৰ্জৰিত বৰ্তমানৰ এই ৰাজনৈতিক ব্যৱস্থাত সংখ্যা গৰিষ্ঠ চৰকাৰ গঠনকাৰী দলটোৱে জনসাধাৰণৰ স্বাৰ্থতকৈ সদায় দলীয় স্বাৰ্থক অগ্ৰাধিকাৰ দি বিভিন্ন ধৰণৰ দুৰ্নীতি-ভ্ৰষ্টাচাৰ, অনৈতিকতাৰ বশৱৰ্তী হৈ ৰাজনৈতিক পৰিবেশক সম্পূৰ্ণভাৱে অস্থিৰ কৰি দুৰ্নীতিৰ এক পংকিলতাত ডুবাই ৰাখিছে। কিন্তু এই অস্থিৰতাক নেওচা দিব পৰা জনসচেতনতা আৰু বিৰোধী দলৰ বিৰূপ সমালোচনাও আজি নীৰৱ হৈ পৰিছে। লক্ষ্য মাথোঁ প্ৰতিপক্ষক ৰাজনীতিৰ নিৰ্বাচন যুদ্ধত পৰাস্ত কৰি চৰকাৰ গঠন কৰা আৰু নিজস্ব দাবী তথা স্বাৰ্থক অপৰাজিতভাৱে পূৰণ কৰা।

ইয়াৰ উপৰিও দেখা গৈছে, এচাম দুৰ্নীতিপৰায়ণ ৰাজনীতিকৰ আঙুলিৰ নিৰ্দেশত দেশৰ প্ৰশাসনিক বিষয়াসকলে দেশ পৰিচালনা কৰিছে একমাত্ৰ সংশ্লিষ্ট ৰাজনৈতিক নেতাসকলৰ নিৰ্দেশত দক্ষতাহীন আৰু বিবেকহীনভাৱে...। গতিকে দেশৰ এনে এক জটিলতম পৰিস্থিতিত ছাত্ৰসকলে এক সক্ৰিয় ভূমিকা পালন কৰাটো অতিশয় প্ৰয়োজনীয়। কিয়নো ছাত্ৰসকলেই দেশৰ ধৰণীস্বৰূপ।

কিন্তু দুৰ্ভাগ্যজনক বিষয়, বৰ্তমানৰ স্কুল-কলেজতো ৰাজনীতিৰ বতাহে প্ৰবল সমাদৰ লাভ কৰিছে। ছাত্ৰৰ নামত কিছুমান যুৱকে ৰাজনীতিৰ লগত জড়িত হৈ বিভিন্ন সংগঠন গঠন কৰি দেশৰ হিতৰ বাবে আপ্ৰাণ চেষ্টা চলাইছে, কিন্তু ইয়াৰ সফলতালৈ লক্ষ্য কৰা নাই; কৰিছে মাত্ৰ এচাম কৰ্তৃত্বশীল, দুৰ্নীতিপৰায়ণ ৰাজনীতিকৰ অধীনত থাকি দেশৰ হিত সাধনৰ নামত অযথা ছাত্ৰ শক্তিৰ প্ৰবল অপচয়...।

সেয়েহে, ছাত্ৰ সমাজৰ অধিক সচেতনতা এইখিনিতেই যে, বৰ্তমান ছাত্ৰ সমাজে ছাত্ৰ অৱস্থাত ৰাজনীতিৰ পৰা আংশিক ভাৱে হলেও বিৰত থাকি নিজকে একোজন সুদক্ষ, অভিজ্ঞ, কৰ্মস্পৃহাপূৰ্ণ, নিৰপেক্ষ বিষয়া তথা সচেতন নাগৰিক হিচাপে প্ৰতিষ্ঠা কৰি দেশৰ বৰ্তমানৰ কলুষিত ৰাজনৈতিক বাতাবৰণক এচাম কৰ্তৃত্বশীল, দুৰ্নীতিপৰায়ণ ৰাজনৈতিক নেতাৰ অধীনৰ পৰা হস্তগত কৰি একান্ত নিৰপেক্ষতাৰে আৰু আইনগতভাৱে দেশৰ প্ৰশাসন কাৰ্য পৰিচালনা কৰাৰ দৃঢ় পদক্ষেপেৰে নিজকে শৰণাগত কৰা। ফলশ্ৰুতিত ইয়ে হ'ব সমগ্ৰ দেশ, জাতি তথা জনসাধাৰণৰ বাবে আশীৰ্বাদস্বৰূপ আৰু দেশৰ হেৰাই যাব খোজা ৰাজনৈতিক স্থিৰতাৰ অতীত গৌৰৱৰ পুনৰুদ্ধাৰৰ প্ৰচেষ্টা...।❖

বৰ্ণালী বৰুৱা
স্নাতক দ্বিতীয় বৰ্ষ, ৰাজনীতি বিজ্ঞান বিভাগ

# শব্দ-শিল্প

## (অসমীয়া বিভাগৰ প্ৰাচীৰ পত্ৰিকা)

## প্ৰতীক্ষা

গছজোপা
লহপহকৈ বাঢ়িছে
তোমাৰ বাৰু এবাৰো চাবৰ
মন যোৱা নাইনে?
তুমি ইচ্ছা কৰিলেইতো
মই দেখুৱাব পাৰোঁ
ঠন ধৰি উঠা
ডাল-পাতবোৰ!❖

পংকজ গোস্বামী
স্নাতক দ্বিতীয় বৰ্ষ, অসমীয়া বিভাগ


### মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা

| | বিভাগ | প্ৰাচীৰ পত্ৰিকাৰ নাম |
|---|---|---|
| ১। | ইংৰাজী | Prelude |
| ২। | অসমীয়া | শব্দ-শিল্প |
| ৩। | অৰ্থনীতি বিজ্ঞান | উৰ্ণনাভ |
| ৪। | ৰাজনীতি বিজ্ঞান | Innovation |
| ৫। | সমাজ শাস্ত্ৰ | অংকুৰণ |
| ৬। | নৃতত্ত্ব | Anthropos |
| ৭। | বুৰঞ্জী | ম্যুঙ-ড্যুন-চ্যুন-খাম |
| ৮। | প্ৰাণীবিজ্ঞান | প্ৰাণীবিজ্ঞান বাৰ্তা |
| ৯। | উদ্ভিদ বিজ্ঞান | বনানি |
| ১০। | পদাৰ্থ বিজ্ঞান | Phy-Bu |
| ১১। | ৰসায়ন বিজ্ঞান | Orbital |
| ১২। | মহাবিদ্যালয় ছাত্ৰাবাস | উদিত |
| ১৩। | মহাবিদ্যালয় ছাত্ৰীনিবাস | অজৰীথি |





## কলা বীথিকা




ৰশ্মি চুতীয়া, উচ্চতৰ মাধ্যমিক ১ম বৰ্ষ (কলা)



প্লাৱিতা দত্ত, স্নাতক ২য় বৰ্ষ (কলা)



নমিতা দত্ত, স্নাতক ২য় বৰ্ষ (কলা)




হিমাজ গগৈ, স্নাতক প্ৰথম বৰ্ষ (কলা)

# কেমেৰাত বন্দী কেইটামান মুহূৰ্ত



সমাজসেৱাত ব্যস্ত মহাবিদ্যালয়ৰ এটি দল।



মহাবিদ্যালয়ৰ ৩৯ তম্ প্ৰতিষ্ঠা দিৱসত পতাকা উত্তোলন কৰিছে অধ্যক্ষ ড° গিৰিণ গগৈয়ে।



মহাবিদ্যালয়ৰ চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী ৰামেশ্বৰ বৰুৱাক বিদায় সম্ভাষণ জনাইছে কাৰ্যালয়ৰ উচ্চ বৰ্গৰ সহায়ক প্ৰদীপ দত্তই।



মহাবিদ্যালয়ৰ পৰিবেশ বিজ্ঞান বিষয়ৰ ছাত্ৰ-ছাত্ৰী সকলক লিকাবালিত ক্ষেত্ৰ অধ্যয়নৰ কামত নিয়োজিত কৰিছে অধ্যাপক ইন্দিবৰ বুঢ়াগোহাঞি, অধ্যাপক নৰেন্দ্ৰ নাথ দত্ত আৰু অধ্যাপক অসীম সন্দিকৈয়ে।





# THE HISTORY OF THE LITTLE BOY AND THE FAT MAN.

**Dipankar Chetia**
**1st Year (Science)**

It was 6th August of 1945. The Little boy created the greatest tragedy in Japan. The L.B. stopped above one of the cities of the country at 8-15 a.m. In the meantime this little boy with its destructive power jumped upon the city. Within a minute the city was burnt to ashes. This was not the end. After three days on 9 August there appeared the F.M. (Fat Man) at another city of the same country. The fat man appeared not to console the people, but to create another tragedy, another destruction, as the L.B. (Little Boy).

Now the question who were they the little boy and the fat man? They were not human beings. They had the power to destroy the world.

This is the best example of misuse of scientific invention. The L.B. and F.M. were two atomic bombs. These were made following the formula $E=mc^2$ of Einstein.

We all know about the attacks at Heroshima and Nagasaki by America. The first attack was made with L.B. at Heroshima. The bomb was carried by Enulagey the B-29 fighter plane. Poul Tibbet the main pilot with his comrade carried the bomb from Triniad Island. It was about 9,700 pounds in weight. It was 10 feet 5 inches in length and 29 inches in breadth. It was flung from the height of 2000 feet. Almost 46,000 people died on the first day and almost 19,000 within four months. Fifty five hospitals were destroyed and almost 90% doctors were killed. 46,000 houses were destroyed completely. Many people became blind, many suffered from disease like cancer and many children were handicapped.



The F. M. the creator of another destruction at Nagasaki was 10,000 pounds in weight. It was 5 feet in length and 10 feet 8 inches in breadth. The FM uesd Radioactive-metal plutonium as fuel. The reaction of these bomb blasts have not yet come to an end till date. Almost 2,00,000 people died suffering from varius types of diseases by 1950 and 97,000 people died in between 1950-1980.

Science has led human race to the peak of progress. On the other hand it has the greatest power to destroy human race within a minute.

This fact can be proved by these two incidents that happened before 60 years. These frightful incidents will remain forever as a warning against the misuse of scientific invention.

(N.B.- $E=mc^2$ :- This equation is called Einstein Equation, $E=mc^2$, where E is the energy equivalent of a mass m, and c is the velocity of light. A direct consequence of Enstein's special theory of relativity. This equation is the basis of all nuclear energy.)❖

# "ABORTION" A BRUTAL CRIME

Bishnu Priya Doley
Class XI (Sc)

With the industrial revolution started the process of modernisation. Soon, crime rate started increasing alarmingly and laws were enforced to keep it in check. There is yet one criminal act which enjoys the backing of law. Shocking as it may be, it's true and the crime is abortion. Most people think that life begins only when the child is delivered. But the truth is life begins form the very moment the sperm and ova combine to from a seed though the heart actually starts beating only after 24 days of fertilisation.

Youngsters today indulge in sex and get panicked later when the girl's pregnancy comes into picture. For them the easiest option seems to be abortion. But isn't it better instead to give the child up for adoption to someone?

There are several myths associated with abortion. For example, that it controls population, it has no side effects.

Today's world has become materialistic. Money, wealth, power, pleasure is the order of the day. A child becomes a burden to the parents, especially a girl child ! The sooner she is destroyed the better it is! Why? Isn't a girl child too a replication of God? Very few think that their ego is boasted when a boy is born, think on these terms of prestige and honour and glory and joy life.


Many a time women are compelled to undergo infertility operation after the first child so as to help control of the population of the country.

It is really heart piercing to see that such murders are being carried out in broad day light.

I strongly feel that at least the law should not support abortion. I wish all women join me in saying that what ever be the reason or consequence we will not take away someone's life for our convenience. I'm happy that my mother did not abort me, aren't you? So, world you like to deprive someone innocent of the life that God has given? And the child does not feel pain etc. But these are just myths. Studies reveal that the child (foetus) has all senses development and can feel almost everything going around its bearer.

Also the physical effect and psycological after-effects of abortion are enormous. The female may suffer from tearing of wombs, premature deliveries, tubal pregnancy etc. Also psycological effects such as guilt feelings, personality disturbances, suicidal feelings low self esteem, anger, loss of interest in sex etc. are observed.

What has the child done to experience the



wrath of the mother even before seeing the light of day ? The fundamental right of life is denied to that child, the right to live. Can a mother who has cruelly aborted her child live in peace and joy ever after? A mother is described as loving, kind and tender. She submits herself to this hideous crime. Life is God's gift and no one has the right to take it away. The mother who destroys her child is worse than an animal for even an animal loves and protects her young ones.❖





# ASHOKA: ONE OF THE GREATEST KINGS OF INDIA

Zyotika Pateer
T.D.C. 2nd Year, History Department.

Ashoka was one of the greatest kings of India. He was the son of Bindeswara and the grandson of Chandragupta Maurya. He was the third emperor of the Mauryan dynesty. He occupies a unique position in the historial records of the country with his ability.

No authentic source is available about the name of Ashoka's mother.According to 'Divyavadana' and 'Ashokavadanamala', Sabhandrangi was the mother of Ashoka. She was the daughter of a Brahmin of Champa. Some modern scholars argue that the daughter of the Greekruler Seleukus became the wife of Bindusara and Ashoka was the son of this princess. But such argument has no proper evidence to prove its validity. Thus, it may be presumed that the name of Ashoka's mother was Subhandrangi.

Ashoka was the most promising child of all the sons of Bindusara. He had the distinguishing features of greatness and was adept in the art of ruling from his childhood. Though Bindusara made fine arrangement for the education of all his sons, yet Ashoka was ahead in sports and academies due to his extraordinary intelligence and disposition. Ashoka became so able and efficient during the region of Bindusara that he was appointed the governor of Janila and Ujjain by his father. During the period of his governorship, he proved himself is great administrator. As regards the family of Ashoka, Buddhist literature mentions that Sakya Kamya was the name of Ashoka's queen. Sanghamitra and Mahendra were born of this queen. Allahabad pillar edict indicates that Ashoka had two queens. The name of the second queen was Charuvaka.

Ashoka is remembered as one of the greatest kings of India. He has occupied a prominent place in the history of the greats. He was not only a great congqueror but also an efficient administrator. He based the system of administration on the principle of public welfare. He made sincere efforts to uplift the religious and spiritual status of his subjects. He was a man of high ideals. He wanted that the people of the world must follow the path of truth, love and non violence. He was the well-wisher of the human race.

Almost all the historians have praised the works and character of Ashoka. A foreign writer, H.G. Wells points out : "Amidst the tens and thousands of the names of monarchs that crowd the columms of history, their majesties and graciousness serenities and ideal highness and the link, the name of Ashoka shines and shines almost alone like a star." In the same way, Dr. Majumder comments, " Ashoka is one of the most remarkable personalities in the history of India."

According to the historians, Ashoka ranks the greatest kings of the world like Alexander, Napoleon. Hitler and Mussolini. They were great warriors, Yet none of them could be successful in maintaining peace and order among the people. It was only Ashoka who won the hearts of the people by his noble deeds, high ideals and good character. His greatness is incomparable with other Indian rulers.

In order to propagate the religion, Ashoka created a new post of Dharma Mohamatras in the administration. He appointed various persons on this post. These Dharma Mahamatras were associated with the newly established department of religion. It was the duty of Dharma to look after the moral activities of the people and to preach the principles of religion.❖


# Flood Affected Displaced Persons: Understanding the Question of Governance and Human Rights in the Context of Dhakuakhana Sub-Division of Assam.

**Dr Chandra Nath Boruah**
**Lecturer & H.O.D, Dept. of Political Science.**

Human Rights (HR) are inherent and inalienable rights of man. It is required just to ensure man's dignity irrespective of language, ethnic, sex, region or any other factor. Equality and dignity lie in Human Rights. Therefore, it has been accepted as universal. But this inherent and due rights have been violated in our society. It has been violated irrespective of the people in many respects despite having resolutions, commissions, declarations by the United Nations Organisation (UNO) in 1948, it has been disregarded instead of being inserted in our constitution as most fundamental. Human Rights are violated sexually, economically, politically and socially. It has also been observed that gross violation of Human Right is not deniable in terms of displaced persons in natural calamity like flood. In rescuing the victims of natural calamity like flood, Human Right have been violated in our society. It is also one dimension of violating the Human Rights. This paper examines the question of displaced persons in the terrible floods and the governance in resolving their basic problems in the Dhakuakhana Sub-Division.

II

Natural calamities are parennial problems. Natural calamities such as tsunami, earhquake, storm, draught, cyclone and terrible flood wreck unprecedented life and property. It ravages even the human civilization. Like other natural calamities, the terrible floods also have caused great destruction in our country in general and the state of Assam in particular. Mighty Brahmaputra and some tributaries pass through Assam. Floods are caused generally by excessive rainfall during the summer. But when the rain is too heavy, for this, the rivers that pass through Dhakuakhana, overflows the lands either sides. Rather, very frequently, terrible flood is caused by the sudden and large scale errosion and break the embankments of the Brahmaputra river, Jiadhal, Gai, Subansiri etc and water rushes in to Dhakuakhana. Most terrible floods were seen in 1951, 1962, 1988, 1996, 1998, 1999 and 2004.



*Picture Shows flood affected displaced persons taking shelter on the PWD road along with their domestic animals.*

These floods have caused great damage to life and property of the Dhakuakhana people. Crops about 2 lacs bighas out of 4 lacs 61 thousand bighas were destroyed almost every year. Low lying houses, particularly mud and thatched ones, tumble down, cattles are swept away. People suggest that traditional way of passing water is necessary to avoid terrible flood in lieu of embankment. But it would rather comparatively create inconvenience to the modern way of life of the people. Those who can not escape in time to a highland by boats and rafts are drowned. Floods appear to be the greatest challenges to the industrialisation of this area. Disinvestment of the government is the root cause.





III

Whenever there is a flood at Dhakuakhana Sub-Division, nobody comes forward to help the sufferers. Because except a handful families of the total 264 villages, all are submerged in the water. Those who lose their homes are rushed to the Brahmaputra embankment. Those who have no such alternative, live on Chang Ghar, Schools and public places located in different places up to the month of October. Government takes no war footing measure to feed the displaced persons. The displaced people face the problem of health, sanitation, cloth and food. Even they are not given sufficient tarpaulin to construct temporary sheds. Thus, it appears as the hot spot of violation of HR.

It is natural that epidemics follows flood. No adequate and regular health check up is done. Essential commodities like rice, sugar, kerosin oil, salt, matches, fuelwood, LPG are not supplied. Besides, children have to lose thier education. It may be mentioned that if a little amount is supplied to the displaced people there appeas disparty in distribution on the consideration of party affiliation, supporters by the party in power. Is it not inhuman? After the flood of 2004, the scam of tubewell for drinking water was exposed. It is alleged that, Sub-Divisional authority had sold the tubewells meant for flood affected families. Public protest movements were organised against the authority headed by the All India Kisan Sabha (AIKS), a mass organisation of the Communist Party of India (Marxist), All Assam Students Union (AASU), opposition political parties and Mahila Samities.

IV

As a Natural calamity flood can not be controlled, steps can be taken to prevent it. Dams and canals can be constructed at different places to regulate the flow of water. Hence, government investment must be increased to prevent flood. The sorrow of China Hu ang Hu has been controlled. Railway lines and roads may be built with more bridges so that water may pass through easily and quickly. Besides, as alternative measure government can alert people before the terrible flood occure. It can also stock food stuffs, essential commodities for the probable flood situation.❖

*This paper was presented at the Seminar organised by the Department of Political Science, Dibrugrah University, held on 21-22 February' 2005.*

## WINNERS VERSUS LOSERS


- **The winner is always part of the answer; The loser is always part of the problem.**
- **The winner is always part of the Programme; The loser always has an excuse.**
- **The winner says, "Let me do it for you"; The loser says, "That is not my job".**
- **The winner sees an answer for every problem; The loser sees a problem for every answar.**
- **The winner says, "It may be difficult but it is possible";**
  **The loser says, "It may be possible but it is difficult."**
- **When a winner makes a mistake, he says, "I was wrong";**
  **When the loser makes a mistake he says, "It wasn't my fault".**

***Collected by : Rakesh Pegu***

# A Snake

**Bishwajit Kalita**
**T.D.C. 2nd Year, English Dept.**

A snake roaming in the grave of my remembrance
Awakens me in the midnight,
Coils up my whole body, my whole essence with all of its emotions
Sucks his desirous appetite.
In gloomy darkness, its awful hood
In his eyes an intractable thirst of lust,
Wants to substitute emotion of serpentine affection
Produces in my eyes a ceaseless rain
A snake awakens me in the midnight.
He wants to read page by page,line by line,
The lines of the heart-diary of remembrance
The cats and dogs rain destroys all his aspirations
Then the snake takes shelter in a well protected abyss
In the jungle of my heart
I too blend with the womb of darkness
A snake roaming in the grave of my remembrance
Awakens me in the midnight.❖





# I Dreamt a Dream

**Tridip Das**
**T.D.C. 1st year, English Dept.**

I dreamt a dream last night
A pale leaf falling down slowly.
It was a leaf of behaviour,
Understanding and hope of mankind.
It was a leaf of love,
Kindness and sincerity.
I dreamt a dream last night
A pale leaf falling down slowly.
It was a leaf of man's
High thinking nature.❖





# ছাত্ৰ একতা সভাৰ বিষয়-ববীয়া সকল



পৰাগজ্যোতি গগৈ
উপ-সভাপতি



অংকুৰ বৰুৱা
সাধাৰণ সম্পাদক



জ্যোতিষ্মান বড়া
সহঃ সাধাৰণ সম্পাদক



পংকজ শইকীয়া
সাহিত্য, আলোচনী সম্পাদক



পৰাণজ্যোতি বুঢ়াগোহাঁই
ক্ৰীড়া সম্পাদক



পুতুল চমুৱা
সাংস্কৃতিক সম্পাদক



সুশান্ত পেগু
তৰ্ক, আলোচনা সম্পাদক



উদ্বোধন খনিকৰ
সমাজসেৱা সম্পাদক



মনোজ বড়া
শৰীৰ চৰ্চা সম্পাদক



প্ৰাঞ্জল বড়া
ছাত্ৰ জিৰণী কোঠা সম্পাদক



ৰিজু মণি গগৈ
ছাত্ৰী জিৰণী কোঠা সম্পাদিকা

# আমাৰ গৌৰৱ



পৰাগজ্যোতি গগৈ
২০০৪-০৫বৰ্ষৰ স্নাতক চূড়ান্ত পৰীক্ষাত প্ৰাণী বিজ্ঞান বিভাগ (উচ্চমান)ত প্ৰথম শ্ৰেণী প্ৰাপ্ত



মৌচুমী সন্দিকৈ
২০০৪-০৫ বৰ্ষৰ উঃ মাঃ চূড়ান্ত পৰীক্ষাত ষ্টাৰ মাৰ্ক প্ৰাপ্ত



ধৰ্মেন্দ্ৰ পেগু
২০০৪-০৫ বৰ্ষৰ উঃ মাঃ চূড়ান্ত পৰীক্ষাত দুখনত লেটাৰ মাৰ্কসহ ১ম বিভাগত উত্তীৰ্ণ

## ২০০৪-০৫ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ সকলৰ একাংশ



ৰিমঝিম চেতিয়া
বছৰৰ শ্ৰেষ্ঠা গায়িকা



হীৰামণি লামু বৰুৱা
শ্ৰেষ্ঠা সমাজ সেৱিকা



কৌস্তভ কুমাৰ দাস
ছাত্ৰ জিৰণী কোঠাৰ শ্ৰেষ্ঠ খেলুৱৈ



মৌচুমী সন্দিকৈ
তৰ্ক/আলোচনা শাখাৰ শ্ৰেষ্ঠা প্ৰতিযোগী



ডেইজী খনিকৰ
শ্ৰেষ্ঠা অভিনেত্ৰী



জিতু বড়া
শ্ৰেষ্ঠ অভিনেতা



ডলি গগৈ
শ্ৰেষ্ঠা একক অভিনেত্ৰী



সুচেন বৰ্মন
শ্ৰেষ্ঠ কৌতুক অভিনেতা







পূৰ্ণানন্দ দলে
শ্ৰেষ্ঠ বেডমিণ্টন (একক) খেলুৱৈ



কৈলাশ দত্ত
শ্ৰেষ্ঠ টেবুল টেনিছ (একক) খেলুৱৈ



কৃষ্ণকান্ত চেতিয়া
শ্ৰেষ্ঠ ডবা খেলুৱৈ



অৰুণজ্যোতি দত্ত
শ্ৰেষ্ঠ কেৰম (একক) খেলুৱৈ



কৃষ্ণা বৰুৱা
শ্ৰেষ্ঠা বেডমিণ্টন (একক) খেলুৱৈ



বিভা ৰাণী বড়া
শ্ৰেষ্ঠা ডবা খেলুৱৈ



নিতন গোহাঁই
যোগ সম্ৰাট



পংখী চুতীয়া
সাঁতোৰ ৰাণী



তন্দ্ৰালী মিলি
লৌহ মানৱী
ৰিং প্ৰতিযোগিতাৰ শ্ৰেষ্ঠা প্ৰতিযোগী



গোবিন কলিতা
মিঃ ডি কে চি
শক্তিমান পুৰুষ, লৌহ মানৱ



বেবী চুতীয়া
শক্তিমান মহিলা
পাঞ্জাৰাণী



শ্যামলীমা গগৈ
কলেজ কুইন



ৰন্টু চুতীয়া
পাঞ্জাবীৰ
দেহশ্ৰী প্ৰতিযোগিতাৰ ৰাণাৰ্চ আপ



ৰুণজুন পাতিৰ
কেৰম প্ৰতিযোগিতা (একক)ৰ ৰাণাৰ্চ আপ



দেবাঞ্জন বৰুৱা
ডবা প্ৰতিযোগিতাৰ ৰাণাৰ্চ আপ



জ্যোতিকা পাতিৰ
বেডমিণ্টন প্ৰতিযোগিতা (একক)ৰ ৰাণাৰ্চ আপ



মৌচুম গগৈ আৰু যোগানন্দ বুঢ়াগোহাঁই
টেবুল টেনিছ প্ৰতিযোগিতাৰ ডাবলছ শাখাৰ শ্ৰেষ্ঠ প্ৰতিযোগীদ্বয়



পম্পী বৰুৱা আৰু কৃষ্ণা বৰুৱা
বেডমিন্টন প্ৰতিযোগিতাৰ ডাবলছ শাখাৰ শ্ৰেষ্ঠা প্ৰতিযোগীদ্বয়



কৌস্তভ কুমাৰ দাস আৰু পূৰ্ণানন্দ দলে
বেডমিন্টন প্ৰতিযোগিতাৰ ডাবলছ শাখাৰ শ্ৰেষ্ঠ প্ৰতিযোগীদ্বয়



মুনমী গগৈ আৰু পল্লবী শইকীয়া
কেৰম প্ৰতিযোগিতাৰ ডাবলছ শাখাৰ শ্ৰেষ্ঠা প্ৰতিযোগীদ্বয়



নৱজিত শইকীয়া আৰু দেৱজিত শইকীয়া
কেৰম প্ৰতিযোগিতাৰ ডাবলছ শাখাৰ শ্ৰেষ্ঠ প্ৰতিযোগীদ্বয়



শেৱালি কলিতা আৰু পৰী বৰগোহাঁই
লুডু প্ৰতিযোগিতাৰ ডাবলছ শাখাৰ শ্ৰেষ্ঠা প্ৰতিযোগীদ্বয়



অৰূপ চুতীয়া আৰু দিনমনি ডেকা
কেৰম প্ৰতিযোগিতাৰ ডাবলছ শাখাৰ ৰাণাৰ্চ আপ



মালবীকা চুতীয়া
ৰিং প্ৰতিযোগিতাৰ ৰাণাৰ্চ আপ



কিৰণ বুঢ়াগোহাঁই
শ্ৰেষ্ঠ সমাজসেৱক



বশিষ্ঠদেৱ ফুকন
একেৰাহে দুবছৰ গল্প প্ৰতিযোগিতাত প্ৰথম স্থান প্ৰাপ্ত





**ছাত্ৰ একতা সভাৰ বিষয়-ববীয়াৰ প্ৰতিবেদন ঃ**



# উপ-সভাপতিৰ প্ৰতিবেদন

আৰম্ভণিতে যিসকল নিঃস্বাৰ্থ মহান ব্যক্তিৰ প্ৰচেষ্টাত ঢকুৱাখনা মহাবিদ্যালয়ে আজিৰ এই পৈণত অৱস্থাত পৰিণত হৈছেহি, তেওঁলোককৈ শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ।

ঢকুৱাখনা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উপ-সভাপতি হিচাপে আহৰণ কৰা এটা বছৰৰ মিঠা-তিতা অভিজ্ঞতা মাত্ৰ এটি প্ৰতিবেদনতে প্ৰকাশ কৰাটো সহজ নিশ্চয় নহয়। মাথোঁ ইয়াৰ জৰিয়তে মই আগন্তুক ছাত্ৰ একতা সভাৰ সদস্যসকলৰ ওচৰত দুটামান অনুৰোধ কৰিব খুজিছোঁ।

মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ হৈ শিক্ষানুষ্ঠানটিৰ, প্ৰায় ৮৩০ জন ছাত্ৰ-ছাত্ৰীৰ প্ৰতিনিধি হিচাপে এটা বছৰ কাম কৰিবলৈ পোৱাটো আছিল মোৰ বাবে সৌভাগ্যৰ কথা। এই সুযোগৰ মই কিমানদুৰ সৎ ব্যৱহাৰ কৰিলোঁ, সেইয়া মোৰ সতীৰ্থ, সহপাঠী, ছাত্ৰ-ছাত্ৰীসকলেহে ক'ব। কিন্তু সম্পূৰ্ণৰূপে সফল নহ'লেও, মহাবিদ্যালয়ৰ ভৱিষ্যত উন্নতিৰ বাবে কিছু কৰ্মসূচী হাতত লৈছিলোঁ। সেয়ে মোৰ অনুৰোধ, আগন্তুক ছাত্ৰ একতা সভাৰ বিষয়-ববীয়াসকলে এই অসম্পূৰ্ণ কামখিনি যেনে— "Second Hand Book Stall", স্বৰ্গীয় প্ৰহ্লাদ গোহাঁই শ্বহীদ বেদীৰ চাৰিওফালে সজাবলৈ লোৱা ফুলৰ বাগানখন, ছাত্ৰ একতা সভাৰ কাৰ্যালয় আদি সম্পূৰ্ণ কৰাত যেন গুৰুত্ব দিয়ে। আৰু মহাবিদ্যালয় সপ্তাহত নতুনকৈ আৰম্ভ কৰা মাৰ্চ পাছ প্ৰতিযোগিতা, বহুদিনৰ বিৰতিৰ মূৰত অনুষ্ঠিত হোৱা 'সাংস্কৃতিক সন্ধিয়া' আদিৰ ধাৰাবাহিকতাও যেন অক্ষুন্ন থাকে।

মহাবিদ্যালয়ৰ শিক্ষাগুৰু আৰু কৰ্মচাৰীবৃন্দক মই কৃতজ্ঞতা জনালোঁ। শেষত; এগৰাকী সতীৰ্থ, মোৰ ভ্ৰাতৃপ্ৰতীম— যি প্ৰত্যেক ক্ষেত্ৰতে ছাত্ৰ একতা সভাৰ বিষয়-ববীয়াসকলতকৈয়ো বেছি পৰিমাণে দায়বদ্ধতাৰ প্ৰমাণ দি মোক সহায় কৰিছিল, তেওঁক অৰ্থাৎ গিৰিন্দ্ৰ বৰফুকনক কৃতজ্ঞতা নজনালে ভুল কৰা হ'ব। ইয়াৰ লগতে দ্বীপেন, বশিষ্ঠ, কৈলাশ এই সকলতো আছেই।

শ্ৰদ্ধাৰে—
পৰাগজ্যোতি গগৈ
উপ-সভাপতি
ঢকুৱাখনা মহাবিদ্যালয় ছাত্ৰ একতা সভা



# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ পাতনিতেই যিসকল বীৰ বীৰাংগনাই অসমী আইৰ বাবে নিজৰ তেজেৰে ইতিহাস ৰচনা কৰি গৈছে, সেইসকল মহান ব্যক্তিলৈ শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ। যিসকল মহান ব্যক্তিৰ আপ্ৰাণ চেষ্টাত ঢকুৱাখনা মহাবিদ্যালয়খনি গঢ় লৈ উঠিল, সেইসকল মহান ব্যক্তিলৈও মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ।

লগতে মই আন্তৰিকতাৰে ধন্যবাদ জনাইছোঁ -- ঢকুৱাখনা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীসকলক, যাৰ সহযোগিতাই মোক ঢকুৱাখনা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে কিছু সেৱা কৰাৰ সুযোগ দিলে।

গত ইং ৩০-১১-০৪ তাৰিখে মহাবিদ্যালয়খনিৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে শপত গ্ৰহণ কৰি কাৰ্যভাৰ গ্ৰহণ কৰোঁ। সম্পাদকৰ দায়িত্ব লৈয়েই ২৩-১২-০৪ ৰ পৰা ২৯-১২-০৪ লৈকে মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰা হয়। এইবাৰ মহাবিদ্যালয়ৰ সপ্তাহত বহুতো নতুন কাৰ্যসূচী হাতত লোৱা হয়। তাৰ ভিতৰত কইনা প্ৰতিযোগিতা, গামোচা প্ৰদৰ্শনী, পুষ্প সজ্জা আদি। এইবাৰ মহাবিদ্যালয় সপ্তাহৰ মুখ্য আকৰ্ষণ আছিল— সাংস্কৃতিক সন্ধিয়া। আজি বহুবছৰ ধৰি অনুষ্ঠিত নোহোৱা এই সাংস্কৃতিক সন্ধিয়াৰ বাবে মাননীয় মন্ত্ৰী মহোদয়ৰ ওচৰত গৈ সন্মতি আদায় কৰিবলগা হৈছিল।

মহাবিদ্যালয় সপ্তাহৰ মূল সভাৰ দিনা বিশিষ্ট অতিথি হিচাপে আমন্ত্ৰণ কৰা হৈছিল যদিও তেখেতৰ বিশেষ অসুবিধা থকাৰ কাৰণে এদিনৰ আগতে আহি আমাক আনন্দিত কৰাৰ লগতে ছাত্ৰ একতা সভাৰ স্থায়ী ভৱনৰ কাৰণে পাঁচ লাখ টকা আৰু মহাবিদ্যালয়ৰ এটা অত্যাধুনিক অডিটোৰিয়ামৰ বাবে ওঠৰ লাখ টকা দিম বুলি ঘোষণা কৰি থৈ যায়। মাননীয় মন্ত্ৰী মহোদয়ৰ লগতে প্ৰাক্তন সাংসদ ৰাণী নৰহ বাইদেউ, লখিমপুৰ জিলা পৰিষদৰ সভানেত্ৰী মনিকা পাতিৰ বাইদেউৰ লগতে বহুতো গণ্য-মান্য ব্যক্তি উপস্থিত আছিল।

ইং ৪-১২-০৪ তাৰিখে মাননীয় মন্ত্ৰী মহোদয়, উপায়ুক্ত আৰু মহকুমাধিপতিলৈ ছাত্ৰ একতা সভা ভৱন, স্বৰ্গীয় প্ৰহলাদ গোহাঁই সোঁৱৰণি প্ৰেক্ষাগৃহ, মহাবিদ্যালয়ৰ দক্ষিণ দিশৰ চাৰিকড়ীয়া নদীৰ ভয়াবহ গৰাখহনীয়া স্থায়ীভাৱে ৰোধৰ বাবে আৰ্থিক সাহায্য বিচাৰি স্মাৰক পত্ৰ প্ৰদান কৰা হয়। তাৰে গৰাখহনীয়া ৰোধৰ বাবে পোন্ধৰ লাখ টকা মন্ত্ৰী মহোদয়ে মোকলাই দিয়ে।

মোৰ কাৰ্যকালৰ আন এটা ইতিবাচক দিশ হ'ল— "মহাবিদ্যালয়ৰ সাধাৰণ সভা, যিহেতু আজি বহুবছৰ ধৰি মহাবিদ্যালয়ত সাধাৰণ সভা অনুষ্ঠিত হোৱা নাই। ১৪-১২-০৫ তাৰিখে অনুষ্ঠিত হোৱা সাধাৰণ সভাখনত সভাপতিত্ব কৰে ছাত্ৰ একতা সভাৰ উপ-সভাপতিয়ে। সভাত ছাত্ৰ-ছাত্ৰী তথা মহাবিদ্যালয়ৰ বিভিন্ন সমস্যাৰ বিষয়ে আলোচনা কৰি, সেই সমস্যাসমূহ সমাধানৰ বাবে কৰ্তৃপক্ষলৈ দাবী জনাই স্মাৰক পত্ৰ প্ৰদান কৰা হয়।

ইং ৭-৭-০৫ তাৰিখে নবাগত আদৰণী সভা অনুষ্ঠিত কৰিবৰ কাৰণে কাৰ্যনিৰ্বাহক সভা আহবান কৰা হয় আৰু ইং ১১-৮-০৫ তাৰিখে যথেষ্ট উলহ-মালহেৰে নবাগত আদৰণী সভাখনি অনুষ্ঠিত কৰা হয়।

যি কি নহওক— ভিন্ন সমস্যাৰে জৰ্জৰিত এই জাতীয় সংকটপূৰ্ণ সন্ধিক্ষণত মহাবিদ্যালয় সমাজ-পৰিবেশত মই কিমানদূৰ সফল হৈছোঁ সেইয়া আপোনাসৱৰ বিচাৰ্য। তথাপি সময় আৰু

পৰিস্থিতিৰ দাস হৈ পৰিলেও মোৰ কাৰ্যকালত দায়িত্ব আৰু কৰ্তব্য সম্পাদনত শ্ৰম আৰু একাগ্ৰতাক অৱহেলা কৰা নাছিলোঁ।

কৃতজ্ঞতা ঃ মোৰ এবছৰীয়া কাৰ্যকালত প্ৰতিটো দিশতে সহায়-সহযোগিতা তথা দিহা-পৰামৰ্শ আগবঢ়োৱা শ্ৰদ্ধাৰ শিক্ষাগুৰু ড° জিতৰাম কলিতা ছাৰ, গিৰিণ গগৈ ছাৰ, দুলুমনি বৰঠাকুৰ ছাৰ, সেৱক চুতীয়া ছাৰৰ লগতে কৃতজ্ঞ হৈ থাকিম— ক্ৰমে অগ্ৰজ জিতেন দা, বিশ্বজিৎ দা, হেমন্ত দা, অতুল দা, বিজু দা, কিশোৰ দা, বশিষ্ঠ দা, মোৰ বন্ধু-বান্ধৱী ক্ৰমে পৰাণ, ৰূপজ্যোতি, লম্বিত, কৃষ্ণ, যোগানন্দ, গকুল, দিপেন, পাপন, সুনীল, প্ৰভাত, বেবী, পূৰ্ণিমা, পূণ্য, ৰিজু, কবিতা, পল্লবিকা তথা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ লগতে মহাবিদ্যালয়ৰ শিক্ষাগুৰু আৰু কৰ্মচাৰীবৃন্দৰ ওচৰত মই আজীৱন কৃতজ্ঞ হৈ ৰ'ম।

শেষত মোৰ কাৰ্যকালত অজানিতে বৈ যোৱা ভুল-ক্ৰটিৰ বাবে সমূহ শিক্ষাগুৰু, কৰ্মচাৰী তথা ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা বিচাৰি ঢকুৱাখনা মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ প্ৰতিবেদন সামৰিলোঁ।

জয়তু ঢকুৱাখনা মহাবিদ্যালয়।।

শ্ৰদ্ধাৰে—
অংকুৰ বৰুৱা
সাধাৰণ সম্পাদক
ঢকুৱাখনা মহাবিদ্যালয় ছাত্ৰ একতা সভা



## Assistant General Secretary's Report

At the outset of my report, I offer my heartful gratitude to my respectable teachers and friends of our college. And I am also grateful to all students as they elected me as A.G.S. for the Session of 2004-05.

I donot know how I have forwarded my service to the college as A.G.S. But the G.S. of our college always helped from the day I was elected as A.G.S. as well as the secretary of the other departments. In 'college-week' I forward my service to hold it well. In our session, after twelve years "night-function" is held in college week, which is regarded as important event.

In our session I am helped in various ways by persons- Pranjal, Arun, Tridip, Tribeni, Jamini, Pompi, Angshumee, Rimjhim, Kailash, Anup, Devanjan etc. and I am always grateful to them.

It is out of my knowledge how I forwarded my service to the college. But my affection will remain for ever towards my college. I hope the next secretaries in every department of our college will tender their services with all sincerity.

It is said that is to err is human. Excuse me if I am wrong unknown and unwillingly anywhere. At last, I hope the beauty and progres of our college in all sides will remain for ever. I stopp my brief report here.

"Jaito Dhakuakhana College"
"Jaito Student Union"

**With respect–**
**Jyotishman Borah**
**Asistant General Secretary.**
Dhakuakhana College Student Union-2004-05



## সাহিত্য, আলোচনী সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ দুৱাৰডলিতে কৃতজ্ঞতাৰে সোঁৱৰিছো সেইসকল মহান ব্যক্তিক, যি সকলে আমাৰ ভাষা-সংস্কৃতিৰ আকাশত দেখা দিয়া সংকট-ডাৱৰ আঁতৰাবলৈ মৰোঁ-জীওঁ-সোঁ-আধিকৈ চেষ্টা কৰি গৈছে। এই আপাহতে এই মহৎ শিক্ষানুষ্ঠানটিৰ জন্মদাতাসকলৰ প্ৰতি শ্ৰদ্ধা আৰু ভক্তিৰে মূৰ দোৱাইছো।

কাৰ্যকালৰ খতিয়ান ঃ কাৰ্যভাৰ গ্ৰহণৰ কিছুদিন পাছতেই 'কলেজ সপ্তাহ'ৰ দায়িত্বৰ মাজত সোমাই পৰিব লগা হয়। মোৰ বিভাগত মুঠ তেৰটা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। ইয়াৰ ভিতৰতে 'প্ৰাচীৰ-পত্ৰিকা প্ৰতিযোগিতা' টি আছিল নতুন পদক্ষেপ। প্ৰতিযোগিতাৰ বিজয়ী বিভাগ (প্ৰাণী বিজ্ঞান বিভাগ) টোকে এটি ট্ৰফী প্ৰদান কৰা হয় আৰু সেইটো চলন্ত ট্ৰফী হ'ব বুলি সিদ্ধান্ত কৰা হয়।

প্ৰতিযোগিতাসমূহ মিঠা-তিতা অভিজ্ঞতাৰে চলাই নিয়াৰ পাছত সন্ধিয়া এখনি কবি সন্মিলনৰ আয়োজন কৰিছিলো। ন-দহ গৰাকীমান আমন্ত্ৰিত কবিৰ লগতে মহাবিদ্যালয়ৰ বহুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশ লোৱা এই গীত আৰু কবিতাৰ অনুষ্ঠানটো সফল হৈছিল বুলিয়েই ক'ব লাগিব।

নৱাগত/নৱাগতা আদৰণী সভা উপলক্ষে 'সাহিত্য শাখা' ৰ পৰা দুটা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। তদুপৰি 'আজি' আৰু 'দৈনিক বাতৰি' নামৰ কাকত দুখনৰ ক্ৰমে 'নতুন পুৰুষ' আৰু 'কলেজ কেম্পাচ' শিতানলৈ আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ পৰা লেখা সংগ্ৰহ আৰু সম্পাদনা কৰি পঠোৱা হৈছিল। ইতিমধ্যে 'আজি' আৰু দৈনিক বাতৰি' দুয়োখনতে প্ৰকাশ হৈ গৈছে।

এইবোৰৰ মাজতে 'ঢকুৱাখনা মহাবিদ্যালয় আলোচনী'খন প্ৰকাশৰ বাবে প্ৰস্তুতিপৰ্ব চলাই থাকিব লগীয়া হৈছিল।

ব্যক্তিগত অনুভৱ ঃ বিনা প্ৰতিদ্বন্দিতাৰে 'সাহিত্য আৰু আলোচনী' শাখাৰ সম্পাদক পদত অধিষ্ঠিত হৈ যিমানে গৌৰৱ আৰু উৎসাহ পাইছিলো, সিমানে অসন্তুষ্টি আৰু হতাশাবোধতো ভুগিছিলো। বাৰ্ষিক প্ৰতিযোগিতাসমূহৰ প্ৰতিযোগীৰ সংখ্যা আছিল দুখলগা, শ্ৰোতা-দৰ্শকৰ সংখ্যাও আছিল তদ্ৰূপ। আলোচনীত প্ৰকাশৰ বাবে যিখিনি লেখা মোৰ হাতত পৰিছিল সেইখিনি যথেষ্ট পৰিমাণৰ নাছিল; তদুপৰি সংগৃহীত প্ৰায়বোৰ লেখা বানান ভুল, অপৰিপাট্য আদি দোষেৰে ভাৰাক্ৰান্ত আছিল। আমাৰ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ বাবে এইটো লজ্জা আৰু দুৰ্ভাগ্যৰ কথা বুলি ক'লে নিশ্চয় অত্যুক্তি কৰা নহয়।

কৃতজ্ঞতা স্বীকাৰ ঃ তত্ত্বাৱধায়ক শ্ৰীযুত ইন্দিবৰ বুঢ়াগোহাঞি ছাৰৰ দিহা-পৰামৰ্শ আৰু সহায় অবিহনে মই সম্পাদক হিচাপে আগুৱাব নোৱাৰিলোহেতেন। তেখেতৰ ওচৰত মই চিৰকৃতজ্ঞ। ছাত্ৰ-ছাত্ৰীৰ লেখাসমূহ পৰীক্ষণ, অনুমোদন, পুঁজি সংক্ৰান্ত বিষয়, 'আলোচনীৰ পৰিকল্পনা', আদি অনেক দিশত সহায়-সহযোগ আৰু পৰামৰ্শ আগবঢ়োৱা শ্ৰদ্ধাৰ শিক্ষাগুৰু শ্ৰীযুত পূৰ্ণানন্দ গগৈ, শ্ৰীযুত অমিয় কুমাৰ সন্দিকৈ, শ্ৰীযুত ডিম্বেশ্বৰ গগৈ, শ্ৰীযুত নৰেন্দ্ৰ নাথ দত্ত, শ্ৰীযুত চিত্ৰ কুমাৰ কোঁছ, শ্ৰীযুত যুক্তি ৰত্ন শইকীয়া আৰু পুথিভঁৰালী শ্ৰীমতী হিমাজ্যোতি ডেকাৰ ওচৰত মই কৃতজ্ঞ। সভাপতি ড° গিৰিণ গগৈ ছাৰ, উপাধ্যক্ষ ড° জিতৰাম কলিতা ছাৰ, কৰ্মচাৰীবৃন্দ এই সকলোকো মই কৃতজ্ঞতা জ্ঞাপন কৰিছো। কাৰ্যকালত মোৰ গাৰ ছাঁৰ দৰে লাগি সহায় কৰা গায়ত্ৰী, সুশান্তৰ লগতে স্কেচ আঁকি সহায় কৰা ৰশ্মি আৰু বিভিন্ন কাম-কাজত সহযোগ কৰা বশিষ্ঠদা, অপৰাজিতা, পিংকুমনি, পংকজ, ৰঞ্জিত, ফুলমা, তিলকদা, বিৰাজ, পিংকী, ডেইজী, বাণীবা, ৰিজুবা, জ্যোতিকা বা, দেৱাঞ্জন, হিমাংগ, এনিশা বা, যামিনী, মাইনু, ৰিমঝিম, ৰঞ্জন, চিৰাজ, শেৱালী আদিৰ ওচৰত মই সদায় কৃতজ্ঞ হৈ থাকিম।

পৰিশেষত, কাৰ্য-নিৰ্বাহৰ সময়ছোৱাত আৰু অনিবাৰ্য কাৰণবশতঃ হোৱা ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি আৰু ছাত্ৰ একতা সভাৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি প্ৰতিবেদন সামৰিলো।

শ্ৰদ্ধাৰে—
পংকজ শইকীয়া
সম্পাদক, 'সাহিত্য আৰু আলোচনী'



## ক্ৰীড়া সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ পাতনিতে আমাৰ দেশৰ মহান আৰু অমৰ পুৰুষসকলক সোঁৱৰিছোঁ। মোৰ কাৰ্যকালত বিভিন্ন কাম-কাজত সহায়-সহযোগিতা আগবঢ়োৱা শিক্ষাগুৰু, কৰ্মচাৰী, বন্ধু-বান্ধৱী তথা ছাত্ৰ-ছাত্ৰীসকলক এই সুযোগতে আন্তৰিক শ্ৰদ্ধা আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ।

'মহাবিদ্যালয় সপ্তাহ'ত মোৰ বিভাগৰ প্ৰতিযোগিতাসমূহ সুকলমে চলাই নিবলৈ চেষ্টা কৰিছিলোঁ। অৱশ্যে এটা আক্ষেপ আৰু অসন্তুষ্টি থাকি গ'ল যে প্ৰতিযোগিতাসমূহত ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণ মুঠেই সুখকৰ নাছিল। এটা কথা ঠিক, খেলা-ধূলা, নাচ-গান আদিত জড়িত নাথাকিলে এগৰাকী ছাত্ৰ বা ছাত্ৰীক প্ৰকৃত অৰ্থত ছাত্ৰ বা ছাত্ৰী বুলি ক'ব পৰা নাযায়। ছাত্ৰ-ছাত্ৰীৰ জীৱনত এই খেল-ধেমালিয়ে ইতিবাচক ভূমিকা গ্ৰহণ কৰে। এই প্ৰসংগতে মই সকলো ছাত্ৰ-ছাত্ৰীকে খেলা-ধূলাত সামান্য পৰিমাণে হ'লেও মনোনিবেশ কৰিবলৈ আহ্বান জনাইছোঁ।

কাৰ্যকালত মোৰ বিশেষ ভূমিকা নাছিল। গতানুগতিকতাহে ৰক্ষা কৰা হ'ল। শেহতীয়াকৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনৰ 'আন্তঃ মহাবিদ্যালয় ক্ৰিকেট প্ৰতিযোগিতা'খনিত ঢকুৱাখনা মহাবিদ্যালয়ে অংশগ্ৰহণ কৰিছিল যদিও সফলকাম হ'ব নোৱাৰিলে। হ'লেও খেলুৱৈ সকলৰ প্ৰদৰ্শন সন্তোষজনক বুলিয়েই ক'ব লাগিব।

মোৰ কৰ্মময় দিনকেইটাত দিহা-পৰামৰ্শৰে উৎসাহিত কৰা শ্ৰদ্ধাৰ শিক্ষাগুৰু তথা বিভাগীয় উপদেষ্টা সেৱক চুতীয়া ছাৰৰ ওচৰত মই চিৰদিন ঋণী হৈ ৰ'ম। তদুপৰি মঞ্জু, ৰূপজ্যোতি, কৌস্তভ, পূৰ্ণানন্দ, মৌচুম, হেমন্ত, দুলুমনি, প্ৰাঞ্জল আদিৰ সহায় তথা সান্নিধ্য মই কোনোদিনে পাহৰিব নোৱাৰিম।

মানুহ মাত্ৰেই ভুল হয়। জ্ঞাতে-অজ্ঞাতে কৰা ভুলৰ বাবে ক্ষমা বিচাৰি, ছাত্ৰ একতা সভাৰ পৰৱৰ্তী সম্পাদক/সম্পাদিকাসকলে কলেজৰ উন্নতি দ্ৰুততৰ কৰিব বুলি আশা কৰি মোৰ চমু প্ৰতিবেদনৰ ইয়াতে ইতিৰেখা টানিলোঁ।

শ্ৰদ্ধাৰে—
পৰাণজ্যোতি বুঢ়াগোহাঁই
সম্পাদক, ক্ৰীড়া শাখা



## তৰ্ক/আলোচনা শাখাৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আন্তণিতে ঢকুৱাখনা মহাবিদ্যালয়ৰ জন্মক্ষণত অঞ্চলটোৰ বৃহৎ স্বাৰ্থৰ কথা চিন্তা কৰি যিসকল স্বাৰ্থত্যাগী মহান ব্যক্তিয়ে মানসিক আৰু বৌদ্ধিকভাৱে আত্মবলিদান দিছিল, সেইসকল অনুকৰণীয় ব্যক্তিলৈ মোৰ হিয়া ভৰা আশিষ যাচিছোঁ।

কাৰ্যকালৰ আৰম্ভণিৰে পৰা সকলো দিশত সু-দিহা আৰু পৰামৰ্শ আগবঢ়াই অহা বিভাগীয় উপদেষ্টা শ্ৰীযুত চিত্ৰ কুমাৰ কোঁচ ছাৰলৈ মোৰ শ্ৰদ্ধা নিবেদিছোঁ। মোৰ কাৰ্যকালৰ শেষচোৱাত বিশেষ কাৰণবশতঃ কোঁচ ছাৰ আঁতৰি থাকিবলগীয়া হোৱাত ছাৰৰ দায়িত্বত শ্ৰীযুত দেৱেশ্বৰ পেগু ছাৰ হয়। যদিও কাৰ্যকালৰ শেষচোৱাতহে তেখেতক পাইছোঁ তথাপি তেওঁৰ অমূল্য দিহা আৰু পৰামৰ্শ অবিহনে মোৰ কাৰ্যসমূহৰ সফল ৰূপায়ণ সম্ভৱ নহ'লহেতেন। লগতে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক অভিনন্দন যাচিছোঁ, যিসকলৰ অনুগ্ৰহত মই ২০০৪-০৫ বৰ্ষত মহাবিদ্যালয়ৰ তৰ্ক আৰু আলোচনা শাখাৰ সম্পাদক পদত বিপুল ভোটত জয়ী হ'বলৈ সক্ষম হৈছিলোঁ।

দ্বিতীয় বৰ্ষৰ ছাত্ৰী শ্ৰীমতী মৌচুমী সন্দিকৈয়ে দ্বিতীয় শ্ৰেষ্ঠ তাৰ্কিক লাভ কৰে।

দ্বিতীয়তে, 'ড° এচ. এন সোঁৱৰণী সদৌ অসম আন্তঃমহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাখনি ধেমাজি বাণিজ্য মহাবিদ্যালয়ত অনুষ্ঠিত হয়। উক্ত প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয় সফলতাৰে দ্বিতীয় শ্ৰেষ্ঠ দল আৰু ব্যক্তিগতভাৱে ৰাহুল দে দ্বিতীয় শ্ৰেষ্ঠ তাৰ্কিক হয়।

বিগত বছৰসমূহৰ দৰে কাৰ্যকালৰ আৰম্ভণিতে পৰম্পৰাগত 'মহাবিদ্যালয় সপ্তাহ'খনি অনুষ্ঠিত হয়। এইখিনিতে মোৰ আক্ষেপ এটা থাকি গ'ল, অন্য শাখাৰ প্ৰতিযোগিতাৰ তুলনাত তৰ্ক আৰু আলোচনা শাখাৰ প্ৰতিযোগিতা সমূহত প্ৰতিযোগীৰ সংখ্যা দুখ লগাকৈ কম হোৱা দেখিবলৈ পাওঁ। অনেক ক্ষেত্ৰত প্ৰতিযোগীসকলক ব্যক্তিগতভাৱে সোধ-পোচ লব লগা হৈছিল। যি কি নহওক ২৩-১২-০৪ৰ পৰা আৰম্ভ হোৱা 'মহাবিদ্যালয় সপ্তাহ'খনিৰ প্ৰথম দিনাই তৰ্ক আৰু আলোচনা শাখাৰ প্ৰতিযোগিতাসমূহ অনুষ্ঠিত হৈছিল। প্ৰতিযোগিতাসমূহ উদ্বোধন কৰে মহাবিদ্যালয়ৰে ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক মাননীয় অমিয় কুমাৰ সন্দিকৈ ছাৰে। অন্যান্য ক্ষেত্ৰত সহায় কৰা মাননীয় শিক্ষাগুৰুসকলৰ উপৰিও কুইজ আৰু তৰ্ক প্ৰতিযোগিতাখনি মাননীয় শিক্ষাগুৰু সত্যৰঞ্জন নেওগ ছাৰ, প্ৰকাশ উপাধ্যায় ছাৰ, নৰেন্দ্ৰ দত্ত ছাৰ আৰু যামিনী শইকীয়া ছাৰে বিশেষভাৱে আকৰ্ষণীয় কৰি তোলাৰ লগতে যথেষ্ট উচ্চ মানদণ্ডৰ কৰি তুলিছিল। মোৰ বিভাগীয় উপদেষ্টা শ্ৰীযুত চিত্ৰ কুমাৰ কোঁচ আৰু শ্ৰীযুত দেৱেশ্বৰ পেগু ছাৰে প্ৰতিক্ষণতে যি বন্ধুত্বসুলভ দিহা-পৰামৰ্শ আৰু অভিভাৱক স্বৰূপ নিৰ্দেশ দি সহায় আগবঢ়ালে, ইয়াৰ বাবে তেখেতসকলৰ ওচৰত সদায় ঋণী হৈ থাকিম।

পূৰ্বৰ বছৰসমূহৰ তুলনাত মোৰ কাৰ্যকালৰ বছৰটোত বিভিন্ন প্ৰতিযোগিতা সমূহত প্ৰতিযোগীৰ সংখ্যা সন্তোষজনক আছিল বুলি ক'ব পাৰি। ঘাইকৈ কুইজ প্ৰতিযোগিতাত প্ৰতিযোগীৰ সংখ্যা সন্তোষজনক আছিল। ছাত্ৰ-ছাত্ৰীসকলৰ এনে উৎসাহজনিত কাৰ্য ভৱিষ্যতৰ বাবে শুভ লক্ষণ বুলি ক'ব পাৰোঁ।

প্ৰতিবছৰে অনুষ্ঠিত কৰি অহা 'স্বৰ্গীয় প্ৰহ্লাদ গোহাঁই সোঁৱৰণী আন্তঃমহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা'খনি পূৰ্বনিদ্ধাৰিত দিন ৪ নৱেম্বৰত অনুষ্ঠিত হয়। এই প্ৰতিযোগিতাখনি পূৰ্বতকৈ উন্নতমানৰ কৰি তুলিবলৈ যত্নৰ ত্ৰুটি কৰা নাছিলোঁ। সেইমৰ্মে প্ৰথমবাৰৰ বাবে চলন্ত বঁটাৰ লগতে 'প্ৰাইজমানি' পৰ্য্যায়ত অনুষ্ঠিত হয়। বিভাগীয় পুঁজি যথেষ্ট দুৰ্বল থকা স্বত্বেও মাননীয় অধ্যক্ষ মহোদয় ড° গিৰিণ গগৈ ছাৰৰ সহায়ৰ বাবে ইমানখিনি কৰিবলৈ সম্ভৱ হৈছিল। উক্ত প্ৰতিযোগিতাখনিত শ্ৰেষ্ঠ দল হিচাপে বিজয়ী হয় উত্তৰ লখিমপুৰ মহাবিদ্যালয়। দ্বিতীয় শ্ৰেষ্ঠ ঘোষিত হৈছিল ঢকুৱাখনা মহাবিদ্যালয়।



... উত্তৰ লখিমপুৰ মহাবিদ্যালয়। তৃতীয় শ্ৰেষ্ঠ ... ঘূটীয়া আছিল— ঢকুৱাখনা মহাবিদ্যালয়ৰ ছাত্ৰ ৰাহুল দে আৰু ধেমাজি বাণিজ্য মহাবিদ্যালয়ৰ ছাত্ৰ তপন কুমাৰ পেগু।

কৃতজ্ঞতা স্বীকাৰ ঃ কেইজনমান অগ্ৰজ-অনুজ ব্যক্তিৰ সহায়-সহযোগিতা আৰু দিহা-পৰামৰ্শ অবিহনে মোৰ কাৰ্যকাল চলাই নিয়া দুৰূহ হৈ পৰিলহেঁতেন। তেওঁলোকক দিবলৈ মোৰ ব্যক্তিগতভাৱে একো নাই আছে মাথোঁ মোৰ হৃদয়ত তেওঁলোকৰ প্ৰতি একান্ত শ্ৰদ্ধা, সন্মান আৰু মৰম। সেইসকলৰ ভিতৰত শ্ৰদ্ধাৰ শিক্ষাগুৰু, উপাধ্যক্ষ ড° জিতৰাম কলিতা ছাৰ, অধ্যক্ষ ড° গিৰিণ গগৈ ছাৰ, অমিয় কুমাৰ সন্দিকৈ ছাৰ, পূৰ্ণানন্দ গগৈ ছাৰ, অমৰেন্দ্ৰ পাল ছাৰ, শ্ৰীযুক্তা বাসন্তী মৰাং বাইদেউ, বিজয়া দত্ত বাইদেউ, কুইন হাজৰিকা বাইদেউৰ লগতে সেৱক চুতীয়া ছাৰলৈ মোৰ শ্ৰদ্ধা নিবেদিছোঁ। ইয়াৰ উপৰিও পুথিভঁৰালৰ সমূহ কৰ্মকৰ্তাৰ লগতে আমাৰ মহাবিদ্যালয়ৰ কৰ্মচাৰী গোটলৈ শ্ৰদ্ধা নিবেদিলোঁ।

বন্ধু-বান্ধৱীসকলৰ ভিতৰত আছে পংকজ, ৰিদিপ, দেৱজিৎ, লক্ষীন্দৰ, চন্দন, ৰাকেশ, ৰাজেশ, পংকজ, দেবাঞ্জন, বিপুল, বিৰাজ, ত্ৰিদিপ, তাৰানাথ, প্ৰকাশ, বশিষ্ঠদা, ৰাজুদা, পাপুদা, গিৰিন্দ্ৰ, মৃদুল, দুলাল, গায়ত্ৰী, বনশ্ৰী, ডেইজী, ৰিমঝিম, প্লাৰিতা, হীৰামণি বা, ৰীতা, ভন্টী জুৰি, কবিতা, জোনবা, ডলি, মৌচুমী, বৰ্ষা, বৰ্ণালী, ৰুবী, মুনমী, ভন্টি, নয়নমনি, পৰিস্মিতা, বাণী বা, মুনমী বা, ফুলমা, ৰাজশ্ৰী, ধনশ্ৰী, প্ৰীতি, মণিকা বা আৰু বিশেষভাৱে সহায় কৰা গীতালৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনালোঁ। ছাত্ৰ একতা সভাৰ উপসভাপতি আৰু সম্পাদকলৈ বিশেষ কৃতজ্ঞতাৰ লগতে ঢকুৱাখনা মহাবিদ্যালয়ৰ ছাত্ৰী নিবাসৰ সমূহ ছাত্ৰীলৈ মোৰ ধন্যবাদ থাকিল। যিসকলৰ নাম অজানিতে বৈ গ'ল তেওঁলোকৰ ওচৰত ক্ষমা প্ৰাৰ্থনা মাগিছোঁ। শেষত আমাৰ মহাবিদ্যালয়খনিৰ ভৱিষ্যত উজ্জ্বল কামনা কৰি মোৰ চমু প্ৰতিবেদন সামৰিছোঁ।

"জয়তু ঢকুৱাখনা মহাবিদ্যালয়
জয়তু ছাত্ৰ একতা সভা"

শ্ৰদ্ধাৰে—
সুশান্ত পেগু
সম্পাদক, তৰ্ক আৰু আলোচনা



## সমাজসেৱা সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে একাঞ্জলি শ্ৰদ্ধাঞ্জলি নিবেদিছো সেইসকললৈ, যি সকলে দেশৰ অখণ্ডতা আৰু সাৰ্বভৌমত্ব ৰক্ষাৰ বাবে নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰি বীৰৰ দৰে যুঁজি হাঁহি মুখে শ্বহীদ হ'ল।





২০০৪-০৫ বৰ্ষৰ মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচনত এই অভাজনক সমাজ সেৱাত ব্ৰতী হ'বলৈ সুবিধা দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ আন্তৰিক কৃতজ্ঞতা জনালো।

সম্পাদকৰ দায়িত্বভাৰ গ্ৰহণৰ কিছুদিন পাছতেই আহি পৰিছিল মহাবিদ্যালয়ৰ সপ্তাহ। 'মহাবিদ্যালয় সপ্তাহ'ত মোৰ বিভাগৰ পৰা এখনি সমাজ সেৱা প্ৰতিযোগিতা পাতিছিলো। প্ৰতিযোগিতাখনিত মই বহু অভিজ্ঞতাৰ স্বাদ পালো, য'ত আছিল মিঠা-তিতা, জ্বলা- পোৰা সকলোবোৰ। তথাপি প্ৰতিযোগিতাখনি সুচাৰুৰূপে চলাই নিবলৈ চেষ্টাৰ ত্ৰুটি কৰা নাছিলো। প্ৰতিযোগিতাৰ ফলাফল সমূহ এনেধৰণৰ আছিল ঃ

প্ৰথম শ্ৰেষ্ঠ সমাজ সেৱাৰ দল ঃ- 'ছাত্ৰী নিবাস' ৰ ছাত্ৰীসকল
দ্বিতীয় শ্ৰেষ্ঠ সমাজ সেৱাৰ দল ঃ- 'ছাত্ৰাবাস'- ৰাজেন গগৈ মেছ
শ্ৰেষ্ঠ সমাজ সেৱক ঃ- কিৰণ বুঢ়াগোহাঁই
শ্ৰেষ্ঠ সমাজ সেৱিকা ঃ- হীৰামণি লামুবৰুৱা

কৃতজ্ঞতা স্বীকাৰ ঃ দায়িত্ব ল'বৰে পৰা প্ৰতিটো পদক্ষেপতে দিহা-পৰামৰ্শ আগবঢ়োৱা বিভাগীয় উপদেষ্টা শ্ৰীযুত অমৰেন্দ্ৰ পাল চাৰৰ ওচৰত সেৱা জনাইছো আৰু অজানিতে যদি কেতিয়াবা ভুল হৈছিল তাৰ বাবে ক্ষমা মাগিছো। প্ৰতিযোগিতা সমূহ শৃংখলাবদ্ধ ভাৱে পৰিচালনা আৰু নিৰপেক্ষভাৱে বিচাৰ কৰি দিয়াৰ বাবে শ্ৰদ্ধাৰ শিক্ষাগুৰু শ্ৰীযুত ডিম্বেশ্বৰ চুতীয়া চাৰ, শ্ৰীযুত দিলীপ হাতীবৰুৱা চাৰ, শ্ৰীযুত অঞ্জন বৰগোহাঁই চাৰলৈ মই কৃতজ্ঞতা জ্ঞাপন কৰিছো। তদুপৰি মোৰ কাম-কাজত সহায় কৰা শুভাকাংক্ষীসকল উজ্জ্বল, দুলাল, মৃদুল, লক্ষীনন্দন, মহেন্দ্ৰ, মনোজ, ৰিতু, মীনাক্ষী, মমী, হীৰামণি, ৰশ্মি, অপৰূপা, জান, প্ৰীতিৰেখা, ৰাজশ্ৰী, ডেইজী, তন্দ্ৰালী, মন্দিৰা, ছাত্ৰাবাস আৰু ছাত্ৰী নিবাসৰ সকলোলৈকে তথা অজানিতে থাকি যোৱাসকলৰ প্ৰতি মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সদৌ শেষত, মোৰ কাৰ্যকালত অপ্ৰত্যাশিত ভাৱে বৈ যোৱা ভুল-ত্ৰুটিৰ বাবে সদৌটিৰে ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিছো। জ্ঞানৰ ফুঁহিপাতে সেউজ কৰক ঢকুৱাখনা মহাবিদ্যালয়। জ্ঞানৰ জ্যোতিৰে আলোকিত কৰক সমাজ।

জয়তু ঢকুৱাখনা মহাবিদ্যালয়।

শ্ৰদ্ধাৰে—
উদ্বোধন খনিকৰ
সম্পাদক, সমাজসেৱা বিভাগ



## শৰীৰ চৰ্চা সম্পাদকৰ প্ৰতিবেদন

আৰম্ভণিতে ঢকুৱাখনা মহাবিদ্যালয় স্থাপনত যিসকল মহান ব্যক্তিয়ে ত্যাগ স্বীকাৰ কৰি গৈছে, তেখেতসকলৰ প্ৰতি মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। লগতে মহাবিদ্যালয়ৰ অধ্যক্ষ, উপাধ্যক্ষ, শিক্ষাগুৰু, কৰ্মচাৰী বৃন্দক মই সশ্ৰদ্ধ প্ৰণাম জনাইছোঁ।

শৰীৰ চৰ্চা বিভাগৰ সম্পাদক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত 'মহাবিদ্যালয় সপ্তাহ' ত জড়িত হৈছিলোঁ। তাকৰীয়া পুঁজিৰে মোৰ বিভাগৰ প্ৰতিযোগিতাসমূহ চলাই নিয়াত কিছু অসুবিধাৰ সন্মুখীন হৈছিলোঁ যদিও কাম-কাজবোৰ সুচাৰুৰূপে চলাই নিবলৈ পাৰ্যমানে চেষ্টা কৰিছিলোঁ। এই আপাহতে বিভাগীয় উপদেষ্টা শ্ৰীযুত যোগানন্দ সূত চাৰৰ বহুমূলীয়া দিহা-পৰামৰ্শ, সহায়-সহযোগিতাৰ কথা সোঁৱৰণ কৰিলোঁ। চাৰক ধন্যবাদ জনোৱাৰ লগতে কাৰ্যনিৰ্বাহৰ সময়ছোৱাত অজানিতে কৰা ভুল-ভ্ৰান্তিৰ বাবে ক্ষমা মাগিলোঁ।

বাৰ্ষিক প্ৰতিযোগিতা সমূহত মোৰ বিভাগত প্ৰতিযোগীৰ সংখ্যা যথেষ্ট নাছিল। ভৱিষ্যতে প্ৰতিযোগীৰ সংখ্যা বাঢ়িব বুলি আশা কৰিলোঁ। প্ৰতিযোগিতা বোৰৰ বিচাৰকৰ দায়িত্ব গ্ৰহণ কৰা ব্যক্তিসকলক এই প্ৰতিবেদনতে কৃতজ্ঞতাৰে সোঁৱৰিছোঁ।

আমাৰ মহাবিদ্যালয়ত শৰীৰ চৰ্চা বিভাগৰ উন্নতিৰ লগতে এটা ব্যায়ামশালাৰ প্ৰয়োজন অনুভৱ কৰি কৰ্তৃপক্ষৰ কাণ চোৱাইছোঁ।

মোৰ কাৰ্যকালত সহায়-সহযোগ আগবঢ়োৱা ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি কৃতজ্ঞতা জনালোঁ। সদৌ শেষত ছাত্ৰ একতা সভাৰ দীৰ্ঘায়ু কামনা কৰি মোৰ চমু প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

শ্ৰদ্ধাৰে—
মঞ্জু বৰা
সম্পাদক, শৰীৰ চৰ্চা



## সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণি নিজৰ কথাৰেই কৰিব বিচাৰিছোঁ। ঢকুৱাখনা মহাবিদ্যালয়ত নামভৰ্তি কৰাৰ আগতেও নিজকে সংস্কৃতিৰ পথাৰখনত জড়িত কৰি আহিছিলোঁ। তাৰেই ফলশ্ৰুতি হয়তো সাংস্কৃতিক সম্পাদক হিচাপে আমাৰ সপোনৰ মহাবিদ্যালয়খনক সেৱা কৰাৰ সুযোগকণ। এই সুযোগকণ দিয়াৰ বাবে সংশ্লিষ্ট সকলোলৈকে ধন্যবাদ জনালোঁ।

একবিংশ শতিকাৰ দুৱাৰডলিত আমি। কিন্তু মানৱ সভ্যতাৰ বিকাশৰ এই সন্ধিক্ষণত আমাৰ সমাজ আৰু সংস্কৃতি অগ্ৰসৰ হৈছে চৰম অধঃপতনৰ বাটেদি। যি বাটেদি এসময়ত আমাৰ সমাজখন সুন্দৰভাৱে গঢ় লৈ উঠিছিল, যি বাটেদি শিৱ-সুন্দৰৰ পূজা হৈছিল, সেই বাট যেন আজি ৰুদ্ধ। এই অধঃপতন আমাৰ নতুন সমাজৰ কামনানে? নিজকে নিজে নাঙঠ কৰাৰ আগতেই কিবা এটা কৰিব নোৱাৰিনে? সকলোবোৰ দেখিও যেন কোনেও নেদেখে। চকু থাকিও...

এনে চৰম অধঃপতনৰ পিছতো আমি যুৱসমাজ যিদৰে জাগি

উঠিব লাগিছিল, যিদৰে সজাগ হ'ব লাগিছিল, সেইসময়ত আমাৰ মন ঢাকি ৰাখিছে হতাশাই, কিবা এক মোহগ্ৰস্ততাই! কিহৰ এই মোহগ্ৰস্ততা? পশ্চিমীয়া সভ্যতা-সংস্কৃতিৰ? নে সস্তীয়া কায়দাৰে পৰিচালিত জীৱনৰ?

সকলো সংস্কৃতিয়েই সুন্দৰ। আমাৰ অনুভৱত সুন্দৰৰ অন্য নামেই হ'ল- সংস্কৃতি। পৰিৱৰ্তনৰ বাটত সাংস্কৃতিক বিনিময় হ'বই লাগিব। কিন্তু নিজৰ মূলৰ পৰা বিছিন্ন হৈ যোৱাটো কেতিয়াও এটা জাতিৰ বাবে শুভ লক্ষণ হ'ব নোৱাৰে। আমাৰ সাংস্কৃতিক ঐতিহ্যক, আমাৰ লোক-সংস্কৃতিক যেন আমি পাহৰি যাবলৈ ধৰিছোঁ। আমাৰ লোকসংগীতক আমি পাহৰি পেলাইছোঁ। আমাৰ সংগীতজ্ঞসকল সুৰ বিচাৰি যায় বাহিৰলৈ, অথচ সুৰদী সুৰীয়া লোক সংগীতৰ সুৰে গোটেই অসম ভৰি আছে। এশ বছৰ ব্যৱহাৰ কৰিলেও যেন শেষ ন'হব। আমি এইবোৰৰ মূল নুবুজো। কিন্তু বাহিৰৰ সংগীতজ্ঞসকলে আমাৰ লোকসংগীতৰ সুৰ ব্যৱহাৰ কৰি বেচ নাম কৰাত লাগিছে। কিযে বিৰম্বনা...

ঢকুৱাখনা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই প্ৰতিনিধিত্ব কৰে বহুতো ছাত্ৰ-ছাত্ৰীৰ আশা-আকাংক্ষা; কিন্তু ছাত্ৰ-ছাত্ৰীসকলে যিমান আশা কৰি তেওঁলোকৰ প্ৰতিনিধিক নিৰ্বাচিত কৰে, প্ৰতিনিধিসকলে তাৰ চাৰিভাগৰ এভাগ পূৰণ কৰিব পাৰেনে? কাৰ্যকালৰ এই বিয়লি বেলাত ভুগিছোঁ এক অপৰাধবোধত। প্ৰত্যেকেই নিজৰ দেহত চিকুটি চোৱা উচিত আমি আচলতে গতানুগতিকতাৰ বাদে কিবা কৰিব পাৰিলোনে? প্ৰকৃতাৰ্থত ছাত্ৰ একতা সভা বুলিলে যি বুজা যায়, সেই হিচাপে কাম কৰা যায়নে? ছাত্ৰ একতা সভাৰ নিৰ্বাচন বছৰে বছৰে হ'ব। নিৰ্বাচিত হ'ব নতুন নতুন সম্পাদক, বিষয়-ববীয়া সকল। কিন্তু উমৈহতীয়া কাৰ্যসূচী যদি নাথাকে, একেলগে কাম কৰাৰ মানসিকতা যদি নাথাকে, তেন্তে কোনো এখন ছাত্ৰ একতা সভাই এই মহাবিদ্যালয়ৰ বাবে কুটা এগছো কৰিব নোৱাৰে।

আমাৰ কাৰ্যকালৰ বিষয়ে উল্লেখ কৰিব লাগিলে প্ৰথমেই নাম ল'ব লাগিব "কলেজ সপ্তাহ"। এই সপ্তাহৰ লগত সংগতি ৰাখি সাংস্কৃতিক বিভাগৰ অধীনত থকা বিভিন্ন প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰা হৈছিল। এইবাৰৰ কলেজ সপ্তাহৰ মুখ্য আকৰ্ষণ আছিল "সাংস্কৃতিক সন্ধিয়া"। বহুবছৰ ধৰি অনুষ্ঠিত নোহোৱা এই সাংস্কৃতিক সন্ধিয়াখনি সঁচাই অধিক আকৰ্ষণীয় হৈছিল। সাংস্কৃতিক সন্ধিয়াত বাহিৰা শিল্পী আমন্ত্ৰণ কৰাতকৈ মহাবিদ্যালয়ৰ সুপ্ত প্ৰতিভা ওৰণিৰ তলৰ পৰা উলিয়াই আনিবলৈ প্ৰচেষ্টা হাতত লোৱা হৈছিল। সেয়ে তেওঁলোকক মহাবিদ্যালয়ৰ পৰাই যথাসাধ্য বাদ্যযন্ত্ৰ তথা অনুষ্ঠান পৰিৱেশনৰ বাবে প্ৰয়োজনীয় সামগ্ৰী যোগান ধৰাৰ ব্যৱস্থা সম্পূৰ্ণ নিজা পৰিকল্পনাৰে অন্যান্যৰ সহায়-সহযোগতে কৰা হৈছিল।

ঢকুৱাখনা মহাবিদ্যালয়ত প্ৰতিভাৰ অভাৱ নাই। কিন্তু সঠিক সুযোগ আৰু সুবিধাৰ অভাৱত সুপ্ত প্ৰতিভাসমূহ সুপ্ত হৈয়েই থাকি যায়। এই সুপ্ত প্ৰতিভাসমূহ পোহৰলৈ অনাৰ দায়িত্ব এই মহাবিদ্যালয়ৰ শিক্ষাগুৰুসকলৰ বহুত বেছি। কিয়নো এবছৰীয়া কাৰ্যকালেৰে নতুন নতুন ছাত্ৰ একতা সভা বছৰে বছৰে আহিব আৰু যাব। কিন্তু শিক্ষাগুৰু সকল দীঘলীয়া সময়ৰ বাবে থাকিব। গতিকে এইক্ষেত্ৰত তেওঁলোকৰ পৰাহে ছাত্ৰ-ছাত্ৰীসকল বেছি লাভান্বিত হ'ব বুলি আমাৰ বিশ্বাস।

সদৌ শেষত আমাৰ কাৰ্যকালত হোৱা অজানিত ভুল-ক্ৰটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিলোঁ। আমাৰ কাৰ্যকালৰ প্ৰতিটো দিশতে সহায়-সহযোগিতা তথা দিহা-পৰামৰ্শ আগবঢ়োৱা উপদেষ্টা মহোদয় শ্ৰীযুত নৰেন দাস, অমিয় কুমাৰ সন্দিকৈ তথা মহাবিদ্যালয়ৰ সকলো শিক্ষাগুৰু আৰু কৰ্মচাৰীৰ ওচৰত মই আজীৱন কৃতজ্ঞ হৈ ৰ'ম। হয়তো জীৱনৰ কোনো মুহূৰ্ততে পাহৰিব নোৱাৰিম মোৰ অন্যতম অন্তৰংগ বন্ধু বশিষ্ঠ, অপু, গিৰিন্দ্ৰ আৰু বিশ্বক—যিকেইজনৰ সহায়-সহযোগ নোহোৱা হ'লে আজি একোৱেই নহ'লহেতেন। ইয়াৰোপৰি মোৰ প্ৰতিটো ক্ষেত্ৰতে সহায়-সহযোগ আগবঢ়োৱা পলি, কৰবী, বৰ্ণালী, সোণালী, ৰীতা, মামু, জিতু তথা মহাবিদ্যালয়ৰ সমূহ অগ্ৰজ বন্ধু-বান্ধৱী তথা অনুজলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সদৌ শেষত ঢকুৱাখনা মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ চমু প্ৰতিবেদন সামৰণি মাৰিলোঁ।

"জয়তু ঢকুৱাখনা মহাবিদ্যালয়"

শ্ৰদ্ধাৰে—
পুতুল চমুৱা
সম্পাদক, সাংস্কৃতিক শাখা



# ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে অসমৰ অস্তিত্ব আৰু ভাষা-সংস্কৃতি ৰক্ষাৰ বাবে যিসকলে জীৱন দানৰ দৰে মহান ত্যাগ কৰি গ'ল, সেইসকলৰ প্ৰতি গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰিছো। লগতে মহাবিদ্যালয়ৰ ছাত্ৰ সমাজৰ প্ৰতিনিধি হিচাপে নিৰ্বাচিত কৰি ছাত্ৰসমাজ তথা মহাবিদ্যালয়ৰ সেৱা আগবঢ়াবলৈ সুযোগ দিয়া শুভাকাংক্ষীসকলক আন্তৰিক কৃতজ্ঞতা জনাইছো।

মই মোৰ কাৰ্যকালত ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক হিচাপে কিমান নিষ্ঠা আৰু সততা তথা যোগ্যতাৰে সেৱা আগবঢ়াব পাৰিলো সেয়া আপোনাসবৰ বিচাৰ্য বিষয়।

মোৰ কাৰ্যকালৰ প্ৰতিটো কাৰ্যসূচী সুচাৰুৰূপে চলাই নিবলৈ চেষ্টা কৰিছিলো। মহাবিদ্যালয় সপ্তাহৰ মোৰ বিভাগৰ খেলসমূহ সুচাৰুৰূপে পৰিচালনা কৰিছিলো। কাৰ্যকালৰ আটাইতকৈ উল্লেখনীয় দিনটো আছিল ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা আন্তঃমহাবিদ্যালয় 'টেবুল টেনিছ' প্ৰতিযোগিতাত পৰাণ বুঢ়াগোহাঁই, যোগানন্দ বুঢ়াগোহাঁই, মৌচুম গগৈ, কৌস্তভ কুমাৰ দাসে অংশগ্ৰহণ কৰি মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনিছিল। পোন প্ৰথমবাৰৰ বাবে আৰু অনভিজ্ঞতাৰ হেতু বিশেষ সাফল্য অৰ্জন কৰিব নোৱাৰিলেও যথেষ্ট যুঁজাৰু মানসিকতাৰ পৰিচয় দিছিল।

মোৰ কাৰ্যকালৰ প্ৰতিটো ক্ষেত্ৰতে সহায়ৰ হাত আগবঢ়োৱা সকলোলৈকে মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো। তেনে বহুজনৰ ভিতৰত প্ৰৱক্তা তথা বিভাগীয় উপদেষ্টা শ্ৰীযুত মৃদুল গগৈ চাৰৰ দিহা-পৰামৰ্শৰ বুলনিতেই মোৰ কাৰ্যকালৰ সফল সমাপ্তি কৰিলো।

কৃতজ্ঞতা স্বীকাৰ ঃ কৌস্তভ, মৌচুম, দেৱজিত, পূৰ্ণানন্দ, ৰাজকমল, পৰাণ, যোগানন্দ, জ্যোতিষ, কৈলাশদা, অৰুণ, কৃষ্ণ, ৰূপজ্যোতিলৈ মই বিশেষভাৱে ধন্যবাদ জনাইছো।

"জয়তু ঢকুৱাখনা মহাবিদ্যালয়"

"জয়তু ছাত্ৰ একতা সভা"

শ্ৰদ্ধাৰে—
প্ৰাঞ্জল বড়া
সম্পাদক, ছাত্ৰ জিৰণি কোঠা









# ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন

জয় জয়তে ঢকুৱাখনা মহাবিদ্যালয়ৰ সেইসকল ব্যক্তিলৈ মোৰ শ্ৰদ্ধা নিবেদিছোঁ, যিসকলৰ আপ্ৰাণ প্ৰচেষ্টাত মহাবিদ্যালয়খনি আজি এনে এটা অৱস্থাত উপনীত হৈছেহি। মাননীয় অধ্যক্ষ মহোদয়ৰ প্ৰমুখ্যে শিক্ষাগুৰুসকল আৰু সমূহ ছাত্ৰ-ছাত্ৰীলৈও মোৰ শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ।

দায়িত্বত থকা কালছোৱাত সকলো সময়তে মোক মহৎ দিহা-পৰামৰ্শৰে সহায় কৰা বিভাগীয় উপদেষ্টা মহোদয়া শ্ৰীযুত বাসন্তী মৰাং বাইদেউলৈ মোৰ সশ্ৰদ্ধ প্ৰণাম জ্ঞাপন কৰাৰ লগতে মোৰ দায়িত্বৰ কালছোৱাত তেওঁৰ দৰে সৰল আৰু উদাৰ মনৰ এগৰাকী পৰামৰ্শদাতা পাই নিজে গৌৰৱবোধ কৰিছোঁ।

ঢকুৱাখনা মহাবিদ্যালয়ৰ ২০০৪-২০০৫ বৰ্ষৰ সাধাৰণ নিৰ্বাচনত যি সকল শুভাকাংক্ষী বান্ধৱী তথা ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন দিশত মোক সহায়-সহযোগিতা আগবঢ়াই ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ উন্নতিৰ হকে যথাসম্ভৱ সেৱা আগবঢ়াবলৈ সুবিধা দিলে, সেই সকলো ছাত্ৰী-বান্ধৱীলৈ মোৰ হিয়া ভৰা শ্ৰদ্ধা জনালোঁ। মোৰ এই এবছৰীয়া কাৰ্যকালত মই কিমান দূৰ সফল হ'ব পাৰিলো বা নোৱাৰিলো সেইয়া মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ বিচাৰ্য বিষয়।

উপৰুৱাকৈ চালে দায়িত্বটো সহজ যেন লাগিলেও মোৰ দৃষ্টিত ছাত্ৰ একতা সভাৰ প্ৰতিজন বিষয়-ববীয়াৰেই দায়িত্ব সমূহ গুৰুত্বপূৰ্ণ। কিন্তু অপ্ৰিয় হ'লেও মই মোৰ প্ৰতিবেদনত এটা কথা স্বীকাৰ কৰোঁ যে ঢকুৱাখনা মহাবিদ্যালয়ৰ বৰ্তমানৰ সাধাৰণ সম্পাদকৰ লগত অন্যান্য বিষয়-ববীয়া সকলৰ বহুক্ষেত্ৰত একতাৰ অভাৱ ঘটাৰ হেতুকে ছাত্ৰ একতা সভাই মহাবিদ্যালয়খনৰ সৰ্বাংগীন উন্নতিৰ হকে অৰিহণা যোগোৱাত অসুবিধাৰ সন্মুখীন হ'বলগীয়া হ'ল। সেইবাবে মই কাতৰে অনুৰোধ জনাওঁ যে ভৱিষ্যতৰ দিনবোৰত ছাত্ৰ একতা সভাৰ এই আসোঁৱাহ-সমূহ দূৰ কৰি এখন সুস্থ ছাত্ৰ একতা সভাৰ গঠন সম্ভৱ কৰি তুলিব।

ইমান এটা গধুৰ দায়িত্ব, কম সংখ্যক পুঁজিৰ জৰিয়তে মহাবিদ্যালয় সপ্তাহটি চলাই নিয়াত অলপ হ'লেও অসুবিধাৰ সন্মুখীন হৈছিলো। সেইবাবে ছাত্ৰী সকলৰ যিমান খিনি অভাৱ পূৰণ কৰাৰ ইচ্ছা আছিল, সিমান খিনি অভাৱ পূৰণ কৰিব নোৱাৰিলো। তাৰবাবে মই সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা মাগিলো।

বিগত বছৰৰ ক্ৰীড়া প্ৰতিযোগিতা সমূহৰ উপৰিও এইবছৰ ছাত্ৰী জিৰণি কোঠা শাখাৰ পৰা নতুনকৈ দুটা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল মোৰ শ্ৰদ্ধাৰ উপদেষ্টা মাননীয়া বাসন্তী মৰাং বাইদেউৰ আপ্ৰাণ চেষ্টাৰ ফলত। প্ৰতিযোগিতা দুটা আছিল— 'কইনা' প্ৰতিযোগিতা আৰু 'পুষ্পসজ্জা' প্ৰতিযোগিতা।

এইখিনিতে ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে ছাত্ৰী সকলৰ যি অভাৱ-অভিযোগ সেইয়া অৱগত কৰিবলৈ গৈ মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক অনুৰোধ জনাওঁ যে ছাত্ৰী জিৰণি কোঠাৰ চাৰিবেৰটো তাঁৰৰ বেৰা দিয়াৰ লগতে লোহাৰ গেট দিয়াৰ ব্যৱস্থা কৰে যেন। কিয়নো ছাত্ৰী জিৰণি কোঠাটো ছাত্ৰী নিবাসৰ ভিতৰত হোৱাৰ বাবে বহু অসুবিধাত পৰিবলগাত পৰে। যদিও ছাত্ৰী জিৰণি কোঠাত ছাত্ৰী সকলে মুক্ত মনে নিজৰ পাঠ্যপুথি অধ্যয়ন কৰিব পৰা সুবিধা আছে, তথাপিও দূৰত হোৱাৰ বাবে তালৈ প্ৰায়েই নাযায়। সেইবাবে সকলো সময়তে মানুহ নথকাৰ বাবে বন্ধ কৰি ৰাখিব লগা হয়।

ইয়াৰ উপৰিও আৰু অভাৱে ছাত্ৰীসকলৰ প্ৰতিভা বিকাশত বাধা জন্মাইছে। কিয়নো সাধাৰণ কেইপদ মান খেলৰ সামগ্ৰীৰ বাদে কোনো উন্নত মানৰ ক্ৰীড়া প্ৰতিযোগিতাৰ সামগ্ৰীৰ ব্যৱস্থা এতিয়াও হৈ উঠা নাই। যাৰ ফলত আমাৰ ছাত্ৰীসকলে আন্তঃমহাবিদ্যালয় ক্ৰীড়া প্ৰতিযোগিতাসমূহত অংশগ্ৰহণ কৰাৰ পৰা বিৰত থাকিব লগা হয়।

মোৰ দায়িত্বৰ কালছোৱাত খেলৰ সামগ্ৰীসমূহ সযতনে ৰাখিবৰ বাবে এটা ট্ৰাংকৰ ব্যৱস্থা কৰিলো। যাতে ভৱিষ্যতেও খেলৰ সামগ্ৰী সমূহ সংৰক্ষণ কৰি ৰাখিব পৰা যায়।

কৃতজ্ঞতা স্বীকাৰ ঃ ছাত্ৰৰ পৰা আৰম্ভ কৰি মহাবিদ্যালয়ৰ চকীদাৰলৈকে সকলোৱে মোক ইমান সহায় কৰিলে যে মই ইয়াৰ নাম উল্লেখ কৰিবলৈ হ'লে এইখন প্ৰতিবেদন নহৈ আন কিবাহে হ'বগৈ।

সেইবাবে মহাবিদ্যালয়ৰ সকলোলৈকে মোৰ হিয়াভৰা ওলগ জনালো আৰু কৃতজ্ঞতা স্বীকাৰ কৰিলো। ইয়াৰ মাজতে মোক প্ৰতিমুহূৰ্ততে সহায় কৰা মোৰ বান্ধৱী মুনমী গগৈ, বাণী, সংগীতা বা, লগতে বন্ধু বিজু চুতীয়া, অখিল, অনুপম, ভাইটি ৰিদিপ খনিকৰ, আৰু মোৰ মৰমৰ ভন্টী চন্দ্ৰমা (কণ), ৰিজু, ৰূপালী, ডেইজী, বৰ্ণালী, জ্যোতিকা, চুমিলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনোৱাৰ লগতে সকলো ছাত্ৰী নিবাসৰ ছাত্ৰীৰ ওচৰত মই কৃতজ্ঞতা স্বীকাৰ কৰিছো।

লগতে কাৰ্য-নিৰ্বাহৰ সময়ত জ্ঞাতে বা অজ্ঞাতে হৈ যোৱা ভুলৰ বাবে মই ক্ষমা ভিক্ষা মাগিছো।

পৰিশেষত, ঢকুৱাখনা মহাবিদ্যালয় "অজ্ঞানৰ আন্ধাৰ ভেদি নিতে নৱসৃষ্টিৰে আপোন প্ৰতিভা বিকাশি" আগবাঢ়ি যোৱাৰ মানসেৰে—

ধন্যবাদেৰে—
ৰিজুমনি গগৈ
সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা

# The List of Winners of Competitions : College Week : 2004-2005

## Results of Major Games

**Cricket :**
Champion Group : H.S. 1st year. (Arts)
1. Bhabesh Das
2. Manuj Provakar Sarmah
3. Dipankar Das
4. Rakesh Gogoi
5. Arunjyoti Dutta
6. Pradyut Gogoi
7. Pranab Gogoi
8. Mridul Gogoi
9. Dhruba Gogoi
10. Dipankar Dutta

Runners up : H.S. 2nd Year (Arts)

**Foot Ball :**
Champion Group : Boy's Hostel
1. Mintu Chutia
2. Binod Rajkhuwa
3. Divyajyoti Chutia
4. Jyotish Senapati
5. Sanjib Chutia
6. Ridip Khanikar
7. Biju Chutia
8. Apurba Chutia
9. Rantu Chutia
10. Dulumoni Doley
11. Ghanasyam Gogoi
12. Manuj Saikia
13. Ajit Gohain
14. Mriganka Lamu

Runners up : T.D.C. Science

**General Sports :**

**100 Metres Race (Boys') :**
1st : Hemanta Parmey
2nd : Jitu Borah
3rd : Dulumoni Doley

**100 Metres Race (Girls') :**
1st : Pankhi Chutia
2nd : Dipika Dutta
3rd : Biju Doley

**200 Metres Race (Boys')**
1st : Dulumoni Doley
2nd : Hemanta Parmey
3rd : Binod Rajkhuwa

**200 Metres Race (Girls')**
1st : Pankhi Chutia
2nd : Dipika Dutta
3rd : Devajani Gogoi

**400 Metres Race (Boys)**
1st : Hemanta Parmey
2nd : Dulumoni Doley
3rd : Raj Kiran Pegu

**400 Metres Race (Boys')**
1st : Hemanta Parmey
2nd : Dulumoni Doley
Dhruba Gogoi
3rd : Nomal Doley
Dhiren Pegu

**1600 Metres Race (Boys')**
1st : Hemanta Parmey
2nd : Dulumoni Doley
3rd : Bhabesh Das

**Javlin Throw (Boys')**
1st : Bhabesh Das
2nd : Dulumoni Doley
3rd : Satya Sonuwal

**Javlin Throw (Girls')**
1st : Babi Chutia
2nd : Pallabi Saikia
3rd : Bornali Borman

**Shot Put (Boys')**
1st : Paranjyoti Burhagohain
2nd : Satya Sonuwal
3rd : Dulumoni Doley

**Shot Put (Girls') :**
1st : Pankhi Chutia
2nd : Tilomoni Handique
3rd : Babi Chutia

**Discuss Throw (Boys') :**
1st : Satya Sonuwal
2nd : Paranjyoti Burha Gohain
3rd : Dulumoni Doley

**Discuss Throw (Girls') :**
1st : Tribeni Borgohain
2nd : Pallabi Saikia
3rd : Rekha Patir

**Long Jamp (Boys') :**
1st : Satyajit Sunuwal
2nd : Hemanta Parmey

**Long Jamp (Girls') :**
1st : Pankhi Chutia
2nd : Babi Chutia
3rd : Namita Doley

**High Jamp (Boys') :**
1st : Dulumoni Doley
2nd : Satyajit Sonuwal
3rd : Rakesh Pegu

**High Jamp (Girls') :**
1st : Babi Chutia

**Best Athletic : Dulumoni Doley**

## Results of Cultural Competitions

**Borgeet :**
1st : Rimjhim Chetia
2nd : Tina Chamuah
3rd : Mousumi Handique

**Lokageet :**
1st : Rimjhim Chetia
2nd : Tina Chamuah
3rd : Mousumi Handique

**Gajal :**
1st : Rimjhim Chetia
2nd : Mousumi Handique
3rd : Mousum Gogoi

**Bhajan :**
1st : Rimjhim Chetia
2nd : Mousumi Handique
3rd : Sushanta Pegu

**Jyoti Songeet :**
1st : Mousumi Handique
2nd : Rimjhim Chetia
3rd : Tina Chamuah

**Rabha Songeet :**
1st : Rimjhim Chetia
2nd : Mousumi Handique
Tina Chamuah
3rd : Syamalima Gogoi

**Bongeet :**
1st : Rimjhim Chetia
2nd : Mousumi Handique
3rd : Tina Chamuah

**Modern Song :**
1st : Mousumi Handique
2nd : Rimjhim Chetia
3rd : Tina Chamuah

**Bhupendra Songeet :**
1st : Mousumi Handique
2nd : Rimjhim Chetia
3rd : Tina Chamuah

**Parvati Prasad Geet :**
1st : Rimjhim Chetia
2nd : Mousumi Handique
3rd : Tina Chamuah

**Bihu Geet :**
1st : Rimjhim Chetia
2nd : Tilottama Bharali
3rd : Syamalima Gogoi

**Hindi Geet :**
1st : Rimjhim Chetia
2nd : Mousumi Handique
3rd : Syamalima Gogoi

**Oi Nitom :**
1st : Binita Doley
2nd : Anjana Pegu
3rd : Rimjhim Chetia

**Anu Nitom :**
1st : Binita Doley
2nd : Anjana Pegu
Rimjhim Chetia
3rd : Sushanta Pegu

**Bihu Dance :**
1st : Nijara Gogoi
2nd : Tilomoni Hondique
3rd : Syamalima Gogoi

**Modern Dance :**
1st : Mousumi Gogoi
2nd : Rimjhim Chetia
3rd : Syamalima Gogoi

**Akak Abhinay :**
1st : Dali Gogoi
2nd : Juri Boruah
3rd : Suchen Borman





**Koutuk Abhinay :**
1st : Suchen Borman
2nd : Mahanandra Khaound
Dipen Dutta
3rd : Sunil Chamuah
Ramen Tamuli

**Bhekson :**
1st : Ramen Tamuli
2nd : Mandira Borah
3rd : Bani Gogoi
Bornali Das

**Muka Abhinay :**
1st : Monuranjan Das
2nd : Nil
3rd : Nil

**Akangka Naat :**
Best Group : 'Unmadar Deshat'
Dramatist : Atanu Bhuyan
Director : Bhaben Tamuli
2nd Group : *'Moi Durashar Kebale Tumar Aparadhi Narayana'*
Dramatist : Navajyoti Pathak
Director : Jitu Borah
3rd Group : 'Ata Bhrunar Parthana'
Dramatist : Gayatri Doley
Director : Gayatri Doley
***Best Singer : Rimjhim Chetia***
***Best Actor : Jitu Borah***
***Best Actress : Daiji Khanikar***
***Best Director : Bhaben Tamuli***

## Results of Debating and Symposium Competition

**Debating Competition :**
1st : Barasha Gogoi
2nd : Mousumi Handique
3rd : Runjun Dutta

**Extempore :**
1st : Mousumi Handique
2nd : Mithun Dhar
3rd : Beauti Borah

**Qiuze:**
1st Group : Mousumi Handique
Barasha Gogoi
Bornali Dutta
Nitul Kunch
2nd Group : Syamalima Gogoi
Mithun Dhar
Sachin Gogoi
Mousum Gogoi

***Best Debator : Barasha Gogoi***
***Best Debating and Symposium Competitor : Mousumi Handique***

## Results of Literature and Art Competition

**Assamese Poem Recitation :**
1st : Parishmita Gogoi
2nd : Mousumi Handique
3rd : Bornali Dutta
Anisha Burhagohain

**Hindi Poem Recitation :**
1st : Barasha Gogoi
2nd : Anurupa Dutta
3rd : Mousumi Handique
Parishmita Gogoi
Mithun Dhar

**English Poem Recitation :**
1st : Syamalima Gogoi
2nd : Mousumi Handique
3rd : Parishmita Gogoi

**Self Written Poem Recitation :**
1st : Sushanta Pegu
2nd : Mousumi Handique
3rd : Bashistha Dev Phukan
Aparajita Burhagohain
Dipen Dutta

**Assamese News Reading :**
1st : Barasha Gogoi
2nd : Syamalima Gogoi
3rd : Rashmi Chutia

**English News Reading :**
1st : Syamalima Gogoi
2nd : Mithun Dhar
3rd : Mousum Gogoi

**(Written at Home)**

**Essay :**
1st : Gayatri Doley
2nd : Krishna Kanta Chetia
3rd : Ritu Kumar Das

**Short Story :**
1st : Bashistha Dev Phukan
2nd : Pankaj Saikia
3rd : Rashna Palak
Sushanta Pegu

**Light Essay**
1st : Bashistha Dev Phukan
2nd : Dipen Dutta
3rd : Monika Konwar

**Drama**
1st : Nil
2nd : Gayatri Doley
3rd : Pankaj Saikia

**Poem**
1st : Gayatri Doley
2nd : Ranjit Sharmah
3rd : Bashistha Dev Phukan

**Art Competition (On the Spot) :**
1st : Nil
2nd : Rashmi Chutia
3rd : Tilok Konwar

**Wall magazine Competition :**
'Department of Zoology' (Pranee Bijyan Verta)

**The result of Freshmen Social**

**Poem Competition (On the Spot) :**
1st : Gayatri Doley
2nd : Beauti Borah

**Art Competition (On the Spot) :**
1st : Himanga Gogoi
2nd : Rashmi Chutia

## Results of Gymnasium

**Arms Wrestling (Girls')**
0-55 Kg :
Krishna Mili (Champion)
Tandrali Mili (Runnurs up)
55-60 Kg :
Babi Chutia (Champion)
Sumi Konwar (Runnurs up)
60Kg above:
Malabika Chutia (Champion)
Rashna Palak (Runnurs up)

**Champion of the Champion :**
**Babi Chutia**

**Arms Wrestling (Boys')**
0-55 Kg :
Krishna Kanta Chetia (Champion)
Dhruba jyoti Gogoi (Runnurs up)
55-60 Kg :
Rantu Chutia (Champion)
Gobin Kalita (Runnurs up)
60-65 Kg :
Jadumoni Bharali (Champion)
Rakesh Pegu (Runnurs up)
65 Kg above :
Pradeep Pegu (Champion)
Dhiren Pegu (Runnurs up)

**Champion of the Champion :**
Rantu Chutia

**Power Lifting (Girls')**
1st : Babi Chutia
2nd : Krishna mili
3rd : Namita Doley

**Strong Girl of Dhakuakhana College. (2004-05)**
**Babi Chutia**

**Power Lifting (Boys')**
0-55 Kg.
1st : Krishna Kanta Chetia
2nd : Dhruba Jyoti Gogoi
3rd : Papan Gogoi
55-60 Kg :
1st : Gobin Kalita
2nd : Rantu Chutia
3rd : Mahendra Lamu
60 Kg. above :
1st : Hemanta Parmey
2nd : Pradeep Pegu
3rd : Pranab Chutia

**Strong Boy of Dhakuakhana College (2004-05) :**
**Gobin Kalita**

**Weight Lifting (Girls')**
0-55 Kg.
1st : Tandrali Mili
2nd : Krishna Mili
3rd : Nil
55-60 Kg :
1st : Pankhi Chutia
2nd : Namita Pegu
3rd : Babi Chutia

**Iron Girl of Dhakuakhana College (2004-05)**
**Tandrali Mili**

**Weight Lifting (Boys')**

0-55 Kg :
1st : Papon Gogoi
2nd : Krishna Kanta Chetia
3rd : Nil

55-60 Kg.
1st : Gobin Kalita
2nd : Mahendra Lamu
3rd : Rantu Chutia

60 Kg. above :
1st : Manuj Borah
2nd : Mridul Doley
3rd : Nomal Doley

**Iron Boy of Dhakuakhana College (2004-05): Gobin Kalita**

**Body Building**
1st : Gobin Kalita
2nd : Rantu Chutia
3rd : Papon Gogoi

**Mr. D. K. C. (2004-2005) : Gobin Kalita**

**Swimming (Girls')**
1st : Pankhi Chutia
2nd : Babi Chutia
3rd : Nil

**(Adjudged the best in Girls' Swimming events) : Pankhi Chutia**

**Swimming (Boys')**
1st : Hemanta Parmey
2nd : Manuj Saikia
3rd : Rantu Chutia

**(Adjudged the best in Boys' Swimming events) : Hemanta Parmey**

**Yoga**
1st : Niton Gohain
2nd : Sushanta Pegu
3rd : Nil

**Yoga Samrat : Niton Gohain.**

## Results of Boys' Common Room

**Badminton (Single) :**
Champion : Purnananda Doley
Runnurs up : Pranab Chutia

**Badminton (Double) :**
Champion : Purnananda Doley, Koustav Kumar Das
Runnurs up : Pranab Hazarika, Manuj Dutta

**Mixed Double :**
Dual Champion : Mousum Gogoi, Krishna Boruah, Koustav Kumar Das, Pampi Gogoi

**Table Tennis (Single) :**
Champion : Kailash Dutta
Runnurs up : Mousum Gogoi

**Table Tennis (Double) :**
Champion : Mousum Gogoi, Yogananda Burhagohain

**Chess :**
Champion : Krishna kanta Chetia
Runnurs up : Debanjan Boruah

**Carom (Single) :**
Champion : Arunjyoti Dutta
Runnurs up : Nabajyoti Changmai

**Carom (Double) :**
Champion : Dibyajyoti Saikia, Nabajyoti Changmai
Runnurs up : Arun Chutia, Dinamoni Deka

**The Best Player in Indoor Games : Koustav Kumar Das**

## Result of Girls' Common Room

**Carom Competition (Single) :**
Champion : Mridusmita Phukan
Runners up : Runjun Patir

**Carrom Competition (Double) :**
Champion : Munmi Gogoi, Pallabi Saikia
Runners up : Bornali Gogoi, Syamalima Gogoi

**Badminton (Single) :**
Champion : Krishna Boruah
Runners up : Jyotika Patir

**Badminton (Double) :**
Champion : Krishna Boruah, Pampi Boruah
Runners up : Munmi Gogoi, Riju Devi

**Chess :**
Champion : Bivarani Borah
Runners up : Pompi Boruah

**Ludu (Single):**
Champion : Mridusmita Phukan
Runners up : Pompi Boruah

**Chess (Double):**
Champion : Shewali Kalita, Pari Borgohain
Runners up : Barasha Gogoi, Ranjana Gogoi

**Ring Competition (Single) :**
Champion : Tandrali Mili
Runners up : Malabika Chutia

**College Queen Competition :**
1st : Syamalima Gogoi
2nd : Beauti Borah
3rd : Pinki Jain

**Puspa Sajja :**
1st : Hiramoni Lamu Boruah
2nd : Mousumi Gogoi
3rd : Maman Gogoi

**Dress Exhibition :**
1st : Mridusmita Phukan, Devajani Gogoi
2nd : Lakhi Chamuah, Angshumi Gogoi
3rd : Dipika Dutta, Mitali Chetia

--00--





# DHAKUAKHANA COLLEGE MAGAZINE

## OUR EX. EDITORS

| Vol. | Years | Editors |
|---|---|---|
| I | 1971-1972 | Mohuram Chamuah |
| II | 1972-1973 | Bagen Boruah |
| II | 1973-1975 | Madan Chutia |
| IV | 1975-1977 | Bishnu Borborah |
| V | 1977-1978 | Pabitra Kumar Gogoi |
| VI | 1978-1985 | Ananta Kumar Dutta |
| VII | 1985-1986 | Ramen Chutia |
| VIII | 1986-1988 | Lakheswar Sonowal |
| IX | 1988-1989 | Loknath Handique |
| X | 1989-1990 | Chitra Kumar Konch |
| XI | 1990-1991 | Cheniram Gogoi |
| XII | 1991-1992 | Lekhan Chutia |
| XIII | 1992-1993 | Hemanta Kumar Boruah |
| XIV | 1993-1994 | Devid Gogoi |
| XV | 1994-1995 | Jayanta Madhab Boruah |
| XVI | 1995-1996 | Jitu Dutta |
| XVII | 1996-1997 | Palash Konch |
| XVIII | 1997-1998 | Jiten Saikia |
| XIX | 1998-1999 | Pabitra Kalita |
| XX | 1999-2000 | Dhrubajyoti Handique |
| XXI | 2000-2001 | Madhab Saikia |
| XXII | 2001-2002 | Ashwini Kumar Pegu |
| XXIII | 2002-2003 | Meghalee Dutta |
| XXIV | 2003-2004 | Bashistha Dev Phukan |




DHAKUAKHANA COLLEGE MAGAZINE, VOL XXVII 2004-2005, Edited by Pankaj Saikia and Published by Dhakuakhana College Students Union, Dhakuakhana-787055, Assam and Printed at Quality Offset Printers, Dhakuakhana.